GAS S6 01 (M/P)

Exam Code: ASM6A

# সাহিত্য সমালোচনা — প্ৰাচ্য আৰু পাশ্চাত্য

ষষ্ঠ ষাণ্মাসিক

## অসমীয়া

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**বিষয় বিশেষজ্ঞ মণ্ডলী**

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্ৰাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

**সমন্বয়ৰক্ষী ঃ** ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**প্ৰস্তুতি গোটৰ সদস্য**

| *অধ্যায়* | *অৰিহণা যোগাইছে* |
|---|---|
| **১, ৩** | ড° সুদেষ্ণা ভট্টাচাৰ্য<br>গুৱাহাটী বিশ্ববিদ্যালয় |
| **২, ৪** | ড° মৃণাল জ্যোতি গোস্বামী |
| **৫ - ৮** | ড° জোনমণি গগৈ<br>গুৱাহাটী |

**সম্পাদনা ঃ**

| | | |
|---|---|---|
| **বিষয়বস্তু আৰু ভাষা সম্পাদনা** | ঃ | ড° প্ৰদীপ জ্যোতি মহন্ত ( অধ্যায় ২, ৪, ৭, ৮)<br>অধ্যাপক (অৱসৰপ্ৰাপ্ত), তেজপুৰ বিশ্ববিদ্যালয়, তেজপুৰ, অসম<br>ড° মৃণাল জ্যোতি গোস্বামী ( অধ্যায় ১, ৩, ৫, ৬) |
| **গাঁথনিক সম্পাদনা** | ঃ | ড° মৃণাল জ্যোতি গোস্বামী |
| **আহিঁ কাকত** | ঃ | ড° জোনমণি গগৈ, গুৱাহাটী |

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১৯

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।*

**মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭**

**উপ-মুখ্য কাৰ্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in**

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা
**দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

# বিষয়সূচী


| | | পৃষ্ঠা নং |
|---|---|---|
| অধ্যায় ১ ঃ | **ধ্বনিবাদ**<br>ধ্বনিবাদ ঃ ধ্বনিৰ স্বৰূপ , ধ্বনিৰ বিপক্ষে থকা মতবাদসমূহ, ধ্বনিৰ প্ৰকাৰভেদ | ৭-২২ |
| অধ্যায় ২ ঃ | **ৰস**<br>ৰস শব্দৰ আঁতিগুৰি; ৰস উপলব্ধিৰ কাৰক; ৰসমীমাংসা আৰু বিভিন্ন মতবাদ; ৰস সংখ্যা | ২৩-৩৫ |
| অধ্যায় ৩ ঃ | **বক্ৰোক্তিবাদ**<br>বক্ৰোক্তিবাদ ঃ বক্ৰোক্তিৰ স্বৰূপ, বক্ৰোক্তিৰ প্ৰকাৰভেদ, বক্ৰোক্তিৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ | ৩৬-৪৯ |
| অধ্যায় ৪ ঃ | **গুণবাদ আৰু ৰীতিবাদ**<br>গুণবাদ ঃ বিভিন্ন প্ৰকাৰৰ গুণ; ৰীতিবাদ ঃ ৰীতিৰ প্ৰকাৰভেদ | ৫০-৫৯ |
| অধ্যায় ৫ ঃ | **ছন্দ — সাধাৰণ পৰিচয়**<br>ছন্দ - অৰ্থ আৰু সংজ্ঞা; ছন্দস্পন্দ; ছন্দবন্ধ | ৬০-৬৯ |
| অধ্যায় ৬ ঃ | **কেইটিমান নিৰ্বাচিত অসমীয়া ছন্দ**<br>কেইটিমান নিৰ্বাচিত ছন্দ ঃ পদ বা পয়াৰ, দুলড়ী, ছবি, লেচাৰী, একাৱলী, ঝুমুৰী, কুসুমমালা | ৭০-৭৭ |
| অধ্যায় ৭ ঃ | **অলংকাৰ**<br>অলংকাৰ শব্দৰ অৰ্থ; অলংকাৰৰ সংজ্ঞা; সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা; কাব্যত অলংকাৰৰ স্থান; অলংকাৰৰ শ্ৰেণীবিভাজন ঃ শব্দালংকাৰ, অৰ্থালংকাৰ | ৭৮-৯০ |
| অধ্যায় ৮ ঃ | **কেইটিমান নিৰ্বাচিত অলংকাৰ**<br>শব্দালংকাৰ ঃ অনুপ্ৰাস, যমক, শ্লেষ, বক্ৰোক্তি; অৰ্থালংকাৰ ঃ উপমা, ৰূপক, উৎপ্ৰেক্ষা, ভ্ৰান্তিমান | ৯১-১০৬ |

## পাঠ্যবিষয়ৰ পৰিচয় ঃ সাহিত্য সমালোচনা — প্ৰাচ্য আৰু পাশ্চাত্য

এই পাঠ্যবিষয়টি প্ৰধান অসমীয়াৰ ষষ্ঠ যাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয় হিচাপে প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম ‘সাহিত্য সমালোচনা — প্ৰাচ্য আৰু পাশ্চাত্য’। পাঠ্যবিষয়টিৰ নামকৰণেই আপোনাক নিশ্চয় ধাৰণা প্ৰদান কৰিছে যে, পাঠ্যবিষয়টিত সাহিত্যৰ নন্দনতত্ত্ব সম্পৰ্কীয় কেতবোৰ বিষয় আলোচনা কৰা হৈছে।

সাহিত্যৰ নন্দনতাত্ত্বিক আলোচনা বা সাহিত্য সমালোচনাই যি কোনো সাহিত্যকৰ্মৰ প্ৰকৃত স্বৰূপ বুজাত সহায় কৰে। এই ক্ষেত্ৰত অৱশ্যে দুটা প্ৰধান ধাৰা পৰিলক্ষিত হয়। এটা হ’ল প্ৰাচ্য কাব্যতত্ত্ব বা প্ৰাচ্য সমালোচনা আৰু আনটো পাশ্চাত্য সমালোচনা। অতি প্ৰাচীন কালৰেপৰা সংস্কৃত আলংকাৰিকসকলে কাব্যৰ সামগ্ৰিক দিশ আলোচনা তথা বিচাৰ-বিশ্লেষণেৰে কাব্যৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ ফলশ্ৰুতিতেই সৃষ্টি হৈছিল ধ্বনিবাদ, ৰসবাদ, বক্ৰোক্তিবাদ, গুণবাদ, ৰীতিবাদ, ছন্দ, অলংকাৰ আদিৰ দৰে বিবিধ সিদ্ধান্ত। তাৰ লগতে পাশ্চাত্যত প্লেটোৰ পৰা আৰম্ভ কৰি বৰ্তমানকালৰ বিভিন্ন পণ্ডিতে সাহিত্য সমালোচনাৰ ধাৰাটি সমৃদ্ধ কৰি আহিছে। ‘কবিতা’, ‘নাটক’, ‘উপন্যাস’, ‘চুটিগল্প’, ‘জীৱনী’, ‘সমালোচনা’ আদি সাহিত্যৰ বিভিন্ন ধাৰাসমূহৰ স্বৰূপ কেনে হোৱা উচিত সেই সম্পৰ্কে এইসকল পণ্ডিত-সমালোচকে নিজৰ নিজৰ মন্তব্য আগবঢ়াই গৈছে। এই দিশসমূহৰ বিষয়ে আমাৰ আলোচ্য পাঠ্যবিষয়টিত বহলাই আলোচনা কৰা হৈছে। ইয়াৰ লগতে পাশ্চাত্য সমালোচনাৰ সাধাৰণ পৰিচয়ৰ দাঙি ধৰাৰ উপৰি তিনিটা বিশেষ মতবাদ — ধ্ৰুৱবাদ, ৰমন্যাসবাদ আৰু আধুনিকতাবাদ সম্পৰ্কেও পাঠ্যবিষয়টিত এটি চমু আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

এই গোটেইকেইটা বিষয়বস্তু সৰ্বমুঠ পোন্ধৰটা অধ্যায়ত সজোৱা হৈছে। আলোচনাৰ সুবিধাৰ্থে এই পাঠ্যবিষয়ক মুঠ দুটা খণ্ডত ভাগ কৰা হৈছে; প্ৰথম খণ্ডত আঠটা অধ্যায় আৰু দ্বিতীয়টো খণ্ডত সাতটা অধ্যায় থাকিব। সামগ্ৰিকভাৱে প্ৰাচ্য সমালোচনাৰ লগত সম্পৰ্কীত দিশসমূহ প্ৰথম খণ্ডত আৰু পাশ্চাত্য সমালোচনাৰ লগত সম্পৰ্কীত দিশসমূহ দ্বিতীয় খণ্ডত সামৰা হৈছে।

## খণ্ড পৰিচয় ঃ খণ্ড - ১

এই পাঠ্যবিষয়টি সৰ্বমুঠ দুটা খণ্ডত বিভাজন কৰি লোৱা হৈছে আৰু প্ৰথম খণ্ডটোত আঠটা অধ্যায় আছে। পাঠ্যবিষয়টিৰ প্ৰথম অধ্যায়টোৰ প্ৰতিপাদ্য বিষয় হ'ল ধ্বনিবাদ। ধ্বনি বুলিলে কি বুজায়, ধ্বনিবাদৰ স্থিতি, ধ্বনিৰ বিপক্ষে থকা যুক্তিবোৰ, ধ্বনিৰ স্বৰূপ আৰু প্ৰকাৰভেদ — এই বিষয়সমূহ এই অধ্যায়টোত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টোৰ বিষয়বস্তু হ'ল ৰস। ৰস শব্দই ব্যুৎপত্তিগতভাৱে 'ৰসিত' বা আস্বাদিত অৰ্থ নিৰূপণ কৰে। লৌকিক অৰ্থত জিভাৰে আস্বাদিত বিভিন্ন অনুভূতি বা উপলব্ধিকেই আমি ৰস বুলি মন্তব্য কৰোঁ। কিন্তু কাব্যৰ ৰস মানে কাব্যৰ সৌন্দৰ্যবোধৰ পৰা সৃষ্টি হোৱা অতি-জাগতিক আনন্দময়ী অৱস্থা। ইয়াক কেৱল মানসিকভাৱেহে উপলব্ধি কৰিব পাৰি। প্ৰাচ্য সমালোচনাৰ এক বহল অংশ আগুৰি আছে এই ৰসতত্ত্বই। এই অধ্যায়টোত ৰস মানে কি, ই কেনেদৰে সৃষ্টি হয়, ৰস সম্পৰ্কে থকা বিভিন্ন মতবাদ, ৰস সংখ্যা আদিৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। ঠিক সেইদৰে তৃতীয় অধ্যায়ত ভাৰতীয় কাব্যতত্ত্বৰ আন এটি উল্লেখযোগ্য মতবাদ বক্ৰোক্তিবাদ সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। মন কৰিবলগীয়া যে, ভাৰতীয় অলংকাৰশাস্ত্ৰৰ বহু বিশ্লেষকে বক্ৰোক্তিক এটি পৃথক মতবাদ হিচাপে স্বীকৃতি দিব নোখোজে। এই অধ্যয়টিত বক্ৰোক্তিৰ লক্ষণ বা সংজ্ঞা, ইয়াৰ ভাগসমূহ কি কি, কিয় ইয়াক পৃথক মতবাদ হিচাপে স্বীকাৰ কৰা নাযায়, কাব্যত বক্ৰোক্তিৰ গুৰুত্ব কি —এনে বিভিন্ন দিশসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা আগ বঢ়োৱা হৈছে।

চতুৰ্থ অধ্যায়টোৰ প্ৰতিপাদ্য বিষয় হ'ল গুণবাদ আৰু ৰীতিবাদ। প্ৰত্যেকজন মানুহৰ মাজত কিছুমান নিৰ্দিষ্ট গুণ থাকে। কিছুমান ব্যক্তিৰ মাজত আমি দয়া, ক্ষমা, দানশীল আদি গুণ আছে বুলি অভিহিত কৰোঁ, ঠিক সেইদৰে প্ৰতিখন কাব্যৰো কিছুমান নিৰ্দিষ্ট গুণ থাকে। সেইদৰে কাব্য এখনত থকা গুণ অনুযায়ী থাকে একোটাকৈ ৰীতি। প্ৰাণীৰ শৰীৰত অংগ সন্নিবেশৰ দৰে কাব্যৰ উপযুক্ত ঠাইত বিশেষ পদ সন্নিবেশেই হ'ল ৰীতি। এই অধ্যায়টিত গুণ আৰু ৰীতি সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। চিত্ৰ শিল্পীয়ে ৰং আৰু ৰেখাৰ বৈচিত্ৰ্যৰে নিজৰ অনুভূতি চিত্ৰপটত অংকন কৰাৰ দৰে কবিয়ে ধ্বনি আৰু অৰ্থৰ সমষ্টিৰে নিজৰ অনুভৱ ব্যক্ত কৰে। ইয়াৰে ধ্বনিৰ সুৰ আৰু তালৰ ৰসময় সহ-অৱস্থানতে সৃষ্টি হয় ছন্দৰ। এই ছন্দৰ বিষয়েই পঞ্চম আধ্যায়টিত আলোচনা কৰা হৈছে। পাঠ্যবিষয়টিৰ ষষ্ঠ অধ্যায়ত আমাৰ পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত কেইটিমান পুৰণি অসমীয়া ছন্দসজ্জা সম্পৰ্কীয় আলোচনা ইয়াত সন্নিৱিষ্ট কৰা হৈছে। মূলতঃ পদ বা পয়াৰ, দুলড়ী, ছবি, লেচাৰী, একাৱলী, ঝুমুৰী আৰু কুসুমমালা ছন্দৰ বিষয়ে এই অধ্যায়টোত আলোচনা কৰা গৈছে।

সপ্তম আৰু অষ্টম অধ্যায় দুটিত অলংকাৰৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ প্ৰধানতঃ ভাষাৰ সহায় গ্ৰহণ কৰে। ভাবৰ উঠা-নমা, তীব্ৰতা, দৃঢ়তা, আধিক্য আদি প্ৰকাশ কৰিবলৈ পোনপটীয়া ভাষা এটি অপূৰ্ণ মাধ্যম হিচাপেই গণ্য কৰা হয়। ভাষাৰ এই অক্ষমতা দূৰ কৰিবলৈ প্ৰত্যেকেই যত্নপৰ। সেয়ে মানুহে নিজৰ বক্তব্য সবল আৰু দৃঢ় কৰিবৰ বাবে তাত ৰহণ সানে। এনে কৰাৰ ফলত শব্দই এক নতুন মাত্ৰা লাভ কৰে, বক্তব্যই গভীৰতা পায়। এনেদৰে মানুহে মনত সুখ লগাকৈ মনৰ ভাব প্ৰকাশ কৰিবলৈ যত্ন কৰাৰ প্ৰয়াসতেই অলংকাৰৰ উৎপত্তি। সপ্তম অধ্যায়টিত অলংকাৰৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰা হৈছে। আনহাতে আমাৰ পাঠ্যবিষয়ৰ অন্তৰ্গত কেইটিমান নিৰ্বাচিত অলংকাৰ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা হৈছে অষ্টম অধ্যায়টোত।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগ বঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়সমূহৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। দ্বিতীয় খণ্ডৰ শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।

# অধ্যায় ১ ঃ ধ্বনিবাদ

## অধ্যায় গাঁথনি


১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ধ্বনিবাদ
  ১.৩.১ ধ্বনিৰ স্বৰূপ
  ১.৩.২ ধ্বনিৰ বিপক্ষে থকা মতবাদসমূহ
  ১.৩.৩ ধ্বনিৰ প্ৰকাৰভেদ
১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৫ অধিক জানিবলৈ
১.৬ অগ্ৰগতিৰ খতিয়ান
১.৭ আৰ্হি প্ৰশ্ন


## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় অলংকাৰ শাস্ত্ৰ মতে ধ্বনিবাদ মানে কি সেই বিষয়ে অৱগত হ'ব
- ধ্বনিবাদৰ ক্ষেত্ৰত আনন্দবৰ্ধন আৰু অভিনৱগুপ্তৰ অৱিহণাৰ যথাযথ মূল্যায়ন কৰিব পাৰিব
- ধ্বনিৰ স্বৰূপ তথা লক্ষণৰ লগত পৰিচিত হ'ব
- ধ্বনি বা ধ্বনিবাদৰ বিপক্ষে থকা মতবাদসমূহৰ বিষয়ে অৱগত হ'ব
- ধ্বনিৰ বিভিন্ন প্ৰকাৰ সম্বন্ধে আলোচনা আগবঢ়াব পাৰিব।

## ১.২ পৰিচয়

ষষ্ঠ ষাণ্মাসিকৰ প্ৰথমখন পাঠ্যবিষয় 'সাহিত্য সমালোচনা — প্ৰাচ্য আৰু পাশ্চাত্য'ৰ এইটো প্ৰথম অধ্যায়। ইতিমধ্যে পাঠ্যবিষয়ৰ পৰিচিতি আৰু এই খণ্ডটোৰ পৰিচিতিত আমি উল্লেখ কৰি আহিছোঁ যে — ইয়াত আমি প্ৰাচ্য আৰু প্ৰাশ্চাত্য ধাৰণা মতে সাহিত্য সমালোচনাৰ বিবিধ দিশ সম্পৰ্কে আলোচনা কৰিম। এইটো অধ্যায়ত আমি ভাৰতীয় ৰস শাস্ত্ৰ বা নন্দনতত্ত্বৰ এটি উল্লেখযোগ্য বিষয় 'ধ্বনিবাদ' সম্পৰ্কে আলোচনাত প্ৰবৃত্ত হ'ম।

"ধ্বনি" শব্দটো থকাৰ পৰাই আপুনি নিশ্চয় ধাৰণা কৰিব পাৰিছে যে, ধ্বনিবাদৰ সম্পৰ্ক শব্দৰ ধ্বনিৰ লগত। ধ্বনিবাদে ভাৰতীয় অলংকাৰ শাস্ত্ৰত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি

আছে। এই অধ্যায়টোত ধ্বনিবাদ বুলিলে কি, ধ্বনিবাদৰ সংজ্ঞা, ধ্বনিৰ স্বৰূপ, লক্ষণ আৰু প্ৰকাৰভেদ, সাহিত্য সমালোচনাত ধ্বনিবাদৰ স্থিতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ব। ধ্বনিবাদৰ বিষয়ে গভীৰ ধাৰণা থাকিলে ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ আন আন ধাৰণাবোৰো গভীৰভাৱে অনুধাৱন কৰিবলৈ আপোনাৰ সুবিধা হ'ব। তলত ধ্বনিবাদৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

## ১.৩ ধ্বনিবাদ

*আলংকাৰিকঃ* সংস্কৃত ভাষাত প্ৰাচীন সমালোচকসকলক অভিহিত কৰিবলৈ ব্যৱহাৰ কৰা শব্দ।

ভাৰতীয় শাস্ত্ৰসমূহত 'ধ্বনি' শব্দটো অতি প্ৰাচীন কালৰে পৰা প্ৰয়োগ হৈ অহা দেখিবলৈ পোৱা যায়। প্ৰাচীন ব্যাকৰণ সম্পৰ্কীয় কিছু গ্ৰন্থত 'ধ্বনি' পদটোৰ অৱস্থিতি দেখিবলৈ পোৱা যায় যদিও কাব্যত ধ্বনিৰ স্থান কি বা ধ্বনিৰ প্ৰকৃত স্বৰূপ কি সেইবিষয়ে ***আলংকাৰিক***সকলে আগ বঢ়োৱা আলোচনা বৰ বেছি প্ৰাচীন নহয়। মন কৰিবলগীয়া যে আনন্দবৰ্ধনে *ধ্বন্যালোক* গ্ৰন্থখনতহে ধ্বনিৰ বিষয়ে সুসংবদ্ধ তথা যুক্তিসন্মতভাৱে পোনপ্ৰথমবাৰৰ বাবে আলোচনা কৰিছে। সেইকাৰণেই আনন্দৰৰ্ধনক ধ্বনিবাদৰ মূল প্ৰবক্তাৰূপে গ্ৰহণ কৰা হয়।

আমি জানোঁ যে ভৰত মুনিয়ে প্ৰণয়ন কৰা *নাট্যশাস্ত্ৰ*খনকেই ভাৰতীয় অলংকাৰশাস্ত্ৰৰ প্ৰাচীনতম গ্ৰন্থ বুলি স্বীকাৰ কৰা হয়। আচাৰ্য ভৰতে এই গ্ৰন্থখনত অলংকাৰশাস্ত্ৰৰ বিভিন্ন বিষয় সম্পৰ্কে গভীৰ তত্ত্ববোধক তথা তথ্যসমৃদ্ধ আলোচনা আগ বঢ়াইছে। পৰৱৰ্তী কালত বিভিন্ন সময়ত বিভিন্ন আলঙ্কাৰিকে এইবোৰ বিষয়ক আধাৰ হিচাপে লৈ তেওঁলোকৰ মতবাদসমৃদ্ধ গ্ৰন্থ ৰচনা কৰি ভাৰতীয় অলংকাৰশাস্ত্ৰৰ ভঁৰাল চহকী কৰি আহিছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে প্ৰাচীন ভাৰতীয় আচাৰ্যসকলে আগ বঢ়োৱা বিভিন্ন মতামতৰ ভিত্তিতে ভাৰতীয় অলংকাৰ শাস্ত্ৰত একো একোটা সম্প্ৰদায়ৰ সৃষ্টি হৈছে আৰু এজন এজন আচাৰ্যক সেই সেই সম্প্ৰদায়ৰ প্ৰণেতা বা অনুগামী হিচাপে স্বীকৃতি দিয়া হৈছে। কিছুমান সম্প্ৰদায়ৰ পণ্ডিতসকলৰ মাজত মতবিৰোধ আছে যদিও ৰসসম্প্ৰদায়, অলংকাৰসম্প্ৰদায়, ৰীতিসম্প্ৰদায়, ধ্বনিসম্প্ৰদায় আৰু বক্ৰোক্তিসম্প্ৰদায়ে ভাৰতীয় অলংকাৰশাস্ত্ৰত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। এই বিষয়ে পৰৱৰ্তী অধ্যায়সমূহত আপুনি বহলাই অৱগত হ'ব।

ধ্বনিসম্প্ৰদায়ে ধ্বনিক কাব্যৰ মূল উপাদান বা আত্মা বুলি গ্ৰহণ কৰিছে। প্ৰাচীন আচাৰ্যসকলে ধ্বনিৰ বিষয়ে তেওঁলোকৰ আলোচনাত ধ্বনিক স্থান দিছিল যদিও সুসংবদ্ধভাৱে আলোচনা কৰা নাছিল। ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে আনন্দৱৰ্ধনাচাৰ্যই তেওঁৰ *ধ্বন্যালোক* গ্ৰন্থত এই বিষয়ে প্ৰথমবাৰৰ বাবে সুসংবদ্ধ অভিমত ব্যক্ত কৰিছে। সেই কাৰণে আনন্দবৰ্ধনক ধ্বনিসম্প্ৰদায়ৰ প্ৰধান আচাৰ্য বুলি স্বীকাৰ কৰা হয়। অৱশ্যে পৰৱৰ্তী সময়ত অভিনৱগুপ্ত আদি আলঙ্কাৰিকে ধ্বনিবাদৰ সপক্ষে বহুতো গুৰুত্বপূৰ্ণ মত আগ বঢ়ায়।

মন কৰিবলগীয়া যে, আনন্দবৰ্ধনে তেওঁৰ *ধ্বন্যালোক* গ্ৰন্থখনৰ প্ৰথম কাৰিকাত ধ্বনিক কাব্যৰ আত্মা বুলি স্বীকাৰ কৰিলেও এয়া তেওঁ কোৱা নতুন কথা নহয়, কাৰণ তাতে তেওঁ সেয়া

পূৰ্বাচাৰ্যসকলে কৈ যোৱা কথা বুলি স্পষ্টভাৱে ব্যক্ত কৰিছে। “কাব্যস্যাত্মা ধ্বনিৰিতি বুধৈঃ সঃ সমাম্নাতপূৰ্বঃ” — এই বাক্যশাৰীয়ে প্ৰমাণ কৰে যে ধ্বনিৰ বিষয়ে পূৰ্বৰ আলংকাৰিক সকলেও কিছু কথা আলোচনা কৰি গৈছে। কিন্তু আনন্দবৰ্ধনে ধ্বনিয়েই কাব্যৰ আত্মা বুলি বিবেচনা কৰি তেওঁৰ *ধ্বন্যালোক* গ্ৰন্থখনত এই বিষয়ে বহলাই অৱতাৰণা কৰিছে। এইখন গ্ৰন্থত আনন্দবৰ্ধনে ধ্বনিক অস্বীকাৰ কৰা আচাৰ্যসকলৰ মতামত যুক্তি নিৰ্ভৰ সিদ্ধান্তৰে সৈতে খণ্ডন কৰিছে। প্ৰতিপক্ষৰ মতামত সম্পূৰ্ণভাৱে খণ্ডন কৰি আনন্দৱৰ্ধনে ধ্বনিৰ লক্ষণ তথা স্বৰূপৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে। কাব্যত ধ্বনিৰ স্থান ক'ত, কেনেদৰে ধ্বনিৰ উপস্থিতিয়ে এটি উত্তম শ্ৰেণীৰ কাব্য সৃষ্টি কৰে, ধ্বনিক বুজিবৰ বাবে যে উৰ্বৰ মস্তিস্ক তথা মেধাৰ প্ৰয়োজন, ধ্বনিৰ বিভিন্ন ধৰণৰ প্ৰকাৰভেদ — এইবোৰৰ বিষয়ে আনন্দবৰ্ধনে অতি গুৰুত্বপূৰ্ণ আলোচনা আগ বঢ়াইছে। পৰৱৰ্তী সময়ত অভিনৱ গুপ্তই *ধ্বন্যালোক* গ্ৰন্থখনৰ ‘লোচন’ নামৰ টীকা ৰচনা কৰি ধ্বনিতত্ত্বক অধিক সমৃদ্ধ কৰি তুলিছে। প্ৰকৃততে, ধ্বনিতত্ত্ব ৰসতত্ত্বৰেই পৰিৱৰ্ধিত ৰূপ। (পৰৱৰ্তী অধ্যায়ত ৰসতত্ত্ব সম্পৰ্কে বহলাই আলোচনা কৰা হ'ব) *ধ্বন্যালোক*ত কোৱা হৈছে যে সঁচা কবিজনে কেতিয়াও ৰসহীন কাব্য লিখি তেওঁৰ শক্তি ক্ষয় নকৰে। গতিকে ৰস আৰু ধ্বনিৰ মাজত এটি নিগূঢ় সম্বন্ধ বৰ্তমান। এটাক নুবুজিলে আনটোৰ স্বৰূপ বুজা নাযায়। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে *ধ্বন্যালোক*ত ৰসধ্বনি, বস্তুধ্বনি আৰু অলংকাৰধ্বনি — এই তিনিবিধ ধ্বনিক স্বীকাৰ কৰিছে যদিও শেষত গৈ ৰসধ্বনিৰেই প্ৰাধান্য স্বীকাৰ কৰা হৈছে।

পূৰ্বাচাৰ্যসকলৰ বিভিন্ন গ্ৰন্থ, অভিমত আদি অধ্যয়ন কৰি আনন্দৱৰ্ধনাচাৰ্যই তেওঁৰ *ধ্বন্যালোক*ত ধ্বনিৰ বিষয়ে বিভিন্ন তত্ত্বসমৃদ্ধ আলোচনা আগ বঢ়াইছে। আনন্দৱৰ্ধনৰ সময় নিৰ্ধাৰণ সম্পৰ্কে বিভিন্নজনে বেলেগ বেলেগ অভিমত আগবঢ়াইছে। কল্‌হণে তেওঁৰ *ৰাজতৰঙ্গিনী* গ্ৰন্থত আনন্দৱৰ্ধনক অৱন্তি বৰ্মা ৰাজ্যৰ কবিৰূপে প্ৰক্ষেপ কৰিছে আৰু জেকোবী আদি পণ্ডিতসকলে অৱন্তি বৰ্মাৰ সময় ৮৫৫-৮৮৩ খ্ৰীঃ বুলি গ্ৰহণ কৰিছে। আকৌ *ধ্বন্যালোক* গ্ৰন্থত উদ্ভট নামৰ আচাৰ্যজনৰ উল্লেখ আছে; কিন্তু ৰাজশেখৰে তেওঁৰ গ্ৰন্থত আনন্দৱৰ্ধনৰ উল্লেখ কৰিছে। উদ্ভটৰ সময় ৮০০ খ্ৰীঃ বুলি অনুমান কৰা হয় আৰু ৰাজশেখৰৰ সময় ৯০০-৯২৫ খ্ৰীঃ ধৰা হয়। গতিকে এই প্ৰমাণৰ ভিত্তিত আনন্দৱৰ্ধনৰ সময় ৯ম শতাব্দী বুলি গ্ৰহণ কৰিব পাৰি। আনন্দৱৰ্ধনৰ জীৱন সম্পৰ্কে কোনো ধৰণৰ বিশ্বস্ত তথ্য পোৱা নাযায়। কেৱল *দেৱীশতম্*ত তেওঁক ‘নোৰ্ণসুত’ অৰ্থাৎ নোৰ্ণৰ পুত্ৰ বুলি উল্লেখ কৰা হৈছে। আনন্দৱৰ্ধনে তিনিখন কাব্য গ্ৰন্থ, যথা— *দেৱীশতম্, ৱিষমবাণলীলা* আৰু *অৰ্জুনচৰিচমহাকাব্যম্; ৱিনিশ্চয়-টীকাৱিবৃতি* আৰু *তত্ত্বলোক* নামেৰে দুখনি তাত্ত্বিক গ্ৰন্থ আৰু *ধন্যালোক* ৰচনা কৰিছিল। অৱশ্যে, *ধ্বন্যালোক*ৰ বাবেহে আনন্দৱৰ্ধন বিখ্যাত। ৰাজশেখৰে কৈছে যে কাব্যতত্ত্বনিহিত অতি গম্ভীৰ ধ্বনিবাদৰ বিষয়ে ব্যাখ্যা দাঙি ধৰি আনন্দৱৰ্ধনে কাৰ নো আনন্দ বৃদ্ধি নকৰে!

ধ্বনিনাতিগভীৰেণ কাব্যতত্ত্বনিৱেশিনা।
আনন্দৱৰ্ধনঃ কস্য নাসীদানন্দৱৰ্ধনঃ।।

কিছুমান পণ্ডিতৰ মতে আনন্দৱৰ্ধন *ধ্বন্যালোক*ৰ কাৰিকা আৰু বৃত্তি — দুয়োটা ভাগৰেই

প্ৰণেতা কিন্তু কিছুমানে আনন্দৱৰ্ধনক কেৱল কাৰিকাকাৰ হিচাপেহে গ্ৰহণ কৰে।

আচাৰ্য অভিনৱগুপ্তৰ নাম নোলোৱাকৈ ভাৰতীয় অলংকাৰশাস্ত্ৰত থকা ধ্বনিৰ বিষয়ে আলোচনা সম্পূৰ্ণ নহয়। আচাৰ্য অভিনৱগুপ্ত কাশ্মীৰ নিৱাসী শৈৱ পণ্ডিত আছিল। পণ্ডিতসকলে বিভিন্ন তথ্যপাতিৰ ভিত্তিত অভিনৱগুপ্তৰ সময় ৯৫০ খ্ৰীঃৰ পৰা ১০২৫ খ্ৰীঃৰ মাজত বুলি মত আগ বঢ়াইছে। অভিনৱগুপ্তৰ পিতামহৰ নাম আছিল বৰাহগুপ্ত আৰু পিতৃৰ নাম আছিল নৃসিংহগুপ্ত। ভট্টতৌত (অথবা ভট্টতোত) আছিল তেওঁৰ এজন গুৰু। অভিনৱগুপ্তৰ কালজয়ী কীৰ্তিদুখন হ'ল *নাট্যশাস্ত্ৰ*ৰ ওপৰত ৰচনা কৰা টীকা *অভিনৱভাৰতী* আৰু *ধ্বন্যালোক* গ্ৰন্থৰ ওপৰত ৰচনা কৰা *লোচনটীকা*। এটা কথা জানি থোৱা ভাল যে *ধ্বন্যালোক* গ্ৰন্থৰ বিষয়ে লিখা অভিনৱগুপ্তৰ *লোচনটীকা*ক *কাব্যালোকলোচন* বুলিও সূচিত হৈছে। নাম যিয়েই নহওক, *লোচন* অবিহনে *ধ্বন্যালোক*ৰ মহত্ত্ব প্ৰকৃত ৰূপত প্ৰকাশ নাপায়। পৰৱৰ্তী আলঙ্কাৰিকসকলৰ মাজত অভিনৱগুপ্তই 'লোচনকাৰ' নামেৰে প্ৰসিদ্ধ। অভিনৱগুপ্তই নিজে *ধ্বন্যালোক*ৰ টীকাৰ বিষয়ে কৈছে *ধ্বন্যালোক*ৰ প্ৰথম উদ্দ্যোতৰ শেষত —

কিং লোচনং বিনালোকো ভাতি চন্দ্ৰিকয়াপি হি।
তেনাভিনৱগুপ্তোহত্ৰ লোচনোন্মীলনং ব্যধাৎ।।

আনন্দৱৰ্ধন আৰু অভিনৱগুপ্তৰ মতামত বহলাই বিশ্লেষণ কৰিলেহে ধ্বনিৰ বিষয়ে সম্পূৰ্ণ ধাৰণা লাভ কৰিব পাৰি। প্ৰকৃততে ধ্বনিৰ ধাৰণাটো প্ৰাচীনকালৰ পৰাই কিছুমান ভাৰতীয় পণ্ডিতৰ দৃষ্টিত ধৰা পৰিছিল; কিন্তু এওঁ এইটোক পৃথক ৰূপত, স্বকীয় বৈশিষ্ট্য নিৰ্দিষ্ট কৰি ইয়াকেই কাব্যৰ আত্মাৰূপে প্ৰতিষ্ঠা কৰিলে। আনন্দৱৰ্ধনৰ পদাঙ্ক অনুসৰণ কৰি আচাৰ্য অভিনৱগুপ্তৰ *লোচনটীকা*ই ধ্বনিবাদৰ স্থিতি অতিশয় শক্তিশালী কৰি তুলিলে। অভিনৱগুপ্তৰ মতে ধ্বনিতত্ত্ব বিশিষ্ট গ্ৰন্থসমূহত বিবেচিত নহ'লেও পৰম্পৰাক্ৰমে অৱিচ্ছিন্নভাৱে প্ৰাচীন পণ্ডিতসকলৰ মাজত চলি আহিছিল। তেওঁৰ ভাষাত — "পৰম্পৰেয়েতি অবিচ্ছিন্নেন প্ৰৱাহেন তৈৰেতহক্তম্ ৱিনাহপি বিশিষ্টপুস্তকেষু বিৱেচনাদিত্যভিপ্ৰায়ঃ।" আনন্দবৰ্ধনে এনেদৰে চলি থকা অভিমতসমূহক একেলগে কৰি সেইবোৰৰ মনস্তাত্ত্বিক বিশ্লেষণেৰে আৰু নিজৰ যুক্তিনিৰ্ভৰ উপস্থাপনাৰে ধ্বনিৰ প্ৰকৃত স্বৰূপটোক পণ্ডিত সমাজৰ আগত দাঙি ধৰিলে। এই ধাৰণা ইমানেই স্পষ্ট, যুক্তিনিৰ্ভৰ তথা মনীষালব্ধ যে মম্মটভট্ট আদি পৰৱৰ্তী আলঙ্কাৰিকসকল দ্বিধাহীনভাৱেই এই মতবাদৰ অনুগামী হ'ল আৰু ভাৰতীয় আলঙ্কাৰশাস্ত্ৰৰ ইতিহাসত আনন্দৱৰ্ধন আৰু অভিনৱগুপ্তৰ নামো স্বৰ্ণাক্ষৰেৰে লিপিবদ্ধ হ'ল।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** ধ্বনিবাদৰ মূল প্ৰবক্তা কোন ?

.......................................................................................

**প্ৰশ্ন নং ২ ঃ** আনন্দৱৰ্ধনে লিখা তিনিখন কাব্যৰ নাম লিখক।

.......................................................................................

## ১.৩.১ ধ্বনিৰ স্বৰূপ

ধ্বনি প্ৰকৃততেনো কি— এই বিষয়ে জানিবলৈ হ'লে ধ্বনিৰ স্বৰূপ সম্পৰ্কে ধাৰণা থকাটো অতি প্ৰয়োজনীয়। আনন্দবৰ্ধনে *ধ্বন্যালোক* গ্ৰন্থৰ প্ৰথম উদ্দ্যোত (Chapter)ত ধ্বনিৰ লক্ষণ এনেদৰে দিছে—

যথাৰ্থঃ শব্দো বা তমৰ্থমুপসৰ্জনীকৃত স্বাৰ্থৌ।
ব্যঙ্‌ক্তঃ কাব্যবিশেষঃ স ধ্বনিৰিতি সূৰিভিঃ কথিতঃ।।

অৰ্থাৎ— কাব্যত থকা শব্দ বা অৰ্থই যেতিয়া নিজৰ নিজৰ ভূমিকাক গৌণ কৰি প্ৰতীয়মান অৰ্থ প্ৰকাশ কৰে, তেতিয়া ব্যঞ্জনাযুক্ত সেই কাব্যকেই 'ধ্বনি' বুলি আখ্যা দিয়া হয়। আপুনি নিশ্চয় জানে যে, কাব্যৰচনাৰ ক্ষেত্ৰত শব্দ আৰু অৰ্থই এটি বিশেষ ভূমিকা পালন কৰে। প্ৰকৃততে শব্দ আৰু অৰ্থই কাব্যৰ শৰীৰ সৃষ্টি কৰে বুলি আলঙ্কাৰিকসকলৰ ধাৰণা। এইক্ষেত্ৰত আনন্দৱৰ্ধনে কৈছে— "শব্দাৰ্থশৰীৰং তাবৎ কাব্যম্।" অৰ্থাৎ— কাব্যৰ শৰীৰ বা বাহিৰৰ আকৃতিৰ প্ৰকাশ ঘটে শব্দ আৰু অৰ্থৰ সহায়ত। কিন্তু এই শৰীৰৰ উপৰি কাব্যৰ থাকে এটি আভ্যন্তৰীণ সংবেদনশীলতা বা আকৰ্ষণ সেইটোৱেই কাব্যৰ বহিৰাগত উপাদান শব্দ আৰু অৰ্থৰ পৰিধি অতিক্ৰম কৰি সহৃদয় পাঠকৰ অন্তৰত আনি দিয়ে এটি অতুলনীয় আনন্দৰ অনুভূতি। মানুহৰ দেহাত যেনেদৰে হাত, ভৰি আদি প্ৰত্যঙ্গৰ ঊৰ্দ্ধত —এইবিলাকৰপৰা সম্পূৰ্ণ বেলেগ এক চৈতন্যময় আত্মাৰ অৱস্থান থাকে, সেইদৰে কাব্যতো শব্দ আৰু বাচ্য অৰ্থৰ উপৰি এটি বিশেষ অন্তৰ্নিহিত অৰ্থ থাকে। ইয়াৰ প্ৰতীতিয়ে মুহূৰ্তৰ ভিতৰত সহৃদয় পাঠকৰ হৃদয়ত পৰিব্যাপ্ত হৈ তাত অনাবিল আনন্দৰ অনুৰণন আনি দিব পাৰে। ইয়াৰে সপক্ষে অভিনৱগুপ্তই কৈছে—

যোহৰ্থো হৃদয়সংবাদী তস্য ভাবে ৰসোদ্ভৱঃ।
শৰীৰং ব্যাপ্যতে তেন শুষ্কং কাষ্ঠমিবাগ্নিনা।।

অৰ্থাৎ— এই আনন্দদায়ী অনুভূতিয়ে জুইয়ে শুকান কাঠত ব্যাপ্ত হোৱাৰ দৰে ৰসজ্ঞ পাঠকৰ শৰীৰ-মন আপ্লুত কৰে। এই অপাৰ, মনোমোহা অৰ্থটোৱে ধ্বনিপদবাচ্য। ধ্বনিহীন কাব্য প্ৰাণহীন শৰীৰৰ দৰে। সেইকাৰণে কোৱা হয় যে শৰীৰত অৱয়ব-সংস্থান দোষহীন হ'লেও, অসংখ্য অঙ্গসৌষ্ঠৱ থাকিলেও, বহুতো অলঙ্কাৰেৰে সমৃদ্ধ হ'লেও যিদৰে প্ৰাণহীন শৰীৰত সৌন্দৰ্য বা পূৰ্ণতা নাথাকে সেইদৰে ৰীতি আদি থাকিলেও, যমকাদি শব্দালঙ্কাৰ বা উপমাদি অৰ্থালঙ্কাৰৰ সমাৱেশ থাকিলেও কাব্যত ধ্বনিৰূপ প্ৰাণৰ অভাৱ হ'লে তাৰ কাব্যত্ব হেৰাই যায়। তেনে হ'লে সি কেৱল শব্দ আৰু অৰ্থৰ সংমিশ্ৰণহে হৈ থাকিব, সহৃদয় পাঠকৰ হৃদয়ত আনন্দ দিব পৰা কাব্য হ'ব নোৱাৰে। ধ্বনিকাব্যৰ উদাহৰণ হিচাপে তলত কোৱা শ্লোকটো অধিকাংশ ক্ষেত্ৰত প্ৰযোজ্য হয়।

ভম ধাম্মিঅ ৰীসখো সো সুণও অজ্জ মাৰিও দেশ।

গোলাণইকচ্ছকুডঙ্গৱাসিণা দৰিঅসীহেণ।।

*ধ্বন্যালোক* গ্ৰন্থত এই গাথাটিৰ প্ৰসংগ টানি আনি কোৱা হৈছে— হে ধাৰ্মিক, তুমি চিন্তাশূন্য হৈ ঘূৰি ফুৰা, (কাৰণ) গোদাৱৰী নদীৰ তীৰত লতাৰ মাজত থকা দৃপ্তসিংহটোৱে আজি সেই কুকুৰটোক মাৰি পেলাইছে। এয়া হ'ল উক্ত শ্লোকফাঁকিৰ বাচ্যাৰ্থ বা পোনে পোনে ব্যক্ত হোৱা অৰ্থ। কিন্তু শ্লোকটোৰ বক্তাই সম্পূৰ্ণ বেলেগ এটি অৰ্থ ব্যক্ত কৰিব খুজিছে। প্ৰকৃততে মিলনৰ বাবে উৎসুক প্ৰেমিক-প্ৰেমিকাৰ মিলনস্থলত থকা ধাৰ্মিক পুৰুষজনৰ উপস্থিতিয়ে ব্যাঘাত সৃষ্টি কৰা কাৰণে কুকুৰক ভয় কৰা মানুহজনক বেচিকৈ ভয় দেখুৱাবৰ বাবে হিংস্ৰ সিংহটোৰ কথা জনোৱা হৈছে। এই কথাখিনি কোৱাৰ উদ্দেশ্য হ'ল —এই কথাটো শুনি ধাৰ্মিক পুৰুষজনে ভয়ত পিছদিনাৰ পৰা ফুল বুটলিবলৈ নাহিব আৰু তাৰ ফলত প্ৰেমিক-প্ৰেমিকাৰ মিলনৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধাৰ সৃষ্টি নহ'ব। এই গাথাটিত থকা 'ভম ধাম্মিঅ' অৰ্থাৎ— 'হে ধাৰ্মিক ফুৰা' —এই বিধিবাক্যেৰে ফুৰিব মানা কৰা হৈছে। গতিকে ইয়াত শব্দ আৰু বাচ্যাৰ্থটো গৌণ, কিন্তু নিষেধৰূপ প্ৰতীয়মান অৰ্থটোৱেই প্ৰধানৰূপে প্ৰকাশিত হৈছে। সেইকাৰণে ইয়াত ধ্বনি বৰ্তমান বুলি কোৱা হয়। এতিয়া এটা অসমীয়া কবিতাৰ পংক্তিৰে বিষয়টো বিশ্লেষণ কৰা হওক। ৰঘুনাথ চৌধাৰীয়ে লিখিছে—

কোনেও নুশুঙা ফুলবোৰ ছিঙি
কোঁচত ভৰাই লৈ।
এটি এটিকৈ পানীৰ সোঁতত
উটুৱাই দিয়ে গৈ।

এই কবিতাটোত বাচ্যাৰ্থ হ'ল কোনেও ঘ্ৰাণ নোলোৱা ফুলবোৰ হাতেৰে ছিঙি কোলাত লৈ যুৱতী নাৰীগৰাকীয়ে এপাহ এপাহকৈ নৈৰ পানীত উটুৱাই দিছে। কিন্তু এইখিনিত বাচ্যাৰ্থটো গৌণ হৈ পৰিছে। কাৰণ কবিয়ে ইয়াত ৰূপহী নাৰীগৰাকীৰ অন্তৰৰ অভিলাষখিনি ব্যঞ্জনাৰদ্বাৰা প্ৰকাশ কৰিছে। যুৱতী নাৰীগৰাকীয়ে যেন বিশ্বৰ বাগিচাৰ পৰা কোনেও স্পৰ্শ নকৰা ডেকাৰূপী ফুলবোৰক এখন্তেক নিজৰ হৃদয়ত স্থান দি আনক নজনাই এপাহ এপাহকৈ বিস্মৃতিৰ সোঁতত বিসৰ্জন দিছে। ইয়াত যুৱতী নাৰীগৰাকীৰ মনত থকা অনুৰাগৰ চিত্ৰটোৱেই প্ৰতীয়মান অৰ্থ। কবিতাটোত থকা শব্দ আৰু বাচ্যাৰ্থখিনি আচলতে প্ৰতীয়মান অৰ্থ প্ৰকাশৰ আহিলাহে। তদুপৰি এই অৰ্থটো বাচ্যাৰ্থতকৈ বেছি হৃদয়গ্ৰাহী আৰু প্ৰাধান্যযুক্ত। গতিকে এইটোৱেই ধ্বনি।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে বাচ্যাৰ্থৰ পৰা সম্পূৰ্ণ বেলেগ এই প্ৰতীয়মান অৰ্থ বা ধ্বনি কেৱল মহাকবিসকলৰ ৰচনাতহে প্ৰকাশ পায় আৰু ই বাচ্য নহয়, বুদ্ধিগম্য। ইয়াৰ বাবে সাধাৰণ যিকোনো এজন মানুহে এই অৰ্থ বুজিব নোৱাৰিব পাৰে। এনে অৰ্থ বুজিবৰ বাবে হৃদয়ত তীক্ষ্ণ বুদ্ধি বা অপৰিসীম মেধাশক্তিৰ প্ৰয়োজন, কাৰণ মেধাই দিব পাৰে কাব্যতত্ত্ব বিষয়ক জ্ঞানৰ স্পৰ্শ। আনন্দবৰ্ধনে স্পষ্টকৈয়ে কৈছে

যে কেৱল শব্দ, অৰ্থ বা অভিজ্ঞতাপ্ৰাপ্ত জ্ঞানেৰে প্ৰতীয়মান অৰ্থ বা ধ্বনিক জনা নাযায়। সেয়া জানিবলৈ হ'লে প্ৰয়োজন কাব্যাৰ্থতত্ত্বৰ জ্ঞান।

শব্দাৰ্থশাসনজ্ঞানমাত্ৰেনৈৱ ন বেদ্যতে।
বেদ্যতে স তু কাব্যাৰ্থততত্ত্বজ্ঞৈৰেৱ কেৱলম্।।

গতিকে কাব্যতত্ত্বজ্ঞানেই হ'ল ধ্বনি বা প্ৰতীয়মান অৰ্থবোধৰ সাধন। উদাহৰণ এটিৰে কথাটো ব্যাখ্যা কৰিব পাৰি। অতুলচন্দ্ৰ হাজৰিকাদেৱৰ কবিতাত পাওঁ —

আছোঁ মই সুখে দুখে নিজা বেহা লই
হ'ল জানো আচম্বিতে যাবৰ সময়?
টোকোৰা পঁজাতে থাকি লাগিছিল ভাল
ভাগি গ'ল আজি মোৰ টোপনিৰ জাল।

উক্ত কবিতাফাঁকিত থকা বাচ্যাৰ্থটো হ'ল যে এজনে নিজৰ কাম লৈ ব্যস্ত হৈ থকা সময়তে হঠাৎ এঠাইৰ পৰা আনঠাইলৈ যোৱাৰ সময় হ'ল। ইমানদিন ধৰি যি ঠাইৰ প্ৰতি মৰম জাগি উঠিছিল আজি হঠাতে সেয়া নষ্ট হৈ গ'ল আৰু মানুহজনৰ নিদ্ৰাভঙ্গ হ'ল। কিন্তু প্ৰকৃত অৰ্থত এই কবিতাফাঁকিৰে কবিয়ে ক'ব খুজিছে যে ইমানদিন ধৰি সংসাৰৰ মায়াজালত বন্দী হৈ থকা মানুহজনৰ মোহভঙ্গ হৈ সত্যজ্ঞানৰ উন্মেষ ঘটিছে। মানুহজনে মানৱ জীৱনৰ অনিত্যতাৰ কথা বুজিব পাৰিছে। এই অৰ্থটোৱে ৰসজ্ঞ পাঠকৰ মনোমুকুৰত বাচ্যাৰ্থতকৈ বহুগুণে বেছি আনন্দ দিয়ে বা দিব পাৰে। তদুপৰি কবিতাফাঁকিত এই দ্বিতীয় অৰ্থটোৱেই প্ৰাধান্য লাভ কৰিছে। কিন্তু এই অৰ্থটো যিকোনো মানুহ এজনৰ বাবে বুদ্ধিগম্য নহয়। এই অৰ্থ বুজাৰ বাবে প্ৰয়োজন অন্তৰ্দৃষ্টিসম্পন্ন কাব্যতত্ত্বজ্ঞানৰ। কাব্যতত্ত্বজ্ঞানেই বাচ্যাৰ্থৰ সীমা পাৰ কৰি হৃদয়খনক ধ্বনিলৈ লৈ যাব পাৰে।

'ধ্বনি' শব্দটোৰ বুৎপত্তি তিনি ধৰণে কৰিব পাৰি; যেনে— (ক) ধ্বনতীতি ধ্বনিঃ, (খ) ধ্বন্যতে ইতি ধ্বনিঃ, (গ) ধ্বননং ধ্বনিঃ। প্ৰথম ব্যুৎপত্তিমতে বাচক শব্দ আৰু বাচ্য অৰ্থ ধ্বনিপদেৰে অভিহিত হয়। দ্বিতীয় ব্যুৎপত্তিমতে কেৱল ব্যঙ্গ অৰ্থ ধ্বনিপদৰাচ্য আৰু তৃতীয় বুৎপত্তিমতে ব্যঞ্জনাক ধ্বনি বোলে। এই চাৰিবিধ অৰ্থৰ উপৰি ধ্বনি বুলিলে সমুদায় কাব্যখনক বুজায়। গতিকে ধ্বনিপদেৰে ধ্বনিত হোৱা পাঁচবিধ অৰ্থ হ'ল— বাচক শব্দ, বাচ্য অৰ্থ, ব্যঙ্গ অৰ্থ, ব্যঞ্জনা ব্যাপাৰ আৰু সমুদায় কাব্য। এনেদৰে আনন্দৱৰ্ধন আৰু অভিনৱগুপ্তই সকলো দিশ সামৰি লৈ ধ্বনিৰ স্বৰূপ আলোচনা কৰিছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** 'ধ্বনি' শব্দটোৰ বুৎপত্তি কি কি ধৰণে কৰিব পাৰি?

..........................................................................................

..........................................................................................

## ১.৩.২ ধ্বনিৰ বিপক্ষে থকা মতবাদসমূহ

আনন্দৱৰ্ধনে *ধ্বন্যালোক* গ্ৰন্থত ধ্বনিৰ অস্তিত্ব, ধ্বনিৰ স্বৰূপ, ইয়াৰ প্ৰকাৰভেদ আদিৰ বিষয়ে বহলাই আলোচনা আগ বঢ়োৱাৰ পূৰ্বে ধ্বনিৰ অস্তিত্ব নমনা, ধ্বনি বুলি একোৱে নাই — এনে মন্তব্য দিয়া বা ধ্বনি বুলি কিবা থাকিলেও তাৰ ব্যাখ্যা দিয়া নাযায় বুলি সিদ্ধান্ত গ্ৰহণ কৰা আলঙ্কাৰিকসকলৰ মতবাদসমূহ খণ্ডন কৰিছে। অভিনৱগুপ্তইও তেওঁৰ *লোচনটীকাত* আনন্দৱৰ্ধনক অনুসৰণ কৰি মত আগ বঢ়াইছে। যিবিলাকে ধ্বনিক নামানে বা ধ্বনি নাই বুলি মত পোষণ কৰে তেওঁলোকক ‘অভাৱবাদী’ বুলি কোৱা হয়। কিছুমানে ধ্বনিক ‘ভক্তি’ বা ‘লক্ষণা’ বুলি কয়। এওঁলোকক ভক্তিবাদী বুলি গ্ৰহণ কৰা হয়। কিছুমানে আকৌ ধ্বনিক অনিৰ্বচনীয় বুলি মত পোষণ কৰিছে। এই আটাইবোৰ মতবাদৰ বিষয়ে আনন্দবৰ্ধনে *ধ্বন্যালোক*ৰ প্ৰথম কাৰিকাতেই কৈছে—

তস্যাভাৱং জগদুৰপৰে ভাক্তমাহুস্তমন্যে।
কেচিদ্ বাচাং স্থিতমবিষয়ে তত্ত্বমূচুস্তদীয়ং... ইত্যাদি।

যিসকলে ধ্বনি নাই বুলি কয় তেওঁলোকৰ বিষয়ে আলোচনা কৰিবলৈ গৈ আনন্দৱৰ্ধনে কৈছে — “তদভাৱবাদীনাং চামী বিকল্পাঃ সম্ভৱন্তি।” অৰ্থাৎ —ধ্বনিৰ বিৰুদ্ধে থকা অভিমতসমূহক *ধ্বন্যালোক*ৰ বৃত্তিত বিকল্প বুলি উল্লেখ কৰা হৈছে। জয়ৰথে তেওঁৰ *বিমৰ্শিনী* নামৰ অলংকাৰসৰ্বস্ব গ্ৰন্থৰ টীকাত বাৰটা ধ্বনিবিৰুদ্ধ মতবাদৰ বিষয়ে উল্লেখ কৰিলেও মূলতঃ ধ্বনিবিৰোধী গোট হ’ল তিনিটা। প্ৰথম গোটটোৰ মতে — ধ্বনি বোলা একো নাই (নাস্ত্যেৱ ধ্বনিঃ), দ্বিতীয় গোটটোৰ মতে — ধ্বনি হ’ল লক্ষণ (ভক্তিৰেৱ ধ্বনিঃ) আৰু তৃতীয় গোটটোৰ মতে— ধ্বনি থাকিলেও ইয়াক ব্যাখ্যা বা প্ৰকাশ কৰা নাযায় (অনিৰ্বাচ্য ধ্বনিঃ)। আপোনাৰ সুবিধাৰ বাবে এই অভিমতবোৰ তলত এটা এটাকৈ আলোচনা কৰা হ’ল।

আপুনি ইতিমধ্যে গম পাইছে যে শব্দ আৰু অৰ্থ হ’ল কাব্যৰ শৰীৰ। অনুপ্ৰাস আদি অলংকাৰসমূহে কাব্যত থকা শব্দসমূহৰ চাৰুত্ব বা সৌন্দৰ্য সৃষ্টি কৰে। একেদৰে উপমা আদি অৰ্থালঙ্কাৰসমূহে কাব্যত থকা শব্দসমূহৰ অৰ্থৰ সৌন্দৰ্য সৃষ্টি কৰে। মাধুৰ্য আদি গুণসমূহেও কাব্যৰ সৌন্দৰ্য বঢ়াই তোলে। নাগৰিকা-উপনাগৰিকা-গ্ৰাম্যা আদি যিবোৰ বৃত্তিৰ কথা ইতিমধ্যে স্বীকাৰ কৰা হৈছে সেইবোৰ অনুপ্ৰাসৰ পৰা পৃথক নহয়, কাৰণে এইবোৰক অনুপ্ৰাসৰ অন্তৰ্ভুক্ত কৰিব পাৰি। বৈদৰ্ভী, গৌড়ী, পাঞ্চালী নামৰ ৰীতিবোৰৰ মাধুৰ্যাদিগুণ ব্যতিৰেকে স্বাধীন অস্তিত্ব নাই। গতিকে ইমানবোৰ জ্ঞাত কাব্য সৌন্দৰ্য বৃদ্ধিকাৰকৰ উপৰি ধ্বনি নামৰ বস্তু এটা থাকিব নোৱাৰে বুলি ধ্বনি বিৰোধী প্ৰথম গোটটোৱে অভিমত ব্যক্ত কৰে। অৰ্থাৎ —এই মতৰ অনুগামীসকলৰ বক্তব্য হ’ল গুণ আৰু অলঙ্কাৰেই কেৱল কাব্যৰ সৌন্দৰ্য বৃদ্ধিৰ কাৰক আৰু ধ্বনিক যিহেতু এই দুটাৰ ভিতৰত এটাতো গ্ৰহণ কৰা নাযায়। সেইকাৰণে কাব্যৰ আত্মা বা কাব্যৰ সৌন্দৰ্য

সৃষ্টিকাৰী উপাদান হিচাপে ধ্বনিৰ অস্তিত্ব গ্ৰহণ কৰা সম্ভৱ নহয়। এইক্ষেত্ৰত আৰু এটা অভিমত হ'ল ভামহ, দণ্ডী, উদ্ভট, বামন আদি অলংকাৰশাস্ত্ৰৰ পূৰ্বাচাৰ্যসকলে নিঃসন্দেহে কৈছে যে— সহৃদয় পাঠকৰ হৃদয়ত আনন্দ দিব পৰা শব্দ আৰু অৰ্থৰ সমাৱেশেই হ'ল কাব্য আৰু কাব্যৰ এই উদ্দেশ্য সাধন হয় গুণ আৰু অলংকাৰৰ অস্তিত্বৰ বাবেহে। কিন্তু ইতিমধ্যে সুপ্ৰতিষ্ঠিত (প্ৰসিদ্ধ প্ৰস্থান) কাব্যৰ উপাদান হিচাপে গৃহীত গুণ আৰু অলংকাৰৰ পৰা সম্পূৰ্ণ পৃথক কোনো উপাদানক ধ্বনি হিচাপে স্বীকাৰ কৰি তাক কাব্যৰ আত্মা বুলি গ্ৰহণ কৰিলে আনকি গুণ আৰু অলংকাৰবিহীন ৰচনাকো কাব্যৰ গুণ দিয়া হ'ব পাৰে। এনেকুৰা কাৰ্যই ইমানদিনে চলি থকা ব্যৱস্থাৰ বিৰুদ্ধে গৈ কাব্যতত্ত্ব সমালোচনাৰ ক্ষেত্ৰখনত জটিলতাৰ সৃষ্টি কৰিব। তৃতীয়তে, ধ্বনিক যদি গুণ বা অলংকাৰৰ ভিতৰতে গ্ৰহণ কৰা হয় তেতিয়া হ'লে ধ্বনি নামৰ নতুন কিবা উপাদানৰ উদ্ভাৱন হোৱা বুলি ভবাটো যুক্তিসঙ্গত নহয়। তদুপৰি ধ্বনিক এই দুটা উপাদানৰ অন্তৰ্গত কৰি ল'লে ইয়াক কাব্যৰ আত্মা বুলি স্বীকাৰ কৰাৰ প্ৰশ্নই নুঠে; কাৰণ আজিলৈকে কোনো আলঙ্কাৰিকে অলংকাৰ বা গুণক কাব্যৰ আত্মা বুলি গ্ৰহণ কৰা নাই। গতিকে ধ্বনি নামৰ কোনো নতুন এটা উপাদান স্বীকাৰ কৰাৰ কথা চিন্তা কৰাটোৱেই বৃথা বুলি ধ্বনি বিৰোধী দলৰ প্ৰথম গোটটোৱে যুক্তি প্ৰদৰ্শন কৰে।

ধ্বনি বিৰোধী দলৰ দ্বিতীয় গোটটোৰ মতে— ধ্বনি হ'ল লক্ষণা অৰ্থাৎ তেওঁলোকৰ মতে ধ্বনি আৰু লক্ষণাৰ মাজত কোনো পাৰ্থক্য নাই। এই গোটটোৰ বক্তব্য হ'ল যে— ভামহ, উদ্ভট আৰু বামনে শব্দৰ কেৱল দুটা বৃত্তিক স্বীকাৰ কৰিছে— এটা হ'ল অভিধা বা মুখ্য আনটো হ'ল লক্ষণা বা গুণবৃত্তি। এই দৰে শব্দৰ পৰা পোৱা প্ৰাথমিক অৰ্থটো হ'ল অভিধেয়াৰ্থ আৰু লক্ষণা বা গৌণী বৃত্তিৰ পৰা পোৱা অৰ্থটো হ'ল লক্ষ্যাৰ্থ। অভিধা শক্তিয়ে যিহেতু প্ৰাথমিক বা অভিধেয়াৰ্থ ব্যক্ত কৰে সেইকাৰণে শব্দৰ পৰা পোৱা আন অৰ্থসমূহ লক্ষণাৰ দ্বাৰা ব্যক্ত হয় আৰু ব্যঙ্গাৰ্থ বা ধ্বন্যাৰ্থ যিহেতু অভিধেয়াৰ্থৰ পৰা পৃথক, সেই হেতুকে ই লক্ষণাৰ পৰিধিত সোমাই পৰে। এনেদৰে এই গোটটোৱে লক্ষ্যাৰ্থ আৰু ব্যঙ্গাৰ্থক একেখন ক্ষেত্ৰত আনি থিয় কৰাইছে।

অনিৰ্বাচনীয়বাদীসকলে কয় যে ব্যঞ্জনা বা ধ্বনিক শব্দেৰে প্ৰকাশ কৰিব নোৱাৰি। কেৱল সহৃদয় পাঠকৰ হৃদয়ত আস্বাদিত হয়। এই গোটটোৱে প্ৰকৃততে ধ্বনিৰ অস্তিত্ব অস্বীকাৰ কৰা নাই। কিন্তু ধ্বনিক "গিৰামগোচৰম্" অৰ্থাৎ — বাক্য বা শব্দৰ অগোচৰ বুলি ব্যক্ত কৰিছে।

এনেদৰে ব্যাখ্যা কৰিলে দেখা যায় যে ধবনিৰ বিৰুদ্ধে মত দিয়া আলঙ্কাৰিকসকলে বিভিন্ন দৃষ্টিভঙ্গীৰে ধ্বনিৰ ক্ষেত্ৰত নেতিবাচক মত দাঙি ধৰিছে। কিন্তু অভিনৱগুপ্তই এই মতবাদবোৰ পৰ্যালোচনা কৰি এই সিদ্ধান্তত উপনীত হৈছে— ধ্বনিবিৰোধীসকল পৰ্যায়ক্ৰমে ইতিবাচক বুদ্ধিৰ ফালে গৈছে। কাৰণ ধ্বনিবিৰোধীৰ প্ৰথম গোটটোৱে ধ্বনি নাই বুলি স্বীকাৰ কৰিলেও ভক্তিবাদীসকলে ধ্বনিৰ ক্ষেত্ৰত

সন্দেহ প্ৰকাশ কৰিছে আৰু অনিৰ্বাচনীয়বাদীসকলে ধ্বনিৰ অস্তিত্ব স্বীকাৰ কৰি তাক প্ৰকাশ কৰিব নোৱৰা বিষয়টোহে ব্যক্ত কৰিছে।



**চিন্তা-চৰ্চা কৰক — ১.১**

ধ্বনিক স্বীকাৰ নকৰা আলঙ্কাৰিকসকলে কাব্যত বেলেগ কি কি উপাদান থকা বুলি মানি লৈছে? সেইবিষয়ে অধিক জানিবলৈত উল্লেখ থকা গ্ৰন্থসমূহৰ সহায়েৰে বহলাই আলোচনা কৰিবলৈ যত্ন কৰক।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** মূলতঃ ধ্বনিবিৰোধী গোট কেইটা আৰু তেওঁলোকে কি কি বুলি কৈ ধ্বনিৰ অৱস্থিতি নাই বুলি কৈছে? (৪০ টা শব্দৰ ভিতৰত লিখক।)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ১.৩.৩ ধ্বনিৰ প্ৰকাৰভেদ

ধ্বনিৰ প্ৰকাৰভেদৰ কথা ক'বলৈ গ'লে প্ৰথমতে বস্তুধ্বনি, অলংকাৰধ্বনি আৰু ৰসধ্বনিৰ কথা আহে। *ধ্বন্যালোক*ত আনন্দৱৰ্ধনে তিনিবিধ ব্যঙ্গ বা ধ্বনিবেদ্য অৰ্থৰ কথা কৈছে। 'বস্তু' শব্দটোৰে কথাবস্তু বা বিষয়বস্তুক সূচায়। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে বস্তু আৰু অলংকাৰ বাচ্য বা লক্ষ্যও হ'ব পাৰে; কিন্তু ৰস সদায় প্ৰতীয়মান হয় আৰু এই তিনিবিধ ধ্বনিৰ ভিতৰত অবিসম্বাদীভাৱে ৰসধ্বনিকেই শ্ৰেষ্ঠ বুলি ধৰা হয়। "কাব্যস্যাত্মা ধ্বনিঃ" এই বচনফাঁকিত তিনিপ্ৰকাৰৰ ধ্বনিক গ্ৰহণ কৰিলে আত্মাৰ বহুত্ব গ্ৰহণ কৰিব লাগিব — যিটো অসম্ভৱ বুলিয়েই ক'ব পাৰি। সেইকাৰণে আনন্দৱৰ্ধন আৰু অভিনৱগুপ্তই স্পষ্টকৈ কৈ দিছে যে কাব্যৰ আত্মা বুলি ক'লে ৰসধ্বনিকেই বুজিব লাগে। আনন্দবৰ্ধনে *ধ্বন্যালোক*ৰ বৃত্তিত কৈছে "ৰসাদয়ো হি তয়োৰ্জীৱভূতাঃ।" অভিনৱগুপ্তই *লোচনটীকা*তো এই বিষয়ে কৈছে — "সঃ ৰসঃ কাব্যব্যাপাৰৈকগোচৰো ৰসধ্বনিৰিতি, স চ ধ্বনিৰেৱ ইতি স ত্ৰৱ মুখ্যতয়া আত্মা ইতি।" গতিকে ৰসধ্বনিকেই কাব্যৰ আত্মা বুলি গ্ৰহণ কৰা হয়।

কাব্যৰ বৰ্ণনীয় বিষয়টোৰে যেতিয়া ব্যঙ্গাৰ্থ ৰূপে প্ৰকাশ পায় তেতিয়া তাক বস্তুধ্বনি বোলে। উদাহৰণস্বৰূপে তলৰ কবিতাফাঁকিৰ কথা লোৱা যাওক—

হাতে হাতে ধৰি বোলে বিভীষণে
আছিয়ো পাত্ৰসমাজ।
বিভীষণ বৈৰী লঙ্কাৰ খেদিয়া
সুখে ভুঞ্জা সবে ৰাজ।। *(ৰামায়ণ)*

এই কবিতাফাঁকিত 'বিভীষণক খেদি সুখত ৰাজ্যভোগ কৰিব পৰা নাযাব' এই বস্তুৰূপ অৰ্থ ব্যঞ্জিত হৈছে। গতিকে ই বস্তুধ্বনিৰ উদাহৰণ। একেদৰে অলংকাৰধ্বনিৰ স্বৰূপ বুজাবলৈ তলৰ কবিতাফাঁকি ল'ব পাৰি—

শ্ৰীৰাম লক্ষ্মণ দুই চন্দ্ৰসূৰ্য্য ভৈলা।
সীতা সন্ধ্যা এৰিয়া বহুত দূৰে গৈলা।।
অন্ধকাৰ ৰাৱণ চাপিল আসি বোল।
সীতাৰ ৰূপত দেখি ভৈল।। *(ৰামায়ণ)*

ইয়াতে শ্ৰীৰাম আৰু লক্ষ্মণক চন্দ্ৰ আৰু সূৰ্যৰূপে কল্পনা কৰা হৈছে; সীতাক সন্ধিয়া আৰু ৰাৱণক অন্ধকাৰৰূপে দেখুওৱা হৈছে। সন্ধিয়া ৰূপিনী সীতাৰ ৰূপত মুগ্ধ হৈ অন্ধকাৰৰূপী ৰাৱণে চন্দ্ৰ-সূৰ্য নথকাৰ সুযোগ লৈ যেন সীতাৰ ওচৰ চাপি আহিল— ইয়াত এনেকুৱা উৎপ্ৰেক্ষা অলংকাৰ ধ্বনিত হৈছে। গতিকে ই অলংকাৰ ধ্বনিৰ উদাহৰণ।

যেতিয়া কাব্যত বাচ্যাৰ্থৰ মাজেদি বিভাব, অনুভাব আৰু ব্যাভিচাৰীভাবৰ সংযোগত স্থায়ীভাবৰ ৰসলৈ ৰূপান্তৰিত হোৱাটো ব্যঞ্জিত হয় আৰু ব্যঞ্জিত ৰসৰ আস্বাদনটো বাচ্যাৰ্থতকৈ বেচি চিত্তাকৰ্ষক হয় তেতিয়া তাকেই ৰসধ্বনি বোলে। যেনে—

ঘন ঘন মুৰুচি পৰয় বৰনাৰী
ফোকাৰে শ্বাস নয়নে ঝুৰে বাৰি।
কৃষ্ণচৰণ চিন্তিয়ে চিত্ত লাই।
ঘন যদুনাথ চিন্তয় পুনু মাই।।

ইয়াত মুৰুচি (মূৰ্চ্ছা যোৱা), শ্বাস (উশাহ), বাৰি (চকুলো) আদিৰ মাজেদি ৰতি নামৰ স্থায়ীভাবটোৰ শৃঙ্গাৰ ৰসলৈ উত্তৰণ ঘটাটো ব্যঞ্জিত হৈছে। অৰ্থাৎ —ইয়াত বাচ্যাৰ্থৰ মাজেদি বিপ্ৰলম্ভ শৃঙ্গাৰ ৰস ব্যঞ্জিত হৈছে। সেইকাৰণে ইয়াত ৰসধ্বনি আছে বুলি কোৱা হয়। অতি গুৰুত্বপূৰ্ণ কথাটো হ'ল যে ইয়াত আস্বাদিত ব্যঞ্জিত ৰসটো বাচ্যাৰ্থতকৈ বেচি আকৰ্ষণীয় তথা পৰমানন্দ প্ৰদায়ক। ধ্বনিবাদী আলঙ্কাৰিকসকলে হৃদয়াকৰ্ষক এই ৰসধ্বনিকেই শ্ৰেষ্ঠ ধ্বনি বুলি স্বীকাৰ কৰিছে আৰু তেওঁলোকৰ বক্তব্য হ'ল বস্তুধ্বনি আৰু অলংকাৰধ্বনিয়ে ৰসতেই সমাপ্তি লাভ কৰে।

ব্যঙ্গাৰ্থৰ ভিত্তিত ধ্বনি বস্তুধ্বনি, অলংকাৰধ্বনি আৰু ৰসধ্বনি —এই তিনিপ্ৰকাৰৰ হ'লেও ধ্বনিকাব্যক প্ৰধানতঃ দুটা ভাগত ভগোৱা হয়— অভিধামূলক আৰু লক্ষণামূলক। অভিধামূলক ধ্বনিত বাচ্যাৰ্থটো বক্তাৰ অভিপ্ৰেত কিন্তু অভিধাৰ দ্বাৰা উপস্থাপিত অৰ্থটোৱে অৰ্থান্তৰৰ অভিব্যঞ্জনা ঘটায়। ইয়াকেই 'বিৱক্ষিত-

অন্যপৰৰাচ্য' ধ্বনি বুলি কোৱা হয়। এই ধ্বনিত কবিৰ দ্বাৰা অভিপ্রেত বাচ্যাৰ্থটো উপস্থাপিত কৰাৰ আন এটা উদ্দেশ্য বা প্রয়োজনেই হ'ল অর্থান্তৰৰ উপস্থাপন। এই বিৱক্ষিত-অন্যপৰৰাচ্য ধ্বনি দুবিধ— 'অসংলক্ষ্যক্রমব্যঙ্গ' আৰু 'সংলক্ষ্যৰপমব্যঙ্গ'। যি বিৱক্ষিত-অন্যপৰৰাচ্য ধ্বনিত ব্যঙ্গ অৰ্থৰ ক্রম পৰিলক্ষিত নহয় অর্থাৎ— বিভাব-অনুভাব আদিৰ প্রতীতিৰ সমসাময়িকভাৱেই ৰসাস্বাদ হোৱা যেন লাগে তাকেই 'অসংলক্ষ্যক্রমব্যঙ্গ ধ্বনি' বুলি কোৱা হয়। আনফালে 'বিৱক্ষিত-অন্যপৰৰাচ্য ধ্বনি'ত বাচ্যাৰ্থৰ পিছত ব্যঙ্গাৰ্থৰ প্রতীতি হোৱাৰ ক্রমটো ৰক্ষিত হ'লে বা বুজা গ'লে তাকেই 'সংলক্ষ্যক্রমব্যঙ্গ ধ্বনি' বোলে।

আনফালে, 'অবিৱক্ষিতবাচ্য ধ্বনি'ত বাচ্য বা অভিধেয়াৰ্থটো উপস্থাপিত বাক্যটো বক্তাৰ উদ্দেশ্য বা অভিপ্রেত নহয়। অর্থাৎ— যি ধ্বনিত লক্ষণাৰ দ্বাৰা লক্ষ্যাৰ্থটো উপস্থাপিত কৰি আন এটা অর্থ অভিব্যক্ত কৰাটো কবিৰ উদ্দেশ্যৰূপে প্রতিফলিত হয় তাকেই 'অবিৱক্ষিতবাচ্য ধ্বনি' বোলে। এই ধ্বনি প্রধানকৈ দুবিধ— 'অর্থান্তৰ সংক্রমিত ৰাচ্য' আৰু 'অত্যন্ততিৰস্কৃতৰাচ্য'। প্রথম বিধত কবিৰ অনভিপ্রেত বাচ্যাৰ্থটো বেলেগ অৰ্থত অর্থাৎ লক্ষ্যাৰ্থত সংক্রমিত হয়। সহজভাৱে ক'বলৈ গ'লে যি 'অবিৱক্ষিতবাচ্য ধ্বনি'ত বাচ্য বা মুখ্য অৰ্থটি লক্ষ্যাৰ্থৰ ভিতৰত সোমাই থাকে তাকে 'অর্থান্তৰ সংক্রমিত অবিবক্ষিতবাচ্য ধ্বনি' বোলে। আনফালে যি 'অবিৱক্ষিতবাচ্য ধ্বনি'ত বাচ্যাৰ্থ বা মুখ্যাৰ্থটো সম্পূর্ণভাৱে তিৰস্কৃত হয় বা উপেক্ষিত হয় তাকেই 'অত্যন্ততিৰস্কৃতবাচ্য ধ্বনি' বোলে। অর্থাৎ — এইবিধ ধ্বনিত বাচ্যাৰ্থটি সম্পূর্ণ দূৰীভূত হয় আৰু লক্ষণাৰ দ্বাৰা আন এটা অৰ্থৰ উপস্থাপন হয়, তদুপৰি তাৰ দ্বাৰা আন এটা অৰ্থহে ব্যঞ্জিত হয়। তলত প্রত্যেক ধ্বনিৰে উদাহৰণ দাঙি ধৰা হ'ল—

➢ *অসংলক্ষ্যক্রমব্যঙ্গ ধ্বনি ঃ*

ভাৱৰে প্রতিমা ভাৱতে বাঢ়িছে
ভাৱৰে বেহানি কৰে।
বুকুৰে ভিতৰত চেনেহৰ সঁফুৰাত--
মালতীৰ চেনেহকণ চৰে। (লক্ষ্মীনাথ বেজবৰুৱা — 'মালতী' )

ইয়াত মালতী আলম্বন বিভাব, বৰ্ষাকাল আদি উদ্দীপন বিভাব, কবিৰ মনৰ অৱস্থা সঞ্চাৰীভাব, নায়কৰ অনুৰাগ ব্যঞ্জক শাৰীৰিক চেষ্টাবোৰ অনুভাব। ইয়াত বিভাবাদি প্রতীত হোৱাৰ লগে লগে ব্যঞ্জনাৰ দ্বাৰা নায়কৰ অনুৰাগ প্রতীত হয় আৰু শ্রোতাৰ হৃদয়ত থকা ৰতি নামৰ স্থায়ীভাবটো উদিত হৈ শৃঙ্গাৰ ৰস ৰূপে আস্বাদিত হয়। বিভাবাদিবাচ্যাৰ্থ প্রতীত বস্তুৰ পৰা আৰম্ভ কৰি ব্যঞ্জিত ৰসৰ স্তৰলৈকে থকা ক্রমবোৰ ইয়াত পৰিলক্ষিত নহয়। সেইকাৰণে ই অসংলক্ষ্যক্রমব্যঙ্গ ধ্বনিৰ উদাহৰণ।

- *সংলক্ষ্যক্ৰমব্যঙ্গ ধ্বনি ঃ*

কোনেও নুশুঙা ফুলবোৰ ছিঙি
কোঁচত ভৰাই লৈ।
এটি এটিকৈ পানীৰ সোঁতত।
উটুৱাই দিয়ে গৈ।।

এই কবিতাটোত বাচ্যাৰ্থটো হ'ল যে এগৰাকী নাৰীয়ে অনাঘ্ৰাত ফুলবোৰ ছিঙি লৈ এপাহ এপাহকৈ পানীৰ সোঁতত উটুৱাই দিছে। কিন্তু এই বিৱক্ষিতবাচ্যৰ দ্বাৰা ৰূপহী নাৰীগৰাকীৰ অনুৰাগ প্ৰতীত বা ব্যঞ্জিত হৈছে। আকৌ ইয়াতে মন কৰিলেই বুজা যায় যে বাচ্যাৰ্থবোধৰ পিছত ব্যঙ্গাৰ্থবোধৰ এটি ক্ৰম আছে। সেইকাৰণে এইটো সংলক্ষ্যক্ৰমব্যঙ্গ ধ্বনিৰ উদাহৰণ হৈছে।

- *অৰ্থান্তৰ সংক্ৰমিত ৱাচ্য ধ্বনি ঃ*

শুনিয়ো লক্ষ্মণ দশৰথ সুত
ৰামৰ কনিষ্ঠ ভাই।
অসোধনে কেন স্বামীক নিন্দাহা
আমাৰ কৰ্মক পাই। *(ৰামায়ণ)*

এই কবিতাটোত 'দশৰথসুত' পদটোৱে ৰামাদি দশৰথৰ আন আন পুত্ৰক নুবুজাই কেৱল লক্ষ্মণক বুজাইছে। তদুপৰি 'ৰামৰ কনিষ্ঠ ভাই' পদটোৱেও ভৰত আদি আন আন ভ্ৰাতৃগণক নুবুজাই মাত্ৰ লক্ষ্মণকে বুজাইছে। ইয়াত 'দশৰথসুত' পদটোৱে দশৰথৰ গুণাৱলী লক্ষ্মণৰ চৰিত্ৰত থকা বুলি বিবেচনা কৰাটো ব্যঞ্জিত হৈছে। একেদৰে 'ৰাম কনিষ্ঠ ভাই' পদটোৱে ৰামচন্দ্ৰৰ গুণাৱলী লক্ষ্মণৰ চৰিত্ৰত থকা বুলি ভবাটো ব্যঞ্জিত হৈছে। এনেকুৱা গুণৰ অধিকাৰী লক্ষ্মণৰ দ্বাৰা সুগ্ৰীৱক ভৎৰ্সনা কৰাটো উচিত হোৱা নাই। গতিকে এই কৱিতাটোত 'দশৰথসুত' আৰু 'ৰামৰ কনিষ্ঠ ভাই' —এই শব্দ দুটাৰে কেৱল লক্ষ্মণক বুজোৱা বাচ্যাৰ্থটো অভিপ্ৰেত নহয়; কিন্তু দশৰথৰ গুণসমৃদ্ধ আৰু ৰামৰ গুণাৱলী থকা লক্ষ্মণহে ইয়াত ব্যঞ্জিত হৈছে আৰু এই ধ্বন্যাৰ্থ বা ব্যঙ্গাৰ্থ অতিশয় মনোৰম হৈ উঠিছে। এইক্ষেত্ৰত বাচ্যাৰ্থটো সম্পূৰ্ণভাৱে দূৰীভূত নহৈ বা উপেক্ষিত নহৈ লক্ষ্যাৰ্থত সংক্ৰমিত হৈছে কাৰণে এইটো অৰ্থান্তৰ সংক্ৰমিত ৱাচ্য ধ্বনিৰ উদাহৰণ হৈছে।

- *অত্যন্ততিৰস্কৃতৱাচ্য ধ্বনি ঃ*

কেলেই লাগিছে সেন্দুৰীয়া গাল
ফৰিং প্ৰেমিকৰ জুই
কোৰাভাতুৰীয়া ওঁঠৰ তলত
ফেঁটী সাপ থাকে শুই।।

এই কবিতাটোত 'জুই' আৰু 'ফেঁটীসাপ' —এই শব্দ দুটা নিজৰ বাচ্য অৰ্থ

ত্যাগ কৰি কষ্ট দিয়া বা ভয়ঙ্কৰ ৰূপ অৰ্থক বুজাইছে, আৰু তাৰ দ্বাৰা সেই গাল বা ওঁঠৰ সংস্পৰ্শত আহিলে দেহ পুৰি বা দেহাত বিহ লাগি মৃত্যুও হ'ব পাৰে — এই অৰ্থ ধ্বনিত হৈছে। এইক্ষেত্ৰত বাচ্য বা অভিধেয় অৰ্থটো সম্পূৰ্ণভাৱে তিৰস্কৃত বা দূৰীভূত হৈছে; কাৰণ সেন্দূৰীয়া গাল জুই হ'ব নোৱাৰে, ওঁঠ কেতিয়াও ফেঁটীসাপ হ'ব নোৱাৰে। বাচ্যাৰ্থ তিৰস্কৃত হোৱাৰ লগে লগে সেন্দূৰীয়া গালৰ দহন ক্ষমতা আৰু ওঁঠৰ বিহ ঢালি দিয়া ৰূপী লক্ষ্যাৰ্থটো ইয়াত ধ্বনিত হৈছে। ইয়াৰ দ্বাৰা কবিতাশাৰী সামাজিকৰ হৃদয়বোধক হৈ উঠিছে। এয়াই অত্যন্ততিৰস্কৃতবাচ্য ধ্বনি।

ইয়াৰ উপৰি ধ্বনিৰ আৰু কিছুমান প্ৰকাৰ পোৱা যায়। যেনে— শব্দশক্ত্যুদ্ভৱ ধ্বনি, অৰ্থশক্ত্যুদ্ভৱ ধ্বনি আদি। আপোনাৰ পাঠ্যবিষয়ত সেয়া অন্তৰ্ভুক্ত কৰা হোৱা নাই বাবে বহলাই আলোচনা কৰাৰ পৰা বিৰত থকা হ'ল। উচ্চতৰ প্ৰৰ্যায়ত আপুনি সেয়া বহলাই অধ্যয়ন কৰিব পাৰিব।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** অবিৱক্ষিতবাচ্য ধ্বনি কাক বোলে?

.....................................................................................

**প্ৰশ্ন নং ৬ ঃ** *ধ্বন্যালোকত* আনন্দৱৰ্ধনে কেইবিধ আৰু কি কি ব্যঙ্গ বা ধ্বনিবেদ্য অৰ্থৰ কথা কৈছে।


.....................................................................................



## ১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় অলংকাৰশাস্ত্ৰৰ পৰম্পৰাত ধ্বনিৰ এটি বিশিষ্ট স্থান আছে। ধ্বনিৰ বিষয়ে পূৰ্বাচাৰ্যসকলে জানিলেও আনন্দৱৰ্ধনেই প্ৰথমবাৰৰ বাবে *ধ্বন্যালোকত* ধ্বনিৰ সুসংবদ্ধ ৰূপটো দাঙি ধৰিছে। পৰৱৰ্তী কালত অভিনৱগুপ্তই *লোচনটীকাত* আনন্দৱৰ্ধনে কোৱা বহু কথা বহলাই ধ্বনিবিষয়ক বহু ধাৰণাক সহজবোধ্য কৰি তুলিছে।
- কাব্যত যেতিয়া শব্দ বা অৰ্থই নিজৰ অভিপ্ৰায় পৰিত্যাগ কৰি গৌণভাৱে থাকি ব্যঞ্জনাৰ সহায়ত বেলেগ অৰ্থ ব্যক্ত কৰে তেতিয়া ব্যঞ্জনাসমৃদ্ধ সেই কাব্যকেই ধ্বনি বোলা হয়।
- ধ্বনিক অস্বীকাৰ কৰা আলঙ্কাৰিকসকলক প্ৰধানতঃ তিনিটা ভাগত ভগোৱা হৈছে — প্ৰথম ভাগটোৱে ধ্বনি বোলা কোনো বস্তুৱে নাই বুলি কয়, দ্বিতীয়টোৱে ধ্বনিক অনিৰ্বচনীয় বুলি মত পোষণ কৰে আৰু তৃতীয় গোটটোৱে ধ্বনি থাকিলেও ইয়াক ব্যাখ্যা বা প্ৰকাশ কৰা নাযায় বুলি মত প্ৰকাশ কৰিছে।

- ধ্বনিবাদীসকলৰ মতে ধ্বনিয়েই কাব্যৰ আত্মা বা প্ৰাণস্বৰূপ। এইক্ষেত্ৰত বস্তুধ্বনি বা আলঙ্কাৰিকধ্বনিক গ্ৰহণ নকৰি ৰসধ্বনিকেই গ্ৰহণ কৰা হয়। অৰ্থাৎ — কাব্যৰ আত্মা বুলি ক'লে ৰসধ্বনিকেই কাব্যৰ আত্মা বুলি বুজোৱা হয় কাৰণ বস্তুধ্বনি আৰু অলংকাৰধ্বনিয়ে পৰৱৰ্তী পৰ্যায়ত ৰসধ্বনিতেই মিলি যায়।
- ধ্বনিক প্ৰধানভাৱে দুটা ভাগত ভগাব পাৰি — অভিধামূলক আৰু লক্ষণামূলক। এই দুয়োবিধেই আকৌ বেলেগ বেলেগ বেলেগ ধৰণে ভাগ কৰা যায়। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা দাঙি ধৰা হ'ল। ধ্বনিয়েই প্ৰতীয়মান অৰ্থৰ দ্বাৰা কাব্যত পৰমানন্দৰ জনক হয়। সেইকাৰণে ভাৰতীয় অলংকাৰশাস্ত্ৰত ধ্বনিকাব্যকেই শ্ৰেষ্ঠ কাব্য বুলি কোৱা হয়।



## ১.৫ অধিক জানিবলৈ


**অসমীয়া গ্ৰন্থ**

১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।

২) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।


৩) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৪) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

**ইংৰাজী গ্ৰন্থ**

৫) Dey. S. K. (1963). *Sanskrit Poetics.* Oxford: OUP

৬) Kane, P. V. (1971). *History of Sanskrit Poetics.* Delhi: Motilal Banarashi Das.

## ১.৬ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** আনন্দৱৰ্ধন।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** আনন্দৱৰ্ধনে ৰচনা কৰা তিনিখন কাব্য গ্ৰন্থ হ'ল *দেৱীশতম্, ৱিষমবাণলীলা* আৰু *অৰ্জুনচৰিচমহাকাব্যম্*।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** 'ধ্বনি' শব্দটোৰ বুৎপত্তি তিনি ধৰণে কৰিব পাৰি; যেনে— (ক) ধ্বনতীতি ধ্বনিঃ, (খ) ধ্বন্যতে ইতি ধ্বনিঃ, (গ) ধ্বননং ধ্বনিঃ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** মূলতঃ ধ্বনিবিৰোধী গোট তিনিটা; প্ৰথম গোটটোৰ মতে — ধ্বনি বোলা একো নাই (নাস্ত্যেৱ ধ্বনিঃ), দ্বিতীয় গোটটোৰ মতে — ধ্বনি হ'ল লক্ষণ (ভক্তিৰেৱ ধ্বনিঃ) আৰু তৃতীয় গোটটোৰ মতে— ধ্বনি থাকিলেও ইয়াক ব্যাখ্যা বা প্ৰকাশ কৰা নাযায় (অনিৰ্বাচ্য ধ্বনিঃ)।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** যি ধ্বনিত লক্ষণাৰ দ্বাৰা লক্ষ্যাৰ্থটো উপস্থাপিত কৰি আন এটা অৰ্থ অভিব্যক্ত কৰাটো কবিৰ উদ্দেশ্যৰূপে প্ৰতিফলিত হয় তাকেই 'অবিৱক্ষিতবাচ্য ধ্বনি' বোলে।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** *ধ্বন্যালোকত* আনন্দৱৰ্ধনে তিনিবিধ ব্যঙ্গ বা ধ্বনিবেদ্য অৰ্থৰ কথা কৈছে, যথা— বস্তুধ্বনি, অলংকাৰধ্বনি আৰু ৰসধ্বনি।



## ১.৭ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) ধ্বনিসম্প্ৰদায়ে ধ্বনিক কাব্যৰ কি বুলি গ্ৰহণ কৰিছে?

(খ) ৰসধ্বনি কাক বোলে?

(গ) অসংলক্ষ্যক্ৰমব্যঙ্গ ধ্বনি মানে কি?

(ঘ) ধ্বনি বিৰোধী দলৰ দ্বিতীয় গোটটোৰ মতে ধ্বনি কি?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ধ্বনিৰ ভাগবোৰ লিখি প্ৰত্যেকটো উদাহৰণসহ ব্যাখ্যা কৰক।

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক—

(ক) অলংকাৰ ধ্বনি (খ) অবিৱক্ষিতবাচ্য ধ্বনি

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ধ্বনিৰ স্বৰূপ ব্যাখ্যা কৰি কাব্যত ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে বহলাই আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** ধ্বনিৰ বিপক্ষে থকা অভিমতবোৰ খণ্ডন কৰি ধ্বনিৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰক।

**প্ৰশ্ন ৩ ঃ** বস্তুধ্বনি, অলংকাৰধ্বনি আৰু ৰসধ্বনিৰ বিষয়ে উদাহৰণসহ বিশ্লেষণ আগ বঢ়াওক।

*** ***** ***

# অধ্যায় ২ঃ   ৰস

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ৰস শব্দৰ আঁতিগুৰি
২.৪ ৰস উপলব্ধিৰ কাৰক
২.৫ ৰসমীমাংসা আৰু বিভিন্ন মতবাদ
২.৬ ৰস সংখ্যা
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্ৰগতিৰ খতিয়ান
২.১০ আৰ্হি প্ৰশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰস শব্দৰ আঁতিগুৰি নিৰূপণ কৰিব পাৰিব
- ৰস উপলব্ধিৰ কাৰকসমূহৰ বিষয়ে ধাৰণা লাভ কৰাৰ লগতে সেই বোৰৰ সৈতে পৰিচিত হ'ব
- ভৰতৰ ৰসমীমাংসা আৰু পৰৱৰ্তীকালৰ বিভিন্ন মতবাদ সম্পৰ্কে জ্ঞাত হ'ব
- ৰস সংখ্যা সম্পৰ্কে জ্ঞাত হোৱাৰ উপৰি প্ৰত্যেক বিধ ৰসৰ সম্যক ধাৰণা লাভ কৰিব।

## ২.২ পৰিচয়

এইটো আমাৰ আলোচ্য পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়। ইয়াৰ পূৰ্বৱৰ্তী অধ্যায়টোত প্ৰাচ্য নন্দনতত্ত্বৰ এটি উল্লেখযোগ্য বিষয় ধ্বনিতত্ত্বৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে। ধ্বনিতত্ত্ব মানে কি, ইয়াৰ স্বৰূপ আৰু প্ৰকাৰভেদ তথা ধ্বনিতত্ত্বৰ বিপক্ষে থকা মতবাদসমূহৰ বিষয়ে আগৰ অধ্যায়টোত আপুনি বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়টো অধ্যয়ন কৰোঁতে আপুনি ভৰত মুনি তথা তেওঁ ৰচনা কৰা *নাট্যশাস্ত্ৰ* তথা ৰসতত্ত্বৰ প্ৰসংগ উল্লেখ কৰি অহা হৈছে। এইটো অধ্যায়ত আপুনি ৰসতত্ত্ব সম্পৰ্কে বহলাই অধ্যয়ন কৰিব।

আগৰ অধ্যায়টো পঢ়ি আপুনি গম পাইছে যে, অতি প্ৰাচীন কালৰে পৰাই ভাৰতীয় সমালোচকসকলৰ মনত এটা বিশেষ কথাই দোলা দি আছিল— কাব্যৰ প্ৰয়োজনীয়তা কি?

বিভিন্ন আলংকাৰিকসকলে এই বিষয়ে তেওঁলোকৰ মতামত আগ বঢ়াই গৈছে। বিখ্যাত আলংকাৰিক মম্মট ভট্টই *কাব্য-প্ৰকাশ* গ্ৰন্থত মন্তব্য কৰিছে — কাব্যৰ পৰা কবিৰ যশস্যা লাভ হয়, পাঠকে সাংসাৰিক জীৱনৰ লাগতিয়াল কৰ্তব্যৰ সম্ভেদ পায়, সকলোৰে অমংগল নাশ হয়, এক বিমল মানসিক আনন্দ লাভ কৰে আৰু কাব্যই প্ৰিয়তমা পত্নীৰ দৰে মধুৰ কথাৰে উপদেশ শুনায়। উল্লেখযোগ্য যে সংস্কৃত ভাষাত 'কাব্য' শব্দই নাট, গদ্য-পদ্য সকলোকে সামৰে। মম্মট ভট্টই উল্লেখ কৰা প্ৰথম তিনিটা প্ৰকাৰ্য সকলো ধৰণৰ শাস্ত্ৰই সাধন কৰে কিন্তু শেষৰ দুটা কাৰ্য— পৰমানন্দ লাভ আৰু মধুৰ উপদেশৰ কাম সম্পন্ন কৰে কেৱল কাব্যইহে। এই পৰমানন্দ লাভ কৰা কাৰ্যটিতে লুকাই আছে ৰসসৃষ্টিৰ কথা। প্ৰাচ্য সমালোচনাৰ এক বহল অংশ আগুৰি আছে এই ৰসতত্ত্বই। এই অধ্যায়টোত ৰস মানে কি, ই কেনেদৰে সৃষ্টি হয়, ৰস সম্পৰ্কে থকা বিভিন্ন মতবাদ, ৰস সংখ্যা আদিৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে।

## ২.৩ ৰস শব্দৰ আঁতিগুৰি

ৰস শব্দই ব্যুৎপত্তিগতভাৱে 'ৰসিত' বা আস্বাদিত অৰ্থ নিৰূপণ কৰে। *সাহিত্য দৰ্পণ*ত বিশ্বনাথ কবিৰাজে মন্তব্য কৰিছে— "ৰস্যতে ইতি ৰসঃ" — যিটো ৰসিত বা আস্বাদিত হয় সিয়ে ৰস। লৌকিক অৰ্থত জিভাৰে আস্বাদিত বিভিন্ন অনুভূতি বা উপলব্ধিকেই আমি ৰস বুলি মন্তব্য কৰোঁ। কিন্তু কাব্যত কবিয়ে অনুভৱ কৰা পৰম আনন্দৰ স্বৰূপ পাঠক-শ্ৰোতাৰ হৃদয়লৈও সঞ্চাৰিত কৰি তুলিব বিচাৰে। এই আনন্দৰ স্বৰূপ লোকোত্তৰ— ইয়াকেই কাব্যৰ ৰস বুলি কোৱা হয়।



***ঋগ্বেদ***ঃ বৈদিক সাহিত্যৰ আদিতম গ্ৰন্থ। চাৰিবেদৰ প্ৰথম খন বেদ।

***উপনিষদ*** ঃ সংস্কৃত সাহিত্যৰ এক ৰচনা বিশেষ। ইয়াত বেদৰ প্ৰতিপাদ্য বিষয় সংগৃহীত হৈছে। সেয়ে ইয়াক 'বেদান্ত' বুলিও অভিহিত কৰা হয়। প্ৰত্যেকখন বেদৰে পৃথক পৃথক উপনিষদ আছে।

ৰস শব্দটি ***ঋগ্বেদ***তো পোৱা যায়। ***উপনিষদৰ*** দিনত ইয়াৰ অৰ্থৰ সলনি হৈছে। *ঋগ্বেদ*ত জুলীয়া বস্তুক বুজাবলৈ এই শব্দটো ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্তীকালৰ *উপনিষদ*ত ৰসৰ অৰ্থৰ পৰিৱৰ্তন ঘটি ই হ'ল— 'সাৰ পদাৰ্থ'। *তৈত্তিৰীয় উপনিষদ*ত আছে— "ৰসো বৈ সঃ ৰসং হ্যেৱায়ং লব্ধা আনন্দীভৱতি"— অৰ্থাৎ ৰস মানে আনন্দ। আনন্দময়ী মহাসত্তাক উপলব্ধি কৰিবলৈ উপনিষদৰ যুগৰ ঋষিমুনিসকলে কঠোৰ তপস্যা কৰিছিল। তেওঁলোকে পৰিশেষত উপলব্ধি কৰিছিল দুখ-শোকৰ অতীত এক পূৰ্ণানন্দ অৱস্থা। ইয়াৰ আলম লৈয়ে পৰৱৰ্তীকালৰ আচাৰ্যসকলে ৰসৰ অৰ্থ নিৰূপণ কৰিলে— ৰস হ'ল সৌন্দৰ্যবোধৰ পৰা সৃষ্টি হোৱা অতি জাগতিক আনন্দময়ী অৱস্থা। ইয়াক কেৱল মানসিকভাৱেহে উপলব্ধি কৰিব পাৰি।

ভাৰতীয় সাহিত্য, শাস্ত্ৰত ৰসৰ ধাৰণা ভৰতমুনিৰ দিনতেই প্ৰতিষ্ঠা হৈছে বুলি ঠাৱৰ কৰা হয়। তেওঁ *নাট্যশাস্ত্ৰ*ত উল্লেখ কৰিছে — "ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ততে।" অৰ্থাৎ ৰসৰ অবিহনে বাক্যৰ কোনো অৰ্থৰে উপক্ৰম হ'ব নোৱাৰে।



**জানি থোৱা ভাল**

ভৰতমুনিয়ে ৰচনা কৰা মূল *নাট্যশাস্ত্ৰ*খন বৰ্তমান পাবলৈ নাই। বৰ্তমান যিখন *নাট্যশাস্ত্ৰ* তেওঁৰ বুলি প্ৰচলিত হৈ আহিছে সেইখন খ্ৰীঃ ৮ম

শতিকাৰ শেষৰ ফালে লিখা বুলি সাহিত্যৰ ইতিহাসকাৰসকলে ধাৰণা কৰে। তেওঁলোকে এই বুলিও মন্তব্য আগবঢ়াইছে যে — এই শাস্ত্ৰখন পুনৰ লিখি উলিওৱা হৈছে আৰু বহু অংশ প্ৰক্ষিপ্ত।

আলংকাৰিক উদ্ভটে লিখা *কাব্যালঙ্কাৰ সংগ্ৰহ* পুথিখনকেই ৰসসূত্ৰৰ উল্লেখ থকা বৰ্তমানলৈকে প্ৰাপ্ত প্ৰাচীনতম প্ৰাথমিক গ্ৰন্থ হিচাপে বিবেচনা কৰা হয়। এইখন পুথিৰো আনুমানিক সময় খ্ৰীঃ ৮ম শতাব্দী। ভৰতৰ *নাট্যশাস্ত্ৰ*ত আঠ বিধ ৰসৰ কথা উল্লেখ কৰা হৈছিল যদিও উদ্ভটৰ মতে ৰসৰ সংখ্যা ন। এই বিষয়ে পাছত বহলাই আলোচনা কৰা হ'ব।

পৰৱৰ্তীকালত বিশ্বনাথ কবিৰাজে কাব্যৰ সংজ্ঞা দিবলৈ গৈ মন্তব্য কৰে— "বাক্যং ৰসাত্মকং কাব্যম্" — যি বাক্য ৰসেৰে পৰিপূৰ্ণ সিয়েই কাব্য। ইয়াৰ পৰা আমি ধাৰণা কৰিব পাৰোঁ যে ৰস সৃষ্টিৰ ক্ষেত্ৰত প্ৰাচীন কবিসকলে কেনেদৰে গুৰুত্ব প্ৰদান কৰিছিল। ধ্বনিবাদৰ প্ৰৱৰ্তক আনন্দৱৰ্ধনেও কাব্যৰ সাৰ বস্তু ৰস বুলি মন্তব্য কৰি তাৰ পৰিপ্ৰেক্ষিততে কাব্যৰ দোষ-গুণ বিচাৰ কৰা হয় বুলি ব্যক্ত কৰিছে। এই বিষয়ে পূৰ্বৱতী অধ্যায়ত আপুনি ইতিমধ্যে বহলাই অধ্যয়ন কৰি আহিছে।



***ধ্বনিবাদ*** ঃ কাব্যৰ এক প্ৰধান উপাদান হ'ল ধ্বনি। ধ্বনিক কাব্যৰ প্ৰধান তথা মূল উপাদান হিচাপে বিবেচনা কৰি এক মতবাদৰ সৃষ্টি হৈছে। ইয়াকে ধ্বনিবাদ বোলা হয়।

এতিয়া প্ৰশ্ন হ'ল ৰস কেনেদৰে সৃষ্টি হয় বা কেনেদৰে ৰস নিষ্পত্তি ঘটে? ভৰতৰ *নাট্যশাস্ত্ৰ*ত আছে — "বিভাবানুভাবব্যভিচাৰিসংযোগাদ্ ৰসনিষ্পত্তিঃ" — অৰ্থাৎ বিভাব, অনুভাব আৰু ব্যভিচাৰীভাবৰ সংযোগত ৰসৰ নিষ্পত্তি ঘটে। কিন্তু ক'ত? এই উত্তৰ তেৱেঁই দিছে— এই সংযোগ ঘটে সামাজিকৰ হৃদয়ৰ স্থায়ীভাবৰ লগত। পৰৱৰ্তীকালত বিভিন্ন আলংকাৰিক পণ্ডিতে এই সূত্ৰটি নিজৰ নিজৰ ধৰণে ব্যাখ্যা কৰিছে। সেই বিষয়ে আলোচনাত প্ৰবৃত্ত হোৱাৰ আগতে আমি স্থায়ীভাব, বিভাব, অনুভাব আদি শব্দকেইটাৰ পাৰিভাষিক অৰ্থ সম্পৰ্কে ধাৰণা লাভ কৰিব লাগিব। এই শব্দকেইটাকে ৰস উপলব্ধিৰ কাৰক বুলি বিবেচনা কৰা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** *উপনিষদ*ৰ মতে ৰস মানে কি?

......................................................................................................

## ২.৪ ৰস উপলব্ধিৰ কাৰক

ইতিমধ্যে আমি জানিব পাৰিলোঁ যে ৰস উপলব্ধিৰ কাৰক হ'ল চাৰিটা। যথা— স্থায়ীভাব, বিভাব, অনুভাব, সঞ্চাৰীভাব বা ব্যভিচাৰীভাব।

- **স্থায়ীভাব ঃ** প্ৰত্যেকজন মানুহৰ চিত্তত কিছুমান সাধাৰণ প্ৰবৃত্তি থাকে। সাধাৰণতে এইবোৰ সুপ্তভাৱেই থাকে যদিও উপযুক্ত পৰিৱেশ পালে জাগ্ৰত হৈ উঠে। এই প্ৰবৃত্তিসমূহকে স্থায়ীভাব বোলা হয়। উদাহৰণ এটিৰে কথাটি বুজাই ক'লে সহজ হ'ব। আন্ধাৰ ৰাতি আপুনি অকলে এক নিজান বাটেৰে গৈ থকা অৱস্থাত হঠাৎ ঢ্‌পঢ্‌পাই এটা চৰাই উৰি গ'ল। সেই সময়ত

আপোনাৰ মন কোনো বিপদৰ শংকাৰে বিকল হৈ উঠিব। অৰ্থাৎ আপোনাৰ 'ভয়' লাগিব। এই যে ভয় লগা ভাবটো — আপোনাৰ অন্তৰত সুপ্তভাৱেই আছিল, কিন্তু তেতিয়া পৰিৱেশ-পৰিস্থিতিৰ বাবে সি উদ্দীপ্ত হৈ উঠিছে। ঠিক এনেদৰে আন কেইবাটাও ভাব আমাৰ চেতনাত সুপ্ত হৈ আছে। সেইবোৰকে স্থায়ীভাব বুলি অভিহিত কৰা হয়। ভৰতমুনিয়ে আঠ প্ৰকাৰৰ স্থায়ীভাবৰ কথা স্বীকাৰ কৰিছে। অনুৰাগৰ বাবে সৃষ্টি হোৱা ৰতি, অগতানুগতিক চিত্ৰ বা অৱস্থা দেখি সৃষ্টি হোৱা হাস, নাশ বা অনিষ্ট প্ৰাপ্তিৰ কাতৰতাত সৃষ্ট শোক, মনৰ কঠোৰতত সৃষ্টি হোৱা ক্ৰোধ, মনক প্ৰণোদিত কৰোঁতে জন্ম হোৱা উৎসাহ, বিপদৰ আশংকাত ভয়, ঘৃণাৰ ফলত সৃষ্ট প্ৰবৃতি জুগুপ্সা, অস্বাভাৱিক ঘটনাৰ বাবে সৃষ্টি হোৱা বিস্ময়। এই স্থায়ীভাবসমূহৰ পৰাই বিভিন্ন ৰসৰ সৃষ্টি হয়। উল্লেখযোগ্য যে পৰৱৰ্তীকালত আলংকাৰিক আনন্দবৰ্ধন আৰু অভিনৱগুপ্তই আৰু এটি স্থায়ীভাবৰ কথা স্বীকাৰ কৰিছে। সেইটো হ'ল শম বা নিৰ্বেদ। লৌকিক ভোগ বিলাসৰ প্ৰতি অনাসক্তিৰ ফলত সৃষ্টি হোৱা চিত্তবৃত্তিক তেওঁলোকে শম বা নিৰ্বেদ বুলি অভিহিত কৰি নৱমটো স্থায়ীভাবৰ স্বীকৃতি দিছে।

- **বিভাব ঃ** মানুহৰ অন্তৰত থকা স্থায়ীভাবসমূহ অৱচেতনভাৱে থাকে বুলি আমি ইতিমধ্যেই গম পাইছোঁ। সাধাৰণতে মানুহৰ চেতনাত থকা স্থায়ীভাবসমূহ প্ৰতি মুহূৰ্ততে জাগ্ৰত হৈ থাকিলে সেয়া অস্বাভাৱিক আচৰণসদৃশ হৈ পৰিব। বিশেষ ক্ষণতহে হে সেয়া জাগ্ৰত হয়। এই স্থায়ীভাবসমূহ জাগ্ৰত কৰিবৰ বাবে কিছুমান কাৰকৰ প্ৰয়োজন। যি পৰিস্থিতি বা যাৰ অৱলম্বনত স্থায়ীভাব এটি জাগ্ৰত হয় তাকে বিভাব বোলে। *সাহিত্য দৰ্পণ*ত ৰতি আদি স্থায়ীভাবৰ উদ্বোধক বা জগাই তোলোতা বিলাককে বিভাব বুলি অভিহিত কৰিছে। বিভাব দুবিধ — আলম্বন বিভাব আৰু উদ্দীপন বিভাব।
  - *আলম্বন বিভাব ঃ* কেতিয়াবা কোনো বস্তু, ব্যক্তি বা বিষয়ক অৱলম্বন হিচাপে লৈ স্থায়ীভাব জাগ্ৰত কৰা হয়। সেই ভাব অনুভৱযোগ্য হ'লে তাক আলম্বন বিভাব বোলা হয়। মহাকবি কালিদাসৰ *অভিজ্ঞানম্‌শকুন্তলম্* নাটত দুৰ্বাসাই শকুন্তলাক মাতি থাকোতে তেওঁ নমতাৰ বাবে ঋষিৰ মনত ক্ৰোধৰ সৃষ্টি হৈছিল আৰু শকুন্তলাক অভিশাপ দিছিল। এই যে — শকুন্তলাক দেখি দুৰ্বাসাৰ মনত ক্ৰোধৰ সৃষ্টি হৈছিল— ইয়াত শকুন্তলা হ'ল আলম্বন বিভাব।
  - *উদ্দীপন বিভাব ঃ* বহু সময়ত কোনো পৰিস্থিতি বা পাৰিপাৰ্শ্বিক অৱস্থা এটাই স্থায়ীভাব এটা জাগ্ৰত হোৱাত সহায় কৰে। এইদৰে উদ্দীপিত হোৱা বিভাবকে উদ্দীপন বিভাব বোলে। উদাহৰণস্বৰূপে জয়াল ৰাতি, বতাহৰ হো-হো শব্দ, মাজে মাজে বিজুলী, ঢেৰেকনি — এনে পৰিস্থিতি এটাই যি কোনো ব্যক্তিৰ মনতে ভয় সৃষ্টি কৰিব পাৰে। অৰ্থাৎ এনে পৰিস্থিতিত ভয় নামৰ স্থায়ীভাবটোৰ উদ্দীপন বিভাব। তেনে দৰে বিভিন্ন পৰিস্থিতিয়ে ভিন ভিন বিভাব জগাই তোলে আৰু সেই বিলাককে উদ্দীপন বিভাব বোলা হয়।
- **অনুভাব ঃ** কাব্য বা নাটকৰ পাত্ৰ-পাত্ৰীৰ অন্তৰত কোনো ধৰণৰ স্থায়ীভাবৰ উদ্ৰেক হ'লে তেওঁৰ শাৰীৰিক পৰিৱৰ্তন ঘটে। মনত সৃষ্টি হোৱা ভাব শৰীৰ কোনো অংশ, মুখৰ বচন

আদিৰ মাজেদিও আমাৰ বোধগম্য হৈ উঠে। এনেদৰে পৰিৱৰ্তন হোৱা শাৰীৰিক ভাষাকে অনুভাব বুলি কোৱা হয়। উদাহৰণস্বৰূপে— ভয় খালে গা জিকাৰ খাই উঠে, ঘাম ওলায়; খং উঠিলে গা-কঁপি যোৱা বা হাত দাঙি খেদি যোৱা আদি। অসমৰ এজন বিখ্যাত পণ্ডিত মুকুন্দ মাধৱ শৰ্মাই মন্তব্য কৰিছে — "স্থায়ীভাব উদ্রিক্ত হোৱাৰ প্রতি যদি বিভাবক কাৰণ বোলা হয় অনুভাবক উদ্রিক্ত স্থায়ীভাবৰ কাৰ্য (ফল) বুলিব লাগিব।"

অনুভাব দুই ধৰণৰ— কৃত্রিম অনুভাব আৰু সাত্ত্বিক অনুভাব। কোনো যুৱক এজনৰ প্রতি এজনী গাভৰু ছোৱালীৰ মনত প্রেম ভাব আছে আৰু ক'ব নোৱৰাকৈয়ে তাই যদি সেই পুৰুষজনৰ সন্মুখীন হয় তেতিয়া তাইৰ বিভিন্ন ধৰণৰ শাৰীৰিক পৰিৱৰ্তন ঘটিব। তাই অজানিতভাৱে 'নখে মাটি লেখিব' বা কথা ক'লে স্বৰ ভংগ হ'ব, ওঁঠ কামুৰিব, কটাক্ষ দৃষ্টি নিক্ষেপ কৰিব, ইত্যাদি। এনেদৰে আন্তৰিক ভাবব্যঞ্জক ইচ্ছাকৃত দৈহিক চেষ্টাবিলাকেই কৃত্রিম অনুভাব। উল্লেখযোগ্য যে এনে কৃত্রিম অনুভাব ইচ্ছা কৰিলে বাহিৰত প্রকাশ নোপোৱাকৈও ৰাখিব পাৰি। কিন্তু এনে কিছুমান অনুভাব আছে যিবোৰৰ প্রকাশ বাধা দি ৰাখিব নোৱাৰি। মনত থকা সত্ত্বগুণ প্রৱল হৈ উঠাৰ লগে লগে আপোনা-আপুনি প্রকাশিত হয় আৰু ইয়াকে সাত্ত্বিক অনুভাব বুলি চিহ্নিত কৰা হয়। এই সত্ত্বিক অনুভাব আঠ প্রকাৰৰ, যথা— থৰ লাগি পৰাকে স্তম্ভ, ঘামি যোৱাক স্বেদ, গাৰ নোম শিয়ঁৰি উঠাক ৰোমাঞ্চ, মাত ভাঙি যোৱা বা কঁপি উঠাক স্বৰভংগ, শৰীৰ কঁপি উঠাক বেপুথু, শেঁতা পৰাক বৈবৰ্ণ্য, চকুপানী ওলোৱাক অশ্রু আৰু মূৰ্চ্ছা যোৱা বা ইন্দ্রিয়বিলাক সাময়িকভাৱে বিকল হোৱাকে প্রলয় বোলা হয়।

- **ব্যভিচাৰীভাব ঃ** যি বোৰ ভাব স্থায়ীভাবক আশ্রয় কৰি সাময়িকভাৱে উদয় হয় সেইবোৰকে ব্যভিচাৰীভাব বোলে। উল্লেখযোগ্য যে এই ভাববোৰ কিন্তু স্থায়ীভাবৰ দৰে সহজাত প্রবৃত্তি নহয় যদিও স্থায়ী ভাবৰ অনুষংগৰূপেই থাকে। ইহঁত বিদ্যুৎচ্ছটাৰ দৰে ক্ষন্তেকৰ বাবেহে অনুভূতিৰ গোচৰ হয় আৰু লুকাভাকু খেলি থাকে বাবে সঞ্চাৰীভাব বুলিও কোৱা হয়।

ব্যভিচাৰীভাব তেত্রিশবিধ বুলি ভৰতমুনিয়ে *নাট্যশাস্ত্ৰত* উল্লেখ কৰিছে— নিৰ্বেদ (বৈৰাগ্য বা নৈৰাশ্য), গ্লানি (অৱসাদ), শংকা (ভয় বা সংশয়), অসূয়া (ঈৰ্ষা), মদ (গৰ্ব), শ্রম (পৰিশ্রম), আলস্য (এলাহ), দৈন্য (দীনতা), চিন্তা (ভাবনা, ধ্যান), মোহ (ভ্রম, স্নেহ), স্মৃতি (সোঁৱৰণ), ধৃতি (ধৈৰ্য), ব্রীড়া (লাজ), চপলতা (চঞ্চলতা), হৰ্ষ (আনন্দ), আৱেগ (উৎকণ্ঠা), জড়তা (অৱশতা), গৰ্ব (অহংকাৰ), বিষাদ (বিষণ্ণতা), ঔৎসুক্য (উৎসাহ), নিদ্রা (টোপনি), স্বপ্ন (সপোন দেখা), অপস্মাৰ (মূৰ্চ্ছাৰোগ), প্রবোধ (সান্ত্বনা), অমৰ্ষ (অসহন), অৱহিত্থ (মনোভাব গোপন কৰা), উগ্ৰতা (খঙাল প্রকৃতি), মতি (মন, বুদ্ধি), ব্যাধি (ৰোগ), উন্মাদ (বাতুলতা), মৰণ (মৃত্যু), ত্রাস (অনিষ্টৰ আশংকা) আৰু বিতৰ্ক (বাদানুবাদ)। এইদৰে বিচাৰ কৰিলে দেখা যায় যে নটা স্থায়ীভাব, তেত্রিশটা ব্যভিচাৰীভাব আৰু আঠোটা সাত্ত্বিক অনুভাবৰ সংযোগতে ৰসৰ সৃষ্টি হয়। বিভাব আৰু কৃত্রিম অনুভাব বাহ্যিক উপাদান— ইহঁতে ৰসানুভৱ হোৱাত সহায়হে কৰে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ২ ঃ** বিভাব কেইপ্ৰকাৰৰ আৰু কি কি ?

.............................................................................................

**প্ৰশ্ন নং ৩ ঃ** ব্যাভিচাৰীভাব কেইপ্ৰকাৰৰ ?

.............................................................................................



**চিন্তা-চৰ্চা কৰক — ২.১**

'অধিক জানিবলৈ'ত থকা পুথিসমূহৰ সহায়েৰে প্ৰত্যেক বিধ স্থায়ীভাবৰ বিষয়ে উদাহৰণ দি বহলাই আলোচনা কৰিবলৈ যত্ন কৰক।

## ২.৫ ৰসমীমাংসা আৰু বিভিন্ন মতবাদ

আমি ইতিমধ্যে ভৰতৰ ৰস নিষ্পতি সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলোঁ। আমি জ্ঞাত যে স্থায়ীভাবৰ লগত বিভাব, অনুভাব আৰু সঞ্চাৰীভাবৰ সংযোগতে ৰস নিষ্পত্তি হয়। পৰৱৰ্তীকালত বিভিন্ন আলংকাৰিক তথা *নাট্যশাস্ত্ৰ*ৰ টীকাকাৰসকলে এই সূত্ৰৰ বিভিন্ন ব্যাখ্যা দাঙি ধৰিছে। তলত কেইটিমান উল্লেখযোগ্য মতবাদৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল—



**জানি থোৱা ভাল**

কাব্যৰ ৰসাস্বাদনকাৰীক বুজাবলৈ পাঠক, শ্ৰোতা, দৰ্শক, সামাজিক আদি বিভিন্ন পাৰিভাষিক শব্দ ব্যৱহাৰ কৰা হয়। এই সকলোখিনিক একেলগে বুজাব পৰাকৈ 'সহৃদয়' শব্দটি ব্যৱহাৰ কৰা যায়। "ৰসজ্ঞতৈৱ সহৃদয়ত্বম" (আনন্দবৰ্ধন)— ৰসজ্ঞজনেই হ'ল সহৃদয়। মুঠতে ক'ব পাৰি ৰস আস্বাদন কৰিব জোখাৰে যিজনৰ মনত সূক্ষ্মতা আছে, মনত সংবেদনশীলতা আছে তেওঁকে সহৃদয় বোলা হয়।

- **ভট্টলোল্লটৰ ব্যাখ্যা ঃ** ভট্টলোল্লট *নাট্যশাস্ত্ৰ*ৰ এজন টীকাকাৰ। তেওঁৰ মূল টীকাখন বিলুপ্ত যদিও আন আলংকাৰিক বা টীকাকাৰে তেওঁলোকৰ ৰচনাত ভট্টলোল্লটৰ মতবাদৰ কথা উল্লেখ কৰিছে। তাৰ পৰাই এওঁৰ মতামতটোৰ বিষয়ে জানিব পৰা গৈছে। পণ্ডিতসকলে ধাৰণা কৰে যে বৰ্তমানে প্ৰাপ্ত তেওঁৰ মতবাদটিৰ বহু অংশ প্ৰক্ষিপ্ত।

  লোল্লটৰ মত অনুসৰি ৰস সহৃদয়ৰ নিজা অনুভূতি নহয়, নায়কৰ মনত সৃষ্টি হোৱা অনুভূতিহে। আলম্বন আৰু উদ্দীপন বিভাবৰ দ্বাৰা নায়কৰ অন্তৰৰ স্থায়ীভাব জাগৃত হয় আৰু অনুভাবৰ অভিনয়ৰ বাবে আনে বুজি পায় আৰু ব্যভিচাৰীভাবসমূহৰ দ্বাৰা পৰিপুষ্টি লাভ কৰে। এই কথাখিনি মম্মট ভট্টই তেওঁৰ বিশ্লেষণ আগ বঢ়াওঁতে উদ্ধৃত কৰিছিল। লোল্লটৰ

মতবাদটিক 'উৎপত্তিবাদ' বুলি অভিহিত কৰা হয়।

- **শ্ৰীশংকুকৰ ব্যাখ্যা ঃ** শ্ৰীশংকুকো হৈছে এজন *নাট্যশাস্ত্ৰ*ৰ টীকাকাৰ। এওঁৰ মতে স্থায়ীভাবটো অভিনেতাৰ অন্তৰত উদয় হৈছে বুলি কেৱল অনুমানহে কৰি লোৱা হয়। অভিনেতাজনে কৰা বিভাবৰ নিপুণ উপস্থাপনত তেওঁৰ মনত ৰস সৃষ্টি হৈছে বুলি ধাৰণা কৰে। এনে অনুমান গভীৰ আৰু প্ৰভাৱশালী হ'লে সি সহৃদয়কো আপ্লুত কৰি তোলে আৰু ৰস নিষ্পত্তি হয়। এই মতবাদটি 'অনুমিতিবাদ' বুলি কোৱা হয়, কাৰণ ইয়াৰ মতে ৰস নিষ্পন্ন হয় অনুমানৰ ওপৰত ভিত্তি কৰি।
- **ভট্ট নায়কৰ ব্যাখ্যা ঃ** ভট্ট নায়ক নামৰ আন এজন টীকাকাৰেও ভৰতৰ ৰস নিষ্পত্তিৰ বিষয়ে নিজস্ব মতামত আগ বঢ়াই গৈছে। এওঁ সাংখ্য দৰ্শনৰ গৃহীত সিদ্ধান্ত অনুসাৰে ৰসবাদৰ ব্যাখ্যা দাঙি ধৰি মন্তব্য কৰিছে যে ৰসৰ উৎপত্তি অনুমান বা অভিব্যক্তি একোৱেই নহয়। কাব্যত তিনি প্ৰকাৰৰ ব্যাপাৰে ৰসাস্বাদন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। প্ৰথমটো হ'ল 'অভিধা-লক্ষণা'। ইয়াৰ দ্বাৰা বিভাব, অনুভাব আৰু ব্যভিচাৰীভাব আদিৰ বৰ্ণনা উপস্থাপিত হয়। দ্বিতীয়তে 'ভাবকত্ব' নামৰ শক্তিটোৱে সহৃদয় আৰু বিভাবাদিৰ মাজত সাধাৰণীকৰণৰ কাম কৰে। বিভাবাদিৰ কালগত আৰু স্থানগত বিশেষত্ব নাইকিয়া হৈ সাধাৰণীকৃত হৈ সহৃদয়ৰ স্বকীয়তা অক্ষুণ্ণ ৰাখিও বিভিন্ন অনুভূতি সক্ৰিয় কৰি তোলে। আনহাতে তৃতীয়টো ব্যাপাৰ 'ভোজকত্ব'ই সহৃদয়ৰ মনত সত্ত্বগুণ বঢ়াই তোলে। এই সময়ত বাকী দুটা গুণ তমোঃ আৰু ৰজোঃ স্থগিত কৰি সহৃদয়ৰ তন্ময়তা বৃদ্ধিত সহায় কৰে। সাধাৰণীকৃত স্থায়ীভাবটোক সহৃদয়ে এনেদৰে আস্বাদন কৰিব পৰা অৱস্থা সৃষ্টি হয় যে যাৰ ফলত হৃদয়ৰ দ্ৰুতি, দীপ্তি, বিস্তাৰ, বিকাশ ঘটি একাত্ম আনন্দ লাভ কৰে। এই অনাবিল আনন্দময়ী অৱস্থাই হ'ল ৰস। ৰস নিষ্পত্তি মানে আস্বাদন বা ভোগ। এওঁৰ মতে ৰস সহৃদয়ৰ নিজা উপলব্ধি মাথোন। ভট্ট নায়কৰ মতবাদটি 'ভুক্তিবাদ' বুলি অভিহিত কৰা হয়।
- **অভিনৱগুপ্তৰ ব্যাখ্যা ঃ** প্ৰখ্যাত আলংকাৰিক অভিনৱগুপ্ত হ'ল 'অভিব্যক্তিবাদ' নামৰ মতবাদটিৰ প্ৰৱৰ্তক। এওঁ ভৰতৰ ৰসসূত্ৰৰ ব্যাখ্যা দাঙি ধৰি কৈছে যে — বিভাব, অনুভাব আৰু ব্যাভিচাৰীভাবৰ সহযোগত সহৃদয়ে একাগ্ৰচিত্তেৰে আৰু পৰম আনন্দৰে অনুভৱ কৰা স্থায়ীভাবেই হ'ল ৰস। কোনো কাব্য পাঠ বা দৰ্শন কৰা সময়ত সহৃদয়ে কাব্যৰ পাত্ৰ-পাত্ৰীৰ লগত একাত্মতা অনুভৱ কৰি তন্ময় হৈ পৰে। এই অৱস্থাটিক 'হৃদয় সংবাদ' ঘটা বুলি অভিহিত কৰা হয়। ইয়াৰ সমস্ত ব্যাপাৰটোৱেই সাধাৰণীকৰণ। এই পৰ্যায়ত সহৃদয়ে নিজৰ স্বকীয়তা হেৰুৱাই নেপেলোৱাকৈ কাব্য বিষয়ত নিমজ্জিত হৈ পৰে। এনে অনুভূতিক অভিনৱগুপ্তই 'চমৎকাৰ' শব্দৰে অভিহিত কৰিছে আৰু এই চমৎকাৰেই হৈছে ৰসৰ সাৰ বস্তু।

ৰসানুভূতিৰ চৰম মুহূৰ্তত সহৃদয়ৰ আত্মই আনন্দস্বৰূপে নিজক নিজেই উপলব্ধি কৰিব। এই সময়ত তেওঁৰ মনত কোনো ধৰণৰ জ্ঞাতা, জ্ঞেয় আৰু জ্ঞানৰ প্ৰভেদ নাথাকে। এই চৰম পৰ্যায়ত অনুভূত উপলব্ধিটোৱেই হ'ল ৰস। সেয়ে ৰসাহ্লাদক ব্ৰহ্মানন্দৰ লগত তুলনা কৰা হয়। এই অৱস্থাটি ব্যাৱহাৰিক জীৱনৰ কোনো দৃষ্টান্তৰে সহজতে বুজাই দিব নোৱাৰি। আন

এজন আলংকাৰিক মম্মট ভট্টই এই উপলব্ধিক বিগলিত বেদ্যান্তৰ আনন্দ বুলি কৈছে।

শ্ৰীশংকুক আৰু লোল্লটৰ বাহিৰে ভট্ট নায়ক আৰু অভিনৱগুপ্তই ৰস সহৃদয়ৰ নিজৰ উপলব্ধি বুলি মত পোষণ কৰিছে। পৰৱৰ্তীকালৰ বিভিন্ন আলংকাৰিক মম্মট, বিশ্বনাথ, জগন্নাথ প্ৰভৃতিয়ে অভিনৱগুপ্তৰ এই মতবাদটিকেই অনুসৰণ কৰিছে। অভিনৱগুপ্ত আছিল শৈৱ দাৰ্শনিক আৰু কাশ্মীৰ অধিবাসী। তেওঁৰ সময় খ্ৰীষ্টীয় দশম শতিকা।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** ভোজকত্বই কাব্যত কি কাম সাধন কৰে ?

.......................................................................................................

## ২.৬ ৰস সংখ্যা

ৰস সংখ্যা সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলৰ মাজত মতভেদ আছে। ভৰতমুনিয়ে *নাট্যশাস্ত্ৰ*ত এই ৰস সংখ্যা আঠটা বুলি লিপিবদ্ধ কৰিছে। সেইকেইটা হ'ল— শৃংগাৰ বা আদি ৰস, হাস্য ৰস, কৰুণ, ৰৌদ্ৰৰস, বীৰ ৰস, ভয়ানক ৰস, অদ্ভুত আৰু বীভৎস ৰস। আমি ইতিমধ্যে উল্লেখ কৰা ন বিধ স্থায়ীভাবৰ প্ৰথম আঠটা (প্ৰথমৰ পৰা আঠলৈকে ক্ৰমানুসাৰে) হ'ল এই ৰসসমূহ উদ্দীপক। ভৰতে এই প্ৰত্যেক বিধ ৰসৰে আলম্বন আৰু উদ্দীপন বিভাবৰ বিশদ বৰ্ণনা দাঙি ধৰিছে। পৰৱৰ্তী কালত উদ্ভট, আনন্দবৰ্ধন, অভিনৱগুপ্ত আদিয়ে 'শান্ত'ৰসক স্বীকৃতি দি তাৰ স্থায়ীভাব শম বা নিৰ্বেদ বুলি উল্লেখ কৰিছে। আনকি অভিনৱগুপ্তই শান্তক প্ৰধান ৰস বুলিও মন্তব্য কৰিছিল। ভোজৰাজ নামৰ আলংকাৰিকজনে শৃংগাৰ ৰসেই সকলোৰে মূল বুলি স্বীকাৰ কৰিছে। আন এক সম্প্ৰদায়ৰ মতে সকলোৰে মূল হ'ল কৰুণ ৰস। অদ্ভুত ৰসো প্ৰধান বা মূল ৰস বুলি আন এচাম পণ্ডিতে মত পোষণ কৰে। এচামে আকৌ ন টাতকৈও অধিক ৰসৰ পোষকতা কৰে। আনহাতে বৈষ্ণৱ আলংকাৰিকসকলে 'ভক্তি' নামৰ এবিধ ৰসৰ কথা উল্লেখ কৰি এই নটা লৌকিক ৰস বুলি চিহ্নিত কৰিছে। তেওঁলোকৰ মতে সকলো লৌকিক ৰসৰ অন্তৰালত অন্তঃসলিলা ফল্গুৰ দৰে বৈ থাকে ভক্তি ৰস।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে ৰস সংখ্যা সম্পৰ্কে আলংকাৰিকসকল এক নিৰ্দিষ্ট মতত উপনীত হ'ব পৰা নাই। তথাপিও বিভিন্ন কাব্যত প্ৰধানকৈ প্ৰয়োগ হোৱা কথাটিৰ প্ৰতি লক্ষ্য ৰাখি তথা গুৰুত্ব প্ৰদান কৰি আমি ন বিধ ৰসকেই গ্ৰহণ কৰিব পাৰোঁ। সেই কেইটা হ'ল ক্ৰমে— শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত।



**জানি থোৱা ভাল**

ৰস শাস্ত্ৰত 'ৰসাভাস' আৰু 'ভাবাভাস' নামৰ দুটি ধাৰণাও আছে। অৰ্থাৎ কোনো কোনো মুহূৰ্তত ভাব আৰু ৰসৰ সৃষ্টি হোৱা যেন অনুভৱ

কৰা হয়; কিন্তু সেয়া প্ৰকৃততে ৰস বা ভাব নহয়। আভাসহে মাত্ৰ। ই হ'ল অনৌচিত্যভাৱে প্ৰকাশিত ভাব বা ৰস। প্ৰধানত আলম্বন বিভাব আদিৰ বিষয়তে এই অনৌচিত্য আহি পৰে। যেনে — গুৰুৰ প্ৰতি কোপ ফুটাই তুলিলে যি অনৌচিত্য দোষ ঘটে আৰু ৰৌদ্ৰৰসৰ আভাস পোৱা যায়। ই ৰৌদ্ৰৰস নহয় ৰসাভাস হে। ঠিক সেইদৰে ব্যভিচাৰীভাব লজ্জা প্ৰধানভাবে ফুটাই তুলিলে ই হ'ব ভাবধ্বনি। কিন্তু বাৰবনিতাৰ লজ্জা ফুটাই তুলিলে ই হ'ব ভাবাভাস হে।

- **শৃংগাৰ ৰস ঃ** ৰতি নামৰ স্থায়ীভাবটোক আধাৰ হিচাপে লৈ বিভিন্ন সঞ্চাৰী আৰু উদ্দীপনৰ সহায়েৰে সৃষ্টি হোৱাৰ ৰসটিয়েই হ'ল শৃংগাৰ। ইয়াক আদিৰস বুলিও কোৱা হয়। শৃংগাৰ ৰস মূলতঃ দুই ধৰণৰ— সম্ভোগ আৰু বিপ্ৰলম্ভ।

  নায়ক-নায়িকাৰ পৰস্পৰ চুম্বন, আলিংগন আদিৰ সম্ভোগ অৱস্থাৰ বৰ্ণনাৰ পৰা যি ৰস নিষ্পত্তি হয় সিয়েই সম্ভোগ শৃংগাৰ।

  নায়ক-নায়িকা দূৰত থকা অৱস্থাত সৃষ্টি হোৱা শৃংগাৰ ৰসেই বিপ্ৰলম্ভ শৃংগাৰ। ই পাঁচ প্ৰকাৰৰ— পূৰ্বৰাগ, বিৰহ, ঈৰ্ষা, প্ৰবাহন আৰু দৈৱদুৰ্বিপাক।

| | | |
|---|---|---|
| পূৰ্বৰাগ | ঃ | মিলনৰ পূৰ্বৰ অনুৰাগ। |
| বিৰহ | ঃ | বিভিন্ন কাৰণত মিলন প্ৰতিহত হ'লে হোৱা অনুৰাগ। |
| ঈৰ্ষা | ঃ | আনক গুৰুত্ব দিয়া বা সম্পৰ্ক আছে বুলি ভাবি অভিমান বা ঠেঁহ কৰোঁতে হোৱা অনুৰাগ। |
| প্ৰবাস | ঃ | আঁতৰত থকাৰ কাৰণে সৃষ্টি হোৱা অনুৰাগ। |
| দৈৱদুৰ্বিপাক | ঃ | বিভিন্ন দৈৱিক কাৰণত বিচ্ছেদ ঘটিলে জন্ম হোৱা শোকৰ পৰা নিষ্পন্ন ৰস। |

- **হাস্যৰস ঃ** বিভিন্ন অসামঞ্জস্যপূৰ্ণ বা অগতানুগতিক অৱস্থা বা কাৰণত আমাৰ চিত্ত কেতিয়াবা আন্দোলিত হৈ পৰে আৰু হাঁহি উঠে। এয়াই হ'ল হাস নামৰ স্থায়ীভাব। ইয়াৰ পৰাই সৃষ্টি হয় হাস্যৰস।
- **কৰুণ ৰস ঃ** কোনো অনিষ্টপ্ৰাপ্তিৰ পৰা সৃষ্টি হয় শোক নামৰ স্থায়ী ভাবটো। ইয়াৰ ফলত সৃষ্টি হোৱা ৰসটিয়েই হ'ল কৰুণ ৰস।
- **ৰৌদ্ৰ ৰস ঃ** কোনো প্ৰতিকূল পৰিস্থিতিৰ ফলত মনত কঠোৰতাত সৃষ্টি হয় ক্ৰোধ নামৰ চিত্তবৃত্তিটো। ইয়াৰ পৰাই জন্ম হৈছে ৰৌদ্ৰ ৰস।
- **বীৰ ৰস ঃ** যিকোনো কৰ্মৰ বাবে মনক প্ৰণোদিত কৰোঁতে আমাৰ স্থায়ীভাব উৎসাহ জাগি উঠে। উৎসাহৰ পৰিপাকতেই সৃষ্টি হয় বীৰ ৰস।
- **ভয়ানক ৰস ঃ** কোনো পৰিস্থিতি বা পৰিৱেশৰ বাবে আমাৰ মনত বিপদৰ আশংকাৰ জন্ম হয় আৰু স্থায়ীভাব ভয় জাগৃত হৈ উঠে। ইয়াৰ ফলত জন্ম হোৱা ৰসটিয়েই হ'ল ভয়ানক ৰস।
- **বীভৎস ৰস ঃ** দোষ দৰ্শনৰ দ্বাৰা চিত্তত ঘৃণাৰ সৃষ্টি হয় আৰু স্থায়ীভাব জুগুপ্সা উদ্ৰিক্ত হয়।

ইয়াৰ সঞ্চাৰণতেই সৃষ্ট হয় বীভৎস ৰস।

- **অদ্ভুত ৰস ঃ** কোনো অস্বাভাৱিক অৱস্থাৰ বাবে কেতিয়াবা কেতিয়াবা আমাৰ মনত বিস্ময়ভাৱে ক্রিয়া কৰে আৰু তাৰ ফলতেই জন্ম হয় অদ্ভুত ৰস।
- **শান্ত ৰস ঃ** লৌকিক ভোগ বিলাসৰ প্রতি অনাসক্তিৰ ফলত সৃষ্টি হোৱা চিত্তবৃত্তিক শম বা নির্বেদ বোলা হয়। এই স্থায়ীভাৱৰ পৰাই সৃষ্ট ৰসক শান্ত ৰস বোলে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৫ ঃ** ৰৌদ্র ৰসৰ স্থায়ী ভাব কি?

.......................................................................................



**চিন্তা-চর্চা কৰক — ২.২**

ইতিমধ্যে আপুনি পঢ়ি অহা পাঠসমূহত কি কি ৰস প্রকাশ পাইছে এই আলোচনাৰ আধাৰত সেয়া নির্ণয় কৰিবলৈ যত্ন কৰক।



## ২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰস শব্দই ব্যুৎপত্তিগতভাৱে 'ৰসিত' বা আস্বাদিত অর্থ নিৰূপণ কৰে। ভাৰতীয় সাহিত্য, শাস্ত্রত ৰস ধাৰণা ভৰতমুনিৰ দিনতেই প্রতিষ্ঠা হৈছে বুলি ধাৰণা কৰা হয়। তেওঁ *নাট্যশাস্ত্রত* উল্লেখ কৰিছে — 'ন হি ৰসাদৃতে কশ্চিদর্থঃ প্রৱর্ততে।' অর্থাৎ ৰসৰ অবিহনে বাক্যৰ কোনো অর্থৰে উপক্রম হ'ব নোৱাৰে। ঠিক সেইদৰে আকৌ কৈছে — 'বিভাবানুভাব ব্যাভিচাৰিসংযোগাদ্ ৰসনিষ্পত্তিঃ' — অর্থাৎ বিভাব, অনুভাব আৰু ব্যভিচাৰীভাবৰ সংযোগত ৰসৰ নিষ্পত্তি ঘটে। এই সংযোগ ঘটে সামাজিকৰ হৃদয়ৰ স্থায়ীভাৱৰ লগত।
- ৰস উপলব্ধিৰ কাৰক হ'ল চাৰিটা। যথা— স্থায়ীভাব, বিভাব, অনুভাব, সঞ্চাৰীভাব বা ব্যভিচাৰীভাব। প্রত্যেকজন মানুহৰ চিত্তত কিছুমান সাধাৰণ প্রবৃত্তি থাকে। সাধাৰণতে এইবোৰ সুপ্তভাৱেই থাকে যদিও উপযুক্ত পৰিৱেশ পালে জাগ্রত হৈ উঠে। এই প্রবৃত্তিসমূহকে স্থায়ীভাব বোলা হয়। ভৰতমুনিয়ে আঠ প্রকাৰৰ স্থায়ীভাৱৰ কথা স্বীকাৰ কৰিছে। পৰৱর্তীকালত ইয়াৰ সংখ্যা ন টালৈ বৃদ্ধি কৰা হয়। যি পৰিস্থিতি বা যাৰ অৱলম্বনত স্থায়ীভাব এটি উদয় হয় তাকে বিভাব বোলে। *সাহিত্য দর্পণত* ৰতি আদি স্থায়ীভাবৰ উদ্বোধক বা জগাই তোলোতা বিলাককে বিভাব বুলি অভিহিত কৰিছে। বিভাব দুবিধ — আলম্বন বিভাব আৰু উদ্দীপন বিভাব। মনত সৃষ্টি হোৱা ভাব শৰীৰ কোনো অংশ, মুখৰ বচন আদিৰ মাজেদিও আমাৰ

বোধগম্য হৈ উঠে। এনেদৰে পৰিৱৰ্তন হোৱা শাৰীৰিক ভাষাকে অনুভাৱ বুলি কোৱা হয়। যিবোৰ ভাৱ স্থায়ীভাবক আশ্ৰয় কৰি সাময়িকভাৱে উদয় হয় সেইবোৰকে ব্যভিচাৰীভাৱ বোলে। উল্লেখ্য যে এই ভাববোৰ কিন্তু স্থায়ীভাবৰ দৰে সহজাত প্ৰবৃত্তি নহয় যদিও স্থায়ী ভাবৰ আনুষংগৰূপেই থাকে।

- ভৰতৰ ৰস নিষ্পত্তিক পৰৱৰ্তীকালত কেইবাজনো টীকাকাৰ-আলংকাৰিকে নিজৰ নিজৰ ধৰণে আলোচনা কৰিছে । লোল্লটৰ মত অনুসৰি ৰস সহৃদয়ৰ নিজা অনুভূতি নহয়, নায়কৰ মনত সৃষ্টি হোৱা অনুভূতিহে। লোল্লটৰ মতবাদটিক 'উৎপত্তিবাদ' বুলি অভিহিত কৰা হয়। ঠিক সেইদৰে শ্ৰীশংকুকৰ মতে স্থায়ীভাবটো অভিনেতাৰ অন্তৰত উদয় হৈছে বুলি কেৱল অনুমানহে কৰি লোৱা হয়। এওঁৰ মতবাদটিক 'অনুমিতিবাদ' বোলা হয়।
- ভট্ট নায়ক নামৰ আন এজন টীকাকাৰৰ মতে ৰসৰ উৎপত্তি অনুমান বা অভিব্যক্তি একোৱেই নহয়। কাব্যত তিনি প্ৰকাৰৰ ব্যাপাৰে ৰসাস্বাদন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। যথা—অভিধা-লক্ষণা, ভাবকত্ব আৰু ভোজকত্বই। এওঁৰ মতে ৰস সহৃদয়ৰ নিজা উপলব্ধি মাথোন। ভট্ট নায়কৰ মতবাদটি 'ভুক্তিবাদ' বুলি অভিহিত কৰা হয়।
- প্ৰখ্যাত আলংকাৰিক অভিনৱগুপ্ত হ'ল 'অভিব্যক্তিবাদ' নামৰ মতবাদটিৰ প্ৰৱৰ্তক। এওঁ ভৰতৰ ৰসসূত্ৰ ব্যাখ্যা কৰি কৈছে যে — বিভাব, অনুভাৱ আৰু ব্যাভিভচাৰীভাবৰ সহযোগত সহৃদয়ে একাগ্ৰচিত্তেৰে আৰু পৰম আনন্দৰে অনুভৱ কৰা স্থায়ীভাবেই হ'ল ৰস। ইয়াৰ সমস্ত ব্যাপাৰটোৱেই সাধাৰণীকৰণ। এই পৰ্যায়ত সহৃদয়ে নিজৰ স্বকীয়তা হেৰুৱাই নেপেলোৱাকৈ কাব্য বিষয়ত নিমজ্জিত হৈ পৰে।
- ৰসৰ সংখ্যা সম্পৰ্কে বিভিন্ন আলংকাৰিকসকলৰ মাজত মতভেদ আছে। ভৰতমুনিয়ে *নাট্যশাস্ত্ৰত* এই ৰস সংখ্যা আঠটা বুলি লিপিবদ্ধ কৰিছে। তথাপিও বিভিন্ন কাব্যত প্ৰধানকৈ প্ৰয়োগ হোৱা কথাটিৰ প্ৰতি গুৰুত্ব দি আমি ন বিধ ৰসকেই গ্ৰহণ কৰিব পাৰোঁ। সেই কেইটা হ'ল ক্ৰমে— শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত।
- অধ্যায়টিত শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত ৰসৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলে।

## ২.৮ অধিক জানিবলৈ

**অসমীয়া গ্ৰন্থ**

১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।
২) বৰা, যতীন (১৯৯৯); *ছন্দ, ধ্বনি আৰু অলংকাৰ;* ডিব্ৰুগড় ঃ বনলতা।

৩) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৪) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৫) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

**ইংৰাজী গ্ৰন্থ**

৬) Dey. S. K. (1963). *Sanskrit Poetics.* Oxford: OUP

৭) Kane, P. V. (1971). *History of Sanskrit Poetics.* Delhi: Motilal Banarashi Das.

## ২.৯ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** সাৰ পদাৰ্থ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** দুই প্ৰকাৰৰ, আলম্বন আৰু উদ্দীপন বিভাব।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** তেত্ৰিশ প্ৰকাৰৰ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ভোজকত্বই সহৃদয়ৰ মনত সত্ত্বগুণ বঢ়াই তোলে।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** ক্ৰোধ।

## ২.১০ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) ৰস মানে কি?

(খ) ৰস নিষ্পত্তি মানে কি?

(গ) বিভাব মানে কি?

(ঘ) স্থায়ীভাব বুলিলে কি বুজে? ই কেই প্ৰকাৰৰ?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ৰসৰ উপাদানসমূহৰ বিষয়ে চমুকৈ লিখক।

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক—

(ক) সঞ্চাৰীভাব (খ) ৰস সম্পৰ্কে শ্ৰীশংকুকৰ ব্যাখ্যা

(চ) ৰস সম্পৰ্কে  লোল্লটৰ ব্যাখ্যা (ছ) ৰস সম্পৰ্কে ভট্ট নায়কৰ ব্যাখ্যা

(জ) ৰস সম্পৰ্কে অভিনৱগুপ্তৰ ব্যাখ্যা।

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ভৰতৰ ৰসসূত্ৰৰ ব্যাখ্যা কৰক।

**প্ৰশ্ন ২ ঃ** ভাৰতীয় কাব্যতত্ত্বত ৰসৰ ধাৰণাই কেনেদৰে বিকাশ লাভ কৰিছে আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** প্ৰত্যেক বিধ ৰসৰ উদাহৰণসহ ব্যাখ্যা কৰক।

*** ***** ***

# অধ্যায় ৩ ঃ বক্ৰোক্তিবাদ

## অধ্যায় গাঁথনি


৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ বক্ৰোক্তিবাদ

৩.৩.১ বক্ৰোক্তিৰ স্বৰূপ

৩.৩.২ বক্ৰোক্তিৰ প্ৰকাৰভেদ

৩.৩.৩ বক্ৰোক্তিৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্ৰগতিৰ খতিয়ান

৩.৭ আৰ্হি প্ৰশ্ন


## ৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বক্ৰোক্তিবাদ মানে কি সেই বিষয়ে অৱগত হ'ব আৰু ভাৰতীয় অলংকাৰশাস্ত্ৰত বক্ৰোক্তিৰ স্থান সম্বন্ধে জানিব পাৰিব
- বক্ৰোক্তিৰ স্বৰূপ সম্পৰ্কে জানিব পাৰিব
- বক্ৰোক্তিবাদক স্বাধীন বাদ হিচাপে স্থাপন কৰাৰ ক্ষেত্ৰত বিভিন্ন অলংকাৰশাস্ত্ৰজ্ঞই দিয়া অভিমতৰ মূল্যাংকন কৰিব পাৰিব

## ৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি ভাৰতীয় অলংকাৰশাস্ত্ৰৰ দুটি উল্লেখযোগ্য উপাদান ধ্বনিবাদ আৰু ৰসবাদৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টোত ভাৰতীয় অলংকাৰশাস্ত্ৰৰ আন এটি উল্লেখযোগ্য উপাদান বক্ৰোক্তিবাদৰ বিষয়ে অধ্যয়ন কৰিব।

মন কৰিবলগীয়া ভাৰতীয় অলংকাৰশাস্ত্ৰৰ বহু আলংকাৰীকে বক্ৰোক্তিক এটি পৃথক মতবাদ হিচাপে স্বীকৃতি দিব নোখোজে। বক্ৰোক্তিৰ সংজ্ঞা কি, ইয়াৰ ভাগসমূহ কি কি, কিয় ইয়াক পৃথক মতবাদ হিচাপে স্বীকাৰ কৰা নাযায়, কাব্যত বক্ৰোক্তিৰ গুৰুত্ব কি, বক্ৰোক্তিৰ লক্ষণ কি —এনে বিভিন্ন দিশসমূহৰ বিষয়ে এই অধ্যায়টিত বিস্তৃতভাৱে আলোচনা কৰা হ'ব। এই অধ্যায়টিতে আপোনাক এই সকলোবোৰ দিশ সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিব।

## ৩.৩ বক্ৰোক্তিবাদ

ব্যুৎপত্তিৰ ফালৰ পৰা 'বক্ৰোক্তি' পদটোৱে তিৰ্যক উক্তিক বুজায়। কিন্তু যি কোনো ধৰণৰ তিৰ্যক উক্তিয়েই যে বক্ৰোক্তিৰ সীমাৰ ভিতৰত পৰিব পাৰে এইটো নহয়। বক্ৰোক্তি শব্দটো কাব্যৰ লগত জড়িত। বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে বক্ৰোক্তি সম্বন্ধে বহু ধৰণৰ প্ৰত্যক্ষ বা পৰোক্ষ ধাৰণা দি আহিছে। তাৰে কিছুমানক পৰৱৰ্তী আলংকাৰিকসকলে গ্ৰহণ কৰিছে; কিছুমানক আকৌ খণ্ডন কৰি প্ৰত্যাখ্যান কৰা হৈছে। কিন্তু যিয়েই নহওক, ভাৰতীয় অলংকাৰশাস্ত্ৰত বক্ৰোক্তিৰ বিষয়ে বৰ্ণিল ইতিহাস পোৱা যায়। আলংকাৰিকসকলৰ নিজৰ নিজৰ দৃষ্টিভংগীৰে বক্ৰোক্তিৰ বিভিন্ন দিশসমূহৰ বিষয়ে সমাপন কৰা আলোচনাই বহু সময়ত নতুন গুৰুত্বপূৰ্ণ মতবাদ সৃষ্টিত প্ৰভাৱ বিস্তাৰ কৰিছে। ইয়াৰ ভিতৰত বক্ৰোক্তিক কাব্যৰ আত্মা বুলি স্বীকাৰ কৰা দলটোও আছে। আকৌ বক্ৰোক্তিৰ অস্তিত্ব স্বীকাৰ কৰিলেও ইয়াৰ গুৰুত্বৰ বিষয়ে সন্দেহ প্ৰকাশ কৰা আলংকাৰিকসকলৰ মতামতৰ বিষয়েও আলোচনা দেখিবলৈ পোৱা যায়।

ভাৰতীয় আলংকাৰিক ভামহৰ পৰা আৰম্ভ কৰি প্ৰায় প্ৰতিজন প্ৰাচীন আলংকাৰিকেই বক্ৰোক্তিৰ বিষয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিছে। ভাৰতীয় অলংকাৰশাস্ত্ৰত বক্ৰোক্তিবাদৰ স্থানৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে প্ৰাচীন আলংকাৰিক ভামহাচাৰ্যৰ অভিমতেৰে এই আলোচনা আগ বঢ়াব পাৰি। আচাৰ্য ভামহে *কাব্যালংকাৰ*ত বক্ৰোক্তি সম্বন্ধে তেওঁৰ বিস্তৃত অভিমত আগ বঢ়াইছে। গতিকে ক'ব পৰা যায় যে, বক্ৰোক্তিৰ ধাৰণা ভাৰতীয় অলংকাৰশাস্ত্ৰত যষ্ঠ শতাব্দীতেই ব্যক্ত হৈছিল। আচাৰ্য ভামহৰ মতে শব্দ আৰু অৰ্থৰ সহযোগত যি কাব্য গঢ়ি উঠে তাৰ এটি অত্যাৱশ্যকীয় ধৰ্মই হ'ল বক্ৰোক্তি। বক্ৰোক্তিৰ দ্বাৰাই অৰ্থ বিভাবিত হয়— "সৈষা সৰ্ব্বৈৱ বক্ৰোক্তিৰনয়াৰ্থো বিভাব্যতে।" ভামহৰ মতে বক্ৰোক্তি অবিহনে অলংকাৰৰ স্থিতি সম্ভৱ নহয়— "কোহলংকাৰোহনয়া বিনা।" এই আচাৰ্যজনে স্বভাৱোক্তি, হেতু আদিক অলংকাৰৰ স্থান দিয়া নাই। কাৰণ এইবোৰত বক্ৰোক্তি অথবা অতিশয়োক্তিৰ অৱস্থান নাই। তেওঁৰ মতে, বক্ৰোক্তি বা কথা কোৱাৰ বিচিত্ৰ ভংগিমা অবিহনে কোনো অৰ্থালংকাৰেই অস্তিত্ব নাথাকে। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল যে, আচাৰ্য ভামহে বক্ৰোক্তিক এটি সুকীয়া অলংকাৰ হিচাপে স্বীকাৰ কৰা নাই। তেওঁ কৈছে— "বক্ৰাভিধেয়শব্দোক্তি ৰিষ্টাৱাচামলংকৃতিঃ।" অৰ্থাৎ — য'ত শব্দ আৰু ইয়াৰ অৰ্থক বক্ৰ ভাবে উপস্থাপন কৰা হয় তেতিয়াই অলংকাৰৰ সৃষ্টি হয়। ভোজৰ *শৃংগাৰ প্ৰকাশ*ত দণ্ডীৰ উক্তি হিচাপে উদ্ধৃতি দিয়া হৈছে— "বক্ৰত্বমেৱ কাব্যানাং পৰা ভূষেতি ভামহঃ।" অৰ্থাৎ — ভামহৰ মতে বক্ৰতাই হ'ল কাব্যৰ প্ৰধান ভূষণস্বৰূপ। অলংকাৰসম্প্ৰদায়ৰ প্ৰবক্তা ভামহৰ এনেকুৱা অভিমতে বক্ৰোক্তিৰ বিষয়ে জনাত বহুখিনি সহায় কৰে। আচাৰ্য দণ্ডীয়ে তেওঁৰ *কাব্যাদৰ্শ*ত অলংকাৰৰ বিষয়ে এটি বিস্তৃত আলোচনা আগ বঢ়াইছে। এই আলোচনা প্ৰসংগত তেওঁ স্পষ্টকৈ কাব্যক স্বভাৱোক্তি আৰু বক্ৰোক্তিভেদে — এই দুটা ভাগত ভাগ কৰিছে। তেওঁ *কাব্যাদৰ্শ*ত কৈছে—

শ্লেষঃ সৰ্ব্বাসু পুষ্ণাতি প্ৰায়ো ৰক্ৰোক্তিষু শ্ৰিয়ম্।

ভিন্নং দ্বিধা স্বভাবোক্তির্ব্বক্ৰোক্তিশ্চেতি বাংময়ম্।।

দণ্ডীৰ মতে বক্ৰোক্তিত শ্লেষ থাকে আৰু সিয়েই কাব্যৰ সৌন্দৰ্যক ফুটাই তোলে। বক্ৰোক্তিৰ স্বৰূপ সম্পৰ্কে দণ্ডীয়ে *কাব্যাদৰ্শ*ত ভামহতকৈ বেলেগ কোনো ধৰণৰ অভিমত দাঙি ধৰা দেখিবলৈ পোৱা নাযায়। কিন্তু দণ্ডীৰ অভিমত অনুসৰি বক্ৰোক্তিৰ পৰিসৰ আচাৰ্য ভামহে নিৰ্ধাৰণ কৰা বক্ৰোক্তিৰ পৰিসৰতকৈ কিছু পৰিমাণে সংকীৰ্ণ। অৰ্থৰ অতিৰঞ্জনৰূপ অতিশয়োক্তি বা বক্ৰোক্তি নথকা কাৰণে ভামহৰ মতে স্বভাৱোক্তি আদিক অলংকাৰৰ অন্তৰ্ভুক্ত কৰা নাযায়; কিন্তু দণ্ডীৰ মতে স্বভাৱোক্তি এটি অলংকাৰ আৰু য'ত ইয়াৰ উপস্থিতি প্ৰত্যক্ষ কৰা যায় তাকে কাব্য বুলি স্বীকাৰ কৰা হয়।

আলংকাৰিক বামনাচাৰ্য আৰু ৰুদ্ৰটৰ গ্ৰন্থত বক্ৰোক্তিৰ পৰিসৰ আৰু সংকীৰ্ণ হৈ আহিল। এওঁলোকে বক্ৰোক্তিক এটি বিশেষ অলংকাৰ হিচাপেহে স্থান দিলে। আচাৰ্য বামনৰ মতে বক্ৰোক্তি অলংকাৰ এটি সাদৃশ্যভিত্তিক অলংকাৰ। ইয়াৰ লগত *ধ্বন্যালোক*ত নিৰ্দিষ্ট 'অবিৱক্ষিতৱাচ্য ধ্বনি'ৰ লক্ষণৰ সম্পূৰ্ণ সাদৃশ্য থকা দেখিবলৈ পোৱা যায়। আচাৰ্য ৰুদ্ৰটৰ মতে যি অলংকাৰৰ ক্ষেত্ৰত শ্ৰোতাই শ্লিষ্ট শব্দ বা কণ্ঠস্বৰৰ বিকৃতিৰ কাৰণে বক্তাৰ ঈপ্সিত অৰ্থৰ বিপৰীত অৰ্থ গ্ৰহণ কৰে তাতেই বক্ৰোক্তি অলংকাৰৰ সৃষ্টি হয়। উদাহৰণ হিচাপে তলৰ কবিতাফাঁকি গ্ৰহণ কৰিব পাৰি—

এৰি দিয়া সখী কাম আছে মোৰ
এড়ি মই ক'ত পাম।
কামুকীজনৰ কি হ'ব এড়িৰে
সিজিব কিবা সকাম।।

এই কবিতাটোত 'এৰি দিয়া' আৰু 'কাম আছে' এই অংশখিনিত বক্তাৰ অভিপ্ৰেত অৰ্থ গ্ৰহণ নকৰি শ্ৰোতাই শ্লেষৰ দ্বাৰা যথাক্ৰমে 'এড়ি' আৰু 'কামনা' ৰূপ অৰ্থ গ্ৰহণ কৰি নিজৰ মনৰ কথা ব্যক্ত কৰিছে। এয়াই বক্ৰোক্তি অলংকাৰ।

মম্মটভট্ট, বিশ্বনাথ কবিৰাজ আদি পৰৱৰ্তী আলংকাৰিকসকলে বক্ৰোক্তিক এটি শব্দালংকাৰৰ মৰ্যাদা প্ৰদান কৰিছে। আনন্দৱৰ্ধনাচাৰ্যই অতিশয়োক্তিৰূপ বক্ৰোক্তিকে সকলো অৰ্থালংকাৰৰ অৱলম্বন বুলি ঘোষণা কৰিছে। অভিনৱগুপ্তই তেওঁৰ *লোচনটীকা*ত অলংকাৰৰ মূল হিচাপে বক্ৰতাক স্থান দিয়াৰ বিষয়ে কৈছে — "শব্দস্য হি ৰক্ততা অভিধেয়স্য চ বক্ৰতা লোকোত্তীৰ্ণেন ৰূপেন অৱস্থানম্ ইত্যয়মেৱ অসৌ অলংকাৰস্য অলংকাৰভাৱঃ। লোকোত্তৰতৈৱ চাতিশয়ঃ তেনাতিশয়োক্তিঃ সৰ্বালংকাৰসামান্যম্।" অৰ্থাৎ — শব্দৰ বক্ৰতা অভিধেয় অৰ্থৰ বক্ৰতা — ইয়াৰ অলৌকিক অৱস্থানেই হ'ল অলংকাৰসমূহৰ মূলভাৱ। লোকোত্তৰতাসমৃদ্ধ অতিশয়োক্তিয়েই হ'ল সকলো অলংকাৰৰ সাধাৰণ ভাব।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে ভাৰতীয় অলংকাৰশাস্ত্ৰৰ বিশাল ক্ষেত্ৰখনত বক্ৰোক্তি সম্বন্ধে বহু প্ৰাচীন কালৰ পৰাই বিভিন্ন ধৰণৰ ধাৰণা পোষণ কৰি অহা হৈছে। কিন্তু কুন্তকৰ *বক্ৰোক্তিজীৱিতম্* নামৰ গ্ৰন্থখনে এই ক্ষেত্ৰত এটি আমূল পৰিৱৰ্তনৰ সৃষ্টি কৰে। তেওঁৰ পূৰ্বৱৰ্তী আলংকাৰিকসকলৰ বহুতে বক্ৰোক্তিৰ অস্তিত্ব স্বীকাৰ কৰিলেও কোনেও ইয়াক কাব্যৰ

আত্মা বুলি স্বীকাৰ কৰা নাই। কিন্তু কুন্তকে প্ৰথমবাৰৰ বাবে “বক্ৰোক্তিকাব্যজীবিতম্” বা — ‘বক্ৰোক্তিয়ে হ’ল কাব্যৰ প্ৰাণ’ বুলি অভিমত প্ৰকাশ কৰিলে তেওঁৰ *বক্ৰোক্তিজীবিতম্* নামৰ গ্ৰন্থখনত। ইয়াৰ লগে লগে বক্ৰোক্তি নামৰ কাব্যৰ বিষয়টোত এটি নতুন মাত্ৰা সংযোজিত হ’ল। *বক্ৰোক্তিজীৱিতম্* গ্ৰন্থত কাৰিকা, বৃত্তি আৰু উদাহৰণস্বৰূপে তিনিটা ভাগ পোৱা যায়। এই গ্ৰন্থখন চাৰিটা উন্মেষত বিভক্ত আৰু প্ৰত্যেকটো উন্মেষতেই বিষয়বস্তুৰ বৈচিত্ৰ্য দেখিবলৈ পোৱা যায়। বাগ্‌দেৱীৰ স্তুতিৰে আৰম্ভ কৰা এইখন গ্ৰন্থত অলংকাৰশাস্ত্ৰৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে। কাব্যৰ লক্ষণ, বক্ৰোক্তিৰ স্বৰূপ, কিয় বক্ৰোক্তিক কাব্যৰ আত্মা বুলি কোৱা হয়— ইত্যাদি বিষয়ে বিস্তৃত আলোচনা আছে। কিন্তু এইখিনিতে উল্লেখ কৰিবলগীয়া কথাটো হ’ল যে এই মতবাদটোক এটি সুকীয়া তত্ত্ব হিচাপে গ্ৰহণ নকৰি বহু পণ্ডিতে ইয়াক অলংকাৰবাদৰ অন্তৰ্ভুক্ত কৰিব খোজে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** ভাৰতীয় অলংকাৰশাস্ত্ৰত বক্ৰোক্তিবাদৰ বিষয়ে কোনে পোন প্ৰথমে আলোচনা কৰিছিল?

..........................................................................................

**প্ৰশ্ন নং ২ ঃ** মম্মটভট্ট, বিশ্বনাথ কবিৰাজ আলংকাৰিকসকলে বক্ৰোক্তিক কি বুলি কৈছে?

..........................................................................................

## ৩.৩.১ বক্ৰোক্তিৰ স্বৰূপ

আচাৰ্য কুন্তকেই যে পোন প্ৰথমে বক্ৰোক্তিৰ বিষয়ে বিস্তৃত আলোচনা দাঙি ধৰিছিল সেই কথা আপুনি ইতিমধ্যে আপুনি গম পাইছে। কুন্তকে বক্ৰোক্তিৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰিবলৈ গৈ— “বৈদগ্ধ্যভংগীভনিতিঃ” বুলি কৈছে; অৰ্থাৎ— পাণ্ডিত্য ভংগীসূচক উচ্চাৰণ। যি উচ্চাৰণ বা বাক্যই পাণ্ডিত্য প্ৰকাশক সূচায় সেয়াই হ’ল বক্ৰোক্তি। এই বক্ৰোক্তিয়েই হ’ল কাব্যৰ প্ৰাণ বা আত্মা— “বক্ৰোক্তিঃ কাব্যজীৱিতম্।” এক কথাত ক’ব পাৰি কুন্তকৰ মতে বক্ৰোক্তি অবিহনে কাব্য হ’ব নোৱাৰে। কুন্তকৰ দৃষ্টিভংগীত ৰস, অলংকাৰ, ৰীতি, ধ্বনি আদিক চেৰ পেলাই বিদগ্ধতাবিশিষ্ট কথনভংগীয়েই কাব্যৰ মূল হিচাপে প্ৰতিপন্ন হৈছে।

বক্ৰোক্তিক কিয় কাব্যৰ প্ৰাণ বুলি কোৱা হৈছে সেই বিষয়ে কুন্তকে যুক্তি নিৰ্ভৰ আলোচনাৰে নিজৰ অভিমত ব্যক্ত কৰিছে। *বক্ৰোক্তিজীবিতম্*ত তেওঁ আৰম্ভণিতে কৈছে— “লোকোত্তৰচমৎকাৰকাৰিবৈচিত্ৰ্যসিদ্ধয়ে।” অৰ্থাৎ— কাব্যৰ প্ৰধান উদ্দেশ্য হ’ল চমৎকাৰ সৃষ্টি বা আনন্দ প্ৰদান। অলৌকিক চমৎকাৰ সৃষ্টিকাৰী বৈচিত্ৰ্য সাধনেই হ’ল কাব্যৰ উদ্দেশ্য। এনেকুৱা কাব্যৰ প্ৰাণস্বৰূপ হ’ল বক্ৰোক্তি। এই বক্ৰোক্তিক কুন্তকে “শাস্ত্ৰাদিপ্ৰসিদ্ধপ্ৰস্থানব্যতিৰেকী বৈচিত্ৰ্যবিশেষঃ” বুলি ব্যাখ্যা কৰিছে। অৰ্থাৎ ৰস, ধ্বনি,

অলংকাৰ, ৰীতি আদি কাব্যৰ যিবোৰ উপাদান প্ৰসিদ্ধ প্ৰস্থান হিচাপে গঢ় লৈছে সেইবোৰৰ পৰা সম্পূৰ্ণ পৃথক এটি বৈচিত্ৰ্য বিশেষেই হ'ল বক্ৰোক্তি। কবি প্ৰতিভাৰ বলত কথনভংগীৰ বৈচিত্ৰ্যৰে প্ৰচলিত শব্দবোৰেই অৰ্থক নতুন ৰূপত প্ৰকাশ কৰিব পাৰে— এই নতুন ৰূপত অৰ্থ প্ৰকাশৰ প্ৰক্ৰিয়াটোৱেই হ'ল বক্ৰতা বা বক্ৰোক্তি। এই বক্ৰোক্তি অবিহনে কাব্যৰ কাব্যত্ব থাকিব নোৱাৰে কাৰণ ই কাব্যৰ আত্মাস্বৰূপ— এয়াই কুন্তকৰ অভিমত।

বক্ৰোক্তিজীবিতকাৰ কুন্তকে বিভিন্ন প্ৰসংগত কাব্যত ৰসৰ অভিনিবেশ বা আস্বাদনৰ তাৎপৰ্যক স্বীকাৰ কৰিছে। তেওঁ এঠাইত কৈছে—

> নিৰন্তৰৰসোদ্গাৰগৰ্ভ সৌন্দৰ্য্যনিৰ্ভৰাঃ।
> গিৰঃ কবীনাং জয়ন্তি ন কথামাত্ৰমাশ্ৰিতাঃ।।

গতিকে কাব্যত যে ৰসৰ প্ৰাধান্য থাকে সেই বিষয়ে কুন্তকেও দ্বিমত প্ৰকাশ কৰা নাই। তদুপৰি তেওঁ মাৰ্গৰ বিষয়েও বিস্তৃত আলোচনা আগবঢ়াইছে। বিচিত্ৰ, সুকুমাৰ, মধ্যম— এই মাৰ্গ তিনিটাৰ বিষয়ে *বক্ৰোক্তিজীৱিতম্*ত বহুমুখী আলোচনা প্ৰকাশিত হৈছে আৰু বিচিত্ৰ মাৰ্গৰ মাধুৰ্য, প্ৰসাদ, লাৱণ্য আৰু আভিজাত্য নামৰ চাৰিবিধ কাব্যগুণৰ বিষয়েও কুন্তকৰ বিশ্লেষণাত্মক আলোচনা দেখিবলৈ পোৱা যায়। কুন্তকৰ মতে কাব্যৰ ক্ষেত্ৰত বহিৰংগধৰ্মভিত্তিক সৌন্দৰ্যৰ আধাৰ হ'ল ঔচিত্য আৰু অন্তৰংগধৰ্মভিত্তিক সৌন্দৰ্যৰ আধাৰ হ'ল সৌভাগ্য। বক্তা, শ্ৰোতা আদিৰ উপযোগীকৈ ৰচনা কৰা কাব্যৰ উপযোগী গুণটোৱেই হ'ল ঔচিত্য আৰু যি অৰ্থৰ পৰিস্ফুৰণৰ বাবে কবিয়ে কাব্য ৰচনা কৰে তথা যাৰ দ্বাৰা কবিৰ প্ৰতিভা প্ৰকাশিত হয় আৰু যিটোৱে সামাজিকৰ হৃদয়ত চমৎকাৰিত্ব আনে, কাব্যৰ সেই গুণটোকে সৌভাগ্য বোলে। সাৰ্থক কাব্য হ'বলৈ হ'লে এই দুটা গুণৰেই অস্তিত্ব আৱশ্যক। অলংকাৰৰ বিষয়েও কুন্তকে তেওঁৰ গ্ৰন্থত সদৰ্থক মতবাদ দাঙি ধৰিছে। তেওঁৰ মতে অলংকাৰযুক্ত শব্দ আৰু অৰ্থ কাব্যঘটক হয়; কিন্তু অলংকাৰক কাব্যৰ অন্তৰ্গত বুলি ক'লে ঠিক নহ'ব। কাব্য হ'বলৈ গ'লে সালংকৃত শব্দাৰ্থত বক্ৰোক্তিৰ অভিনিবেশ অত্যাৱশ্যকীয়— "বক্ৰতাবিচিত্ৰগুণালংকাৰমংপদাং পৰস্পাৰস্পৰ্ধাধিৰোহঃ"— এয়াই আচাৰ্য কুন্তকৰ অভিমত। তদুপৰি স্বভাৱোক্তি নামৰ অৰ্থালংকাৰক স্বীকাৰ কৰা আচাৰ্যসকলক তেওঁ বহুক্ষেত্ৰতেই উপহাস কৰিছে। উদ্ভট, ভামহ আৰু দণ্ডীয়ে দিয়া প্ৰেয় আৰু ঊৰ্জস্বি অলংকাৰৰ লক্ষণ আৰু উদাহৰণক কুন্তকে সমালোচনা কৰিছে আৰু ৰসবদ্, প্ৰেয়, ঊজস্বি আদিক তেওঁ অলংকাৰ বুলি স্বীকাৰ নকৰি অলংকাৰ্য বুলিহে কৈছে— "অলংকাৰো ন ৰসবৎ...।" আচাৰ্য ভামহৰ দীপক অলংকাৰৰ তিনিটা প্ৰকাৰৰ বিষয়ে দিয়া অভিমতো কুন্তকে সমালোচনাৰে ব্যাখ্যা কৰিছে।

কুন্তকে কাব্যৰ আত্মা হিচাপে ধ্বনিৰ পৃথক অস্তিত্ব স্বীকাৰ কৰা নাই। ধ্বনি বা ব্যংগ বহু বিস্তৃত বক্ৰোক্তিৰেই অন্তৰ্গত বুলি তেওঁ অভিমত প্ৰকাশ কৰিছে। সাধাৰণভাৱে নকৈ বিশেষ ধৰণে ক'লে যি ধ্বনিৰ সৃষ্টি হয় সেয়া বক্ৰোক্তিৰেই অন্তৰ্গত— এয়াই আচাৰ্য কুন্তকৰ অভিমত। জয়ৰথৰ মতে ধ্বনিক লক্ষণাৰ অন্তৰ্গত বুলি কোৱা ভক্তিবাদীসকলৰ

ভিতৰত কুন্তকক অন্তৰ্ভুক্ত কৰা যায়। কিন্তু এই অভিমত সৰ্বজনস্বীকৃত নহয়।

ৰাজানক কুন্তকে সকলো ক্ষেত্ৰতেই কবিব্যাপাৰ বা কবি প্ৰতিভাকেই সকলো কাব্যৰ মূল বুলি প্ৰতিপন্ন কৰিছে। কবিৰ প্ৰতিভাৰ বলতেই কাব্যত উৎকৰ্ষৰ বিভিন্নতা দেখিবলৈ পোৱা যায়। একেধৰণৰ ঘটনাৰ ভিত্তিত গঢ়ি উঠা বেলেগ বেলেগ কবিৰ কাব্যত চমৎকাৰিত্বৰ যি বিভিন্নতা অনুভূত হয় তাৰ মূলতেই থাকে কবিত্ব শক্তি বা প্ৰতিভা। সেইকাৰণে কুন্তকে কৈছে— "কথোন্মেষে সমানেহপি বপুষীব নিজের্গুটনঃ। প্ৰবন্ধাঃ প্ৰাণিন ইব ভাসন্তে হি পৃথক্ পৃথক্।"

গতিকে ক'ব পাৰি যে, আচাৰ্য কুন্তকে পূৰ্বাচাৰ্যসকলে আলোচনা কৰা ধ্বনি, ৰস, অলংকাৰ, ৰীতি আদি সকলো উপাদানৰেই অস্তিত্ব স্বীকাৰ কৰিছে। কিন্তু পৰিশেষত কাব্যৰ জীৱন বা আত্মা বুলি স্বীকাৰ কৰিছে বক্ৰোক্তিক। সেই কাৰণে বক্ৰোক্তিৰ প্ৰবক্তা হিচাপে কুন্তকৰ নাম ভাৰতীয় অলংকাৰশাস্ত্ৰত অমৰ হৈ আছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** কুন্তকে বক্ৰোক্তিৰ স্বৰূপ সম্পৰ্কে কোৱা— "বৈদগ্ধ্যভংগীভনিতিঃ" মানে কি?

..............................................................................

**প্ৰশ্ন নং ৪ ঃ** অলংকাৰৰ বিষয়ে কুন্তকে প্ৰদান কৰা মতবাদটোৰ বিষয়ে চমুকৈ লিখক। (৪০ টা শব্দৰ ভিতৰত)

..............................................................................

..............................................................................

..............................................................................

..............................................................................

## ৩.৩.২ বক্ৰোক্তিৰ প্ৰকাৰভেদ

আচাৰ্য কুন্তকে *বক্ৰোক্তিজীবিতম্* গ্ৰন্থত বক্ৰোক্তিৰ ছটা ভাগৰ কথা উল্লেখ কৰিছে। যদিও এইবোৰ ভাগৰ আকৌ কিছুমানৰ উপভাগৰ বিষয়েও তেওঁ আলোচনা কৰিছে কিন্তু বৰ্তমান অধ্যায়টোত কেৱল ছটা প্ৰধান ভাগ বা প্ৰকাৰৰ বিষয়েই আলোচনা আগ বঢ়োৱা হ'ব। কুন্তকে আগবঢ়োৱা বক্ৰোক্তিৰ প্ৰধান ছটা ভাগ হ'ল—

- বৰ্ণবিন্যাস বক্ৰতা
- পদপূৰ্বাৰ্ধ বক্ৰতা
- পদোত্তৰাৰ্ধ বক্ৰতা
- বাক্য বক্ৰতা

- প্ৰকৰণ বক্ৰতা
- প্ৰবন্ধ বক্ৰতা

- *বৰ্ণবিন্যাস বক্ৰতা ঃ* যি বক্ৰতা কাব্যৰ পদসমূহৰ ভিতৰত থকা বৰ্ণবিলাকৰ বিন্যাস বা ব্যৱহাৰৰ লগত জড়িত সেয়াই হ'ল বৰ্ণবিন্যাস বক্ৰতা। প্ৰকৃততে কাৰঘটক পদসমূহত থকা বৰ্ণবিলাকৰ উপযুক্ত বিন্যাসৰ ফলতেই সহৃদয় পাঠকৰ মনত অলৌকিক আনন্দৰ সৃষ্টি হয়। আৰু এনেকুৱা আনন্দবিধানৰ উদ্দেশ্যে কৰা অক্ষৰ সন্নিৱেশ বা আখৰৰ গাঁথনি বিশেষকেই বৰ্ণবিন্যাস বক্ৰতা বুলি আখ্যা দিয়া হয়। উদাহৰণস্বৰূপে জয়দেৱৰ *গীতগোবিন্দম্* কাব্যৰ তলৰ শ্লোকটো উল্লেখ কৰিব পাৰি—

  কাপি ৱিলাসৱিলোলৱিলোচনখেলনজনিতমনোজম্।
  ধ্যায়তি মুগ্ধৱধুৰধিকং মধুসূদনৱদনসৰোজম্।।
  কৰতল তালতৰল ৱলয়াৱলিবালিত কলস্বনৱংলো।
  ৰাসৰসে সহ নৃত্যপৰা হৰিণা যুৱতিঃ প্ৰশংসে।।

  এই শ্লোকত 'ৱি', ল, ন, ধ, ল ইত্যাদি বৰ্ণৰ সুন্দৰ বিন্যাসে কবিতাটোত এক অপৰূপ শ্ৰুতিমাধুৰ্য আনি দিছে। কবিতাফাঁকি শুনাৰ লগে লগে অৰ্থবোধৰ পূৰ্বেই সহৃদয়জনৰ হৃদয় এক অনাবিল আনন্দত উদ্ভাসিত হয়। এনেকুৱা উপযুক্ত বৰ্ণবিন্যাসৰ বচনভংগী বা প্ৰকাশভংগীয়েই হ'ল বৰ্ণবিন্যাস বক্ৰতা। কিছুমান আলংকাৰিকে এই বক্ৰতাকেই অনুপ্ৰাস আৰু যমক অলংকাৰ বুলি কৈছে।

- *পদপূৰ্বাৰ্ধ বক্ৰতা ঃ* কাব্যত থকা পদৰ উপাদানবোৰ হ'ল প্ৰকৃতি আৰু প্ৰত্যয়। অৰ্থাৎ — প্ৰকৃতি প্ৰত্যয়ৰ সংযোজনৰ ফলতেই গঢ়ি উঠে এটি পদ। পদ এটাৰ প্ৰকৃতি অংশটোৱেই হ'ল ইয়াৰ পূৰ্বাৰ্ধ; যাক প্ৰাতিপদিক বুলিও কোৱা হয়। কাব্যত থকা পদসমূহৰ পূৰ্বাৰ্ধ বা প্ৰথম অংশত যি বক্ৰতা প্ৰকাশ পায় তাকে পদপূৰ্বাৰ্ধ বক্ৰতা বুলি কোৱা হয়। এই বক্ৰতাই প্ৰাতিপদিক সন্নিৱেশৰ বৈচিত্ৰ্য সৃষ্টি কৰে। এই বক্ৰতাৰ বহুধৰণৰ উপবিভাগ আছে, যেনে— ৰূঢ়িবৈচিত্ৰ্য বক্ৰতা, পৰ্যায় বক্ৰতা, উপচাৰ বক্ৰতা, বিশেষণ বক্ৰতা, লিংগবৈচিত্ৰ্য বক্ৰতা আদি। ইয়াৰ ভিতৰত পৰ্যায় বক্ৰতাৰ উদাহৰণ হিচাপে *পাৰিজাত হৰণ* নাটৰ পৰা উদ্ধৃত নিম্নলিখিত শ্লোকটোক ল'ব পাৰি—

  পাৰিজাতস্য হৰণং নিশম্য কুপিতা সচী।
  পতিং পুৰন্দৰং প্ৰাহ ধিগ্‌জন্ম তৱ বজ্ৰিণঃ।।

  এই শ্লোকটিত ব্যৱহাৰ হোৱা 'পুৰন্দৰ' আৰু 'বজ্ৰী' শব্দ দুটাই ইন্দ্ৰৰ সমাৰ্থক হৈও ইন্দ্ৰৰ পৰাক্ৰম আৰু বজ্ৰাস্ত্ৰ ধাৰণৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰিবৰ বাবেহে কবিয়ে প্ৰয়োগ কৰিছে। এনেকুৱা ইন্দ্ৰদেৱক প্ৰতিকাৰ নকৰাৰ বাবে ধিক্কাৰ দিয়াটো সংগত বুলি প্ৰতিপন্ন কৰাৰ বাবেহে কবিয়ে ইন্দ্ৰ শব্দৰ পৰ্যায়বাচী পদ দুটাৰ আশ্ৰয় লৈ উক্ত কবিতাটোত এটি বিশেষ কথনভংগী বা বচনভংগীৰ উপস্থাপনা

কৰিছে। মূল শব্দৰ আশ্ৰয়তেই এই বক্ৰতা কাব্যটোৰ সৌন্দৰ্যবৰ্ধকৰূপে প্ৰতিপন্ন হোৱা কাৰণে ইয়াত পৰ্যায় বক্ৰতাৰূপ পদপূৰ্বাৰ্ধ বক্ৰতাৰ সৃষ্টি হৈছে।

- *পদোত্তৰাৰ্ধ বক্ৰতা ঃ* আপুনি ইতিমধ্যেই জানিছে যে, প্ৰকৃতি প্ৰত্যয়ৰ সহযোগত পদৰ সৃষ্টি হয় আৰু এই পদেই কাব্য সৃষ্টি কৰে। সুপ্, তিঙ্ আদি প্ৰত্যয়সমূহ শব্দত ধাতুৰ লগত সংযোজিত হৈ অৰ্থপূৰ্ণ পদ গঠন কৰে। সুপ্, তিঙ্ আদি প্ৰত্যয়ৰ ব্যৱহাৰৰ দ্বাৰা যেতিয়া কাব্যত থকা বৰ্ণনাটোক ৰসজ্ঞ পাঠকৰ বাবে হৃদয়গ্ৰাহী কৰি তোলাৰ চেষ্টা কৰা হয় আৰু ইয়াৰ দ্বাৰা পাঠকে অলৌকিক আনন্দৰ আস্বাদ লাভ কৰে, তেতিয়া সেই কথনভংগী বা পাণ্ডিত্যসূচক বচনভংগীকেই পদোত্তৰাৰ্ধ বক্ৰতা বোলে। প্ৰত্যয় পদৰ উত্তৰ ভাগ বা পিছফালৰ অংশ। এই অংশত বক্ৰতা সৃষ্টি হোৱা কাৰণে ইয়াক পদোত্তৰাৰ্ধ বক্ৰতা বোলা হয়। ইয়াক সহজভাৱে প্ৰত্যয় বক্ৰতা বুলিও কোৱা দেখা যায়। কাৰকবৈচিত্ৰ্যবিহিত পদোত্তৰাৰ্ধ বক্ৰতা, পুৰুষবৈচিত্ৰ্যবিহিত পদোত্তৰাৰ্ধ বক্ৰতা আদি ভেদে এই বক্ৰতা বহুধৰণৰ হয়। পুৰুষবৈচিত্ৰ্যবিহিত পদোত্তৰাৰ্ধ বক্ৰতাৰ উদাহৰণ হিচাপে তলৰ বৰগীতটো গ্ৰহণ কৰিব পাৰি।

  কহ কৃষ্ণ-কিংকৰ হৰিক ভজ লোই।
  হৰি বিনে সুহৃদ বান্ধৱ নাহি কোই।

  এই পদটোত দেখা গৈছে যে, কথাখিনি কৃষ্ণকিংকৰে নিজে কৈছে; কিন্তু উত্তম পুৰুষৰ ব্যৱহাৰ ইয়াত হোৱা নাই। এই উত্তম পুৰুষৰ ব্যৱহাৰ নকৰাৰ কাৰণ হ'ল নিজৰ বিনয়ভাৱ প্ৰকাশ কৰাটো আৰু ইয়াৰ দ্বাৰাই কবিতাটোত হৃদয়াহ্লাদী কাব্যশোভা পৰিপুষ্ট হৈ উঠিছে।

- *কাব্য বক্ৰতা ঃ* বাক্যৰ দ্বাৰাই কাব্যৰ শৰীৰ গঢ়ি উঠে। বৰ্ণ-পদ হ'ল বাক্যৰ অৱয়ৱ। বক্ৰতাযুক্ত পদসমূহৰ উপযুক্ত সন্নিৱেশে সম্পূৰ্ণ বাক্যটোৱেই সৌন্দৰ্য বঢ়াই তোলে। কাৰণ উপযুক্ত সন্নিৱেশৰ দ্বাৰা অৱয়ৱসমূহত থকা সৌন্দৰ্য বা শোভাই অৱয়ৱীত একপ্ৰকাৰৰ অতিৰিক্ত সৌন্দৰ্য ফুটাই তোলে। বাক্য অৱয়ৱৰূপী পদ আদিৰ বক্ৰতাৰ উপৰি বাক্যত থকা পদবিলাকৰ উপযুক্ত সন্নিৱেশনিষ্ঠ বৈচিত্ৰ্যৰূপ আন এটি বক্ৰতা থাকে। ইয়াকে বাক্য বক্ৰতা বুলি কোৱা হয়। কাব্যৰ ঘটকৰূপী বাক্যই অৱয়ৱৰূপী পদসমূহৰ বক্ৰতাৰ মাধ্যমেৰে সামগ্ৰিকভাৱে উপস্থাপিত হৈ সামাজিকৰ হৃদয়ত অলৌকিক আনন্দৰ সৃষ্টি কৰে। কাব্যৰ সেই বচনভংগী বা কথনভংগীকেই বাক্য বক্ৰতা বুলি কোৱা হয়। অৰ্থালংকাৰসমূহ বাক্য বক্ৰতাৰ অন্তৰ্ভুক্ত। প্ৰকৃততে বাক্য বক্ৰতাৰ মূলতে কবিৰ ৰুচি আৰু প্ৰতিভা থাকে কাৰণে সকলো ৰসময়ী কাব্যই বাক্য বক্ৰতাৰ অন্তৰ্ভুক্ত হয়।

- *প্ৰকৰণ বক্ৰতা ঃ* প্ৰকৰণ হ'ল কাব্যৰ এটি অংশ। কিছুমান বাক্য লগ লাগি একোটা প্ৰকৰণ হয়। প্ৰকৰণঘটক বাক্যসমূহৰ যথাৰীতি সন্নিৱেশে সম্পূৰ্ণ প্ৰকৰণটোতেই

এটি অপূৰ্ব বচনভংগীৰ প্ৰকাশ ঘটায় আৰু তাৰ দ্বাৰা সামাজিকৰ হৃদয় অধিকাৰ কৰিবলৈ সক্ষম হয়। সম্পূৰ্ণ প্ৰকৰণটোত থকা অপূৰ্ব পাণ্ডিত্যসূচক বচনভংগী বা কথনভংগীকেই প্ৰকৰণ বক্ৰতা বুলি কোৱা হয়। ৰসৰ পৰিপুষ্টিৰ বাবেহে এই প্ৰকৰণ বক্ৰতাৰ সৃষ্টি কৰা হয়। *অভিজ্ঞানম্‌শকুন্তলম্‌* নাটকৰ দুৰ্বাসাৰ অভিশাপ অংশটো প্ৰকৰণ বক্ৰতাৰ এটি উৎকৃষ্ট উদাহৰণ।

➢ *প্ৰবন্ধ বক্ৰতা ঃ* ওপৰত উল্লেখ কৰা বৰ্ণবিন্যাস বক্ৰতা, পদপূৰ্বাৰ্ধ বক্ৰতা, পদোত্তৰাৰ্ধ বক্ৰতা, বাক্য বক্ৰতা, প্ৰকৰণ বক্ৰতা — এই পাঁচবিধ বক্ৰতাৰ সমাৱেশৰ ফলত সম্পূৰ্ণ কাব্য এখনতেই এক অপূৰ্ব বৈচিত্ৰ্যৰ সৃষ্টি হয় সামগ্ৰিকভাৱে আৰু ইয়াৰ দ্বাৰা সমগ্ৰ কাব্যখনতেই এক অলৌকিক আনন্দৰ জোৱাৰ অনুভৱ কৰিব পাৰি। ইয়াকেই প্ৰবন্ধ বক্ৰতা বুলি কোৱা হয়। সমগ্ৰ উপাদানৰ বক্ৰতাৰ সমাৱেশত সম্পূৰ্ণ কাব্যখনতেই আস্বাদন কৰা বক্ৰতাভিত্তিক অলৌকিক আনন্দৰ কাৰণেই ইয়াক সামগ্ৰিকভাৱে প্ৰবন্ধ বক্ৰতা বুলি কোৱা হয়। সম্পূৰ্ণ কাব্যখনেই এই বক্ৰতাৰ উদাহৰণ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** আচাৰ্য কুন্তকে *বক্ৰোক্তিজীবিতম্‌* গ্ৰন্থত বক্ৰোক্তিক কেইটা আৰু কি কি ভাগত ভাগ কৰিছে?

.............................................................................................

.............................................................................................................................

## ৩.৩.৩ বক্ৰোক্তিৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ

আপুনি ইতিমধ্যেই জানিব পাৰিছে যে, বক্ৰোক্তিৰ বিষয়ে এটি সুস্পষ্ট ধাৰণা ভাৰতীয় অলংকাৰশাস্ত্ৰত প্ৰাচীন কালৰ পৰাই আছিল। ভামহৰ *কাব্যালংকাৰ*ত, দণ্ডীৰ *কাব্যাদৰ্শ*ত বক্ৰোক্তিৰ বিষয়ে আলোচনা কৰা হৈছে। কিন্তু বক্ৰোক্তিৰ বিষয়ে আলোচনা কৰা অধিকাংশ আচাৰ্যই ইয়াক অলংকাৰৰ লগত যুক্ত কৰিছে আৰু অলংকাৰ যিহেতুকে কাব্যৰ 'অস্থিৰ ধৰ্ম' গতিকে ইয়াক কাব্যৰ আত্মা বা প্ৰাণ হিচাপে কেতিয়াও গণ্য কৰা হোৱা নাছিল। কিন্তু আচাৰ্য কুন্তকে তেওঁৰ *বক্ৰোক্তিজীৱিতম্‌* নামৰ গ্ৰন্থখনত বক্ৰোক্তিক কাব্যৰ আত্মা বা প্ৰাণ বুলি স্পষ্টকৈ ব্যক্ত কৰিছে আৰু এনেদৰে বক্ৰোক্তিৰ ধাৰণাক ৰসবাদ, অলংকাৰবাদ, ধ্বনিবাদ, ৰীতিবাদ ইত্যাদিৰ নিচিনাকৈ এটি সুকীয়া বাদ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰা হৈছে।

কিন্তু এই মতবাদক এটা পৃথক ধাৰা হিচাপে অধিকাংশ আলংকাৰিকে স্বীকাৰ কৰা নাই। এই কথা অনস্বীকাৰ্য যে, বক্ৰোক্তি হ'ল এটি বিশেষ ধৰণৰ বচনভংগী। ই সাধাৰণ কথনভংগীৰ পৰা পৃথক বা ওপৰৰ খাপৰ আৰু বক্ৰোক্তিয়ে কবিৰ প্ৰতিভাৰ

দ্বাৰাহে সামাজিকৰ হৃদয় আকৰ্ষণ কৰে। সেইকাৰণে কোৱা হৈছে "বক্ৰোক্তিৰেৰ বৈদগ্ধ্যভংগীভনিতিৰুচ্যতে" আৰু এই বাক্যৰ বিশ্লেষণাত্মক বৃত্তিত কোৱা হৈছে "বক্ৰোক্তিঃ প্ৰসিদ্ধাভিধান ব্যতিৰেকিনী বিচিত্ৰৈবাভিধাবৈদগ্ধ্যং কবিকৰ্মকৌশলং তস্য ভংগী বিচ্ছিত্তিঃ তয়া ভনিতিঃ।" এই বৃত্তিৰ পৰা এই কথাটো স্পষ্ট হৈ পৰিছে যে বৈদগ্ধ্য বা কবি কৰ্মকৌশল নাথাকিলে বক্ৰোক্তিৰ সৃষ্টি নহয়। স্বভাৱোক্তিক অলংকাৰ হিচাপে স্বীকৃতি দিয়া আলংকাৰিকসকলক কুন্তকে উপহাস কৰিছে আৰু তেওঁ স্বভাৱোক্তিক পৃথক অলংকাৰৰ মৰ্যাদা দিয়া নাই। "বক্ৰোক্তিঃ কাব্যজীৱিতম্" বুলি কোৱাৰ লগে লগে আচাৰ্য কুন্তকে এইটোকে বুজাব বিচাৰিছে যে জীৱিত বা প্ৰাণ অবিহনে যেনেদৰে শৰীৰৰ অস্তিত্ব মূল্যহীন সেইদৰে বক্ৰোক্তি অবিহনে কাব্যৰ কাব্যত্ব থাকিব নোৱাৰে। সেইকাৰণে কোৱা হৈছে— "শৰীৰং জীবিতেনেৰ স্ফুৰিতেনেৰ জীৱিতম্। বিনা নিৰ্জীৱতাং যেন বাক্যং যাতি বিপশ্চিতাম্ থস্মাৎ কিমপি সৌভাগ্যং তদ্বিদামেৰ গোচৰম্।" অৰ্থাৎ— বক্ৰোক্তিয়ে কাব্যক জীৱন দিয়ে, বাক্যক কাব্যলৈ উন্নীত কৰে আৰু বক্ৰোক্তি অবিহনে কাব্য হ'ব নোৱাৰে। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে, আচাৰ্য কুন্তকে বক্ৰোক্তিকেই কাব্যৰ জীৱন বা প্ৰাণ বুলি কৈছে যদিও কবিৰ কল্পনাশক্তি বা প্ৰতিভা অবিহনে বক্ৰোক্তি সৃষ্টি নহয় বুলিও তেওঁ স্বীকাৰ কৰিছে। গতিকে বক্ৰোক্তিৰ মূলতে থকা কবিত্ব শক্তিয়েই হ'ল কাব্যৰ প্ৰধান উৎস— এইখিনি কথা কুন্তকৰ অভিমতৰ পৰা ব্যক্ত হয়। তদুপৰি *বক্ৰোক্তিজীৱিতম্* গ্ৰন্থৰ প্ৰথম উন্মেষৰ ১৭ আৰু ১৮ নং কাৰিকাৰ বৃত্তিত আচাৰ্য কুন্তকে 'সাহিত্য'ৰ লক্ষণ দিবলৈ যাওঁতে কৈছে যে, মাৰ্গেৰে সুন্দৰ, মাধুৰ্যাদিগুণযুক্ত, অলংকাৰসমূহেৰে বিন্যস্ত, বক্ৰতাৰে অতিশয়িত, ৰসৰ পৰিপুষ্টিসমৃদ্ধ, সামাজিকৰ আনন্দদায়ক পদাদিযুক্ত বাক্যই হ'ল সাহিত্য। তেওঁ কৈছে—

মাৰ্গানুগুণ্যসুভগো মাধুৰ্যাদিগুণোদয়ঃ।
অলংকৰণবিন্যাসো বক্ৰতাতিশয়ান্বিতঃ।।
বৃত্ত্যৌচিত্যমনোহাৰি ৰসানাং পৰিপোষণম্।
স্পৰ্ধয়া বিদ্যতে যত্ৰ যথাস্বমুভয়োৰপি।।
সা কাপ্যবস্থিতিস্তদ্বিদাহ্লাদৈকনিবন্ধনম্।
পদাদিবাক্পৰিস্পন্দসাৰঃ সাহিত্যমুচ্যতে।।

ইয়াৰ পৰা এইটো কথা স্পষ্ট হৈ পৰে যে, আচাৰ্য কুন্তকে বক্ৰোক্তিক কাব্যৰ প্ৰাণ বুলি কৈছে যদিও সাহিত্যৰ ক্ষেত্ৰত তেওঁ মাৰ্গ-গুণ-অলংকাৰ-ৰস আদিৰ দৰে বক্ৰোক্তিকো কাব্যৰ এটি অতি প্ৰয়োজনীয় উপাদান বুলিহে প্ৰতিপন্ন কৰিছে। প্ৰকৃততে বাচক শব্দ আৰু বাচ্য অৰ্থ— এই দুয়োৰে মিলিত অৱস্থাত কাব্য গঠিত হয়। প্ৰতিভা অবিহনে কোনোবাই যদি কেৱল শব্দখিনিতেই মাধুৰ্য সৃষ্টি কৰিব খোজে, তেতিয়া সেইজনে কাব্যৰ প্ৰকৃত স্বৰূপ বা মহত্ত্ব প্ৰকাশ কৰিবলৈ সমৰ্থ নহয়। একেদৰে কেৱলমাত্ৰ

অৰ্থচাতুৰীৰ সহায়ত কাব্যসম্পদ প্ৰতিষ্ঠিত নহয়। কবিহৃদয়ত থকা প্ৰতিভাৰ ফলত কোনো এটা বৰ্ণনীয় বিষয় অব্যক্ত ৰূপত উদ্ভাসিত হয়। পিছত সেই বিষয়টোৱেই যেতিয়া বক্ৰ বা বিচিত্ৰ ৰচনাভংগীৰে উজ্জ্বল ৰূপত অভিব্যক্ত হৈ উঠে আৰু সামাজিকৰ হৃদয়ত পৰম আহ্লাদ বা চমৎকাৰিত্ব সৃষ্টি কৰে তেতিয়া তাকেই কাব্য হিচাপে গ্ৰহণ কৰা হয়। গতিকে বক্ৰোক্তি কাব্যৰ প্ৰাণ বুলি ক'লেও কেৱল বচনভংগীৰ বৈচিত্ৰ্যবাহিত শব্দ বা তেনেকুৱা অৰ্থই কাব্যৰ সৃষ্টি নকৰে। সেইকাৰণে বক্ৰোক্তিয়ে প্ৰত্যক্ষভাৱে শব্দ আৰু অৰ্থৰ লগত জড়িত হ'লেও ইয়াৰ মূলত থাকে কবিৰ প্ৰতিভা আৰু এই প্ৰতিভাই কাব্যৰ চমৎকাৰিত্ব সৃষ্টি কৰে। কবিৰ প্ৰতিভাৰ ফলতেই উপযুক্ত ধ্বনিৰ লগত উপযুক্ত অৰ্থৰ মিলনত কাব্য বা সাহিত্যৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে কুন্তকক অনুসৰণ কৰি *মালতীমাধৱ* নামৰ ভৱভূতি বিৰচিত প্ৰকৰণখনত থকা তলৰ শ্লোকটো গ্ৰহণ কৰিব পাৰি।

অসাৰং সংসাৰং পৰিমুষিতৰত্নং ত্ৰিভুবনম্
নিৰালোকং মৰণশৰণং ৱান্ধৱজনম্।
অদৰ্পং কন্দৰ্পং জননয়ননিৰ্মাণমফলং
জগজ্জীৰ্ণাৰণ্যং কথমসি বিধাতুং ব্যৱসিতঃ।। (৫.৩০)

এই শ্লোকটোত স্ৰষ্টাই কেইবাটাও খণ্ডিতভাব একত্ৰিত কৰি সম্পূৰ্ণ ৰূপত এটি মহৎ ভাৱৰ সৃষ্টি কৰিছে আৰু তাৰ দ্বাৰাই সামাজিকৰ মন আপ্লুত হৈছে। সুন্দৰীজনীক হত্যা কৰিলে (i) সংসাৰ অসাৰ হ'ব, (ii) ত্ৰিভুবনৰ মূল্যৱান ৰত্ন হেৰাই যাব ইত্যাদি সৰু সৰু চন্দ্ৰকলাসদৃশ ভাব মিলিত হৈ পৰস্পৰৰ মাজত যেন পৰিপূৰকভাৱে থাকি প্ৰকাশিত হৈ পূৰ্ণচন্দ্ৰস্বৰূপ এটি সম্পূৰ্ণ ভাৱৰ উন্মেষ ঘটালে। এই সম্পূৰ্ণ ভাব বা কাব্যৰ মাজেদি প্ৰকাশিত হৈছে কবি প্ৰতিভা। কবি প্ৰতিভাৰ বলতেই খণ্ড ভাববোৰ সন্মিলিত হৈ চমৎকাৰিত্বযুক্ত কাব্য বা ভাবসমৃদ্ধ বাক্যৰ সৃষ্টি হৈছে। এইক্ষেত্ৰত মহৎ ভাব এটাক প্ৰকাশ কৰা বিষয়টোত শব্দৰ গাঁথনি সমানেই গুৰুত্বপূৰ্ণ। ইয়াতে যদি উপযুক্ত শব্দৰ বিন্যাস নহ'লহেঁতেন বা ক্ৰমভংগদোষ আদি দোষ থাকিলহেঁতেন, তেনেহ'লে এই শ্লোকফাঁকিৰ সৌন্দৰ্য ফুটি নুঠিলহেতেন। কাৰণ শব্দৰ সৌন্দৰ্যভংগ হ'লে অৰ্থৰ সৌন্দৰ্যও নষ্ট হয়। শব্দ আৰু অৰ্থত সন্নিৱেশত যি কাব্য বা সাহিত্য, তাত প্ৰতিটো অংগৰ সৌন্দৰ্যতেহে সমগ্ৰ বাক্যটোৰ সৌন্দৰ্য প্ৰকাশিত হয়। এই সমগ্ৰতাৰ সামঞ্জস্যই কুন্তকে প্ৰতিষ্ঠিত কৰা বক্ৰোক্তিৰ সাধাৰণ ধৰ্ম বা লক্ষণ। এই বক্ৰোক্তিকেই কাব্যৰ প্ৰাণ বুলি কৈ কুন্তকে বক্ৰোক্তিবাদক প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে।

কিন্তু দণ্ডীৰ মতে, স্বভাৱোক্তিৰ বিপৰীত ধৰ্মবিশিষ্ট বক্ৰোক্তিৰ মূল হ'ল শ্লেষ আৰু এনেদৰে আচাৰ্য দণ্ডীয়ে বক্ৰোক্তিক অলংকাৰৰ পৰ্যায়লৈ আনিছে। ভামহৰ মতে বক্ৰোক্তিয়েই সকলো অলংকাৰৰ মূল— "বক্ৰাভিধেয়শব্দোক্তিৰিষ্টা ৱাচামলংকৃতিঃ" (*কাব্যলংকাৰ* ঃ ১.৩৬)। অভিনৱগুপ্তই তেওঁৰ *লোচনটীকা*ত কৈছে যে, শব্দ আৰু অৰ্থক অলৌকিকৰূপে প্ৰকাশ কৰাটোৱে বক্ৰতা আৰু বক্ৰতাই অলংকাৰৰ সাধাৰণস্বৰূপ

— "শব্দস্যহি বক্ৰতা অভিধেয়স্য চ বক্ৰতা লোকোত্তীৰ্ণেন ৰূপেন অৱস্থানম্।" বামনেও বক্ৰোক্তিক অলংকাৰৰ মৰ্যাদা প্ৰদান কৰিছে আৰু সম্পূৰ্ণ এটি পৃথক ধাৰণা সংযুক্ত কৰি তেওঁ বক্ৰোক্তিক সাদৃশ্যভিত্তিক লক্ষণা বুলি কৈছে— "সাদৃশ্যাল্লক্ষণা বক্ৰোক্তিঃ।" আচাৰ্য ৰুদ্ৰটে বক্ৰোক্তিক শব্দালংকাৰ বুলি ব্যক্ত কৰি 'কাকুবক্ৰোক্তি' আৰু 'শ্লেষবক্ৰোক্তি' বুলি বক্ৰোক্তিৰ দুটা ভাগ স্বীকাৰ কৰিছে। আলংকাৰিক ৰুয্যকে বক্ৰোক্তিক অৰ্থালংকাৰ হিচাপে গ্ৰহণ কৰিছে। মম্মট ভট্টই এইক্ষেত্ৰত ৰুদ্ৰটক অনুসৰণ কৰি বক্ৰোক্তিক অলংকাৰ হিচাপেই স্বীকৃতি দিছে।

উক্ত আলোচনাৰ পৰা এইটো কথা স্পষ্ট হ'ল যে, আচাৰ্য কুন্তকে বক্ৰোক্তিক কাব্যৰ প্ৰাণ বুলি স্বীকাৰ কৰিলেও অধিকাংশ আলংকাৰিকে ইয়াক অলংকাৰৰ মৰ্যাদাহে দিছে। সেই কাৰণে বক্ৰোক্তিৰ ভিত্তিত কোনো এটি পৃথক মতবাদৰূপে স্বীকাৰ কৰাৰ প্ৰয়োজন নাই। ইয়াক অলংকাৰবাদৰ অন্তৰ্ভুক্ত কৰি লোৱাই সমীচীন। তদুপৰি কিছুমানৰ মতে কুন্তকৰ অভিমতক ভক্তিবাদী অৰ্থাৎ যিসকলে ধ্বনিক ভক্তি বা লক্ষণা বুলি স্বীকাৰ কৰে, তেওঁলোকৰ মতবাদৰ অন্তৰ্ভুক্ত কৰিব পাৰি।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৬ ঃ** আচাৰ্য দণ্ডীৰ মতে বক্ৰোক্তিৰ মূল কি?

....................................................................................

**প্ৰশ্ন নং ৭ ঃ** আচাৰ্য কুন্তকক ভক্তিবাদী বুলি কিয় ক'ব পাৰি?


....................................................................................................................



## ৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যুৎপত্তিৰ ফালৰ পৰা 'বক্ৰোক্তি' পদটোৱে তিৰ্যক উক্তিক বুজায়। কিন্তু যি কোনো ধৰণৰ তিৰ্যক উক্তিয়েই যে বক্ৰোক্তিৰ সীমাৰ ভিতৰত পৰিব পাৰে এইটো নহয়। বক্ৰোক্তি শব্দটো কাব্যৰ লগত জড়িত। বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে বক্ৰোক্তি সম্বন্ধে বহু ধৰণৰ প্ৰত্যক্ষ বা পৰোক্ষ ধাৰণা দি আহিছে। তাৰে কিছুমানক পৰৱৰ্তী আলংকাৰিকসকলে গ্ৰহণ কৰিছে; কিছুমানক আকৌ খণ্ডন কৰি প্ৰত্যাখ্যান কৰা হৈছে। ভাৰতীয় আলংকাৰিক ভামহৰ পৰা আৰম্ভ কৰি প্ৰায় প্ৰতিজন প্ৰাচীন আলংকাৰিকেই বক্ৰোক্তিৰ বিষয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিছে যদিও আচাৰ্য কুন্তক বিৰচিত *বক্ৰোক্তিজীৱিতম্* নামৰ গ্ৰন্থখনত তেওঁ বক্ৰোক্তিক কাব্যৰ মূল বুলি মত পোষণ কৰিছে। অধ্যায়টোত এই বিষয়ে বহলাই অধ্যয়ন কৰিলে।

- অধ্যায়টোত বক্ৰোক্তিৰ লক্ষণ তথা স্বৰূপ বিষয়েও বহলাই আলোচনা দাঙি ধৰা হ'ল। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি গম পালে যে আচাৰ্য কুন্তকে বক্ৰোক্তিক প্ৰধানতঃ ছটা ভাগত ভাগ কৰিছে। অধ্যায়টোত এই ছটা ভাগৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল। লগতে বক্ৰোক্তিবাদৰ সপক্ষে দিয়া কুন্তকৰ অভিমত তথা কিয় বক্ৰোক্তিক পৃথক মতবাদ হিচাপে স্বীকৃতি দিব পৰা নাযায় সেই বিষয়েও অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।




## ৩.৫ অধিক জানিবলৈ

**অসমীয়া গ্ৰন্থ**

১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।
২) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।
৩) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৪) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

**ইংৰাজী গ্ৰন্থ**

৫) Dey. S. K. (1963). *Sanskrit Poetics.* Oxford: OUP
৬) Kane, P. V. (1971). *History of Sanskrit Poetics.* Delhi: Motilal Banarashi Das.



## ৩.৬ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** *আচাৰ্য ভামহে।*

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** মম্মটভট্ট, বিশ্বনাথ কবিৰাজ আদি পৰৱৰ্তী আলংকাৰিকসকলে বক্ৰোক্তিক এটি শব্দালংকাৰৰ মৰ্যাদা প্ৰদান কৰিছে।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** কুন্তকে বক্ৰোক্তিৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰিবলৈ গৈ— "বৈদগ্ধ্যভংগীভনিতিঃ" বুলি কৈছে; অৰ্থাৎ— পাণ্ডিত্য ভংগীসূচক উচ্চাৰণ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** অলংকাৰৰ বিষয়েও কুন্তকে তেওঁৰ গ্ৰন্থত সদৰ্থক মতবাদ দাঙি ধৰিছে। তেওঁৰ মতে অলংকাৰযুক্ত শব্দ আৰু অৰ্থ কাব্যঘটক হয়; কিন্তু অলংকাৰক কাব্যৰ অন্তৰ্গত বুলি ক'লে ঠিক নহ'ব। কাব্য হ'বলৈ গ'লে সালংকৃত শব্দাৰ্থত বক্ৰোক্তিৰ অভিনিবেশ

অত্যাৱশ্যকীয়— "বক্ৰতাবিচিত্ৰগুণালংকাৰমংপদাং পৰস্পৰস্পৰ্ধাধিৰোহঃ"— এয়াই আচাৰ্য কুন্তকৰ অভিমত।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** আচাৰ্য কুন্তকে *বক্ৰোক্তিজীবিতম্* গ্ৰন্থত বক্ৰোক্তিক মূলতঃ ছটা ভাগত ভাগ কৰিছে, যথা — বৰ্ণবিন্যাস বক্ৰতা, পদপূৰ্বাৰ্ধ বক্ৰতা, পদোত্তৰাৰ্ধ বক্ৰতা, বাক্য বক্ৰতা, প্ৰকৰণ বক্ৰতা, প্ৰবন্ধ বক্ৰতা।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** আচাৰ্য দণ্ডীৰ মতে স্বভাৱোক্তিৰ বিপৰীত ধৰ্মবিশিষ্ট বক্ৰোক্তিৰ মূল হ'ল শ্লেষ।

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** ধ্বনিক ভক্তি বা লক্ষণা বুলি স্বীকাৰ কৰে বাবে কুন্তকৰ অভিমতক বহুতে ভক্তিবাদী মতবাদৰ অন্তৰ্ভুক্ত কৰিব পাৰি বুলি মত পোষণ কৰিছে।



## ৩.৭ আৰ্হি প্ৰশ্ন

### ক) বস্তুধৰ্মী প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) কোনে কোনে বক্ৰোক্তিক শব্দালংকাৰ বুলি স্বীকাৰ কৰে?

(খ) আনন্দৱৰ্ধনাচাৰ্যই বক্ৰোক্তিক কি বুলি ঘোষণা কৰিছে?

(গ) প্ৰবন্ধ বক্ৰতা মানে কি?

(ঘ) কুন্তকৰ মতে কাব্যত ৰসৰ প্ৰয়োজনীয়তা আছেনে?

### খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** পদোত্তৰাৰ্ধ বক্ৰতাই কেনেকৈ সামাজিকৰ হৃদয়ত আনন্দৰ সৃষ্টি কৰে আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক—

(ক) কিয় বক্ৰোক্তিক পৃথকবাদৰ মৰ্যাদা দিয়া নাযায়

(খ) কাব্য বক্ৰতা

(গ) প্ৰকৰণ বক্ৰতা

### গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** বক্ৰোক্তিৰ স্বৰূপ ব্যাখ্যা কৰি ভাৰতীয় অলংকাৰশাস্ত্ৰত ইয়াৰ স্থান কি আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** বক্ৰোক্তিৰ প্ৰকাৰভেদ সম্পৰ্কে উদাহৰণসহ বহলাই লিখক।

**প্ৰশ্ন ৩ ঃ**বক্ৰোক্তিৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ ফঁহিয়াই দেখুৱাওক।

*** ***** ***

# অধ্যায় ৪ ঃ গুণবাদ আৰু ৰীতিবাদ

## অধ্যায় গাঁথনি


৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ গুণবাদ

৪.৩.১ বিভিন্ন প্ৰকাৰৰ গুণ

৪.৪ ৰীতিবাদ

৪.৪.১ ৰীতিৰ প্ৰকাৰভেদ

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৬ অধিক জানিবলৈ

৪.৭ অগ্ৰগতিৰ খতিয়ান

৪.৮ আৰ্হি প্ৰশ্ন


## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গুণবাদ মানে কি সেয়া জ্ঞাত হ'ব আৰু তাৰ সংজ্ঞা দিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ গুণসমূহৰ লগত পৰিচিত হ'ব
- ৰীতিবাদ মানে কি আৰু ইয়াৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- ৰীতিৰ প্ৰকাৰভেদৰ সম্যক ধাৰণা লাভ কৰিব।

## ৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি প্ৰাচ্যৰ সাহিত্য সমালোচনাৰ এটি প্ৰধান উপাদান বক্ৰোক্তিবাদৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আপুনি প্ৰাচ্য নন্দনতত্ত্বৰ আন দুটি উল্লেখযোগ্য উপাদান গুণবাদ আৰু ৰীতিবাদৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

প্ৰত্যেকজন মানুহৰ মাজত কিছুমান নিৰ্দিষ্ট গুণ থাকে। কিছুমান ব্যক্তিৰ মাজত আমি দয়া, ক্ষমা, দানশীল আদি গুণ আছে বুলি অভিহিত কৰোঁ, ঠিক সেইদৰে প্ৰতিখন কাব্যৰে কিছুমান নিৰ্দিষ্ট গুণ থাকে। সেইদৰে কাব্য এখনত থকা গুণ অনুযায়ী একোটাকৈ ৰীতিও থাকে। এই গুণ আৰু ৰীতি কি, কাব্যত ইহঁত কেনেদৰে সোমাই থাকে — এই বিষয়ে এই অধ্যায়টিত বহলাই আলোচনা কৰা হৈছে। অধ্যায়টি অধ্যয়ন কৰি আপুনি এই দুয়োটা নন্দনতাত্ত্বিক বিষয়ৰ সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

## ৪.৩ গুণবাদ

গুণবাদ বা গুণ মানে কি? এই কথাষাৰ পোনে পোনে কৈ দিব নোৱাৰি যে অমুক মানেই গুণ। উদাহৰণ এটিৰ জৰিয়তে কথাষাৰ বহলাই আলোচনা কৰিলে বুজি পোৱাত সহজ হ'ব। *মহাভাৰত*ৰ পৰাই এটা উদাহৰণ লোৱা হওক। আমি সকলোৱে কৰ্ণক দানবীৰ বুলি জানোঁ। কৰ্ণ দুৰ্যোধনৰ সখা তথা অংগৰাজ্যৰ ৰজা। তেওঁৰ শৌৰ্য, বীৰ্য অতুলনীয় আৰু তেওঁৰ এক প্ৰধান চাৰিত্ৰিক বৈশিষ্ট্য হ'ল— দানশীলতা। আনকি তেওঁৰ গাত জন্মৰ পৰা থকা কবচযোৰ দান কৰিলে মৃত্যু অৱশ্যম্ভাৱী বুলি জানিও বৃদ্ধৰূপী ইন্দ্ৰক সেয়া দান কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। অৰ্থাৎ এই দানশীল বৈশিষ্ট্যটোৱেই হ'ল তেওঁৰ প্ৰধান গুণ। এই গুণে তেওঁৰ আত্মাৰ উৎকৰ্ষ সাধন কৰিছে। ঠিক সেইদৰে কাব্যত আত্মাস্বৰূপ ৰসৰ উৎকৰ্ষ সাধন কৰে কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্যই। ই কাব্যৰ স্বৰূপ প্ৰকাশ কৰে, মহিমা প্ৰকাশ কৰে। ইয়াকে আলংকাৰিকসকলে গুণ বুলি চিহ্নিত কৰিছে। মনত ৰাখিব লগা কথাটি হ'ল ই কাব্যৰ স্বৰূপ প্ৰকাশকহে, স্বৰূপ নহয়। এক কথাত ক'ব পাৰি ৰসৰ উৎকৰ্ষ সাধন হৈ ভাবক টানি আনিব পৰা শক্তিটোৱেই হ'ল কাব্যৰ গুণ। ই কাব্যৰ স্থিৰ বা নিত্য ধৰ্ম। গুণ কাব্যৰ শৰীৰ ৰূপী শব্দ আৰু অৰ্থত থাকি কাব্যৰ উৎকৰ্ষ সাধন কৰে।

বিভিন্ন আলংকাৰিকে গুণ সম্পৰ্কে তেওঁলোকৰ নিজস্ব মতামত আগবঢ়াইছে। আনবোৰৰ দৰে এই ক্ষেত্ৰতো তেওঁলোকৰ মাজত বাদানুবাদৰ অন্ত নাই। আনন্দবৰ্ধন, মম্মট ভট্ট, বিশ্বনাথ কবিৰাজ আদি প্ৰাচীন তথা অৰ্বাচীন আলংকাৰিকসকলে মত আগবঢ়াইছে যে— গুণ ৰসৰ প্ৰধান আৰু স্থায়ী ধৰ্ম। ই কাব্যৰ শৰীৰৰূপী শব্দ আৰু অৰ্থত থাকি কাব্যৰ আত্মাৰ উৎকৰ্ষ সাধন কৰে।

গুণ আৰু ৰীতিৰ সম্বন্ধ অংগাংগী। খ্ৰীঃ নৱম শতিকাত জন্মলাভ কৰা আলংকাৰিক বামনকে এই মতবাদটিৰ প্ৰধান প্ৰবক্তা হিচাপে বিবেচনা কৰা হয়। তেওঁ কাব্যত অলংকাৰৰ আৱশ্যকতাৰ কথা স্বীকাৰ কৰি অলংকাৰ শব্দটোৰ অৰ্থ বিশ্লেষণ কৰি বুজাই দিছে যে ইয়াৰ অৰ্থ ব্যাপক। তেওঁৰ মতে গুণালংকাৰ সমৃদ্ধ শব্দাৰ্থৰ সংযোগেই হ'ল কাব্য। ইয়াৰ জৰিয়তেহে কাব্যশোভা প্ৰকাশিত হয়। উল্লেখযোগ্য যে বামনক মূলতঃ ৰীতিবাদ তত্ত্বৰ প্ৰতিষ্ঠাপক বুলি গণ্য কৰা হয়। এই বিষয়ে পাছত বহলাই আলোচনা কৰা হ'ব। আন এজন প্ৰাচীন আলংকাৰিক আচাৰ্য দণ্ডীয়েও গুণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

এই আলোচনাৰ পৰা আমি এটা কথা ধাৰণা কৰিব পাৰোঁ যে গুণ হ'ল কাব্যৰ শব্দ তথা অৰ্থৰ এক বিশেষ ধৰ্ম। ইয়াৰ দ্বাৰা কাব্যৰ উৎকৰ্ষ সাধন হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** গুণ ৰসৰ প্ৰধান আৰু স্থায়ী ধৰ্ম বুলি কোনে কোনে স্বীকাৰ কৰিছে?

..........................................................................................

### ৪.৩.১ বিভিন্ন প্ৰকাৰৰ গুণ

প্ৰত্যেকজন আলংকাৰিকে নিজৰ নিজৰ ধৰণে বিভিন্ন উদাহৰণ দাঙি ধৰি গুণৰ প্ৰকাৰভেদ নিশ্চিত কৰিছে। আচাৰ্য দণ্ডীয়ে মুঠ দহটা গুণৰ কথা উল্লেখ কৰিছে। যথা— শ্লেষ, প্ৰসাদ, সমতা, মাধুৰ্য, সৌকুমাৰ্য, অৰ্থব্যক্তি, উদাৰত্ব, ওজঃ, কান্তি আৰু সমাধি। আচাৰ্য বামনে শব্দ আৰু অৰ্থ উভয়তে এই দহোটাকৈ গুণ থাকে বুলি মন্তব্য কৰিছে। অৰ্থাৎ তেওঁৰ মতে গুণৰ সংখ্যা বিশটা। কিন্তু মম্মট ভট্টকে আদি কৰি পৰৱৰ্তীকালৰ আলংকাৰিকসকলে গুণৰ সংখ্যা কমাই আনি তিনিটাতে সীমাবদ্ধ কৰিলে। সেই কেইটা হ'ল— মাধুৰ্য, ওজঃ আৰু প্ৰসাদ। তেওঁলোকৰ মতে আন বাকী গুণসমূহ আচলতে কোনোটো অলংকাৰৰ ভিতৰুৱা, কোনোটো দোষ আৰু কোনোটো দোষৰ অভাৱ। কাব্যত ৰূপায়ণ কৰা ৰসৰ অনুকূলে গুণসমূহ ব্যৱহাৰ কৰা হয়। ৰস আহৰণৰ সময়ত সহৃদয়ৰ চিত্তৰ বিভিন্ন অৱস্থা প্ৰাপ্তি ঘটে। কোনো সময়ত অন্তৰখন সেমেকি কোমল হয় অৰ্থাৎ দ্ৰৱীভূত হয়— ইয়াক চিত্তৰ দ্ৰুতি বা দ্ৰৱীভাৱ বোলে। কেতিয়াবা চিত্তৰ দীপ্তি ঘটে— ইয়াক দীপ্তি বা জ্বলন বোলে আৰু বহু সময়ত সহৃদয়ৰ চিত্ত বিবৃত হয়— ইয়েই বিকাশ। ৰসত সংপৃক্ত হৈ থকা গুণবিলাকে এনেদৰে সহৃদয়ৰ চিত্তত দীপ্তি, দ্ৰুতি বা বিকাশ সংঘটিত কৰে। ইয়াৰ মূল কাৰণ হ'ল কাব্যত পৰিব্যাপ্ত হৈ থকা গুণ। প্ৰধানত মাধুৰ্য গুণৰ দ্বাৰা দ্ৰুতি, ওজঃৰ দ্বাৰা দীপ্তি আৰু প্ৰসাদৰ দ্বাৰা বিকাশ সংঘটিত হয়।

- *মাধুৰ্য গুণ ঃ* আলংকাৰিকসকলৰ মতে শৃংগাৰ, কৰুণ আৰু শান্তৰসৰ সৃষ্টিৰ সময়ত সহৃদয়ৰ চিত্তত দ্ৰুতিৰ সৃষ্টি হয়। এই গুণবিধেই হ'ল মাধুৰ্য গুণ। বৰ্গৰ পঞ্চম বৰ্ণৰ (ঙ, ঞ, ণ, ন ম) তলত যুক্ত হোৱা ট বৰ্গৰ বাহিৰে বাকী চাৰিবৰ্গৰ বৰ্ণৰ সংযুক্তি ৰূপ, অলপ প্ৰযত্নতে উচ্চাৰিত 'ৰকাৰ' আৰু 'নকাৰ' যুক্ত শব্দ তথা সমাসহীন বা অল্পসমাসযুক্ত ৰচনা মাধুৰ্য গুণৰ ব্যঞ্জক। আনহাতে আন এজন আলংকাৰিক জগন্নাথে এই কেইটাৰ উপৰি শ, ষ, স, ৰ, ল, ৱ, য়— বৰ্ণও এই গুণৰ প্ৰকাশক বুলি উল্লেখ কৰিছে। যেনে—

  অযোধ্যা নদীত ভৈলা দশৰথ জল।
  কৈকেয়ীসে ৰবিজলে শুষিল সকল।।
  প্ৰজামৎস্য কচ্ছপ তৰল পৰি মৰে।
  ৰাম শোক মৎস ৰঙ্গে খেদি খেদি ধৰে।।

- *ওজঃ গুণ ঃ* সহৃদয়ৰ হৃদয়/চিত্ত দীপ্ত বা প্ৰজ্জ্বলিত হৈ উঠে বীৰ, বীভৎস আৰু ৰৌদ্ৰ ৰসৰ প্ৰকাশত। এনেদৰে সহৃদয় চিত্ত দীপ্ত কৰি তোলা গুণটিকে ওজঃ গুণ বুলি অভিহিত কৰা হয়। বৰ্গৰ প্ৰথম আৰু তৃতীয় বৰ্ণৰ লগত যুক্ত হোৱা বৰ্গৰ দ্বিতীয় আৰু চতুৰ্থ বৰ্ণ, ৰ-কাৰযুক্ত বৰ্ণ, ট বৰ্গৰ প্ৰাচুৰ্য আৰু দীৰ্ঘসমাস বিশিষ্ট

ৰচনাই হ'ল ওজঃ গুণৰ ব্যঞ্জক। যেনে—

ঠাট প্ৰকট পটু কৌটি কৌটি কপি
গিৰি গড় গড় পদ ঘাৰে।

➢ *প্ৰসাদ গুণ ঃ* প্ৰসাদ মানে তৎক্ষণাৎ বিয়পি পৰা। যিবোৰ কথা শুনিলে অৰ্থ বোধগম্য হৈ মন নিবিষ্ট হৈ পৰে তথা চিত্তত বিয়পি পৰে তাকে প্ৰসাদ গুণ বোলে। ন বিধ ৰসেই ইয়াৰ প্ৰকাশক হ'ব পাৰে। এই বিধ গুণৰ প্ৰধান বৈশিষ্ট্য হৈছে সৰলতা—শব্দৰ বা অৰ্থৰ সৰলতা। যেনে—

ৰজনী বিদূৰ দিশ ধৱলী বৰণ।
তিমিৰ ফেড়িয়া বাজ ৰবিৰ কিৰণ।।
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰয়।
ব্ৰজ বধু দধি মথে তুৰা গুণ গাই।।

বহুসময়ত বক্তা আৰু বিষয়ৰ বিশেষত্ব অনুযায়ী কেতিয়াবা বেলেগ ধৰণৰ অৰ্থাৎ সেই গুণৰ ব্যঞ্জক শব্দৰ পৰিৱৰ্তে বেলেগ শব্দও ব্যৱহাৰ হ'ব পাৰে। যেনে—ভীম বা দুৰ্বাসাই শোক প্ৰকাশ কৰিলে। মূল কথাটি হ'ল অৰ্থৰ স্বৰূপ, শব্দৰ গঠন, ৰচনাৰ পাৰিপাট্য আদি সুষমভাৱে সন্মিলিত হ'লেহে ৰসৰ স্ফুৰণ সম্পূৰ্ণ হয় আৰু কাব্যও সেই পৰিমাণে উপাদেয় হয়।



**জানি থোৱা ভাল**

**শ্লেষ ঃ** য'ত ৰচনাৰ মসৃণতা অৰ্থাৎ আখৰবিলাকৰ সজাতীয়তা (একে ঠাইৰ পৰা উচ্চাৰিত বৰ্ণ) আৰু সন্ধি আদিৰ দ্বাৰা বহুত পদক এটা হোৱা যেন শুনা যায়। তেনে গুণক শ্লেষ বোলে।

**সমতা ঃ** যি ধৰণে আৰম্ভ হয় তেনেদৰে শেষ হোৱা গুণ।

**সৌকুমাৰ্য ঃ** ৰচনাত কোমলতা ভাবৰ প্ৰাধান্য বা কঠোৰতাৰ অভাৱ হ'লে সৃষ্টি হোৱা গুণ।

**সমাধি ঃ** শব্দৰ আৰোহণ-অৱৰোহণত জন্ম হোৱা গুণ।

**অৰ্থব্যক্তি ঃ** সহজে অৰ্থ প্ৰকাশক গুণ।

**উদাৰত্ব ঃ** যি গুণৰ বাবে পদবিলাকে নাচি আছে যেন বোধ হয়।

**কান্তি ঃ** উজ্জ্বলতা, অলৌকিক শোভা ফুটি উঠা গুণ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ২ ঃ** ওজঃ গুণ কোন কোন ৰসৰ প্ৰকাশক?

..........................................................................................

## ৪.৪ ৰীতিবাদ

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে গুণ আৰু ৰীতিৰ মাজত অংগাংগী সম্বন্ধ আছে আৰু আচাৰ্য বামন হ'ল ৰীতিবাদৰ মূল প্ৰৱক্তা। তেওঁ মন্তব্য কৰিছিল যে — "কাব্যশোভায়াঃ কৰ্তাৰো ধৰ্মাঃ গুণঃ।" অৰ্থাৎ— কাব্যৰ শোভাকাৰক ধৰ্মসমূহেই হ'ল গুণ। বামনে শোভা শব্দৰ দ্বাৰা কাব্যৰ এক অসাধাৰণ ধৰ্মৰ কথা বুজাইছে, যাৰ অবিহনে বাক্য কাব্য হ'ব নোৱাৰে। তেওঁ কাব্যত ৰসৰ উপাদেয়তাৰ কথা স্বীকাৰ কৰিও ৰসানুকূল, গুণযুক্ত বৰ্ণ বিন্যাস, গুণযুক্ত ৰচনাক সাহিত্যৰ প্ৰাণ বুলি অভিমত দাঙি ধৰিছে। এওঁ গুণ অনুযায়ী ৰীতিৰ নামকৰণ কৰি ৰীতিক কাব্যৰ আত্মা বুলিও মন্তব্য আগবঢ়ালে। তেওঁৰ মতে — "ৰীতিৰাত্মা কাব্যস্য আৰু বিশিষ্ট পদৰচনাৰীতিঃ।" অৰ্থাৎ বিশিষ্ট পদৰচনাই হ'ল ৰীতি। ভোজৰাজে কৈছে √ৰীঙ (ৰীঙ ধাতু)-ৰ অৰ্থ গতি— যাৰ দ্বাৰা গতি কৰা হয় সিয়ে ৰীতি। ঠিক সেইদৰে বিশ্বনাথ কবিৰাজে মন্তব্য কৰিছে— প্ৰাণীৰ শৰীৰত অংগ সন্নিবেশৰ দৰে কাব্যৰ উপযুক্ত ঠাইত বিশেষ পদ সন্নিবেশেই ৰীতি। ৰীতিয়ে ৰসৰ পৰিপুষ্টি তথা অভিব্যক্তিত সহায় কৰে।



**জানি থোৱা ভাল**

পাশ্চাত্য সমালোচকসকলে ব্যৱহাৰ কৰা শব্দ ষ্টাইল বা বাণীভংগী আৰু বামনে উল্লেখ কৰা ৰীতি একে ধৰণৰ বস্তু নহয়। ৰীতিৰ মাজত কিছুমান ধৰাবন্ধা গুণৰ সংযোগ কৰি ৰচনা উপভোগ্য কৰি তুলিবলৈ চেষ্টা কৰা হয়। ইয়াত নন্দনতাত্ত্বিক আলোচকসকলে নিৰূপণ কৰা নিৰ্দিষ্ট গুণসমূহৰ সাৰ্থক সংযোগ ক্ষমতাৰ ওপৰতে কবিৰ সৃষ্টিধৰ্মিতা নিৰ্ভৰ কৰে। লেখক এজন স্বতন্ত্ৰ ব্যক্তি হ'লেও ইয়াত তেওঁ প্ৰাচীনসকলে নিৰ্দিষ্ট কৰা এটা আদৰ্শৰ মাজত সীমিত হৈ থাকিব লগা হয়। গতিকে এই লেখকজনৰ স্বতন্ত্ৰতা থাকিলেও সি পৰিসীমিত আৰু নতুন বাণীভংগী উদ্ভাৱন কৰা লেখকজনৰ দৰে সম্পূৰ্ণৰূপে স্বাধীন নহয়। ষ্টাইল হ'ল ব্যক্তিৰ আত্মপ্ৰকাশ কিন্তু ৰীতি এনে আত্মপ্ৰকাশ বুলি ক'ব নোৱাৰি, কাৰণ ৰীতিৰ ক্ষেত্ৰত কিছুমান নিৰ্দিষ্ট গুণৰ সংযোগৰ মাজেদিহে কাব্য বস্তুৰ প্ৰকাশ ঘটে। (ত্ৰৈলোক্যনাথ গোস্বামী ঃ *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য*)

বামনক ৰীতিবাদৰ প্ৰধান প্ৰবক্তা বুলি বিবেচনা কৰা হয় যদিও তেওঁৰ আগতেও আচাৰ্য দণ্ডীয়ে এই বিষয়ে আলোচনাত প্ৰবৃত্ত হৈছিল। তেওঁ ৰীতিৰ ঠাইত 'মাৰ্গ' শব্দটি ব্যৱহাৰ কৰিছিল। বৈদৰ্ভী আৰু গৌড়ী — দুয়োটা মাৰ্গৰ অলংকাৰত বিশেষ স্থান আছে বুলি কৈ তেওঁ গুণ বৈদৰ্ভী মাৰ্গৰ বিশেষ লক্ষণ বুলি চিহ্নিত কৰিছিল।

এই আলোচনাৰ পৰা আমি ধাৰণা কৰিব পাৰোঁ যে ৰীতি গুণ, শব্দ আৰু অৰ্থক আশ্ৰয় কৰি বৰ্তি থাকে আৰু কাব্যৰ অংগসংস্থান বা গঠনেই ৰীতি। প্ৰাণহীন নিঘূৰ্ণীয়া দেহ এটাকো যেনেদৰে 'শ' বুলিহে কোৱা হয় ঠিক সেইদৰে কাব্যত ৰীতিৰ অভাৱ হ'লে ই প্ৰকৃত কাব্যৰ

শাৰীলৈ উধাব নোৱাৰে। সেই বাবেই বামনে কোৱা “ৰীতিৰাত্মা কাব্যস্য” উক্তিযাৰৰ যৰ্থথতা বিৰাজমান।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** আচাৰ্য দণ্ডীয়ে ৰীতিৰ ঠাইত ব্যৱহাৰ কৰা শব্দটি কি?

..........................................................................................

## ৪.৪.১ ৰীতিৰ প্ৰকাৰভেদ

ৰীতিৰ প্ৰকাৰভেদ সম্পৰ্কেও আলংকাৰিকসকলে সহমত প্ৰকাশ কৰা নাই। এই মতবাদৰ প্ৰথম প্ৰবক্তা দণ্ডীয়ে ‘মাৰ্গ’ শব্দটো ব্যৱহাৰ কৰিছিল বুলি আমি ইতিমধ্যে উল্লেখ কৰিছোঁ। তেওঁ মাৰ্গ দুই প্ৰকাৰৰ বুলি মন্তব্য কৰিছিল। যথা— বৈদৰ্ভী আৰু গৌড়ী। আচাৰ্য বামনে ইয়াৰ ‘মাৰ্গ’ শব্দটোৰ পৰিৱৰ্তে ‘ৰীতি’ পাৰিভাষিক শব্দটি ব্যৱহাৰ কৰি সেই দুয়োটা ৰীতিৰ বাদেও আৰু এটা ৰীতি সংযোগ কৰি ইয়াৰ সংখ্যা তিনিলৈ বৃদ্ধি কৰে। তেওঁ যোগ দিয়া ৰীতিটো হ’ল ‘পাঞ্চালী’।

➢ *বৈদৰ্ভী ৰীতি ঃ* আলংকাৰিকসকলে স্বীকাৰ কৰি লোৱা সমস্ত গুণ য’ত থাকে, সকলো শব্দ গুণান্বিত হয় আৰু সকলো গুণ ৰসানুকূল হ’লে যি ৰীতিৰ সৃষ্টি হয় তাকে বৈদৰ্ভী ৰীতি বুলি কোৱা হয়। বিশ্বনাথ কবিৰাজৰ মতে মাধুৰ্য গুণৰ প্ৰকাশক বৰ্ণৰ দ্বাৰা মনোহৰ সমাসহীন বা অল্প সমাস বিশিষ্ট ৰচনাই হ’ল বৈদৰ্ভী ৰীতি। আন এজন আলংকাৰিক ৰুদ্ৰটে কৈছে সমাসহীন বা অল্পসংখ্যক পদৰ সমাস বিশিষ্ট আৰু শ্লেষ আদি দহবিধ গুণ-সম্পন্ন, বৰ্গৰ দ্বিতীয় বৰ্ণৰ দ্বাৰা শোভিত আৰু অল্প প্ৰযত্নৰ দ্বাৰা উচ্চাৰিত বৰ্ণযুক্ত ৰচনাই বৈদৰ্ভী ৰীতি। যেনে—

ত্ৰিদিব বাঞ্ছিতা দেৱী হে চিৰ সুন্দৰী
        পিন্ধি দিব্য মকৰ কুণ্ডল।
কাৰনো মহান জ্যোতি, কৰি উদ্ভাসিত
        আলোকিছা ভুৱন মণ্ডল।।
তড়িতৰ কণ্ঠমালা হীৰাৰ মুকুট
        পিন্ধি যত জলদ কুমাৰী।
ৰতন মণ্ডিত চাৰু নীলাঞ্চলখনি
        দিছে শুভ্ৰ আসনত পাৰি।

ইয়াত —

ওজঃ আৰু আৰোহ গুণ — ত্ৰিদিব বাঞ্ছিতা

প্ৰসাদ আৰু অৱৰোহ গুণ — দেৱী হে চিৰ সুন্দৰী

মাধুৰ্য — দিছে শুভ্ৰ আসনত পাৰি

ঠিক সেইদৰে শব্দবোৰে জলজল পটপটকৈ অৰ্থ প্ৰকাশ কৰে— অৰ্থব্যক্তি, যি সম্বোধন কৰি কথা কোৱাৰ আৰম্ভ কৰিছে সেই ৰীতিতে শেষো কৰিছে— গতিকে সমতা। ইয়াৰ উপৰি শ্লেষ প্ৰকাশ পাইছে — 'ৰতন মণ্ডিত চাৰু নীলাঞ্চলখনি'-ত। পদবিলাকত উজ্জ্বলতা স্পষ্ট সেয়ে কান্তি। এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াত বৈদৰ্ভী ৰীতি বিৰাজমান।

➢ *গৌড়ী ৰীতি ঃ* ওজঃ আৰু কান্তি গুণবিশিষ্ট ৰচনাৰীতিক গৌড়ী ৰীতি বোলা হয়। এই ৰীতিত ৰসৰ দীপ্ততা প্ৰকাশ পায়। মাধুৰ্য আৰু সৌকুমাৰ্য গুণক তল পেলাই দিয়ে। সমাসৰ বাহুল্য, ওজঃ গুণ প্ৰকাশক মহাপ্ৰাণ ধ্বনি, অনুপ্ৰাসৰ কম প্ৰয়োগ আদি হ'ল এই ৰীতিৰ প্ৰধান বৈশিষ্ট্য। যেনে—

কুণ্ডল ডগমগি ঝলমল মোড়া।
ঈষত হালি ৰসে মানস চোৰা।।
অমল কমল-দল-লোচন ৰাতা।
অপৰূপ নিৰমিল কমল বিধাতা।।

ইয়াত পদ সমাবেশৰ গাঢ়তাৰ বাবে ওজঃ আৰু স্পষ্টাৰ্থকতাৰ কাৰণে কান্তি গুণৰ প্ৰাধান্য ঘটিছে। সেয়ে ই গৌড়ী ৰীতিৰ ৰচনা।

➢ *পাঞ্চালী ৰীতি ঃ* মাধুৰ্য আৰু সৌকুমাৰ্য গুণ সম্পন্ন ৰচনাই পাঞ্চালী ৰীতিৰ ৰচনা। ইয়াত প্ৰসাদ গুণো সন্নিৱিষ্ট থাকে। মূলতঃ কম সমাসযুক্ত পদ, গৌড়ী আৰু বৈদৰ্ভী ৰীতিত ব্যৱহাৰ নোহোৱা বৰ্ণবোৰ ইয়াত ব্যৱহাৰ হয় বুলি বিশ্বনাথ কবিৰাজে মন্তব্য কৰিছে। এক কথাত ক'ব পাৰি ই এক প্ৰকাৰৰ মিশ্ৰবদ্ধ ৰচনা কাৰণ ইয়াত বৈদৰ্ভী আৰু গৌড়ী ৰীতিৰ সংমিশ্ৰণ ঘটে। যেনে—

কোনেও নুশুঙা ফুলবোৰ ছিঙি
কোঁচত ভৰাই লৈ
এটি এটিকৈ পানীৰ সোঁতত
উটুৱাই দিয়া গৈ।।

উল্লিখিত ৰীতিসমূহৰ উপৰি আচাৰ্য বিশ্বনাথ কবিৰাজে ৰীতিৰ সংখ্যা চাৰিটালৈ বৃদ্ধি কৰিছিল — 'লাটি' নামৰ আন এটি ৰীতি যোগ কৰি। ইয়াত বৈদৰ্ভী আৰু পাঞ্চালী ৰীতি একেলগে থাকে। তেওঁৰ পৰৱৰ্তী কালত ভোজৰাজে তাৰ লগত 'অৱন্তিকা' আৰু 'মাগধী' যোগ দি ৰীতি সংখ্যা ছয়টালৈ বৃদ্ধি কৰে। কিন্তু পৰৱৰ্তীকালত এই ৰীতিবাদ সম্পৰ্কে ব্যাপক চিন্তা চৰ্চা হোৱা দেখা নাযায়। সেয়ে পূৰ্বৰে পৰা চলি অহা — বৈদৰ্ভী, গৌড়ী আৰু পাঞ্চালীয়েই প্ৰধান ৰীতি হিচাপে প্ৰসিদ্ধি লাভ কৰিছে।

ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে কেতিয়াবা কেতিয়াবা বক্তা আৰু বিষয়ৰ বিশেষত্ব অনুযায়ী গুণ ব্যঞ্জক শব্দৰ পৰিৱৰ্তে বেলেগ শব্দও ব্যৱহাৰ কৰা হয়। তেনে কৰোঁতে তাত প্ৰকাশ পোৱা ৰীতিৰো বিশেষত্ব বা শব্দৰ ব্যৱহাৰত পৰিৱৰ্তন হ'ব পাৰে। অৰ্থাৎ ৰীতি প্ৰয়োগৰ সাধাৰণ ৰীতিৰ পৰিৱৰ্তন তথা বৰ্ণবিন্যাস ৰীতিৰ ব্যতিক্ৰম ঘটে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** ভোজৰাজে সংযোগ কৰা ৰীতি দুটি কি কি?

.....................................................................................




## ৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰসৰ উৎকৰ্ষ সাধন হৈ ভাবক টানি আনিব পৰা শক্তিটোৱেই হ'ল কাব্যৰ গুণ। ই কাব্যৰ স্থিৰ বা নিত্য ধৰ্ম। গুণ কাব্যৰ শৰীৰ ৰূপী শব্দ আৰু অৰ্থত থাকি কাব্যৰ উৎকৰ্ষ সাধন কৰে। আনন্দবৰ্ধন, মম্মটভট্ট, বিশ্বনাথ কবিৰাজ আদি প্ৰাচীন তথা অৰ্বাচীন আলংকাৰিকসকল হ'ল এই মতবাদৰ প্ৰবক্তা।
- আচাৰ্য দণ্ডীয়ে মুঠ দহটা গুণৰ কথা উল্লেখ কৰিছে। যথা— শ্লেষ, প্ৰসাদ, সমতা, মাধুৰ্য, সৌকুমাৰ্য, অৰ্থব্যক্তি, উদাৰত্ব, ওজঃ, কান্তি আৰু সমাধি। আচাৰ্য বামনে শব্দ আৰু অৰ্থ উভয়তে এই দহোটাকৈ গুণ থাকে বুলি মন্তব্য কৰিছে। অৰ্থাৎ তেওঁৰ মতে গুণৰ সংখ্যা বিশটা। কিন্তু মম্মট ভট্টকে আদি কৰি পৰৱৰ্তীকালৰ আলংকাৰিকসকলে গুণৰ সংখ্যা কমাই আনি তিনিটাতে সীমাবদ্ধ কৰিলে। সেই কেইটা হ'ল— মাধুৰ্য, ওজঃ আৰু প্ৰসাদ।
- আলংকাৰিকসকলৰ মতে শৃংগাৰ, কৰুণ আৰু শান্তৰসৰ সৃষ্টিৰ সময়ত সহৃদয়ৰ চিত্তত দ্ৰুতিৰ সৃষ্টি হয়। এই গুণবিধেই হ'ল মাধুৰ্য গুণ। সহৃদয়ৰ হৃদয়/চিত্ত দীপ্ত বা প্ৰজ্বলিত হৈ উঠে বীৰ, বীভৎস আৰু ৰৌদ্ৰ ৰসৰ প্ৰকাশত। এনেদৰে সহৃদয় চিত্ত দীপ্ত কৰি তোলা গুণটিকে ওজঃ গুণ বুলি অভিহিত কৰা হয়। তৎক্ষণাৎ বিয়পি পৰাকে প্ৰসাদ বোলে। যিবোৰ কথা শুনিলে অৰ্থ বোধগম্য হৈ মন নিবিষ্ট হৈ পৰে তথা চিত্তত বিয়পি পৰে তাকে প্ৰসাদ গুণ বোলে। ন বিধ ৰসেই ইয়াৰ প্ৰকাশক হ'ব পাৰে।
- বামন হ'ল ৰীতিবাদৰ মূল প্ৰৱক্তা। তেওঁ মন্তব্য কৰিছিল যে— 'কাব্যশোভায়াঃ কৰ্তাৰো ধৰ্মাঃ গুণঃ।' অৰ্থাৎ— কাব্যৰ শোভাকাৰক ধৰ্মসমূহেই হ'ল গুণ। বামনে শোভা শব্দৰ দ্বাৰা কাব্যৰ এক অসাধাৰণ ধৰ্মৰ কথা বুজাইছে, যাৰ অবিহনে বাক্য কাব্য হ'ব নোৱাৰে। তেওঁ কাব্যত ৰসৰ উপাদেয়তাৰ কথা স্বীকাৰ কৰিও ৰসানুকূল, গুণযুক্ত বৰ্ণ বিন্যাসৰ, গুণযুক্ত

ৰচনাক সাহিত্যৰ প্ৰাণ বুলি অভিমত দাঙি ধৰিছে। তেওঁ গুণ অনুযায়ী ৰীতিৰ নামকৰণ কৰি ৰীতিক কাব্যৰ আত্মা বুলিও বক্তব্য আগবঢ়ালে। তেওঁৰ মতে — 'ৰীতিৰাত্মা কাব্যস্য আৰু বিশিষ্ট পদৰচনাৰীতিঃ।' অৰ্থাৎ বিশিষ্ট পদৰচনাই হ'ল ৰীতি। ৰীতি গুণ, শব্দ আৰু অৰ্থক আশ্ৰয় কৰি বৰ্তি থাকে আৰু কাব্যৰ অংগসংস্থান বা গঠনেই হ'ল ৰীতি।

- ৰীতিৰ প্ৰকাৰভেদ সম্পৰ্কেও আলংকাৰিকসকলে সহমত প্ৰকাশ কৰা নাই। কিন্তু বৈদৰ্ভী, গৌড়ী আৰু পাঞ্চালীয়েই প্ৰধান ৰীতি হিচাপে প্ৰসিদ্ধি লাভ কৰিছে।
- আলংকাৰিকসকলে স্বীকাৰ কৰি লোৱা সমস্ত গুণ যত থাকে, সকলো শব্দ গুণান্বিত হয় আৰু সকলো গুণ ৰসানুকুল হ'লে যি ৰীতিৰ সৃষ্টি হয় তাকে বৈদৰ্ভী ৰীতি বুলি কোৱা হয়।
- ওজঃ আৰু কান্তি গুণবিশিষ্ট ৰচনাৰীতিক গৌড়ী ৰীতি বোলা হয়। এই ৰীতিত ৰসৰ দীপ্ততা প্ৰকাশ পায়।
- মাধুৰ্য আৰু সৌকুমাৰ্য গুণ সম্পন্ন ৰচনাই পাঞ্চালী ৰীতিৰ ৰচনা। ইয়াত প্ৰসাদ গুণো সন্নিৱিষ্ট থাকে।
- কেতিয়াবা কেতিয়াবা বক্তা আৰু বিষয়ৰ বিশেষত্ব অনুযায়ী গুণ ব্যঞ্জক শব্দৰ পৰিৱৰ্তে বেলেগ শব্দও ব্যৱহাৰ কৰা হয়। তেনে কৰোঁতে তাত প্ৰকাশ পোৱা গুণ আৰু ৰীতিৰো বিশেষত্ব বা শব্দৰ ব্যৱহাৰত পৰিৱৰ্তন হ'ব পাৰে।



## ৪.৬ অধিক জানিবলৈ

**অসমীয়া গ্ৰন্থ**

১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।

২) বৰা, যতীন (১৯৯৯); *ছন্দ, ধ্বনি আৰু অলংকাৰ;* ডিব্ৰুগড় ঃ বনলতা।

৩) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৪) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৫) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

**ইংৰাজী গ্ৰন্থ**

৬) Dey. S. K. (1963). *Sanskrit Poetics.* Oxford: OUP

৭) Kane, P. V. (1971). *History of Sanskrit Poetics.* Delhi: Motilal Banarashi Das.

## ৪.৭ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** আনন্দবৰ্ধন, মম্মট ভট্ট, বিশ্বনাথ কবিৰাজ আদিয়ে।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** বীৰ, বীভৎস আৰু ৰৌদ্ৰ ৰসৰ প্ৰকাশক।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** মাৰ্গ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** অৱন্তিকা আৰু মাগধী ।

## ৪.৮ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) গুণবাদ মানে কি?

(খ) কাব্যত গুণৰ কাম কি?

(গ) ৰীতিবাদ মানে কি?

(ঘ) পাঞ্চালী ৰীতি বুলিলে কি বুজে?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** 'ৰীতিৰাত্মা কাব্যস্য' — ব্যাখ্যা কৰক।

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক —

(ক) মাধুৰ্য গুণ (খ) ওজঃ গুণ (গ) প্ৰসাদ গুণ

(ঘ) বৈদৰ্ভী ৰীতি (চ) গৌড়ী ৰীতি

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** 'কাব্যশোভায়াঃ কৰ্তাৰো ধৰ্মাঃ গুণঃ।' — বুজাই লিখক।

**প্ৰশ্ন ২ ঃ** গুণ আৰু ৰীতিৰ মাজত সম্পৰ্ক আছেনে? আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** ৰীতিবাদ মানে কি? বিভিন্ন কাব্যৰীতিসম্পৰ্কে আলোচনা কৰক।

**প্ৰশ্ন ৪ ঃ** বিভিন্ন প্ৰকাৰৰ গুণসমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***

# অধ্যায় ৫ ঃ ছন্দ — সাধাৰণ পৰিচয়

## অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ছন্দ - অৰ্থ আৰু সংজ্ঞা
৫.৪ ছন্দস্পন্দ
৫.৫ ছন্দবন্ধ
৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৭ অধিক জানিবলৈ
৫.৮ অগ্ৰগতিৰ খতিয়ান
৫.৯ আৰ্হি প্ৰশ্ন

## ৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ছন্দ শব্দৰ পৰিচয় লাভ কৰাৰ লগতে ছন্দৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- ছন্দস্পন্দ কি সেই বিষয়ে ধাৰণা লাভ কৰাৰ লগতে তাৰ উপকৰণসমূহৰ লগত পৰিচিত হ'ব
- ছন্দবন্ধ স্বৰূপ উপলব্ধি কৰাৰ লগতে তাৰ উপাদানসমূহৰ বিষয়ে জ্ঞাত হ'ব।

## ৫.২ পৰিচয়

ইয়াৰ পূৰ্বৰ অধ্যায় কেইটিত আপুনি প্ৰাচ্য সমালোচনাৰ পাঁচটা প্ৰধান বিষয় — ধ্বনি, ৰস, বক্ৰোক্তি, গুণ আৰু ৰীতিৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি কাব্যৰ আন এটি উল্লেখযোগ্য উপাদান ছন্দৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

কবিতা বুলি ক'লে আমি ধ্বনি আৰু অৰ্থৰ সমষ্টিকে সাধাৰণতে অনুধাৱন কৰোঁ। চিত্ৰ শিল্পীয়ে ৰং আৰু ৰেখাৰ বৈচিত্ৰ্যৰে নিজৰ অনুভূতি চিত্ৰপটত অংকন কৰাৰ দৰে কবিয়ে ধ্বনি আৰু অৰ্থৰ সমষ্টিৰে নিজৰ অনুভৱ ব্যক্ত কৰে। ইয়াৰে ধ্বনিৰ সুৰ আৰু তালৰ ৰসময় সহ-অৱস্থানতে ছন্দৰ সৃষ্টি হয়। এই অধ্যায়টোত আমি এই বিষয়ে বহলাই আলোচনা কৰিম।

## ৫.৩ ছন্দ — অৰ্থ আৰু সংজ্ঞা

ছন্দ শব্দই সাধাৰণভাৱে ভাষাৰ সুষম বা স্বচ্ছন্দ গতিশীল অৱস্থাক বুজায়। প্ৰাচ্য আৰু

পাশ্চাত্যৰ ***ছান্দসিক*** পণ্ডিতসকলে প্ৰত্যেকেই নিজস্বভাৱে ছন্দৰ সংজ্ঞা নিৰূপণ কৰিছে। তাৰে কেইটিমান উল্লেখযোগ্য সংজ্ঞা হ'ল —

চন্দতি হৃষ্যতি এন দীপ্যতে যা তচ্ছন্দঃ

পাণিনিয়ে আগ বঢ়োৱা এই সংজ্ঞা মতে— "যিটো বস্তুৱে নচুৱাই তোলে, আনন্দৰ যোগান ধৰে আৰু পোহৰাই তোলে— সিয়েই ছন্দ।" এই কথাষাৰৰ সন্দৰ্ভত আদিকবি বাল্মিকীয়ে প্ৰথম শ্লোকটো ৰচনা কৰাৰ পাছত কৰা মন্তব্যটি মনত পেলাব পাৰি। প্ৰথম শ্লোকটি ৰচনা কৰি তেওঁ নিজেই আচৰিত হৈ "এয়া বাৰু মই কি ৰচনা কৰিলোঁ" বুলি প্ৰশ্ন কৰি পুনৰ নিজেই উত্তৰ দিছিল—

পাদবদ্ধোঽক্ষৰ সমস্তন্ত্ৰীলয় সমন্বিতঃ।
শোকাৰ্তস্য প্ৰবৃত্তো মে শ্লোকো ভবতু নান্যথা।।

"শোকত আতুৰ হৈ পদবদ্ধ অক্ষৰ সমষ্টি আৰু বীণাৰ তাঁৰৰ কঁপনিত সমান গতিৰ লয় থকা এই বস্তুটো যে সৃষ্টি কৰিলোঁ— এয়া নিশ্চয় শ্লোক — অন্য একো নহয়।" অক্ষৰৰ সংখ্যা আৰু লয়ৰ স্পষ্ট ইংগিত দিয়া এই বক্তব্যই ছন্দৰ মূল উৎসৰো ইংগিত দিয়ে। বিভিন্ন অনুভূতিৰে অভিষিক্ত হৈ ছন্দই পাঠক-শ্ৰোতাৰ মনত আনন্দৰ পুলক জগাই তোলে। একে সুৰতে সুৰ মিলাই এজন পাশ্চাত্য ছান্দসিকে মন্তব্য কৰিছে— "দৰাচলতে ছন্দ কোনো কৃত্ৰিম ব্যৱস্থা নহয়; ই কাব্যিক অভিব্যক্তিৰ বাবে প্ৰাণৰ প্ৰয়োজনত ভিতৰৰ পৰা গঢ় লৈ উঠা এক জৈৱিক ৰীতি। ই বাহিৰৰ পৰা এনেয়ে জাপি দিয়া বস্তু নহয়— বৰং এক অনিবাৰ্য ৰূপৰহে প্ৰকাশ।" (Meter, however, is not an artificial arrangement, but an organic scheme evolved from the vital inner necessities of poetic expression; it is not an arbitrary imposition, but an essential form.)

> ***ছান্দসিক*** ঃ যি জনে ছন্দৰ গঠন, উপাদান আদিৰ বিষয়ে আলোচনা কৰে।

আলোচনাখিনিৰ পৰা আমি কেইটিমান বিশেষ কথা গম পালোঁ — ছন্দ বাহিৰৰ পৰা জাপি দিয়া বস্তু নহয়; আনুভূতিক স্তৰত তাৰ অভিব্যঞ্জনা ***প্ৰতীতি*** নিৰ্ভৰ; তাৰ নিৰ্দিষ্ট এক সজ্জা থাকে; থাকে এক নিৰ্দিষ্ট গতি, যি গতিয়ে ধ্বনিবোৰক তৰংগায়িত কৰি তোলে। সাধাৰণভাৱে ক'ব পাৰি কবিতাৰ উচ্চাৰণত ব্যৱহৃত শব্দধ্বনিয়ে আনুভূতিক স্তৰত যি অভিব্যঞ্জনাৰ সৃষ্টি কৰে সেয়াই ছন্দ। এই ক্ষেত্ৰত জাৰ্মান দাৰ্শনিক হেগেলৰ মন্তব্যটি অতিকে গুৰুত্বপূৰ্ণ— "কবিতাত অলংকাৰপূৰ্ণ আৰু চিত্ৰৰূপময় শব্দচয়নতকৈ ছন্দৰ প্ৰয়োজনীয়তা অধিক" (Meter is even more necessary than a figurative and picturesque diction.)। ছন্দৰ আলোচনাৰ ক্ষেত্ৰত আমি ইয়াৰ দুটি প্ৰধান উপাদানৰ বিষয়েও কিছু কথা আলোচনা কৰিব লাগিব। সেই দুটা হ'ল— ছন্দবন্ধ আৰু ছন্দস্পন্দ। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

> ***প্ৰতীতি*** ঃ বোধ, বিশ্বাস, পতিয়ন, প্ৰত্যয়, জ্ঞান আদি।

## ৫.৪ ছন্দস্পন্দ

কবিতাত ৰুচিসন্মতভাৱে কৰা ধ্বনি সমাবেশৰ প্ৰৱাহটোকেই ছন্দস্পন্দ (syllable)

বোলা হয়। এই ধ্বনি প্ৰৱাহটোৱে পাঠক-শ্ৰোতাৰ মনত পুলক জগাই তোলে। আমি সাধাৰণভাৱে পতা কথা-বতৰাৰ মাজতো এই ছন্দস্পন্দ থাকে যদিও সেয়া পৰিমিত নহয়। কিন্তু কবিতাৰ ক্ষেত্ৰত সি পৰিমিত তথা নিয়মিত। কবিতাৰ ধ্বনি প্ৰবাহৰ বেগ আৰু ভাব প্ৰবাহৰ আবেগ মিলন-মধুৰ কৰি তোলাৰ ক্ষেত্ৰত কিছুমান উপাদানে সহায় কৰে। সেই উপাদানসমূহকে ছন্দস্পন্দৰ উপকৰণ বোলা হয়। সেই উপকৰণ কেইটা হ'ল—

- ধ্বনি বা অক্ষৰ
- মাত্ৰা
- প্ৰস্বন

- **ধ্বনি বা অক্ষৰ ঃ** আমাৰ বাগ্‌যন্ত্ৰৰ এটা প্ৰয়াসত উচ্চাৰিত ধ্বনি সমষ্টিকেই ধ্বনি বা অক্ষৰ বুলি কোৱা হয়। অসমীয়া ভাষাত ধ্বনি দুই ধৰণে উচ্চাৰিত হয়— মুক্তধ্বনি আৰু ৰুদ্ধধ্বনি। স্বৰধ্বনিৰে শেষ হোৱা বা স্বৰান্ত ধ্বনিক মুক্তধ্বনি বোলা হয়। এই মুক্তধ্বনিবোৰক অযুগ্ম ধ্বনি বুলিও গণ্য কৰা হয়। যেনে— ক, অ, আ, জা, ইত্যাদি। আনহাতে শ্ৰী, স্ত্ৰী, স্ক্ৰু আদিত একাধিক বৰ্ণ থাকিলেও স্বৰবৰ্ণ মাত্ৰ এটাহে আছে। অৰ্থাৎ — শ্ৰী = শ্ + ৰ্ + ঈ; স্ত্ৰী = স্ + ত্ + ৰ্ + ঈ; স্ক্ৰু = স্ + ক্ + ৰ্ + উ; এই আটাইকেইটা বৰ্ণৰ ধ্বনি এটাই আৰু অযুগ্ম। সেয়ে এইবোৰো মুক্তধ্বনি। উল্লেখযোগ্য কথাটি হ'ল এইবোৰ ধ্বনি য'ত থমকি ৰয়গৈ, তাতে থমকি নোৰোৱাকৈ আন ধ্বনি সামৰি লোৱাৰ বাট মুকলি হৈ থাকে।

  আনহাতে যুগ্ম স্বৰধ্বনি (ঐ আৰু ঔ), যুক্তস্বৰ সমন্বিত ধ্বনি (যেনে— আই, আউ, এই, ইত্যাদি), যুগ্ম আৰু যুক্ত স্বৰাশ্ৰিত ব্যঞ্জন ধ্বনি (নৈ, মৌ, নাও, সেই, ইত্যাদি) তথা সকলোবোৰ অন্তঃস্বৰাশ্ৰিত হলন্ত ধ্বনি (যেনে— তাত, উট, খং, উঃ, দান, ইত্যাদি) যুক্ত ধ্বনিসমষ্টিক ৰুদ্ধধ্বনি বোলা হয়। ই যিখিনিতে থমকি ৰয়গৈ, তাৰ পৰা আৰু আগুৱাই যোৱাৰ বাট মুকলি হৈ নাথাকে। উল্লেখযোগ্য যে ইয়াত দৃশ্যমান ৰূপত এটা বা দুটা আখৰো থাকিব পাৰে; কিন্তু উচ্চাৰণৰ সময়ত অবিভাজ্যৰূপত উচ্চাৰিত হয়। তদুপৰি ৰুদ্ধধ্বনিৰ অন্তিম বৰ্ণটোত প্ৰচ্ছন্নভাৱে হ'লেও এটা হলন্ত চিন থাকে; কিন্তু বিশেষ প্ৰয়োজন নাথাকিলে সেয়া দেখুৱাই লিখা নহয়।



**জানি থোৱা ভাল**

অসমীয়া ছন্দৰ উচ্চাৰণৰ ক্ষেত্ৰত ৰুদ্ধধ্বনি তথা মুক্তধ্বনিৰ কেতিয়াবা ব্যতিক্ৰমধৰ্মী উচ্চাৰণো ঘটে। এনে ধৰণৰ উচ্চাৰণে অপূৰ্ব ছন্দবৈচিত্ৰ্যৰ সৃষ্টি কৰে।

- **মাত্ৰা ঃ** এটা ধ্বনি উচ্চাৰণ কৰোতে প্ৰয়োজন হোৱা ন্যূনতম সময়খিনিকে মাত্ৰা (Measure) বা কলা (Mora) বুলি কোৱা হয়। ধ্বনিৰ মাত্ৰা সংস্থাপন ৰীতিৰ বিচিত্ৰতাতেই ছন্দৰ বৈচিত্ৰ্যৰ সৃষ্টি হয়। সংস্কৃত ভাষাৰ লঘু স্বৰত এক মাত্ৰা, গুৰু স্বৰত দুই মাত্ৰা আৰু প্লুত স্বৰত তিনি

মাত্ৰা নিৰ্দিষ্ট হিচাপে ধৰা হয়। কিন্তু অসমীয়া ভাষাত লঘু বা গুৰু স্বৰ বুলি পৃথক পৃথকভাৱে ভাগ কৰা হোৱা নাই আৰু প্লুত স্বৰ অসমীয়াত অনুপস্থিত। অসমীয়াত হ্ৰস্ব-দীৰ্ঘৰো প্ৰভেদ নাই। সেয়ে মাত্ৰা সংস্থাপনৰ ৰীতিও পৃথক। মাত্ৰ ছন্দৰ নিজস্ব প্ৰকৃতি অনুযায়ী বিভক্ত।

- **প্ৰস্বন** ঃ কোনো কোনো শব্দ উচ্চাৰণ কৰোঁতে শব্দটিৰ এটা অক্ষৰত কিছু জোৰ দি উচ্চাৰণ কৰিবলগীয়া হয়। এনেদৰে এটা অক্ষৰত জোৰ দি উচ্চাৰণ নকৰিলে গোটেই শব্দটো উচ্চাৰণ কৰা সম্ভৱ নহয়। শব্দ উচ্চাৰণ কৰোঁতে ধ্বনিবিশেষৰ ওপৰত এনেদৰে জোৰ দি কৰা উচ্চাৰণকে প্ৰস্বন বোলা হয়। বাক্য বা বাক্যাংশৰ এনেদৰে কৰা উচ্চাৰণৰ ভিত্তিত এক প্ৰকাৰৰ ছন্দ বৈচিত্ৰ্যৰ সৃষ্টি হয়।

অসমীয়া ছন্দৰীতিত ইয়াৰ প্ৰভাৱ আছেনে নাই সেই সম্পৰ্কে বহু মতবিৰোধ বিদ্যমান। কাৰণ অসমীয়াত উচ্চাৰণৰ ধ্বনি তৰংগৰ উঠা-নমাৰ তাৰতম্য বৰ স্পষ্ট নহয়। তথাপিও ক'ব পাৰি ছন্দৰ বান্ধোনৰ ফালৰ পৰা ইয়াৰ প্ৰয়োজনীয়তা হওক-নহওক, কঁপনিৰ ফালৰ পৰা কিন্তু ইয়াৰ প্ৰয়োজনীয়তা আছে আৰু ই ছন্দস্পন্দৰ এক বিশিষ্ট উপাদান।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১** ঃ 'ছন্দ' শব্দৰ অৰ্থ কি?

.................................................................................

**প্ৰশ্ন নং ২** ঃ ধ্বনি বা অক্ষৰ হ'ল উচ্চাৰণ কৰোঁতে প্ৰয়োজন হোৱা সময় — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.................................................................................

**প্ৰশ্ন নং ৩** ঃ অসমীয়া ভাষাত মাত্ৰা নিৰ্ণয় কৰা নিৰ্দিষ্ট ধৰা বন্ধা নিয়ম আছেনে?

.................................................................................

## ৫.৫ ছন্দবন্ধ

ছন্দবন্ধ (Metre) মানে ধ্বনি-সামঞ্জস্য ৰক্ষা কৰি ধ্বনি-বিন্যস্ত কৰাৰ বিশিষ্ট নীতি। সাধাৰণভাৱে ক'বলৈ হ'লে ছন্দবন্ধ মানে হ'ল ছন্দৰ অন্তৰ্ভুক্ত ধ্বনিসমূহৰ বান্ধোন সৃষ্টি কৰা ছন্দৰ গঢ়। ছন্দবন্ধ ছন্দৰ আকৃতি সম্পৰ্কীয় বিষয়। সেই বাবেই কোৱা হয় ছন্দবন্ধই ছন্দৰ কঁপনি সৃষ্টি কৰে। বাক্য মাধুৰ্যপূৰ্ণ কৰিবলৈ হ'লে ধ্বনি-সামঞ্জস্য থাকিব লাগে। ই হ'ল ৰচনাৰ এক বিশিষ্ট কৌশল বা প্ৰণালী।

সংগীতৰ ক্ষেত্ৰত তালৰ যি ধাৰণা, কবিতাৰ ক্ষেত্ৰত ছন্দবন্ধৰ ধাৰণা বহুদূৰ পৰ্যন্ত প্ৰায় একে। সংগীতৰ ক্ষেত্ৰত সময়ৰ খণ্ড ধৰি চলাৰ লগতে কিছুমান সমান বা অসমান অথচ নিৰূপিত ৰূপখণ্ডত বিভক্ত কৰা হয়। ইয়াকে তাল বোলা হয়। কবিতাৰ ক্ষেত্ৰত অনুৰূপ ছন্দস্পন্দৰ একোটা প্ৰদক্ষিণৰ নাম চৰণ। প্ৰধান পাৰ্থক্যটি হ'ল সংগীতৰ সমান খণ্ডবোৰৰ ভিতৰত শেষৰটো অসমান

হ'লে— কিছুমান ধ্বনি উচ্চাৰণৰ সমান কৰি লোৱা হয়; কিন্তু কবিতাত অৰ্থহীন ধ্বনি স্বীকাৰ কৰা নহয়। প্ৰয়োজন হ'লে শেষৰ ধ্বনিটো উচ্চাৰণ কৰোঁতে কণ্ঠস্বৰ সামান্য দীঘলীয়া কৰি বা নীৰৱতাৰ সৃষ্টি কৰি সেই অসমানতা দূৰ কৰা হয়।

ছন্দস্পন্দৰ কিছুমান উপকৰণ থকাৰ দৰে ছন্দবন্ধৰো কিছু উপাদান বিৰাজমান। সেইবোৰ হ'ল —

- যতি আৰু ছেদ
- পৰ্ব আৰু পদ
- চৰণ আৰু স্তৱক

- **যতি আৰু ছেদ ঃ** আমি সাধাৰণতে কথা বতৰা পাতোতে উশাহ ল'বৰ বাবে নাইবা বাক্যৰ অৰ্থ প্ৰকাশৰ বাবে মাজে মাজে জিৰণি লওঁ বা বিৰামৰ প্ৰয়োজন হয়। এই বিৰামে ধ্বনি প্ৰবাহক সাময়িকভাৱে ব্যাঘাত জন্মাব, কিন্তু কবিতাৰ ক্ষেত্ৰত এই ধ্বনি প্ৰবাহ সুনিয়ন্ত্ৰিত। অৰ্থাৎ ক'ব পাৰি সুনিয়ন্ত্ৰিত ধ্বনি প্ৰবাহৰ সাময়িক বিৰতিকে যতি বোলা হয়। এই বিৰতি তিনি ধৰণে হয় বুলি নৰকান্ত বৰুৱাই মন্তব্য কৰিছে —

(ক) শ্বাস-প্ৰশ্বাস জনিত বিৰতি বা শ্বাসযতি,

(খ) অৰ্থ আৰু ভাবপ্ৰসূত বিৰতি বা ভাবযতি,

(গ) অনুভূতি পৰিচালিত কিন্তু নিৰ্দিষ্ট পৰ্যায়ক্ৰমে বিন্যস্ত বিৰতি বা ছন্দযতি।

উল্লেখযোগ্য যে নিশ্বাসৰ সমাপ্তিকে ছন্দৰ প্ৰয়োজনীয় বিৰতিৰ উপাদান স্বৰূপে গ্ৰহণ কৰা নহয়। কবিতাত ভাবযতি আৰু ছন্দযতিহে ঘাইকৈ পোৱা যায়। কিন্তু ভাবযতিৰ ক্ষেত্ৰত 'ছেদ' শব্দটোহে ব্যৱহাৰ কৰা হয়। অৰ্থাৎ ধ্বনিপ্ৰবাহে অৰ্থ আৰু ভাবপ্ৰসূতভাৱে বিৰতি ল'লে সেয়া ছেদ হ'ব আৰু অনুভূতি পৰিচালিত কৰা বা ছন্দৰ বিৰতিক ছন্দযতি বা যতি বোলা হয়।

উচ্চাৰণৰ দৈৰ্ঘ অনুসৰি যতি প্ৰধানত চাৰিটা ভাগত ভাগ কৰা হৈছে। যথা— পূৰ্ণযতি, অৰ্ধযতি, লঘুযতি আৰু উপযতি। যেনে—

এখুজি ঃ দুখুজি ঃ কৰি * ✗ আহি ঃ ছো হে। ভাইহঁত **।।

নেঠেলিবা। নেঠেলিবা * ✗ লোৱাঃ মোকো। কাষৰত **।।

এই কবিতাংশত 'এখুজি', 'দুখুজি', 'আহি', 'লোৱা' আদি শব্দৰ পাছত আছে উপযতি, ইয়াত চিহ্নিত কৰা হৈছে 'ঃ' চিহ্নৰে; ঠিক সেইদৰে 'কৰি', 'নেঠেলিবা' (দ্বিতীয়) শব্দৰ পাছত আছে অৰ্ধযতি, চিহ্নিত কৰা হৈছে '✗' চিহ্নৰে; 'আহিছো হে', 'নেঠেলিবা' (প্ৰথম), 'লোৱা মোক' শব্দৰ পাছত আছে লঘুযতি, চিহ্নিত কৰা হৈছে '।' চিহ্নৰে আৰু 'ভাইহঁত' তথা 'কাষৰত' শব্দৰ পাছত আছে পূৰ্ণযতি, চিহ্নিত কৰা হৈছে '।।' চিহ্নৰে।

ছেদৰো দুটা ভাগ আছে— অৰ্ধছেদ (*) আৰু পূৰ্ণছেদ (**)। বাক্যৰ প্ৰথমফালে অৰ্থদ্যোতনাৰ যি বিৰতি সিয়েই অৰ্ধছেদ আৰু যত বাক্যৰ অৰ্থ সম্পূৰ্ণ হয় সেয়াই পূৰ্ণছেদ। বহু সময়ত কবিতাৰ অৰ্ধছেদ আৰু অৰ্ধযতি একে ঠাইতে পৰে। ঠিক সেইদৰে পূৰ্ণছেদ আৰু

পূৰ্ণযতিও একে ঠাইতে পৰে। কিন্তু কেতিয়াবা অৰ্ধছেদ আৰু অৰ্ধযতি একেলগে নবহে, বিশেষকৈ অমিত্ৰাক্ষৰ ছন্দৰ ক্ষেত্ৰত। ওপৰৰ উদাহৰণটিত যত অৰ্দ্ধযতি বহিছে তাতে অৰ্দ্ধছেদ আৰু য'ত পূৰ্ণযতি বহিছে তাতে পূৰ্ণছেদ পৰিছে। বহু সময়ত ছেদ আৰু যতি একে যেন অনুভৱ হয় যদিও প্ৰকৃততে সেয়া নহয়। আগতেই কোৱা হৈছে যে অৰ্থ বা ভাৱ প্ৰসূত বিৰতিয়েই ছেদ আৰু অনুভূতিক পৰিচালিত কৰা এক নিৰ্দিষ্ট বিন্যাসৰ বিৰতিয়েই হ'ল যতি। মূলতঃ ক'ব পাৰি যতি হ'ল ছন্দ বিশ্লেষণৰ মূল অৱলম্বন আৰু ছেদ হ'ল সহায়ক।

- **পৰ্ব আৰু পদ ঃ** আমি ইতিমধ্যে যতি আৰু ছেদ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলোঁ। ইয়াৰ লঘুযতিৰে খণ্ডিত কৰা পদাশংকে পৰ্ব বোলা হয়। পৰ্ব কেইবাটাও ভাগত ভাগ কৰা হয়। উপযতি (ঃ) ৰে চিহ্নিত ধ্বনিপুঞ্জক 'অনুপৰ্ব' (পূৰ্বৰ উদাহৰণৰ 'এখুজি', 'দুখুজি', ইত্যাদি); সমান বিস্তৃতিৰ পৰ্ববোৰৰ ভিতৰত কোনোবাটোৰ বিস্তৃতি কম হ'লে সেই পৰ্বটোক 'অপূৰ্ণ পৰ্ব' বোলা হয়। আনহাতে সমান বিস্তৃতিৰ পৰ্ববোৰৰ কোনো কোনো পৰ্বৰ বিস্তৃতি বেছি হ'লে সেইবোৰক 'অতিপূৰ্ণ পৰ্ব' আৰু পৰ্ববোৰৰ বিস্তৃতি সমান হ'লে 'পূৰ্ণপৰ্ব' বোলে। আনহাতে কিছুমান পৰ্ব বিন্যাসত কেতিয়াবা পৰ্বগত যতি স্বীকাৰ কৰিবলৈ গ'লে কৃত্ৰিম উচ্চাৰণৰ সহায় ল'ব লগা হয়; কিন্তু এনে ক্ষেত্ৰত পৰ্বগত যতি উপেক্ষা কৰি দুটা পৰ্ব একেলগ কৰি এটা সম্পূৰ্ণ পদ হিচাপে গ্ৰহণ কৰা হয় আৰু ইয়াকে 'যুগ্মপৰ্ব' বোলে। উল্লেখযোগ্য যে মহেন্দ্ৰ বৰাই অসমীয়া কবিতাৰ ছন্দত 'অপূৰ্ণ পৰ্ব' আৰু 'অতিপূৰ্ণ পৰ্ব'ৰ ব্যৱহাৰ ব্যতিক্ৰমতকৈ নিয়ম বুলিয়েই ক'ব পাৰি বুলি মন্তব্য কৰিছে। তেওঁৰ মতে অপূৰ্ণ পৰ্বত পূৰ্ণপৰ্বৰ দৰে যতি পৰা মাত্ৰাটি মৌনতাৰে পূৰাই লোৱা হয়। অপূৰ্ণ পৰ্বৰ পাছত পৰা পূৰ্ণযতিৰ মৌনতাই তাক সামৰি লয়। তেওঁ আকৌ মন্তব্য কৰিছে যে অসমীয়া কবিতাৰ ছন্দত পৰ্বৰ স্থান অদ্বিতীয় আৰু তাৎপৰ্যপূৰ্ণ।

  ঠিক সেইদৰে অৰ্ধযতিৰ দ্বাৰা নিৰূপিত ধ্বনিৰ সমষ্টিটোকেই 'পদ' বোলা হয়। আগতে দি অহা উদাহৰণটিত 'এখুজি-দুখুজি কৰি'ৰ পাছত অৰ্ধযতি পৰিছে। অৰ্থাৎ এই ধ্বনি সমষ্টিয়েই হ'ল পদ। ছন্দৰ আটাইবোৰ পদ সম মাত্ৰা বা সম অক্ষৰ বিশিষ্ট হ'লে তাক 'সমবৃত্ত পদ' বোলা হয়। ঠিক সেইদৰে এটা ছন্দৰ যদি পদৰ মাত্ৰা বা অক্ষৰ অসমান কিন্তু প্ৰতিটো চৰণৰ মিল থাকে। তেনে পদক 'অসমবৃত্ত' আৰু আটাইকেইটা পৰ্ব অসমান হ'লে তাক 'বিষমবৃত্ত পদ' বোলা হয়। এক কথাত ক'ব পাৰি পদ পৰ্বৰেই যুগ্মৰূপ। এটা পদত কেইবাটাও পৰ্ব থাকিব পাৰে। সাধাৰণতে পদৰ বিভাগত অৰ্থক উপেক্ষা কৰা নহয় যদিও পুৰণি অসমীয়া কবিতাত অৰ্থক উপেক্ষা কৰিও পদৰ বিভাগ কৰা হৈছিল আৰু অসমীয়াছ কবিতাৰ ছন্দৰীতিত পৰ্বতকৈ পদৰ ভূমিকাহে বেছি তাৎপৰ্যপূৰ্ণ। সেই বাবে বহু সময়ত পৰ্ব আৰু পদৰ পাৰ্থক্যও লোপ হৈ গৈছে।

- **চৰণ আৰু স্তৱক ঃ** পূৰ্ণযতিয়ে সমাপ্ত ঘটোৱা ছন্দৰ ভাগটিৰ নামেই 'চৰণ'। অৰ্থাৎ চৰণো হ'ল কেইবাটাও পৰ্বৰ সমষ্টি। কিন্তু পদৰ সৈতে ইয়াৰ পাৰ্থক্য হ'ল— কেইবাটাও পদ লগ লাগি এটা চৰণ গঠন কৰে আৰু বহু সময়ত পদসমূহৰ বিভাগ সম দৈৰ্ঘ্যৰ নহ'বও পাৰে। এই

পদসমূহৰ দৈৰ্ঘ্যৰ পাৰ্থক্যৰেই ছন্দসজ্জাটোক যথাক্ৰমে একাৱলী, দ্বিপদী, ত্ৰিপদী আৰু চৌপদী বোলা হয়। বহু সময়ত শাৰী আৰু চৰণক একে বুলিও ভুল কৰা হয়। শাৰী এটা চৰণৰ অসম্পূৰ্ণ অংগ বিশেষো হ'ব পাৰে, কাৰণ চৰণসমূহ এশৰীয়া বা কেইবাশৰীয়াও হ'ব পাৰে। যেনে— পয়াৰ, দুটা পদ বিশিষ্ট এশৰীয়া আৰু দুলড়ী, লেচাৰী আদি চাৰিটা পদ বিশিষ্ট দুশৰীয়া চৰণৰ ছন্দ। আগৰ উদাহৰণটি দুটা পদেৰে এশৰীয়া চৰণ বিশিষ্ট।

আনহাতে 'স্তৱক' হ'ল চৰণৰ সমষ্টি। সাধাৰণতে দুটা চৰণেৰে এটা স্তৱক সমাপ্ত কৰা হয়। মূল কথাটি হ'ল একোটা স্তৱক অৰ্থ আৰু ভাবত স্বয়ংসম্পূৰ্ণ হ'ব লাগে। তদুপৰি চৰণবোৰৰ দৈৰ্ঘ্য সমান হোৱা বাঞ্ছনীয়। সংস্কৃত তথা পুৰণি অসমীয়াত দুটা চৰণৰ চাৰিটা পদবিশিষ্ট ছন্দৰে ৰচিত গদ্যই বেছি আছিল। সেইবাবে সংস্কৃত আলংকাৰিকসকলে 'শ্লোক চতুষ্টয়ং' আদি সূত্ৰবোৰত কথা কৈছিল। একোটা চৰণ সামগ্ৰিকভাৱে সম্পূৰ্ণ যদিও সি ছন্দবিন্যাস সম্পূৰ্ণ কৰিব নোৱাৰে। কেইবাটাও চৰণৰ সংযুক্তিৰেহে ছন্দোময়তাৰ সৃষ্টি সম্পূৰ্ণ হয়। এই একাধিক চৰণৰ সুসংবদ্ধবিন্যাসকে 'স্তৱক' বুলি অভিহিত কৰা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** ছন্দবন্ধ ছন্দৰ এক প্ৰয়োজনীয় অংগ নহয় — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.................................................................................

**প্ৰশ্ন নং ৫ ঃ** পৰ্ব আৰু চৰণৰ মাজত কি পাৰ্থক্য আছে।

.................................................................................



**চিন্তা-চৰ্চা কৰক — ৫.১**

'অধিক জানিবলৈ'ত থকা পুথিসমূহৰ সহায়েৰে ছন্দৰ উপাদানসমূহৰ বিষয়ে উদাহৰণসহ বহলাই লিখিবলৈ যত্ন কৰক।




## ৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ছন্দ শব্দই সাধাৰণভাৱে ভাষাৰ সৌষম্য বা স্বাচ্ছন্দ্যময় গতিশীল অৱস্থাক বুজায়। ছন্দৰ সংজ্ঞা বিভিন্ন ছান্দসিকে বিভিন্ন ধৰণে নিৰূপণ কৰিছে। কেইটিমান উল্লেখযোগ্য মতবাদ হ'ল —

- ➢ চন্দতি হৃষ্যতি এন দীপ্যতে যা তচ্ছন্দঃ — *পাণিনি*
- ➢ পাদবদ্ধোহক্ষৰ সমস্তন্ত্ৰীলয় সমন্বিতঃ।
  শোকাৰ্তস্য প্ৰবৃত্তো মে শ্লোকো ভবতু নান্যথা।। — *বাল্মীকি*
- ➢ কবিতাত অলংকাৰপূৰ্ণ আৰু চিত্ৰৰূপময় শব্দচয়নতকৈ ছন্দৰ প্ৰয়োজনীয়তা অধিক — *হেগেল*

- ছন্দৰ প্ৰধান উপাদান দুটি। যথা — ছন্দবন্ধ আৰু ছন্দস্পন্দ। কবিতাত ৰুচিসন্মতভাৱে কৰা ধ্বনি সমাবেশৰ প্ৰবাহটোকেই ছন্দস্পন্দ (syllable) বোলা হয়। ছন্দস্পন্দৰ উপকৰণ কেইটা হ'ল— ধ্বনি বা অক্ষৰ, মাত্ৰা আৰু প্ৰস্বন। আমাৰ বাগ্‌যন্ত্ৰৰ এটা প্ৰয়াসত উচ্চাৰিত ধ্বনি সমষ্টিকেই ধ্বনি বা অক্ষৰ বুলি কোৱা হয়। অসমীয়া ভাষাত ধ্বনি দুই ধৰণে উচ্চাৰিত হয়— মুক্তধ্বনি আৰু ৰুদ্ধধ্বনি। এটা ধ্বনি উচ্চাৰণ কৰোঁতে প্ৰয়োজন হোৱা ন্যূনতম সময়খিনিকে মাত্ৰা (Measure) বা কলা (Mora) বুলি কোৱা হয়। আনহাতে কোনো কোনো শব্দ উচ্চাৰণ কৰোঁতে শব্দটিৰ এটা অক্ষৰত কিছু জোৰ দি উচ্চাৰণ কৰিবলগীয়া হয়। এনেদৰে এটা অক্ষৰত জোৰ দি উচ্চাৰণ নকৰিলে গোটেই শব্দটো উচ্চাৰণ কৰা সম্ভৱ নহয়। শব্দ উচ্চাৰণ কৰোঁতে ধ্বনি বিশেষৰ ওপৰত এনেদৰে জোৰ দি কৰা উচ্চাৰণকে প্ৰস্বন বোলা হয়।
- ছন্দবন্ধ মানে হ'ল ছন্দৰ অন্তৰ্ভুক্ত ধ্বনিসমূহৰ বান্ধোন সৃষ্টি কৰা ছন্দৰ গঢ়। ইয়াৰ উপাদানবোৰ হ'ল— যতি আৰু ছেদ, পৰ্ব আৰু পদ তথা চৰণ আৰু স্তৱক। সুনিয়ন্ত্ৰিত ধ্বনি প্ৰবাহৰ সাময়িক বিৰতিকে যতি বোলা হয়। দৈৰ্ঘ্য অনুসৰি যতি প্ৰধানতঃ চাৰিটা ভাগত ভাগ কৰা হৈছে । যথা — পূৰ্ণযতি, অৰ্ধযতি, লঘুযতি আৰু উপযতি। ধ্বনি প্ৰবাহ অৰ্থ আৰু ভাবপ্ৰসূতভাৱে বিৰতি ল'লে সেয়া ছেদ হ'ব। ছেদৰো দুটা ভাগ আছে — অৰ্ধছেদ আৰু পূৰ্ণছেদ । লঘুযতিৰে খণ্ডিত কৰা পদাশংকে পৰ্ব বোলা হয়। পৰ্ব কেইবাটাও ভাগত ভাগ কৰা হয়। অৰ্ধযতিৰ দ্বাৰা নিৰূপিত ধ্বনিৰ সমষ্টিটোকেই 'পদ' বোলা হয়। পূৰ্ণযতিয়ে সমাপ্ত ঘটোৱা ছন্দৰ ভাগটিৰ নামেই 'চৰণ'। একাধিক চৰণৰ সুসংবদ্ধবিন্যাসকে 'স্তৱক' বুলি অভিহিত কৰা হয়।



## ৫.৭ অধিক জানিবলৈ

১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।
২) ডেকা, ধৰ্ম্মসিংহ (২০০৬); *ছন্দ আৰু অলংকাৰ;* গুৱাহাটী ঃ অসম বুক ডিপো।
৩) বৰা, মহেন্দ্ৰ (১৯৯৭); *অসমীয়া ছন্দৰ শিল্পতত্ত্ব;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।
৪) বৰা, মহেন্দ্ৰ (১৯৯০); *অসমীয়া কবিতাৰ ছন্দ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৫) বৰা, যতীন (১৯৯৯); *ছন্দ, ধ্বনি আৰু অলংকাৰ;* ডিব্ৰুগড় ঃ বনলতা।


৬) বৰুৱা, নৰকান্ত (১৯৬৪); *অসমীয়া ছন্দ শিল্পৰ ভূমিকা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৭) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৮) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৯) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) শৰ্মা, সোণাপতি দেৱ (২০০৮); *অসমীয়া সাহিত্যৰ সাজ;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।



## ৫.৮ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** ছন্দ শব্দই সাধাৰণভাৱে ভাষাৰ সৌষম্য বা স্বাচ্ছন্দময় গতিশীল অৱস্থাক বুজায়।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** নাই।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** লঘুযতিৰে খণ্ডিত কৰা পদাশংকে পৰ্ব বোলা হয়। আৰু পূৰ্ণযতিয়ে সমাপ্ত ঘটোৱা ছন্দৰ ভাগটিৰ নামেই 'চৰণ'।



## ৫.৯ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) পাণিনিয়ে ছন্দ সম্পৰ্কে আগবঢ়োৱা সংজ্ঞাটো লিখক।

(খ) অক্ষৰ মানে কি?

(গ) ছন্দৰ অধ্যয়নত ধ্বনিৰ গুৰুত্ব কি?

(ঘ) প্ৰস্বন মানে কি বুজে?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ছন্দত ছন্দবন্ধৰ স্থান নিৰূপণ কৰক।

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক —

(ক) মাত্ৰা

(খ) পদ আৰু পৰ্ব

(গ) চৰণ আৰু স্তৱক

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ছন্দস্পন্দৰ কাম কি? বহলাই লিখক।

**প্ৰশ্ন ২ ঃ** ছন্দৰ সংজ্ঞা নিৰূপণ কৰি তাৰ উপাদানসমূহৰ বিষয়ে বহলাই লিখক।

**প্ৰশ্ন ৩ ঃ** কাব্যত ছন্দবন্ধৰ গুৰুত্ব সম্পৰ্কে বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৬ ঃ কেইটিমান নিৰ্বাচিত অসমীয়া ছন্দ

## অধ্যায় গাঁথনি


৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ কেইটিমান নিৰ্বাচিত ছন্দ
 ৬.৩.১ পদ বা পয়াৰ
 ৬.৩.২ দুলড়ী
 ৬.৩.৩ ছবি
 ৬.৩.৪ লেচাৰী
 ৬.৩.৫ একাৱলী
 ৬.৩.৬ ঝুমুৰী
 ৬.৩.৭ কুসুমমালা
৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৫ অধিক জানিবলৈ
৬.৬ অগ্ৰগতিৰ খতিয়ান
৬.৭ আৰ্হি প্ৰশ্ন


## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পুৰণি অসমীয়া কবিতাত ব্যৱহৃত কেইটামান ছন্দ সম্পৰ্কে অৱগত হ'ব
- মূলতঃ পদ বা পয়াৰ, ছবি, দুলড়ী লেচাৰী, কুসুমমালা, একাৱলী আৰু ঝুমুৰী ছন্দৰ গঠন, ৰূপ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব।

## ৬.২ পৰিচয়

ইয়াৰ পূৰ্বৰ অধ্যায়টিত আপুনি ছন্দ মানে কি, ছন্দৰ সংজ্ঞা, ছন্দৰ উপকৰণ সম্পৰ্কে বিস্তৃতভাৱে অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি পুৰণি অসমীয়া কবিতাত ব্যৱহৃত কেইটামান উল্লেখযোগ্য ছন্দ সম্পৰ্কে অধ্যয়ন কৰিবলৈ পাব।

ইতিমধ্যে আপুনি পূৰ্বৰ অধ্যায়টিতে অধ্যয়ন কৰি আহিছে যে কবিয়ে ধ্বনি আৰু অৰ্থৰ সমষ্টিৰে নিজৰ অনুভৱ ব্যক্ত কৰোঁতে ধ্বনিৰ সুৰ আৰু তালৰ ৰসময় সহ-অৱস্থানতে ছন্দৰ সৃষ্টি হয়। অতীজতে অসমীয়া কবিকুলেও এই কথাকেই সৰোগত কৰি বিবিধ ছন্দৰ সৃষ্টি কৰি

তেওঁলোকৰ কাব্যসমূহ ৰচনা কৰিছিল। সেই ছন্দসমূহৰ গঠন আৰু ৰূপ ভিন্ন ভিন্ন। তেনে কেইটিমান উল্লেখযোগ্য ছন্দ হ'ল — পদ বা পয়াৰ, ছবি, দুলড়ী লেচাৰী, কুসুমমালা, একাৱলী আৰু ঝুমুৰী। এই অধ্যায়টোত উল্লিখিত ছন্দসমূহৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব। অধ্যায়টো অধ্যয়ন কৰি আপুনি এই ছন্দ কেইটাৰ গঠনৰীতি সম্পৰ্কে অৱগত হ'ব।

## ৬.৩ কেইটিমান নিৰ্বাচিত ছন্দ

ইতিমধ্যে আমি ছন্দ মানে কি আৰু ইয়াৰ মূল উপাদানসমূহ তথা ছন্দ নিৰূপণৰ মাপকাঠিসমূহৰ বিষয়ে পূৰ্বৱৰ্তী অধ্যয়তে অধ্যয়ন কৰিলোঁ। এতিয়া আমি আমাৰ পাঠ্য বিষয়ৰ অন্তৰ্ভুক্ত কেইটিমান নিৰ্বাচিত পুৰণি অসমীয়া ছন্দৰ বিষয়ে সেই মাপকাঠিসমূহৰ আলমতে আলোচনাত প্ৰবৃত্ত হম।

### ৬.৩.১ পদ বা পয়াৰ

'পদ' হ'ল পুৰণি অসমীয়া এক ছন্দ বিশেষ। সংস্কৃত ভাষাত যিকোনো ছন্দৰে কবিতা মাতিলে যেনেকৈ শ্লোক মাতিছে বুলি মন্তব্য কৰা হয় ঠিক তেনেদৰে অসমীয়াতো সংস্কৃতৰ আৰ্হিত ৰচনা কৰা ছন্দোবদ্ধ ৰচনাক বুজাবলৈ মূলত 'পদ' শব্দটো ব্যৱহাৰ কৰা হৈছিল। কিন্তু অসমীয়াৰ এক বিশেষ ছন্দসজ্জাকো প্ৰথমতে 'পদ' নামেৰে নামকৰণ কৰা হৈছিল যদিও পাছলৈ ইয়াক 'পয়াৰ' বুলি নতুনকৈ নামকৰণ কৰা হয়। এই ছন্দৰ মাত্ৰা সংখ্যা হ'ল — ২৮। মুঠ চাৰিটা পৰ্বৰে দুটা চৰণ গঠিত হয়। প্ৰতিটো চৰণৰ অক্ষৰ সংখ্যা ১৪, ইয়াৰে প্ৰথম পৰ্বত ৮ আৰু দ্বিতীয় পৰ্বত ৬ টা অক্ষৰ থাকে। প্ৰতিটো চৰণৰ প্ৰথম পৰ্বৰ পাছত অৰ্দ্ধযতি আৰু দ্বিতীয় পৰ্বৰ পাছত পূৰ্ণযতি পৰে। যথা—

। । । । । । । । । । । । । ।
প্ৰথমে প্ৰণামো ব্ৰহ্ম * ✗ ৰূপী সনাতন **।।
। । । । । । । । । । । । । ।
সৰ্ব অৱতাৰৰ কা * ✗ ৰণ নাৰায়ণ **।।

অৰ্থাৎ ইয়াৰ মাত্ৰা সংখ্যা হ'ল — ৮+৬ =১৪ আৰু ৮+৬=১৪, সৰ্বমুঠ — ২৮। শব্দৰ ওপৰত দিয়া (।) চিহ্নটোৰে মাত্ৰা নিৰ্দেশ কৰা হয়।

### ৬.৩.২ দুলড়ী

পদৰ পাছতে থকা বা ব্যৱহৃত হোৱা আনটি প্ৰধান পুৰণি অসমীয়া ছন্দ হ'ল দুলড়ী। দুলড়ী ছন্দৰ মুঠ অক্ষৰ সংখ্যা— ৪০ টা। মুঠ দুটা চৰণত বিভক্ত আৰু পদ সংখ্যা ৬টা। প্ৰতিটো চৰণৰ তিনিটাকৈ পদ থাকে। প্ৰতিটো পদৰ পাছতে অৰ্দ্ধযতি

পৰে, অক্ষৰ সংখ্যা সমান নহয়। প্ৰতিটো চৰণৰ প্ৰথম দুয়োটা পদত ৬টা আৰু তৃতীয় পদটিত ৮টা অক্ষৰ থাকে। ইয়াক চাৰিটা শাৰীৰে স্তৱক কৰা হয়। যথা—

| |  | | | |  | |  | | | |
পাচে ত্ৰিনয়ন *ꭗ দিব্য উপবন*ꭗ
| | | |  | | | |
দেখিলন্ত বিদ্যমান **।।
| |  | |  | |  | |  | |  | |
ফল ফুল ধৰি*ꭗ জক মক কৰি *ꭗ
| |  | |  | | | |
আছে যত বৃক্ষমান **।।

অৰ্থাৎ ইয়াৰ ছন্দসজ্জা হ'ল—

৬ ৬
৮
৬ ৬
৮

প্ৰণিধানযোগ্য যে বিহুগীত, বিয়ানাম, আইনাম আদিত মূলতঃ এই ছন্দসজ্জাই ব্যৱহৃত হৈছে। ইয়াৰ একোটা চৰণত তিনিটা পদ থাকে বাবে ই এবিধ ত্ৰিপদী ছন্দ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** পদ ছন্দৰ মাত্ৰা সংখ্যা কিমান?

..........................................................................

**প্ৰশ্ন নং ২ ঃ** দুলড়ী ছন্দৰ মুঠ অক্ষৰৰ সংখ্যা কিমান?

..........................................................................

## ৬.৩.৩ ছবি

ছবি ছন্দক দীৰ্ঘ দুলড়ী বুলিও ক'ব পাৰি। ইয়াতো দুটা চৰণ, ৬টা পদ আছে। দুটা চৰণত বিভক্ত এই ছন্দৰ প্ৰতিটো চৰণতে তিনিটাকৈ পদ থাকে। দুলড়ী আৰু ইয়াৰ প্ৰধান পাৰ্থক্যটি হ'ল ইয়াৰ অক্ষৰৰ সংখ্যাত। ইয়াত মুঠ অক্ষৰ সংখ্যা হ'ল— ৫২টা। প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম পদত ৮টা অক্ষৰ থাকে আৰু অৰ্দ্ধযতি পৰে। তৃতীয় আৰু ষষ্ঠ পদত ১০টাকৈ অক্ষৰ থাকে আৰু ৮টা অক্ষৰৰ পাছত লঘুযতি পৰে। ২৬টা অক্ষৰৰ পাছত পূৰ্ণযতি পৰে। যেনে—

| | | | | | | | |৮  | | | | | | | | |৮
মহা জল বেগে যেন*ꭗ এক থান হোৱে ফেন *ꭗ

। । । । । । । । । । ১০

খানি তেক থাকি মিল*। বাই **।।

। । । । । । । । ৮ । । । । । । । ।৮

বান্ধ বৰ সমা গম *৪ জানি বাহা সেহি সম *৪

। । । । । । । । । । ।১০

অসাৰ সংসাৰ সমু*। দায়**।।

এই ছন্দসজ্জাটি এবিধ ত্ৰিপদী ছন্দ বিশেষ আৰু আজিকালিও এই ছন্দৰ প্ৰচলন বহুল।

## ৬.৩.৪ লেচাৰী

লেচাৰী ছন্দটিও ৬টা পদযুক্ত, দুটা চৰণ বিশিষ্ট ছন্দ। প্ৰতিটো চৰণত তিনিটাকৈ পদ থাকে আৰু প্ৰতিটো চৰণৰ মুঠ অক্ষৰ সংখ্যা ৩৪টা। প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম পদত ১০টাকৈ অক্ষৰ থাকে, ইয়াৰে প্ৰথম ৬টাৰ পাছত লঘুযতি পৰে আৰু ১০টা পাছত অৰ্দ্ধযতি পৰে। দ্বিতীয় আৰু ষষ্ঠ পদত ১৪টা অক্ষৰ থাকে, ইয়াৰে ৬টা অক্ষৰৰ পাছত লঘুযতি আৰু শেষত পূৰ্ণযতি পৰে। যথা—

৬ ৪ ৬ ৪

কৃষ্ণ একদেৱ। দুঃখহাৰী ৪ কালমায়াদিৰো। অধিকাৰী ৪

৬ ৮

কৃষ্ণবিনে শ্ৰেষ্ঠ । দেৱ নাহি নাহি আৰ ।।

৬ ৪ ৬ ৪

সৃষ্টি স্থিতি অন্ত । কাৰী দেৱ ৪ তান্ত বিনে আন । নাহি কেৱ ৪

৬ ৮

জানিবা বিষ্ণুযে । সমস্ত জগতে সাৰ ।।

উল্লেখযোগ্য যে লেচাৰী হ'ল পুৰণি অসমীয়া ছন্দৰ আটাইতকৈ দীঘল আৰু লেহেতীয়া ছন্দ। শংকৰদেৱ আৰু তেওঁৰ পূৰ্বৰ কবিসকলৰ ৰচনাত এই ছন্দসজা দেখিবলৈ পোৱা নাযায়। মাধৱদেৱৰ 'নামঘোষা' তথা তাৰ পৰৱৰ্তী ৰচনাৰাজিতহে এই ছন্দসজ্জাই ঠাই পাইছে। ইয়ো এবিধ ত্ৰিপদী ছন্দ বিশেষ।

## ৬.৩.৫ একাৱলী

একাৱলী হ'ল এবিধ দ্বিপদী ছন্দ বিশেষ। একোটা চৰণত মুঠ ১১টা অক্ষৰ থাকে আৰু এটা শাৰীত লিখা হয়। ইয়াৰ এটা স্তৱক সম্পূৰ্ণ হয় চাৰিটা চৰণত। অৰ্থাৎ মুঠ অক্ষৰ সংখ্যা ৪৪টা। প্ৰতিটো চৰণত দুটাকৈ পৰ্ব থাকে, প্ৰথম পৰ্বটো ৬টা অক্ষৰেৰে আৰু দ্বিতীয় পৰ্বটো ৫টা অক্ষৰেৰে গঠিত। যেনে—

৬ ৫ = ১১

আছে ৰাজহংস ৯ সমূহে ৰঞ্জি ।।

৬ ৫ = ১১

নীলায়ে মৃণাল ৯ ভুঞ্জে অভঞ্জি।।

৬ ৫ = ১১

পাৰে পাৰিজাত ৯ মলয়া বাৰে।।

৬ ৫ = ১১

চাটকে তেজেসু ৯ ললিত ৰাৱ।।

= ৪৪

বৈষ্ণৱ কাব্যসমূহত এই ছন্দসজ্জাটি বহুলভাৱে ব্যৱহৃত হৈছিল। উল্লেখযোগ্য যে ইয়াক ঝুনা ছন্দ বুলিও অভিহিত কৰা হয়।

### ৬.৩.৬ ঝুমুৰী

ঝুমুৰী ছন্দও মূলতঃ এবিধ দ্বিপদী ছন্দ বিশেষ। ইয়াত চৰণৰ সংখ্যা দুটা। প্ৰতিটো চৰণত আঠটাকৈ অক্ষৰ থাকে আৰু দুটাকৈ পৰ্ব থাকে। প্ৰতিটো পৰ্বৰে মাত্ৰা সংখ্যা চাৰি। ই এবিধ সমবৃত্ত পদ যুক্ত ছন্দ। প্ৰতিটো চৰণৰ চাৰিটা অক্ষৰৰ পাছত অৰ্দ্ধযতি আৰু আঠটা অক্ষৰৰ পাছত পূৰ্ণযতি পৰে। যথা—

৪ ৪ = ৮

পাচে বলি ৯ সূত বান।।

৪ ৪ = ৮

দিলা হেন ৯ সমিধান।।

= ১৬

হাতীৰ গতিৰ লগত এই ছন্দৰ মিল থকা বাবে বহুতে ইয়াক গজগতি ছন্দও বোলে। ইয়াত মুঠ অক্ষৰৰ সংখ্যা ১৬টা।

### ৬.৩.৭ কুসুমমালা

শংকৰদেৱে আৱিষ্কাৰ কৰা এটা অভিনৱ ছন্দসজ্জা হ'ল কুসুমমালা ছন্দ। হাতী মাৰি ভুৰুকাত ভৰাবলৈ গৈ তেওঁ এই অসামান্য ছন্দসজ্জাটি আৰম্ভ কৰে। দ্বিপাৰ্বিক ষড়মাত্ৰাৰ ৰূপেৰে এই ছন্দসজ্জাটি গঠিত। প্ৰতিটো পৰ্বতে ৬টাকৈ অক্ষৰ থাকে আৰু পৰ্ববোৰৰ শেষৰ বৰ্ণ একে। সাধাৰণতে পদান্তিক ধ্বনিবোৰ একে হোৱা বাবে ই এধাৰি ফুলৰ মালাৰ দৰে হৈ পৰাৰ লগতে ধ্বনি উচ্চাৰণ খৰতকীয়া হৈ পৰে, সেয়ে ইয়াক কুসুমমালা ছন্দ বোলা হয়। ইয়াৰ ফলত ছন্দৰ বান্ধোনটো সোলোক-ঢোলোক হৈ নপৰি

এক অপূৰ্ব গীতিময়তাৰে পাঠক শ্ৰোতাক আহ্লাদিত কৰে। যেনে—

নমো নাৰায়ণ ℵ ৬
সংসাৰ কাৰণ ℵ ৬
ভকত তাৰণ ℵ ৬
তোমাৰ চৰণ।। ৬
= ২৪

অৰ্থাৎ এই বিধ ছন্দত মুঠ অক্ষৰৰ সংখ্যা ২৪টা।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** লেচাৰী হ'ল পুৰণি অসমীয়া ছন্দৰ আটাইতকৈ দীঘল আৰু লেহেতীয়া ছন্দ — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

............................................................................

**প্ৰশ্ন নং ৪ ঃ** কুসুমমালা ছন্দৰ প্ৰৱৰ্তক মাধৱদেৱ — কথাষাৰ শুদ্ধ নে অশুদ্ধ।


............................................................................



## ৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পুৰণি অসমীয়া কবিতাৰ কেইটিমান উল্লেখযোগ্য ছন্দ হ'ল — পদ বা পয়াৰ, ছবি, দুলড়ী, লেচাৰী, কুসুমমালা, একাৱলী আৰু ঝুমুৰী।
- অসমীয়াৰ এক বিশেষ ছন্দসজ্জাকো প্ৰথমতে 'পদ' নামেৰে নামকৰণ কৰা হৈছিল যদিও পাছলৈ ইয়াক 'পয়াৰ' বুলি নতুনকৈ নামকৰণ কৰা হয়। এই ছন্দৰ মাত্ৰা সংখ্যা হ'ল — ২৮। মুঠ চাৰিটা পৰ্বৰে দুটা চৰণ গঠিত হয়। প্ৰতিটো চৰণৰ অক্ষৰ সংখ্যা ১৪, ইয়াৰে প্ৰথম পৰ্বত ৮ আৰু দ্বিতীয় পৰ্বত ৬ টা অক্ষৰ থাকে।
- এটি প্ৰধান পুৰণি অসমীয়া ত্ৰিপদী ছন্দ হ'ল দুলড়ী। দুলড়ী ছন্দৰ মুঠ অক্ষৰ সংখ্যা— ৪০ টা। মুঠ দুটা চৰণ, চাৰিটা স্তৱকত বিভক্ত আৰু পদ সংখ্যা ৬টা। প্ৰতিটো চৰণৰ তিনিটাকৈ পদ থাকে। প্ৰতিটো পদৰ পাছতে অৰ্দ্ধযতি পৰে, অক্ষৰ সংখ্যা সমান নহয়। প্ৰণিধানযোগ্য যে বিহুগীত, বিয়ানাম, আইনাম আদিত মূলতঃ এই ছন্দসজ্জাই ব্যৱহৃত হৈছে।
- পুৰণি অসমীয়া ছন্দ ছবিক দীৰ্ঘ দুলড়ী বুলিও ক'ব পাৰি। ইয়াতো দুটা চৰণ, ৬টা পদ আছে। দুটা চৰণত বিভক্ত এই ছন্দৰ প্ৰতিটো চৰণতে তিনিটাকৈ পদ থাকে। দুলড়ী আৰু ইয়াৰ প্ৰধান পাৰ্থক্যটি হ'ল ইয়াৰ অক্ষৰৰ সংখ্যাত। ইয়াত মুঠ অক্ষৰ সংখ্যা হ'ল— ৫২টা।

- লেচাৰী হ'ল পুৰণি অসমীয়া ছন্দৰ আটাইতকৈ দীঘল আৰু লেহেতীয়া ছন্দ। শংকৰদেৱ আৰু তেওঁৰ পূৰ্বৰ কবিসকলৰ ৰচনাত এই ছন্দসজা দেখিবলৈ পোৱা নাযায়। মাধৱদেৱৰ *নামঘোষা* তথা তাৰ পৰৱৰ্তী ৰচনাৰাজিতহে এই ছন্দসজ্জাই ঠাই পাইছে। লেচাৰী ছন্দটিও ৬ টা পদযুক্ত, দুটা চৰণ বিশিষ্ট ছন্দ। প্ৰতিটো চৰণত তিনিটাকৈ পদ থাকে আৰু প্ৰতিটো চৰণৰ মুঠ অক্ষৰ সংখ্যা ৩৪টা। প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম পদত ১০টাকৈ অক্ষৰ থাকে, ইয়াৰে প্ৰথম ৬টাৰ পাছত লঘুযতি পৰে আৰু ১০টা পাছত অৰ্দ্ধযতি পৰে। দ্বিতীয় আৰু ষষ্ঠ পদত ১৪টা অক্ষৰ থাকে, ইয়াৰে ৬টা অক্ষৰৰ পাছত লঘুযতি আৰু শেষত পূৰ্ণযতি পৰে।
- একাৱলী হ'ল এবিধ দ্বিপদী ছন্দ বিশেষ। বৈষ্ণৱ কাব্যসমূহত এই ছন্দসজ্জাটি বহুলভাৱে ব্যৱহৃত হৈছিল। উল্লেখযোগ্য যে ইয়াক ঝুনা ছন্দ বুলিও অভিহিত কৰা হয়। একোটা চৰণত মুঠ ১১টা অক্ষৰ থাকে আৰু এটা শাৰীত লিখা হয়। ইয়াৰ এটা স্তৱক সম্পূৰ্ণ হয় চাৰিটা চৰণত। অৰ্থাৎ মুঠ অক্ষৰ সংখ্যা ৪৪ টা।
- ঝুমুৰী ছন্দও মূলতঃ এবিধ দ্বিপদী ছন্দ বিশেষ। ইয়াত চৰণৰ সংখ্যা দুটা। প্ৰতিটো চৰণত আঠটাকৈ অক্ষৰ থাকে আৰু দুটাকৈ পৰ্ব থাকে। প্ৰতিটো পৰ্বৰে মাত্ৰা সংখ্যা চাৰি। ই এবিধ সমবৃত্ত পদ যুক্ত ছন্দ। হাতীৰ গতিৰ লগত এই ছন্দৰ মিল থকা বাবে বহুতে ইয়াক গজগতি ছন্দও বোলে। ইয়াত মুঠ অক্ষৰৰ সংখ্যা ১৬টা।
- শংকৰদেৱে আৱিষ্কাৰ কৰা এটা অভিনৱ ছন্দসজ্জা হ'ল কুসুমমালা ছন্দ। দ্বিপাৰ্বিক ষড়মাত্ৰাৰ ৰূপেৰে এই ছন্দসজ্জাটি গঠিত। প্ৰতিটো পৰ্বতে ৬টাকৈ অক্ষৰ থাকে আৰু পৰ্ববোৰৰ শেষৰ বৰ্ণ একে। সাধাৰণতে পদান্তিক ধ্বনিবোৰ একে হোৱা বাবে ই এধাৰি ফুলৰ মালাৰ দৰে হৈ পৰাৰ লগতে ধ্বনি উচ্চাৰণ খৰতকীয়া হৈ পৰে, সেয়ে ইয়াক কুসুমমালা ছন্দ বোলা হয়।



## ৬.৫ অধিক জানিবলৈ


১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।

২) ডেকা, ধৰ্ম্মসিংহ (২০০৬); *ছন্দ আৰু অলংকাৰ;* গুৱাহাটী ঃ অসম বুক ডিপো।

৩) বৰা, মহেন্দ্ৰ (১৯৯৭); *অসমীয়া ছন্দৰ শিল্পতত্ত্ব;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ্।

৪) বৰা, মহেন্দ্ৰ (১৯৯০); *অসমীয়া কবিতাৰ ছন্দ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৫) বৰা, যতীন (১৯৯৯); *ছন্দ, ধ্বনি আৰু অলংকাৰ;* ডিব্ৰুগড় ঃ বনলতা।

৬) বৰুৱা, নৰকান্ত (১৯৬৪); *অসমীয়া ছন্দ শিল্পৰ ভূমিকা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ্।

৭) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৮) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৯) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) শৰ্মা, সোণাপতি দেৱ (২০০৮); *অসমীয়া সাহিত্যৰ সাজ;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

## ৬.৬ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** ২৮ টা।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ৪০ টা।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** শুদ্ধ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

## ৬.৭ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) পদ ছন্দত অৰ্দ্ধযতি আৰু পূৰ্ণযতি কত পৰে?

(খ) কোন ছন্দক গজগতি ছন্দও বোলে?

(গ) কুসুমমালা ছন্দৰ অক্ষৰৰ সংখ্যা কিমান?

(ঘ) ছবি ত্ৰিপদী ছন্দ বিশেষ হয়নে?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** চমুটোকা লিখক —

(ক) কুসুমমালা ছন্দ (খ) লেছাৰী (গ) ছবি

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** কেইটিমান পুৰণি অসমীয়া ছন্দ সম্পৰ্কে বহলাই আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** উদাহৰণসহ পদ, দুলড়ী আৰু একাৱলী ছন্দৰ এটি তুলনামূলক অধ্যয়ন যুগুত কৰক।

*** ***** ***

# অধ্যায় ৭ ঃ অলংকাৰ

## অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ অলংকাৰ শব্দৰ অৰ্থ
৭.৪ অলংকাৰৰ সংজ্ঞা
৭.৫ সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা
৭.৬ কাব্যত অলংকাৰৰ স্থান
৭.৭ অলংকাৰৰ শ্ৰেণীবিভাজন
৭.৭.১ শব্দালংকাৰ
৭.৭.২ অৰ্থালংকাৰ
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্ৰগতিৰ খতিয়ান
৭.১১ আৰ্হি প্ৰশ্ন

## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অলংকাৰ শব্দৰ অৰ্থ নিৰূপণ কৰিব পাৰিব
- অলংকাৰৰ সংজ্ঞা আগবঢ়াব পাৰিব
- বিভিন্ন আলংকাৰিকে অলংকাৰ সম্পৰ্কে আগবঢ়োৱা মতামতসমূহৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰিব
- সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা নিৰ্দ্ধাৰণ কৰি কাব্যত তাৰ স্থান নিৰ্ণয় কৰিব পাৰিব
- অলংকাৰৰ শ্ৰেণীবিভাজন কৰিব পাৰিব।

## ৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় কেইটিত আপুনি সাহিত্যৰ কেইটিমান উল্লেখযোগ্য উপাদান ধ্বনি, ৰস, বক্ৰোক্তি, গুণ, ৰীতি তথা ছন্দৰ সম্যক পৰিচয় লাভ কৰাৰ লগতে কেইটিমান পুৰণি অসমীয়া ছন্দৰ বিষয়েও অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি প্ৰাচ্য নন্দনতত্ত্বৰ আন এটি উল্লেখযোগ্য উপাদান ‘অলংকাৰ’ৰ বিষয়ে আধ্যয়ন কৰিবলৈ পাব।

মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ প্ৰধানতঃ ভাষাৰ সহায় গ্ৰহণ কৰে। ভাবৰ উঠা-নমা, তীব্ৰতা, দৃঢ়তা, আধিক্য আদি প্ৰকাশ কৰিবলৈ পোনপটীয়া ভাষা এটি অপূৰ্ণ মাধ্যম হিচাপেই গণ্য কৰা হয়। ভাষাৰ এই অক্ষমতা দূৰ কৰিবলৈ প্ৰত্যেকেই যত্নপৰ। সেয়ে মানুহে নিজৰ বক্তব্য সবল আৰু দৃঢ় কৰিবৰ বাবে তাত ৰহণ সানে। এনে কৰাৰ ফলত শব্দই এক নতুন মাত্ৰা লাভ কৰে, বক্তব্যই গভীৰতা পায়। এনেদৰে মানুহে মনত সুখ লগাকৈ মনৰ ভাব প্ৰকাশ কৰিবলৈ যত্ন কৰা প্ৰয়াসতেই অলংকাৰৰ উৎপত্তি। এই অধ্যায়টিত আপুনি অলংকাৰ শব্দৰ অৰ্থ, অলংকাৰৰ সংজ্ঞা, সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা, কাব্যত অলংকাৰৰ স্থান আদিৰ বিষয়ে বিশদভাৱে অধ্যয়ন কৰিবলৈ পাব। তদুপৰি অলংকাৰৰ শ্ৰেণীবিভাজন সম্পৰ্কেও কিছু ধাৰণা লাভ কৰিব।

## ৭.৩ অলংকাৰ শব্দৰ অৰ্থ

অলংকাৰ শব্দৰ পাৰিভাষিক অৰ্থ হ'ল — শব্দ আৰু অৰ্থৰ শোভা বঢ়াবলৈ প্ৰয়োজনাৰিক্ত সহায়ক গুণ। সংস্কৃত 'আলং' বা 'আলম্' শব্দৰ পৰাই অলংকাৰ শব্দটি নিষ্পন্ন হৈছে। প্ৰাচীন আলংকাৰিকসকলে অলংকাৰ শব্দটি দুই ধৰণৰ অৰ্থত ব্যৱহাৰ কৰিছে। প্ৰথম ধাৰণা মতে পৰ্যাপ্তি বা যথেষ্ট, অৰ্থাৎ হ'ল আৰু নালাগে আৰু দ্বিতীয় অৰ্থ মতে ভূষণ।

মানুহে মনৰ ভাব প্ৰকাশ কৰোতে যি বাগ্-ভংগীয়ে মনক আহ্লাদিত কৰাৰ লগতে পৰ্যাপ্তিৰ ধাৰণা আনে সেয়াই অলংকাৰ। 'অহং অহং' ভাবটি যেনেদৰে অহংকাৰ ঠিক সেইদৰে 'অলং অলং' ভাবটি অলংকাৰ। উদাহৰণেৰে এই বাগ্-ভংগীৰ বিষয়ে সঠিক ধাৰণা লাভ কৰিব পৰা যাব। কোনো মুখৰা তিৰোতাৰ কথা ক'বলৈ গৈ কোৱা — "মুখখন লাওপাত-কচুপাত" নাইবা ৰমণীৰ সুন্দৰ মুখাবয়বৰ কথা ক'বলৈ গৈ কোৱা — "পদুমৰ নিচিনা মুখ" নাইবা "মুখ নহয় যেন পদুম হে" — আদি বাক্যই কওঁতাৰ মনলৈ পৰ্যাপ্তিৰ ধাৰণা আনে। প্ৰথম উদাহৰণটিত লাওপাত বা কচুপাতৰ লগত মানুহৰ মুখৰ পোনপটীয়া সম্পৰ্ক নাই; কিন্তু এই লাওপাত বা কচুপাতে খজুৱাৰ বা বিজ্-বিজাই যোৱাৰ দৰে তিৰোতাগৰাকীৰ মুখৰ কথাইও বিজ্-বিজায় যায়। সেই অৰ্থ দৃঢ় তথা গাঢ়ভাৱে প্ৰকাশ কৰিবলৈ আপাত দৃষ্টিত মিল নথকা দুটা বস্তুৰ লগত তুলনা কৰা হৈছে। ঠিক সেইদৰে দ্বিতীয় উদাহৰণটিতো ৰমণীৰ মুখৰ লগত পদুমৰ কোনো ধৰণৰ পোনপটীয়া সম্বন্ধ নাই; কিন্তু তাইৰ মুখৰ কমনীয়তাক অধিক অৰ্থবহভাৱে প্ৰকাশ কৰিবলৈ পদুমৰ লগত ৰিজোৱা হৈছে। সাধাৰণ এটি মনৰ ভাব প্ৰকাশ কৰিবলৈ ইমান আওপকীয়াকৈ কোৱাৰ প্ৰয়োজনীয়তা কি? এই প্ৰশ্নৰ উত্তৰতেই অলংকাৰৰ পৰ্যাপ্তিৰ ধাৰণাটি সোমাই আছে। এক অৰ্থত ক'ব পাৰি এনে দৰে ৰহন লগাই ক'লে বক্তাজনৰ মনত সুখানুভূতিৰ সৃষ্টি হোৱাৰ লগতে "হ'ল আৰু নালাগে"— এই ভাবটিও মনলৈ আহিব, অৰ্থাৎ তেওঁৰ আলম্ প্ৰাপ্তি হ'ব। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ "শেষ কথা" নামৰ কবিতাটিত লিখিছে —

মনে হয় কী একটি শেষ কথা আছে।
সে কথা হইলে বলা শেষ বলা হয়।।

কল্পনা কাঁদিয়ে ফিরে তারি পাছে পাছে।
তারি তবে চেয়ে আছে সমস্ত হৃদয়।।

এই শেষ কথা কোৱাই আপাতদৃষ্টিত কাব্যৰ বাক্-নির্বাণ বা আলম্ বোধ আৰু ইয়েই কাব্যৰ সৌন্দর্য। দ্বিতীয় ধাৰণা মতে যাৰ সহায়েৰে কাব্য আলম্ বা ভূষিত কৰা হয় সেয়াই অলংকাৰ। এই দৃষ্টিকোণৰ পৰা চাবলৈ হ'লে অলংকাৰ কাব্যৰ বাহ্যিক শোভাবৰ্দ্ধক এক উপাদানহে।

উপৰ্যুক্ত আলোচনাৰ পৰা আমি ধাৰণা লাভ কৰিলোঁ যে অলংকাৰে মূলতঃ কাব্যৰ শব্দ তথা অর্থৰ শোভা বৃদ্ধি কৰি কওঁতাৰ মন ভৰাই তোলে।



**জানি থোৱা ভাল**

বিখ্যাত আলংকাৰিক ৰাজনক ৰুয়্যকে তেওঁৰ *অলংকাৰ-সর্বস্ব* গ্ৰন্থত বাগ্-দেৱীক ত্ৰিবিধ বিগ্ৰহা দেৱী বুলি মংগলাচৰণ শ্লোকতে স্তুতি কৰিছে। এই কথাটি বিশেষভাৱে তাৎপৰ্যপূৰ্ণ, কাৰণ বাগ্-দেৱীৰ ***অভিধা, লক্ষণা আৰু ব্যঞ্জনা*** — বাক্যৰ এই তিনি ৰূপৰ গ্ৰহণৰ ফলতেই অনন্ত সৃষ্টি বা বাগ্-বিকল্প সম্ভৱ হৈছে। অনন্ত বাগ্-বিকল্পৰ পৰাই অলংকাৰৰ উদ্ভৱ আৰু বিকাশ হৈছে। তদুপৰি ৰাজনক ৰুয়্যকে বাগ্-দেৱীৰ ত্ৰিবিধ বিগ্ৰহা বৰ্ণনাৰে এই তত্ত্বৰ সূচনা কৰে।



***অভিধা, লক্ষণা আৰু ব্যঞ্জনা ঃ***
এই তিনিটা হ'ল শব্দৰ শক্তি। অভিধা মানে শব্দ এটা উচ্চাৰণ হোৱাৰ লগে লগে বোধ হোৱা শক্তি বা অর্থ। ইয়াক বাচ্যাৰ্থ বা মুখ্যাৰ্থও বোলা হয়।
লক্ষণা হ'ল মূল শব্দৰ লগত সম্বন্ধ থকা আন এটা অৰ্থ উলিয়াই লোৱা শব্দৰ শক্তি।
অভিধা আৰু লক্ষণাই প্ৰকাশ কৰাৰ পাছতো যদি আন এটা অৰ্থ প্ৰতীয়মান হয় তেনে শব্দশক্তিকে ব্যঞ্জনা শক্তি বোলা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** সংস্কৃত আলংকাৰিকসকলে অলংকাৰ শব্দৰ মূল কি বুলি নিৰূপণ কৰিছে?

.......................................................................................................

## ৭.৪ অলংকাৰৰ সংজ্ঞা

বিভিন্ন সংস্কৃত আলংকাৰিকে অলংকাৰ সম্বন্ধে বিভিন্ন সময়ত তেওঁলোকৰ মতামত আগবঢ়াই গৈছে। অলংকাৰ নিৰূপণৰ ক্ষেত্ৰত প্ৰাচীন সংস্কৃত আলংকাৰিকসকলৰ ভিতৰত আচাৰ্য দণ্ডী আৰু আচাৰ্য বামনৰ মত বিশেষভাৱে উল্লেখযোগ্য।

আচাৰ্য দণ্ডীৰ মতে — "কাব্যশোভাকৰান্ ধৰ্ম্মানলঙ্কাৰান্ প্ৰচক্ষতে।" *(কাব্যদর্শ — ২/১)* অৰ্থাৎ সৌন্দৰ্যৰ কাৰণ কাব্যৰ শোভাকৰ ধৰ্মই অলংকাৰ। ইয়াত 'কাব্য শোভাকৰ' শব্দৰ অৰ্থ কাব্যত্ব সম্পাদন, শোভাৰ অৰ্থ — যি শোভাক বাদ দি বাক্য হ'ব নোৱাৰে তাৰে কাৰক। সেয়েহে অলংকাৰ হ'ল কংকণ-কুণ্ডল আদিৰ দৰে একেবাৰে বাহ্যিক সাজ-সজ্জাৰে স্থানীয় নহয়— শৰীৰগত লাৱণ্য স্থানীয়হে। কবিতাৰ শব্দ আৰু অৰ্থৰূপে শৰীৰৰ সৌন্দৰ্য বৃদ্ধি কৰে কাৰণে উপমা, অনুপ্ৰাস আদি উক্তি বৈচিত্ৰ্যক অলংকাৰ বোলা হয়। দণ্ডীয়ে অলংকাৰৰ শব্দকৰণ ব্যুৎপত্তিৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দি অলংকাৰৰ লক্ষণ নিৰূপণ কৰিছে।

আচাৰ্য বামনৰ মতে — “কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ।” *(কাব্যলঙ্কাৰ সূত্ৰবৃত্তি —১/১/১)* এইটো তেওঁৰ প্ৰথম সূত্ৰ। এই সূত্ৰ মতে কাব্যত অলংকাৰ থকাৰ কাৰণেই তাক কাব্যৰূপে গ্ৰহণ কৰা হয়, অৰ্থাৎ কাব্য উপাদেয় হয় অলংকাৰৰ পৰা। আনহাতে তেওঁ আকৌ কৈছে— “সৌন্দৰ্য্যমলঙ্কাৰঃ” অৰ্থাৎ সৌন্দৰ্যই অলংকাৰ। ইয়াৰ পাছতে তেওঁ পুনৰ কৈছে — “দোষ গুণালঙ্কাৰহানাদানাভ্যাম্।” অৰ্থাৎ দোষহীনতা, গুণযোগ আৰু শব্দালংকাৰ তথা অৰ্থালংকাৰৰ সমাবেশত এই সৌন্দৰ্য স্ফুৰণ হয়। সৌন্দৰ্য বা অলংকাৰেই কাব্যৰ স্বৰূপ-ঘটক সাৰবস্তু। বামনে “অলং” শব্দৰ পৰ্যাপ্তি অৰ্থ গ্ৰহণ কৰি অলংকাৰ শব্দৰ সংকীৰ্ণ অৰ্থ গ্ৰহণ কৰিছে। তেওঁৰ মতে ই কাব্যৰ অনিত্য বা অস্থিৰ ধৰ্ম। তেওঁ ৰীতিক কাব্যৰ আত্মা বুলি মন্তব্য কৰি অলংকাৰক কাব্যৰ শৰীৰ, সৌন্দৰ্য বা শোভাৰ আধাৰস্বৰূপ আৰু অনিত্য ধৰ্ম বুলি কৈছে।

আচাৰ্য ভামহৰ মতে — “ৰূপকাদিৰলঙ্কাৰ - স্তস্যানৈৰ্ব্বহুধোদিতঃ। / ন কান্তমপি নিৰ্ভূষং বিভাতি ৰমণীমুখম্।।” *(ভামহালঙ্কাৰ ঃ ১০/১৩)* ৰমণীমুখ স্বভাৱত মনোহৰ যদিও ভূষণহীন হ'লে শোভাবৰ্ধক নহয়। ঠিক সেইদৰে কাব্যত অলংকাৰ, ৰূপকাদি নাথাকিলে সি শোভন নহয়। ভামহে আকৌ কৈছে— “বক্ৰাভিধেয়া শব্দোক্তিৰিষ্টা বাচামলংকৃতিঃ।” অৰ্থাৎ কবিৰ অভীষ্ট সিদ্ধিৰ জোখাই বক্ৰতাপূৰ্ণ উক্তি বৈচিত্ৰ্যই কাব্যৰ সৌন্দৰ্য বা অলংকাৰ। ইয়াত ‘ৰিষ্টা’ শব্দই অলম্ অৰ্থাৎ পৰ্যাপ্তি, ‘বক্ৰাভিধেয় শব্দোক্তি’য়ে বাক্ ভংগীৰ বিচিত্ৰতা বা চমৎকাৰিতা আৰু ‘অলংকৃতি’ শব্দই সৌন্দৰ্যৰ অৰ্থ সূচনা কৰিছে। আটাইকেইটা শব্দৰ সংযোগস্থলতেই অলংকাৰৰ পূৰ্ণ লক্ষণ উপস্থাপিত হৈছে।

অন্যান্য ধ্বনিবাদী আচাৰ্যসকলে অলংকাৰক ৰসপুষ্টিৰ সহায়কৰূপেহে নিৰূপিত কৰিছে। তেওঁলোকৰ মতে অলংকাৰ্য সুন্দৰ হোৱাৰ ওপৰতে অলংকাৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে। ***বাচ্য-বাচকৰূপে*** কাব্যশৰীৰ যদি অসুন্দৰ হয়, তাত অলংকাৰৰ শোভাবৰ্দ্ধকতাও নাথাকে; সি কেৱল কথা কোৱাৰ ধৰণ বিশেষত পৰ্যবসিত হয়। উল্লেখযোগ্য যে অভিনবগুপ্ত, আনন্দৱৰ্ধনকে আৰম্ভ কৰি বিশ্বনাথ কবিৰাজলৈকে সকলো ধ্বনিবাদী আচাৰ্যই, বামনৰ দৰে কাব্যত অলংকাৰ অস্থিৰ ধৰ্ম বা অনিত্য বুলি হে মন্তব্য কৰিছে। এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে প্ৰত্যেকেই নিজৰ নিজৰ দৰে অলংকাৰৰ সংজ্ঞা নিৰূপণ কৰিছে।

***বাচ্য-বাচক*** ঃ যি শব্দই মুখ্যাৰ্থক বা অভিধেয় অৰ্থক বুজায়।

## ৭.৫ সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা

আমি আগতেই উল্লেখ কৰিছোঁ যে মানুহে নিজৰ হৃদয়খন উদং কৈ প্ৰকাশ কৰিবৰ বাবেই বেকাকৈ কথা কোৱাৰ ভংগি আৱিষ্কাৰ কৰিলে। ইয়াতেই অলংকাৰৰ জন্ম। কিন্তু অপ্ৰয়োজনত কোনোবাই বাৰু অলংকাৰ ব্যৱহাৰ কৰিবনে? অৰ্থাৎ কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা কি? হয়, কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা আছে। এই প্ৰয়োজনীয়তা উপলব্ধ হয় তিনি ধৰণে—

- বাক্য প্ৰভাৱশালী কৰাৰ বাবে

- বৰ্ণনীয় বিষয় স্পষ্টৰূপত তুলি ধৰিবৰ বাবে, আৰু
- ৰমণীয়তা সম্পাদনৰ বাবে।

- **বাক্য প্ৰভাৱশালী কৰিবৰ বাবে ঃ** কোনো বাক্য ক'লে শুনোতাৰ মনত লাগি যোৱাকৈ বা মনত বহাকৈ কোৱাকে বাক্যক প্ৰভাৱশালী কৰা বুলি কোৱা হয়। ৰূপ, গুণ, ক্ৰিয়া আদিৰ বিষয়ে বৰ্ণনা কৰোতে তাক দৃঢ়ভাৱে বা তীব্ৰভাৱে ফুটাই তুলিবলৈ হ'লে উকা ভাষাৰে প্ৰকাশ নকৰি অলংকাৰ সংযোগ কৰি ক'লে বক্তাৰ মনলৈ পৰ্যাপ্তিৰ ধাৰণা আহে। উদাহৰণস্বৰূপে— ছোৱালী এজনীৰ দুচকুৰ কথা ক'বলৈ গৈ "ধুনীয়া চকুযুৰি" বুলি ক'লে চকুযুৰি যে সুন্দৰ সেই কথা নুবুজাকৈ নাথাকো। কিন্তু আমি যদি তেনেদৰে নকৈ "হৰিণীনয়না" বুলি কওঁ তেন্তে হৰিণৰ দৰে বহল, চঞ্চল চকুযুৰিৰ কথা কল্পনা কৰি চকুযুৰিৰ সৌন্দৰ্য দুগুণে উপলব্ধি কৰিব পাৰিম। অলংকাৰেৰে প্ৰকাশ কৰা বাবেহে এই বাক্যশাৰীৰ অৰ্থ প্ৰভাৱশালী হৈ আমাৰ আগত প্ৰতিভাত হৈছে। বাক্যৰে অন্তৰ স্পৰ্শ কৰি, শুনোতাৰ অনুভূতি তীব্ৰ কৰি বৰ্ণনীয় বিষয়ক দৃঢ়ভাৱে প্ৰতিষ্ঠিত কৰিব পৰা ধৰণটোকে চমুকৈ ক'বলৈ গ'লে বাক্য প্ৰভাৱশালী কৰা বুলি ক'ব পাৰি।

  কালিদাসৰ *অভিজ্ঞানম্‌শকুন্তলম্* নাটকত ৰজা দুষ্যন্তই শকুন্তলাক দেখাৰ লগে লগে তেওঁৰ মুখৰ পৰা নিসৃত হৈছিল — "আয়ে লব্ধং মে নেত্ৰনিৰ্বাণম্"। অৰ্থাৎ মোৰ চকু দুটাই আজি মুক্তি পালে। এই বাক্যশাৰীয়ে শকুন্তলাৰ সৌন্দৰ্যৰ কথা যিমান পূৰ্ণতাৰে প্ৰকাশ কৰিছে সেয়ে তেওঁৰ চুলিৰ পৰা নখলৈকে সুকীয়া সুকীয়াকৈ বৰ্ণাই যোৱা হ'লেও প্ৰকাশিত নহ'লহেঁতেন। দুষ্যন্তৰ চকুৱে নিৰ্বাণ লাভ কৰিলে, চকুৰ দৃষ্টি-বৃত্তিয়ে কৃতকাৰ্যতা লাভ কৰি পৰিসমাপ্তি লাভ কৰিলে। এটা চুটি বাক্যৰে কবিয়ে বক্তাৰ আকুলতাক, প্ৰভাৱশালীভাৱে প্ৰকাশ কৰিছে। সেয়া দীঘলীয়া বৰ্ণনাৰেও সম্ভৱপৰ নহ'লহেঁতেন। এই দুটা উদাহৰণৰ পৰাই বাক্যত অলংকাৰৰ প্ৰভাৱশীলতাৰ কথা হৃদয়ংগম কৰিব পাৰি।

- **বৰ্ণনীয় বিষয়ৰ স্পষ্টীকৰণ ঃ** বাক্যত অলংকাৰৰ দ্বিতীয় প্ৰয়োজনীয়তা হ'ল ই বক্তাৰ মনৰ ভাব অৰ্থাৎ বৰ্ণনীয় বিষয় স্পষ্টৰূপত শুনোতাৰ মনত জগাই তোলে। বিষয়গত ৰূপ, গুণ, ক্ৰিয়া আৰু বিষয়গত ভাব স্পষ্ট কৰিবলৈ হ'লে আমি অলংকাৰৰ সহায় নোলোৱাকৈ সেয়া কৰিব নোৱাৰো। কথাখিনি ভালদৰে বুজিবৰ বাবে এটা উদাহৰণ গ্ৰহণ কৰা হওক। মাধৱ কন্দলীয়ে "চিত্ৰকূট পৰ্বত"ৰ বিষয়ে বৰ্ণনা কৰিবলৈ গৈ কৈছে — "শিখৰে ওপৰে মন্দাকিনী শুক্ল জল"— চিত্ৰকূট পৰ্বতৰ শিখৰত মন্দাকিনী নদী; কিন্তু এইখিনি কথা কৈ থলে নদীখনৰ সৌন্দৰ্য আমাৰ আগত সম্পূৰ্ণৰূপে প্ৰতিভাত হৈ নুঠে। সেয়ে কবিয়ে আমাৰ কল্পনাক উদ্দীপ্ত কৰিবৰ বাবে এক অৱলম্বনৰ সন্ধান কৰিছে — "তনক ঢাকিয়া যেন বস্ত্ৰৰ আঞ্চল।" কোনো নাৰীয়ে নিজৰ তনক ঢাকি চাদৰ লোৱাৰ দৰে মন্দাকিনী নদী যেন চিত্ৰকূট পৰ্বতৰ শিখৰ ঢাকি বৈ আহিছে তললৈ। বগা চাদৰৰ দৰে জলমলীয়া জলধাৰাৰে মন্দাকিনী নদীখনে চিত্ৰকূটৰ শিখৰ ঢাকি ধৰি যি সৌন্দৰ্যৰ সৃষ্টি কৰিছে সেই অপৰিস্ফুট সৌন্দৰ্যখিনি স্পষ্ট আৰু হৃদয়গ্ৰাহীভাৱে উৎপ্ৰেক্ষা অলংকাৰেৰে আমাৰ আগত তুলি ধৰিছে।

বহু সময়ত সাধাৰণ উকা ভাষাৰে ব্যক্ত কৰিব নোৱৰা গূঢ়-গভীৰ তত্ত্বও অলংকাৰৰ আশ্রয় লৈ সুস্পষ্টভাৱে প্রকাশ কৰিব পাৰি। উদাহৰণস্বৰূপে আমি গীতাৰ আত্মাৰ অনিত্যতা সম্পর্কে থকা শ্লোকটিৰ কথা ক'ব পাৰো—

বাসাংসি জীৰ্ণানি যথা বিহায়
নবানি গৃহ্নাতি নৰোহুপৰাণি।
তথা শৰীৰাণি বিহায় জীৰ্ণা
ন্যন্যানি সংযাতি নবানিদেহী।।

মানুহে যেনেকৈ জীর্ণবস্ত্র ত্যাগ কৰি নতুন বস্ত্র ধাৰণ কৰে, আত্মায়ো সেইদৰে জীর্ণ শৰীৰ ত্যাগ কৰি নতুন শৰীৰ গ্রহণ কৰে। এই জীর্ণবস্ত্র ত্যাগ কৰাৰ উপমাটিৰ জৰিয়তে এই তত্ত্বটি যিদৰে সুন্দৰ তথা প্রাঞ্জল ভাষাত প্রকাশ কৰা হৈছে, বিষয়বস্তু স্পষ্টৰূপত আমাৰ আগত ধৰা দিছেহি, পোনে পোনে কোৱা হ'লে সেয়া প্রাঞ্জল ৰূপত প্রকাশিত নহ'লহেঁতেন। ইয়াৰ পৰাই আমি ধাৰণা কৰিব পাৰোঁ যে অলংকাৰে কেনেদৰে বিষয়বস্তু স্পষ্টৰূপত তুলি ধৰিব পাৰে।

- **ৰমণীয়তা সম্পাদন ঃ** কাব্যত অলংকাৰৰ তৃতীয় তথা আটাইতকৈ প্রধান প্রয়োজনীয়তা হ'ল — ৰমণীয়তা সম্পাদন। এই সম্পর্কে নাগোজী ভট্টৰ মন্তব্যটি প্রণিধানযোগ্য — "চাৰুত্বহেতুশ্চালংকাৰঃ" (*কাব্য প্রকাশটীকা*) অর্থাৎ চাৰুত্বই অলংকাৰ বা অলংকাৰৰ মুখ্য প্রয়োজনীয়তা হ'ল চাৰুত্ব। চাৰুত্বকে সৌন্দর্য, ৰমণীয়তা আদি বিবিধ শব্দৰে বুজোৱা হয়। আনহাতে ৰসবাদী আচার্যসকলৰ মতে ৰস সৃষ্টি কৰাই হ'ল অলংকাৰৰ মুখ্য কথা। কথাযাৰে পৰিশেষত কিন্তু আমাক একে ঠাইকে পোৱায়গৈ।

আলংকাৰিক কুন্তকে বক্রোক্তিৰ বিষয়ে ক'বলৈ গৈ মন্তব্য কৰিছিল—

শব্দার্থৌ সহিতৌ বক্ৰকবিব্যাপাৰশালিনি।
বন্ধে ব্যৱস্থিতৌ কাব্যং তদ্বিদামাহ্লাদকাৰিণি।।

বক্রোক্তি, অতিশয়োক্তিযুক্ত বাক্য মাত্রেই প্রভাৱশালী হ'লেও সেই শব্দার্থত ৰমণীয়তা বা আহ্লাদকাৰিতা নাথাকিলে সি অলংকাৰৰ শাৰীলৈ উঠিব নোৱাৰে। উদাহৰণ এটিৰে কথাটি বুজাই কোৱা হওক। "কলহৰ নিচিনা পেট"— এই বাক্যশাৰীত সাদৃশ্য আছে, বেকাকৈ কোৱা হৈছে কিন্তু ইয়াত মনোহাৰিত্ব নাই বাবে ই অলংকাৰৰ শাৰীলৈ উত্তীর্ণ হোৱা নাই। আনহাতে "পদুমৰ দৰে মুখ"— এই বাক্যশাৰীত থকা সাদৃশ্যই পাঠকৰ মনলৈ মনোহাৰিত্বৰ ভাব আনিছে আৰু সৌন্দর্য স্পষ্টৰূপত প্রকাশ কৰিছে। ঠিক সেইদৰে জৰীত সর্পভ্রম দেখুৱাই জগতৰ মিথ্যাত্ব প্রকাশ কৰি বেদান্ত ৰহস্য প্রকাশ কৰিছে; কিন্তু ই কাব্যত সৌন্দর্য প্রকাশ কৰা নাই। কিন্তু "পদুম বুলি মুখত ভোমোৰা পৰিছে"— এই বাক্যশাৰীয়ে মনলৈ ভ্রান্তি অনাৰ পাছমুহূর্ততে মনত ৰমণীয়তাৰ প্রলেপ সানি বক্তাৰ গুঢ়ার্থ বুজাত সহায় কৰিছে। অর্থাৎ ৰমণীয়তা সম্পাদন কৰিছে। আচার্য বামনে কৰা মন্তব্য "সৌন্দর্য্যমলংকাৰ"ত এই ৰমণীয়তা সম্পাদন কথাযাৰেই ক্রিয়া কৰি আছিল।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ২ ঃ** 'কাব্য গ্ৰাহ্যমলঙ্কাৰৎ'— কোনে কৈছিল?

....................................................................................

**প্ৰশ্ন নং ৩ ঃ** বিষয়বস্তুৰ স্পষ্টীকৰণ অলংকাৰৰ মুখ্য প্ৰয়োজন— কথাষাৰ শুদ্ধ নে অশুদ্ধ।

....................................................................................



**চিন্তা-চৰ্চা কৰক — ৭.১**

*'অধিক জানিবলৈ'ত উল্লেখ থকা* পুথিসমূহৰ লগতে এই সম্পৰ্কে থকা অন্য কিতাপৰ সহায়েৰে অলংকাৰৰ সংজ্ঞা সম্পৰ্কে থকা মতভেদসমূহ নিজাকৈ ফঁহিয়াই আলোচনা কৰক।

## ৭.৬ কাব্যত অলংকাৰৰ স্থান

কাব্যত অলংকাৰৰ স্থান কি? ইয়াৰ স্থান মুখ্য নে গৌণ? এই সম্পৰ্কে বিভিন্নজনে বিভিন্ন সময়ত নিজৰ নিজৰ মত দাঙি ধৰিছে। এই মতামতসমূহ বিচাৰ কৰিলে আমি প্ৰধানতঃ দুটা প্ৰধান মত দেখিবলৈ পাওঁ। উল্লেখযোগ্য যে দুয়োটা মতৰ পাৰ্থক্য কুমেৰু-সুমেৰু। প্ৰথম মতটোৰ প্ৰবক্তাসকলে ভামহৰ সুৰতে সুৰ মিলাই মন্তব্য কৰিছে — "ন কান্তমপি নিৰ্ভূষং বিভাতি ৰমণিমুখম্।" যুৱতীৰ ধুনীয়া মুখো প্ৰসাধনহীন হ'লে শোভা নাপায়। অৰ্থাৎ বাক্য সুন্দৰ সুন্দৰ শব্দৰে গঠিত হ'লেও অলংকাৰ নহ'লে তাৰ শোভা প্ৰকাশিত নহয়। ক'ব পাৰি অলংকাৰ কাব্যৰ অপৰিহাৰ্য অংগ। এই মতৰ পৃষ্ঠপোষক আচাৰ্যসকলৰ ভিতৰত ভামহ, উদ্ভট, জয়দেৱ, দণ্ডী আদিৰ নাম উল্লেখযোগ্য।

আনহাতে দ্বিতীয় মতটো প্ৰকাশ কৰিব পাৰি কালিদাসৰ এষাৰ বাক্যৰে — "ইয়ম্ অধিকমনোজ্ঞা ৱল্কলেনাপিতন্বী।" মহাকবি গৰাকীয়ে শকুন্তলাৰ বিষয়ে ক'বলৈ গৈ এই কথাষাৰ ব্যক্ত কৰিছিল— যি বাকলিবসন পিন্ধিও অধিক মনোহাৰিণী। অৰ্থাৎ অলংকাৰবিহীন বাক্যও সুন্দৰ হ'ব পাৰে। এই মতবাদৰ প্ৰবক্তাসকলৰ মতে অলংকাৰ কাব্যৰ উপৰুৱা সামগ্ৰী, অনিত্য আৰু অস্থিৰ ধৰ্ম। ভট্ট বামন, অভিনৱগুপ্ত, আনন্দবৰ্ধন, বিশ্বনাথ কবিৰাজ, মম্মট আদি হ'ল এই মতবাদৰ প্ৰধান প্ৰবক্তা। মম্মটে আনকি কাব্যৰ লক্ষণৰ বিষয়ে ক'বলৈ গৈ স্পষ্টভাৱে মন্তব্য কৰিছে— "অনলংকৃতী পুনঃক্কাপি" অৰ্থাৎ অলংকাৰ নহ'লেও কাব্য হয়। এই দুয়োটা মতবাদৰ বিষয়ে অলপ বহলাই আলোচনা কৰা হওক।

প্ৰথম মতটোৰ প্ৰবক্তা ভামহে মন্তব্য কৰিছিল যে অলংকাৰ হ'ল "বাচ্যোপস্কাৰক" — শব্দ আৰু তাৰ অৰ্থৰ সৌন্দৰ্যৰ হেতু। এই মতাদৰ্শৰ প্ৰবক্তাসকলে বিশ্বাস কৰে কাব্যশৰীৰ স্বভাৱতে

সুন্দৰ হ'বও পাৰে, নহ'বও পাৰে; কিন্তু ইয়াৰ লগত অলংকাৰস্বৰূপ সৌন্দৰ্যৰ সাধন ঘটালেহে কাব্য হৃদয়গ্ৰাহী আৰু শোভাশীল হয়। এই ক্ষেত্ৰত প্ৰণিধানযোগ্য কথাটি হ'ল — য'ত অলংকাৰ আৰোপ কৰা হ'ব বা অলংকৃত কৰা হ'ব, তাৰ অলংকাৰ্যও অৱশ্যেই থাকিব লাগিব। অলংকাৰবাদীসকলৰ মতে কাব্যৰ শৰীৰ শব্দাৰ্থই অলংকাৰ্য। উদাহৰণৰ দ্বাৰা বুজাই ক'লে— "শিখৰে ওপৰে মন্দাকিনী শুক্ল জল" এই বাচ্যাৰ্থত আমি কবিৰ মন্তব্য জ্ঞাত হ'লো, কিন্তু মন্দাকিনীৰ প্ৰকৃত সৌন্দৰ্য প্ৰস্ফুটিত হৈ উঠা দেখা নাপালোঁ। সেই বাবে কবিয়ে "তনক ঢাকিয়া যেন বস্ত্ৰৰ আঞ্চল" এই সাদৃশ্যটো দাঙি ধৰি নিজৰ বক্তব্য অধিক গভীৰ কৰি তুলিছে। এই উদাহৰণটিত "শিখৰে ওপৰে মন্দাকিনী শুক্ল জল" এই বাচ্যাৰ্থক উপকৃত কৰিছে, সুশোভিত কৰিছে উ ৎপ্ৰেক্ষা অলংকাৰে। এনেদৰে আমি যদি বিচাৰ কৰো তেন্তে দেখিম যে বাচ্য বাচকৰূপ কাব্যশৰীৰ শোভাশীলতা কৰাই যদি অলংকাৰৰ কৰ্ম বুলি ধৰা হয় তেতিয়া হ'লে অলংকাৰৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। কিন্তু এনে কিছুমান কাব্য আছে য'ত বিশেষ অলংকাৰ পোৱা নাযায়, কিন্তু সেইবোৰো একো একোটা উৎকৃষ্টতম সৃষ্টি তথা হৃদয়গ্ৰাহী। এনেস্থলত অলংকাৰৰ প্ৰাধান্যৰ ক্ষেত্ৰত সন্দেহৰ সৃষ্টি হয়। কিন্তু অলংকাৰ সৰ্বস্ববাদীসকলে এই ক্ষেত্ৰত ক'ব খোজে যে এইবোৰতো অলংকাৰ বিদ্যমান। তেওঁলোকে মন্তব্য কৰে যে প্ৰতীয়মান ধ্বনি, ৰস এইবোৰো শেষ বিচাৰত বাচ্যাৰ্থৰ উপস্কাৰক আৰু বাচ্যাৰ্থৰ উপস্কাৰক মানেই অলংকাৰ। আচাৰ্য ৰুদ্ৰটে এই বিষয়ে মন্তব্য আগবঢ়াইছে যে — ৰূপকাদি অলংকাৰৰ প্ৰতীয়মান যি অৰ্থ তাৰ দ্বাৰাহে বাচ্যাৰ্থৰ চাৰুত্ব সম্পাদিত হয়। শৃংগাৰাদি ৰস, লজ্জা-অভিমান আদি ভাব, বস্তুবিশেষৰ ধ্বনি যেতিয়া বাচ্যাৰ্থৰ শোভাৰ কাৰণ, তেতিয়া— "ৰসবৎপ্ৰেয়ঃ" আদি অলংকাৰৰ পৰ্যায়ত সেইবোৰক স্থান দিব পাৰি। সকলো প্ৰকাৰৰ প্ৰতীয়মান অৰ্থ (ৰস, অলংকাৰ, বস্তু) বাচ্যাৰ্থৰ শোভাৰ কাৰণ। সেই কাৰণে তাকো অলংকাৰ বোলাই যুগুত।

উদ্ভটৰ টীকাকাৰ প্ৰতীহাৰেন্দুৰাজে ধ্বনিবাদী আচাৰ্যসকলৰ মতামত খণ্ডন কৰিছে। তেওঁ কৈছে যে — প্ৰতীয়মান অৰ্থ অলংকাৰ্য নহয় অলংকাৰহে, কাৰণ প্ৰধান বস্তুও কেতিয়াবা গৌণবস্তুৰ সৌন্দৰ্যৰ হেতু হয়। তেতিয়া প্ৰধান বস্তুৰ সৌন্দৰ্য গৌণ বস্তুৰ সৌন্দৰ্যৰ সাধনৰূপে পৰিগণিত হ'ব পাৰে।

আনহাতে আন এচাম আচাৰ্যই এই মত মানি ল'বলৈ টান পালে। আমি আগতেই উল্লেখ কৰিছোঁ যে এইসকলৰ ভিতৰত ভট্ট বামন, অভিনৱগুপ্ত, মম্মট আদি উল্লেখযোগ্য। তেওঁলোকে বিগত যৌৱনা তিৰোতা এগৰাকীৰ উদাহৰণ দাঙি ধৰি উক্ত মতবাদটি খণ্ডন কৰিব বিচাৰে। তেওঁলোকে কৈছে যে — এনে এগৰাকী তিৰোতাই যদি বিভিন্ন অলংকাৰ পৰিধান কৰি নিজকে সুন্দৰ কৰি তুলিবলৈ যত্ন কৰে তেন্তে সেয়া ভেকো-ভাওনা স্বৰূপ হ'ব আৰু তাই উপহাসৰ পাত্ৰীহে হ'ব, আনকি নিজৰ বয়সৰ সৌন্দৰ্যৰ পৰাও নামি আহিব। এই উদাহৰণেৰে তেওঁলোকে পতিয়ন নিয়াব বিচাৰে যে বাচ্যাৰ্থৰ নিজস্ব সৌন্দৰ্য অবিহনে অলংকাৰে তাৰ লাৱণ্য সৃষ্টি কৰিব নোৱাৰে। বামনৰ মতে বাচ্যাৰ্থত ওজঃ আদি গুণ থাকিব লাগিব। এই গুণ কাব্যৰ স্থায়ীবস্তু আৰু ইয়াত অলংকাৰ লগালেহে সাৰ্থকতা আহিব। আনকি তেওঁ মন্তব্য কৰিছে—

"কাব্যশোভায়াঃ কৰ্ত্তাৰো ধৰ্মা গুণাঃ তদতিশয়হেতবস্তুলঙ্কাৰাঃ।" — অৰ্থাৎ অলংকাৰ কাব্যৰ অনিত্যবস্তু। গুণান্বিত কাব্যত থাকিলে ভাল, নাথাকিলে কাব্য লোপ পাব এনে কথা হ'ব নোৱাৰে। গুণবাদী আচাৰ্যসকলে কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা একেবাৰে গৌণ কৰি দিয়া নাই। কিন্তু অলংকাৰেই কাব্যৰ প্ৰাণ হিচাপে মানি নলয়। ধ্বনিবাদী আচাৰ্যসকলে গুণৰ প্ৰাধান্য স্বীকাৰ নকৰি ইয়াকো ৰসৰ ধৰ্ম বা অভিব্যক্তি বিশেষ বুলি মন্তব্য আগবঢ়াইছে। সেইদৰে অলংকাৰকো তেওঁলোকে শব্দাৰ্থ শৰীৰৰ শোভাধায়ক বুলি নকৈ ৰসৰূপ কাব্যাত্মাৰ শব্দাৰ্থ শৰীৰৰ যোগেদি সৌন্দৰ্যবৰ্দ্ধক বুলিহে মানি লয়। এই ক্ষেত্ৰত তেওঁলোকে এগৰাকী মৃত যুৱতীৰ শৰীৰত অলংকাৰে শোভা কৰেনে নকৰে সেই উদাহৰণ টানি আনি মন্তব্য কৰিছে যে মানুহজন ব্যক্তিত্ব বা আত্মাহীন হ'লে সকলো অলংকাৰ ব্যথা। আচাৰ্য আনন্দবৰ্ধনে অলংকাৰক ৰসানুগুণ কৰি প্ৰয়োগ কৰাৰ পোষকতা কৰিছে। ৰস আৰু ভাবৰ অনুকূলে তাৰ পৰিপোষকৰূপেহে অলংকাৰ সৃষ্টি হ'ব লাগে— তেতিয়াহে অলংকাৰে প্ৰকৃত অলংকাৰত্ব লাভ কৰে। আৰু অলংকাৰ দিওঁ বুলি দিব নোৱাৰি, সি নিজে নিজে সৃষ্টি হ'ব কাব্যৰ ৰসানুযায়ী। আচাৰ্য মম্মটেও এই মতটিকে পোষণ কৰিছে। তেওঁৰ মতে "যেনেকৈ হাৰ আদি আভূষণে কণ্ঠাদি অংগৰ সৌন্দৰ্য বঢ়ায়, সেইদৰে উপমা আদি অলংকাৰে শব্দ আৰু অৰ্থৰূপ কাব্যশৰীৰৰ যোগেদি সেই ৰসৰূপ শৰীৰৰ সৌন্দৰ্য বঢ়ায়।"

এনে কিছুমান কাব্য আছে য'ত টানি-আজুৰি নেদেখুৱালে তাত প্ৰকৃত অলংকাৰ দেখা পোৱা নাযায়, কিন্তু এইবোৰো একো একোটা উৎকৃষ্টতম কবিতা। আনহাতে এনে কিছুমান কাব্য আছে য'ত অলংকাৰেৰে ভাৰাক্ৰান্ত কৰি কাব্য জঠৰ আৰু নীৰস কৰি পেলোৱা হৈছে।

এই আলোচনাৰ পৰা আমি এটা সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে অলংকাৰৰ অৱদান কোনখিনি বা ইয়াৰ স্থান গৌণ নে মুখ্য সেয়া প্ৰধান বিচাৰ্য বিষয় নহয়। কাৰণ অলংকাৰৰ অৱদানখিনি সুকীয়াকৈ লৈ কাব্য উপভোগ কৰা নাযায়। কবিৰ প্ৰতিভাই অলংকাৰক সাৰ্থক কৰে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** "কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা গৌণ"— এই মতবাদৰ প্ৰবক্তা চাৰিজনৰ নাম লিখক।

.................................................................................

## ৭.৭ অলংকাৰৰ শ্ৰেণীবিভাজন

অলংকাৰৰ শ্ৰেণীবিভাজন সম্পৰ্কেও বহুতো মতবিৰোধ আছে। ভৰত মুনিয়ে প্ৰথমতে চাৰিটা অলংকাৰৰ কথা ব্যক্ত কৰিছিল। কিন্তু ক্ৰমবিকশিত সময়ত কাব্যই বিভিন্ন ধৰণে সমৃদ্ধি লাভ কৰাৰ বাবে অলংকাৰৰ সংখ্যা ক্ৰমাৎ বাঢ়ি আহিল। আনকি কিছুমান অলংকাৰ আন আন অলংকাৰৰ বুকুত জাহ নিয়াব পৰা বিধৰ। সেই বাবেই হয়তো আচাৰ্য ৰুদ্ৰটে মন্তব্য কৰিছিল যে — "যাবন্তো হৃদয়াৱৰ্জকা অৰ্থপ্ৰকাৰাঃ তাৱন্তোহুলংকাৰাঃ।" অৰ্থাৎ হৃদয় আহ্লাদক যিমান প্ৰকাৰৰ

অৰ্থ হ'ব অলংকাৰৰ সংখ্যাও সিমান। আচাৰ্য দণ্ডীয়েও এই কথাত একমত। বহু ক্ষেত্ৰত আলংকাৰিকসকলৰ মাজত কোনটো অলংকাৰ আৰু কোনটো অলংকাৰ নহয় এই সম্পৰ্কেও মতভেদ আছে। অলংকাৰৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে এইবোৰৰ মাজত থকা কিছু সাদৃশ্যকে অৱলম্বন কৰি আলংকাৰিকসকলে শ্ৰেণীবিভাগ কৰি অলংকাৰৰ বৰ্ণনা কৰিছে।

এনেদৰে শ্ৰেণীবিভাগ কৰাৰ ক্ষেত্ৰত আমি আচাৰ্য ৰুয্যকে কৰা শ্ৰেণীবিভাগটোৰ কথা উল্লেখ কৰিব পাৰোঁ। তেওঁ বিজ্ঞানসন্মতভাৱে বিশ্লেষণ কৰি অলংকাৰসমূহত মূলতঃ সাতটা ভাগত ভাগ কৰিছে। যথা —

(ক) সাদৃশ্যগৰ্ভ, (খ) বিৰোধ গৰ্ভ,
(গ) শৃংখলাবদ্ধ, (ঘ) তৰ্ক-ন্যায়মূলক,
(ঙ) লোকন্যায়মূলক, (চ) গুঢ়াৰ্থ-প্ৰতীতিমূলক, আৰু (ছ) অন্যান্য।

কিন্তু মূলতঃ এই ভাগ অৰ্থালংকাৰ বিষয়ক। অলংকাৰৰ প্ৰধান ধৰ্ম দুটা নিৰ্ণয় কৰি ইয়াক মূলতঃ দুটা ভাগত ভাগ কৰা হয়। যথা — শব্দালংকাৰ আৰু অৰ্থালংকাৰ। ইয়াৰ উপৰি উভয়বিধ অলংকাৰৰ লক্ষণ থকা আন এবিধ ভাগৰ কথাও উল্লেখ কৰা হয় — উভয়ালংকাৰ। পিছে সংস্কৃত অলংকাৰ শাস্ত্ৰত এইবিধ অলংকাৰৰ চৰ্চা বৰ বিশেষভাৱে দেখা নাযায়। সেয়ে জটিলতাৰ পৰা হাত সাৰিবলৈ অলংকাৰ মূলতঃ দুবিধ বুলিয়েই কোৱা ভাল।

### ৭.৭.১ শব্দালংকাৰ

যিবোৰ অলংকাৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে কাব্যত ব্যৱহৃত শব্দৰ ওপৰত তেনে অলংকাৰকে শব্দালংকাৰ বোলা হয়। এইবিধ অলংকাৰত যিটো শব্দৰ প্ৰয়োগৰ ফলত অলংকাৰ সৃষ্টি হৈছে সেই শব্দটোৰ একে অৰ্থযুক্ত আন এটা শব্দ বহুৱালে অলংকাৰটো ৰক্ষিত নহয় অৰ্থাৎ অলংকাৰ শব্দৰ ওপৰত নিৰ্ভৰশীল। এটা উদাহৰণেৰে কথাষাৰ ভালদৰে বুজাই কোৱা হওক।

দয়াময় দীননাথ দয়া দান দিয়া
কাকুতি কৰিছো মই কাতৰ কৰিয়া।

এই কাব্যশাৰীত এটা বৰ্ণ (দ) একাধিকবাৰ উল্লেখিত হৈ এক শ্ৰুতি মাধুৰ্যৰ সৃষ্টি কৰাৰ লগতে অনুপ্ৰাস অলংকাৰৰ সৃষ্টি কৰিছে। এই কাব্যশাৰীৰ 'দীননাথ' শব্দটোৱে 'ভগৱান'ক চিহ্নিত কৰিছে। এই দীননাথ শব্দটোৰ ঠাইত যদি আমি 'ভগৱান' বা 'ভগৱন্ত' শব্দটো লগালেও তাৰ অৰ্থৰ পৰিৱৰ্তন নহয়; কিন্তু তাত থকা অলংকাৰটি নাইকিয়া হৈ যাব। গতিকে দেখা গ'ল যে কাব্যাশংত অলংকাৰৰ অস্তিত্ব নিৰ্ভৰ কৰিছে শব্দৰ ওপৰত। সেয়ে ক'ব পাৰি ই হ'ল শব্দালংকাৰ। এই বিষয়ে ইয়াৰ পৰৱৰ্তী অধ্যায়টোত বহলাই আলোচনা দাঙি ধৰা হ'ব।

### ৭.৭.২ অৰ্থালংকাৰ

শব্দালংকাৰ যেনেদৰে শব্দৰ ওপৰত নিৰ্ভৰশীল, ঠিক তেনেদৰে অৰ্থালংকাৰ কাব্যৰ অৰ্থৰ ওপৰত নিৰ্ভৰশীল। ইয়াত শব্দৰ পৰিৱৰ্তন কৰি একে অৰ্থযুক্ত আন শব্দ ব্যৱহাৰ কৰিলেও তাত থকা অলংকাৰটি উৰি নাযায় বা নাইকিয়া নহয়। অৰ্থাৎ অলংকাৰ সৃষ্টিৰ ক্ষেত্ৰত অৰ্থৰ প্ৰাধান্য আছে। উদাহৰণস্বৰূপে—

দুৰ্জ্জনৰ মিষ্ট কথা বিহৰ নিচিনা
তাত ভোলে যিটো লোক দিনতেই কণা।

এই উদাহৰণটিত অলংকাৰ ৰক্ষিত হৈ অৰ্থৰ ওপৰত নিৰ্ভৰ কৰি। ইয়াত বিহক তুলনা কৰা হৈছে মিষ্ট কথা লগত আৰু যিজনে তেনে কথা ভোল যায় তেওঁ দিনতেই কণা বুলি কৈছে। আমি যদি 'বিহ'ৰ ঠাইত 'গৰল' শব্দটি আৰু 'মিষ্ট কথা' শব্দটিৰ ঠাইত 'মধুৰ কথা' বা 'সুন্দৰ কথা' শব্দ দুটিৰ যিকোনো এটা ব্যৱহাৰ কৰোঁ তেতিয়াও দেখিম যে কাব্যাংশৰ অৰ্থৰ পৰিৱৰ্তন হোৱা নাই আৰু অলংকাৰো ৰক্ষিত হৈছে। গতিকে ক'ব পাৰি যে অৰ্থৰ ওপৰত নিৰ্ভৰ কৰি সৃষ্টি হোৱা অলংকাৰকে অৰ্থালংকাৰ বোলা হয়। এই বিষয়ে ইয়াৰ পাছৰ অধ্যায়টিত বহলাই আলোচনা কৰা হ'ব।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** অলংকাৰক মূলতঃ ৮টা ভাগত ৰুয্যকে ভাগ কৰিছে — কথাষাৰ শুদ্ধ নে অশুদ্ধ?

.......................................................................................

**প্ৰশ্ন নং ৬ ঃ** উভয়ালংকাৰত অৰ্থৰ প্ৰাধান্য আছে — কথাষাৰ শুদ্ধনে?


.......................................................................................



### ৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'অহং অহং' ভাব যেনেকৈ অহংকাৰ, ঠিক সেইদৰে 'অলং অলং' ভাৱেই হ'ল অলংকাৰ। অলং শব্দৰ অৰ্থ হ'ল 'হ'ল আৰু নালাগে' আৰু সংস্কৃত 'আলং' বা 'আলম্' শব্দৰ পৰাই অলংকাৰ শব্দটি নিষ্পন্ন হৈছে। অলংকাৰে মূলতঃ কাব্যৰ শব্দ তথা অৰ্থৰ শোভা বৃদ্ধি কৰি কওঁতাৰ মন ভৰাই তোলে। প্ৰাচীন আলংকাৰিকসকলে অলংকাৰ শব্দটি দুই ধৰণৰ অৰ্থত ব্যৱহাৰ কৰিছে। প্ৰথম ধাৰণা মতে পৰ্যাপ্তি বা যথেষ্ট, অৰ্থাৎ হ'ল আৰু নালাগে আৰু দ্বিতীয় অৰ্থ মতে ভূষণ।

- অলংকাৰৰ সংজ্ঞা নিৰূপণৰ ক্ষেত্ৰত মতবিৰোধ আছে। কেইটিমান উল্লেখযোগ্য মতবাদ হ'ল —
    - কাব্যশোভাকৰান্ ধৰ্ম্মানলঙ্কাৰান্ প্ৰচক্ষতে। — *দণ্ডী*
    - কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ — *বামন*
    - সৌন্দৰ্য্যমলঙ্কাৰঃ –— *বামন*
    - ৰূপকাদিৰলঙ্কাৰ - স্তস্যানৈৰ্ব্বহুধোদিতঃ।
    
      ন কান্তমপি নিৰ্ভূষং বিভাতি ৰমণীমুখম্।। — *ভামহ*
- কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা উপলব্ধ হয় তিনি ধৰণে— বাক্য প্ৰভাৱশালী কৰাৰ বাবে, বৰ্ণনীয় বিষয় স্পষ্টৰূপত তুলি ধৰিবৰ বাবে আৰু ৰমণীয়তা সম্পাদনৰ বাবে।
- কাব্যত অলংকাৰে স্থান গৌণ নে মুখ্য সেই বিষয়েও মতবিৰোধ আছে। মূলতঃ ক'ব পাৰি কাব্যত অলংকাৰৰ অৱদান কোনখিনি বা ইয়াৰ স্থান গৌণ নে মুখ্য সেয়া প্ৰধান বিচাৰ্য বিষয় নহয়। কাৰণ অলংকাৰৰ অৱদানখিনি সুকীয়াকৈ লৈ কাব্য উপভোগ কৰা নাযায়। কবিৰ প্ৰতিভাই অলংকাৰক সাৰ্থক কৰে।
- অলংকাৰৰ প্ৰধান ধৰ্ম দুটা নিৰ্ণয় কৰি ইয়াক মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে। যথা — শব্দালংকাৰ আৰু অৰ্থালংকাৰ। যিবোৰ অলংকাৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে কাব্যত ব্যৱহৃত শব্দৰ ওপৰত তেনে অলংকাৰকে শব্দালংকাৰ বোলা হয়। অৰ্থৰ ওপৰত নিৰ্ভৰ কৰি সৃষ্টি হোৱা অলংকাৰকে অৰ্থালংকাৰ বোলা হয়।



## ৭.৯ অধিক জানিবলৈ

১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।
২) ডেকা, ধৰ্ম্মসিংহ (২০০৬); *ছন্দ আৰু অলংকাৰ;* গুৱাহাটী ঃ অসম বুক ডিপো।
৩) বৰা, মহেন্দ্ৰ (১৯৯৭); *অসমীয়া ছন্দৰ শিল্পতত্ত্ব;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ্।
৪) বৰা, মহেন্দ্ৰ (১৯৯০); *অসমীয়া কবিতাৰ ছন্দ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
৫) বৰা, যতীন (১৯৯৯); *ছন্দ, ধ্বনি আৰু অলংকাৰ;* ডিব্ৰুগড় ঃ বনলতা।
৬) বৰুৱা, নৱকান্ত (১৯৬৪); *অসমীয়া ছন্দ শিল্পৰ ভূমিকা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ্।
৭) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।
৮) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।
৯) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
১০) শৰ্মা, সোণাপতি দেৱ (২০০৮); *অসমীয়া সাহিত্যৰ সাজ;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

## ৭.১০ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** সংস্কৃতৰ 'আলং' বা 'আলম্' শব্দ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** আচাৰ্য বামনে।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ভট্ট বামন, অভিনৱগুপ্ত, আনন্দবৰ্ধন, বিশ্বনাথ কবিৰাজ, মম্মট আদি।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

## ৭.১১ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অলংকাৰ কাক বোলে?

(খ) অলংকাৰ সম্পৰ্কে ভামহে দিয়া সংজ্ঞাটো লিখক।

(গ) "সৌন্দৰ্য্যমলংকাৰ" বুলি কোনে মত পোষণ কৰিছিল?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** অলংকাৰৰ অৰ্থ নিৰূপণ কৰি সংজ্ঞা লিখক?

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক —

(ক) ৰমণীয়তা সম্পাদন (খ) বাক্য প্ৰভাৱশালী কৰা

(গ) বৰ্ণনীয় বিষয়ৰ স্পষ্টীকৰণ

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

**প্ৰশ্ন ২ ঃ** সাহিত্যত অলংকাৰৰ স্থান নিৰূপণ কৰক।

**প্ৰশ্ন ৩ ঃ** অলংকাৰৰ শ্ৰেণীবিভাজন সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

# অধ্যায় ৮ ঃ কেইটিমান নিৰ্বাচিত অলংকাৰ

## অধ্যায় গাঁথনি


৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ শব্দালংকাৰ

৮.৩.১ অনুপ্ৰাস

৮.৩.২ যমক

৮.৩.৩ শ্লেষ

৮.৩.৪ বক্ৰোক্তি

৮.৪ অৰ্থালংকাৰ

৮.৪.১ উপমা

৮.৪.২ ৰূপক

৮.৪.৩ উৎপ্ৰেক্ষা

৮.৪.৪ ভ্ৰান্তিমান

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্ৰগতিৰ খতিয়ান

৮.৮ আৰ্হি প্ৰশ্ন


## ৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শব্দালংকাৰৰ বিষয়ে বিস্তৃত ধাৰণা লাভ কৰিব
- শব্দালংকাৰৰ শ্ৰেণী বিভাগ সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে অনুপ্ৰাস, যমক, শ্লেষ আৰু বক্ৰোক্তিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- অৰ্থালংকাৰৰ বিষয়ে সবিশেষ জ্ঞান লাভ কৰিব
- অৰ্থালংকাৰৰ শ্ৰেণীবিভাগ সম্পৰ্কে ধাৰণা লাভ কৰাৰ লগতে উপমা, ৰূপক, উৎপ্ৰেক্ষা তথা ভ্ৰান্তিমান অলংকাৰৰ বিষয়ে বিশ্লেষণ আগবঢ়াব পাৰিব।

## ৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি অলংকাৰৰ সংজ্ঞা, কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা,

কাব্যত অলংকাৰৰ স্থান সম্পৰ্কে সবিশেষভাৱে অধ্যয়ন কৰিলে। তদুপৰি অলংকাৰৰ শ্ৰেণীবিভাগ সম্পৰ্কেও সম্যক ধাৰণা লাভ কৰিলে। সেই অধ্যায়টিত অলংকাৰৰ যে মূলতঃ দুটা ভাগত বিভক্ত, ক্ৰমে শব্দালংকাৰ আৰু অৰ্থালংকাৰ — সেই বিষয়েও জ্ঞাত হ'ল।

এই অধ্যায়টোত আপুনি শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰিবলৈ পাব। তদুপৰি কেইটিমান উল্লেখনীয় শব্দালংকাৰ, যথা— অনুপ্ৰাস, যমক, শ্লেষ আৰু বক্ৰোক্তিৰ বিষয়ে ধাৰণা লাভ কৰিব। অৰ্থালংকাৰক কেনেদৰে শ্ৰেণী বিভাগ কৰা হয় সেই বিষয়েও অধ্যয়ন কৰাৰ লগতে কেইটিমান বিশেষ শব্দালংকাৰ বিষয়ে বিশ্লেষণ কৰা হ'ব। সেই শব্দালংকাৰ কেইটি হ'ল— উপমা, ৰূপক, উৎপ্ৰেক্ষা আৰু ভ্ৰান্তিমান।

## ৮.৩ শব্দালংকাৰ

ইয়াৰ আগৰ অধ্যায়টোৰ জৰিয়তে আমি জ্ঞাত হ'লো যে শব্দালংকাৰ শব্দৰ ওপৰতে নিৰ্ভৰশীল। ক'ব পাৰি শব্দালংকাৰত অলংকাৰৰ সৌন্দৰ্যৰ মূল হ'ল বৰ্ণ। কাব্যত কবিয়ে বৰ্ণবিন্যাসেৰে বিভিন্ন গুণসমূহ ফুটাই তোলাৰ লগতে শব্দধ্বনিৰ সৌন্দৰ্য সৃষ্টি কৰি পাঠকৰ মন আহ্লাদিত কৰি তোলে। এইবিধ অলংকাৰ বৈচিত্ৰ্য ঘাইকৈ বুদ্ধিগম্য। সেই বাবে বহু আলংকাৰিকে ইয়াক 'তল খাপৰ' কবিতা বুলিও মন্তব্য কৰে। তেওঁলোকৰ মতে কবিৰ শব্দচাতুৰ্যৰ হেঁচাত প্ৰসাদ গুণ তথা হৃদয় আহ্লাদিত কৰা গুণসমূহ নাথাকে আৰু পাঠকৰ মনত এতৰপ জলমলীয়া আৱৰণহে সৃষ্টি কৰে। তথাপিও আমি ক'ব লাগিব যে শব্দৰ সুবিন্যাস সাহিত্য কলাৰ এক বিশেষ কলা আৰু তাৰ মনোগ্ৰাহিতা সন্দেহাতীত। উদাহৰণস্বৰূপে আমি "শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা/নিশাচৰ নাশ নিদানা" বৰগীতটোৰ কথা ক'ব পাৰোঁ। এই বৰগীতটোৰ অৰ্থ বহুতে ভালদৰে ক'ব নোৱাৰিব যদিও ইয়াৰ অনুপ্ৰাসযুক্ত লয়-সুৰ আদিয়ে কাব্যাংশক অধিক ৰমণীয় কৰি তোলা লগতে আমাৰ সকলোকে মুগ্ধ কৰি ৰাখিছে।

শব্দালংকাৰৰ শ্ৰেণীবিভাগ সম্পৰ্কেও বিভিন্ন আলংকাৰিকৰ মাজত মতভেদ থকা পৰিলক্ষিত হয়। তথাপিও মম্মটকে আদি কৰি বিভিন্ন আলংকাৰিকে অনুপ্ৰাস, যমক, শ্লেষ, বক্ৰোক্তি, পুনৰুক্তবদাভাস আৰু চিত্ৰ— এই ছটা ভাগত শব্দালংকাৰক ভাগ কৰিছে। আমাৰ পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত ইয়াৰে চাৰিটা শব্দালংকাৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল।

### ৮.৩.১ অনুপ্ৰাস

অনু শব্দৰ অৰ্থ হ'ল ৰসাদিৰ অনুকূলে আৰু প্ৰাস শব্দৰ অৰ্থ হ'ল— প্ৰকৃষ্টভাৱে কৰা বৰ্ণৰ ন্যাস। অৰ্থাৎ ৰসপুষ্টিৰ বাবে ওচৰা-ওচৰিকৈ কৰা বৰ্ণৰ বিন্যাসকে অনুপ্ৰাস বোলা হয়। উল্লেখযোগ্য যে ইয়াত সদৃশ ব্যঞ্জন বৰ্ণৰহে বিন্যাস (ওচৰা-ওচৰিকৈ) হ'ব লাগিব। বহলাই ক'বলৈ হ'লে উল্লেখ কৰিব লাগিব যে অনুপ্ৰাস হ'বলৈ হ'লে তাত মূলতঃ চাৰিটা প্ৰধান বৈশিষ্ট্য ৰক্ষিত হ'ব লাগিব। যথা—

➢ *শুনিবলৈ শুৱলা ঃ* ওচৰা-ওচৰিকৈ কৰা বৰ্ণৰ বিন্যাসখিনি যদি শুনিবলৈ শুৱলা নহয় তেন্তে সেয়া অলংকাৰ হ'ব নোৱাৰে বা নহয়।

➢ *সদৃশ বৰ্ণ ঃ* ওচৰা-ওচৰিকৈ বিন্যাস কৰা বৰ্ণখিনি সদৃশ বৰ্ণ হ'ব লাগিব।

➢ *ব্যঞ্জন বৰ্ণ ঃ* সাধাৰণতে ওচৰা-ওচৰিকৈ বিন্যাস কৰা বৰ্ণখিনি হ'ব লাগে ব্যঞ্জন বৰ্ণ। স্বৰবৰ্ণৰ ওচৰা-ওচৰি বিন্যাস কৰা নহয় কাৰণ ইয়াত শ্ৰুতিমাধুৰ্য কম পোৱা যায়। কিন্তু অসমীয়াত স্বৰবৰ্ণৰ ওচৰা-ওচৰি বিন্যাস পোৱা যায়।

➢ *ওচৰা-ওচৰি বিন্যাস ঃ* অনুপ্ৰাসত বিন্যাস কৰা বৰ্ণখিনি ওচৰা-ওচৰিকৈ থাকিব লাগিব। বৰ্ণ এটাৰ ধ্বনি মাধুৰ্য একেবাৰে মাৰ যোৱাৰ আগতেই সেই নিৰ্দিষ্ট বৰ্ণটি পুনৰ ধ্বনিত হ'ব লাগে। মূলতঃ পৰিবৃত্তিৰ সুশ্ৰাব্য গুণটো আনি দিব লাগিব।

এটা উদাহৰণেৰে কথাখিনি বহলাই আলোচনা কৰা হওক—

দয়াময় দীননাথ দয়া দান দিয়া।
কাকুতি কৰিছো মই কাতৰ কৰিয়া।।

এই কাব্যাংশৰ প্ৰথম শাৰীটোত 'দ', 'য়' আৰু 'ন' ব্যঞ্জন বৰ্ণটি আৰু দ্বিতীয় শাৰীটোত 'ক' বৰ্ণটি এটা নিৰ্দিষ্ট লয়ৰ পাছতে পুনৰ ধ্বনিত হৈ এক শ্ৰুতিমাধুৰ্যৰ সৃষ্টি কৰি অনুপ্ৰাস অলংকাৰ সৃষ্টি কৰিছে।

অনুপ্ৰাস অলংকাৰটিকো আলংকাৰিকসকলে পুনৰ পাঁচটা উপবিভাগত ভাগ কৰিছে। যথা—

➢ *অন্ত্যানুপ্ৰাস ঃ* পদৰ অথবা কবিতাৰ চৰণসমূহৰ শেষৰ ব্যঞ্জন বৰ্ণৰ বা স্বৰ বৰ্ণৰ মিল থাকিলে অন্ত্যানুপ্ৰাস সৃষ্টি হয়। উল্লেখযোগ্য যে এই অনুপ্ৰাসত কেৱল ব্যঞ্জন বৰ্ণৰ মিল থকাটোৱেই প্ৰধান কথা নহয়, ইয়াৰ লগত থাকিব লাগিব ব্যঞ্জনৰ আগৰ পাছৰ স্বৰবৰ্ণৰ সাম্য। যথা—

তুমি নিৰঞ্জন।
পাতক ভঞ্জন।।
দানব গঞ্জন।
গোপিকা ৰঞ্জন।।

ইয়াত শেষৰ বৰ্ণ 'ঞ্জন' বাৰে বাৰে ধ্বনিত হৈ শ্ৰুতি মাধুৰ্যৰ লগতে অন্ত্যানুপ্ৰাস অলংকাৰৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে পুৰণি অসমীয়া ছন্দত অন্ত্যমিল থকাটো প্ৰায় নিয়মেই। তদুপৰি ৰোমাণ্টিক অসমীয়া কবিতাটো এই অন্ত্যমিল থকা দেখা যায় আৰু স্বৰবৰ্ণৰ অন্তমিলো দুই এক কবিতাত দেখা যায়। যথা—

আজি এই জোনালী ৰাতিত
নাওখনি মেলি দিলোঁ মই,
লুইতৰ সুদূৰ সিপাৰে
সোনোৱালী সেই দেশ ল'ই।

ইয়াত 'অই' এই দুয়োটা স্বৰবৰ্ণৰ অন্তমিলত অন্ত্যানুপ্ৰাস অলংকাৰৰ সৃষ্টি হৈছে। প্ৰণিধানযোগ্য যে স্বৰবৰ্ণৰ অনুপ্ৰাস কেৱল 'অ'ই' আই', 'অই', 'অউ', 'আউ', 'আও' আদি দ্বিস্বৰ তুল্য স্বৰবৰ্ণৰ তথা অন্ত্যানুপ্ৰাসতহে দেখা যায়।

- *ছেকানুপ্ৰাস ঃ* ছেক শব্দৰ অৰ্থ হ'ল চতুৰ। অৰ্থাৎ ই হ'ল চতুৰভাৱে সৃষ্টি হোৱা এক অলংকাৰ। এই অলংকাৰত দুটা বা তাতোধিক ব্যঞ্জন বৰ্ণ যুক্ত বা বিযুক্তভাৱে দুবাৰ ক্ৰম অনুসৰি পুনৰাবৃত্তি হয়। বৰ্ণৰ ক্ৰম যদি সলনি হয় তেন্তে ই ছেকানুপ্ৰাস নহয়। এই অলংকাৰৰ মূল কথা হ'ল এটা ধ্বনি মাত্ৰ দুবাৰহে পুনৰাবৃত্তি হয়। যেনে—

  বজাই তোমাৰ বীণা বীণাপাণি
  ভাৰতক তুলি লোৱা।

  এই কাব্যাংশত 'বীণা' আৰু বীণাপাণিৰ 'বীণা' দুবাৰ ধ্বনিত হৈ ছেকানুপ্ৰাসৰ সৃষ্টি কৰিছে।

- *বৃত্তানুপ্ৰাস ঃ* এক বা একাধিক বৰ্ণ দুবাৰতকৈ অধিক বাৰ পুনৰাবৃত্ত হ'লে বৃত্তানুপ্ৰাস হয়। ছেকানুপ্ৰাস আৰু ইয়াৰ প্ৰধান পাৰ্থক্য হ'ল— ছেকানুপ্ৰাসত দুটা বৰ্ণ দুবাৰ আবৃত্ত হয় আৰু ইয়াত এক বা একাধিক বৰ্ণ দুবাৰতকৈ বেছি আবৃত হয়। যথা—

  জগজন জীৱন অজন জনাৰ্দ্দন
  দনুজ দমন দুখহাৰী।

  ইয়াৰ প্ৰথম শাৰীটোত 'জ' আৰু 'ন' আৰু দ্বিতীয় শাৰীটোত 'দ' কেইবাবাৰো আবৃত্ত হৈ বৃত্তানুপ্ৰাস অলংকাৰৰ সৃষ্টি কৰিছে।

- *শ্ৰুত্যানুপ্ৰাস ঃ* মুখ গহ্বৰৰ তালু-দন্ত আদি স্থানৰ ভিতৰত কোনো এক স্থানৰ পৰা উচ্চাৰিত ব্যঞ্জনৰ সাদৃশ্যত শ্ৰুত্যানুপ্ৰাস অলংকাৰ সিদ্ধ হয়। যেনে—

  ধন জন জীৱন যৌৱন বিজুৰ
  উজুৰি দেশ নেদেশ।

  ইয়াৰ বাৰে বাৰে আবৃত্ত হোৱা 'জ' আৰু 'য' ধ্বনি মুখ গহ্বৰৰ একে স্থানৰ পৰা উচ্চাৰিত হয়। গতিকে ই শ্ৰুত্যানুপ্ৰাস অলংকাৰ।

- *লাটানুপ্ৰাস ঃ* তাৎপৰ্যভেদে একে অৰ্থতে শব্দ, পদ অথবা একাধিক পদৰ পুনৰাবৃত্তিত যি অনুপ্ৰাস অলংকাৰ সিদ্ধ হয় তাকে লাটানুপ্ৰাস অলংকাৰ বোলা হয়। যথা— 'মধু অধৰ-মধুপানে।'

  ইয়াত 'মধু' শব্দটো ভিন্ন তাৎপৰ্যত ব্যৱহাৰ কৰা হৈছে বাবে লাটানুপ্ৰাস অলংকাৰৰ সৃষ্টি হৈছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** অনুপ্ৰাস অলংকাৰ এক অৰ্থালংকাৰ বিশেষ— কথাষাৰ শুদ্ধ নে?

.............................................................................................

**প্ৰশ্ন নং ২ ঃ** 'অনুপ্ৰাস মূলতঃ চাৰি ভাগত বিভক্ত বুলি মম্মটাচাৰ্যই মত পোষণ কৰিছে'— কথাষাৰ শুদ্ধ নে অশুদ্ধ?

.........................................................................................................

## ৮.৩.২ যমক

স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ একেটা থুল বা পদ অৰ্থ থাকিলে ভিন্ন অৰ্থত আৰু অৰ্থ নাথাকিলে নিৰৰ্থকভাৱেই একে ক্ৰমতে উচ্চাৰিত হ'লে যি অলংকাৰৰ সৃষ্টি হয় তাকে যমক অলংকাৰ বোলে। এটা উদাহৰণেৰে আমি কথাখিনি ভালদৰে উপলব্ধি কৰিব পাৰিম। যথা—

মোৰ বাছা নপশিবা গহন গহন।
লগত সাৰথি নাই মোহন মোহন।।

এই কাব্যাংশৰ প্ৰথম শাৰীত 'গহন' আৰু পাছৰ শাৰীত 'মোহন' দুবাৰ ধ্বনিত হৈ যমক অলংকাৰৰ সৃষ্টি কৰিছে। প্ৰথম শাৰীৰ প্ৰথম 'গহন' শব্দৰ অৰ্থ হ'ল — গভীৰ, দূৰ্গম আৰু দ্বিতীয় 'গহন' শব্দৰ অৰ্থ — বন। ঠিক সেইদৰে দ্বিতীয় শাৰীৰ প্ৰথম 'মোহন' শব্দৰ অৰ্থ হ'ল— মুগ্ধ কৰিব পৰা আৰু দ্বিতীয় 'মোহন' মানে শ্ৰীকৃষ্ণ। এই কবিতাংশত স্বৰ আৰু ব্যঞ্জন বৰ্ণ একোটা থুল (মোহন আৰু গহন) ভিন্ন অৰ্থত একেটা ক্ৰমতে উচ্চাৰিত হৈছে। ঠিক সেইদৰে আন এটা উদাহৰণ লোৱা হওক —

মৰ্দিয়ে বিষধৰ কালি
যমুনা হ্ৰদ নিকালি।

ইয়াত 'কালি' শব্দটো একেটা ক্ৰমতে পুনৰাবৃত্তি ঘটিছে। প্ৰথম কালিটোৱে কালিনাগক বুজাইছে, কিন্তু দ্বিতীয় কালিটো লাগি আছে 'নি' লগত। এই 'নি' লগত থাকিলেহে ই অৰ্থ প্ৰকাশক হৈছে আৰু লগত নাথাকিলে সি নিৰৰ্থক। সেয়ে ক'ব পাৰি অৰ্থ থাকিলে ভিন্নাৰ্থত আৰু নাথাকিলে নিৰৰ্থকভাৱে স্বৰ-ব্যঞ্জনৰ থুল যদি পুনৰাবৃত্তি ঘটে তেন্তে সিয়েই যমক অলংকাৰ। মনত ৰাখিবলগীয়া কথাটি হ'ল বৰ্ণৰ ক্ৰম সাদৃশ্য তথা স্বৰ-ব্যঞ্জনৰ থুল থকাটো অপৰিহাৰ্য।

## ৮.৩.৩ শ্লেষ

শ্লেষ শব্দটোৰ অৰ্থ হ'ল— এটাতকৈ অধিক অৰ্থত একোটা শব্দৰ ব্যৱহাৰ। বাক্যত কোনো এটা শব্দৰেই দুই বা তাতোধিক অৰ্থ নিৰূপণ কৰিলে যি অলংকাৰৰ সৃষ্টি হয় তাকে শ্লেষ অলংকাৰ বুলি কোৱা হয়। অৰ্থাৎ দ্ব্যৰ্থকভাৱে ব্যৱহাৰ কৰা শব্দৰে যি অলংকাৰৰ সৃষ্টি হয় সেয়াই শ্লেষ অলংকাৰ। যথা —

হে প্ৰভু মোক বাঞ্ছিত বৰদান কৰক।

এই বাক্যশাৰীত 'বৰদান' শব্দটোৱে দুটা অৰ্থ নিৰূপণ কৰিছে। 'বৰ' মানে 'আশীৰ্বাদ' আৰু আনটো অৰ্থ হ'ল 'দৰা বা স্বামী'। বক্তাই দ্ব্যাৰ্থকভাৱেই কথাষাৰ ব্যক্ত কৰিছে। আন এটা উদাহৰণ লোৱা হওক। 'নৰক বিনাশন কৃষ্ণ'— ইয়াত 'নৰক বিনাশন' শব্দটোৱে দুটা অৰ্থ প্ৰকাশ কৰিছে— নৰক নামৰ অসুৰ জনক বিনাশ কৰা আৰু আনটো হ'ল— নৰকৰ ভয় নাশ কৰা। এটা শব্দতে দুটা অৰ্থ থকা বা ই শ্লেষ। এইবিধ অলংকাৰৰ মূল কথাটি হ'ল এবাৰ উচ্চাৰণতে একাধিক অৰ্থ ওলাব লাগিব, একেটা শব্দ দুবাৰ ব্যৱহাৰ কৰি অৰ্থ উলিয়ালে সি শ্লেষ অলংকাৰ নহয়।

## ৮.৩.৪ বক্ৰোক্তি

এইবিধ অলংকাৰত বক্তাই যি অৰ্থৰে শব্দটি ব্যৱহাৰ কৰে শ্ৰোতাই সেই অৰ্থত নলৈ আন এটি অৰ্থ গ্ৰহণ কৰে। অৰ্থাৎ বক্তাৰ অভিপ্ৰেত অৰ্থটি শ্ৰোতাই জানি শুনিয়েই অন্য অৰ্থ হিচাপে ধৰি লয় আৰু আচল অৰ্থটি লুকুৱাব খোজে। শ্লেষ আৰু বক্ৰোক্তিৰ পাৰ্থক্য হ'ল— শ্লেষত বক্তাই নিজ ইচ্ছাৰে দ্ব্যৰ্থক শব্দ ব্যৱহাৰ কৰে আৰু বক্ৰোক্তিত বক্তাৰ ঠাইত শ্ৰোতাইহে দ্ব্যৰ্থক অৰ্থ এটি উলিয়ায় লয়। যেনে—

ঃ মই পূৰণ কৰিবলৈ দিলো। তুমি হৰণ হে কৰিলা।

ঃ মই হৰণ কৰা নাই চাৰ। ভুলতে পেঞ্চিলডাল জেপত সোমাল।

ইয়াত প্ৰথম বক্তাই 'হৰণ' শব্দটোৱে অংকৰ এক প্ৰণালীৰ কথা ব্যক্ত কৰিছিল। কিন্তু দ্বিতীয় বক্তাই 'হৰণ' শব্দটোৰ সেই অৰ্থ নকৰি 'চোৰ কৰা' অৰ্থ গ্ৰহণ কৰি উত্তৰ দিলে। ঠিক সেইদৰে—

এৰি দিয়া সখী কাম আছে মোৰ
এড়ি মই ক'ত পাম।
কামুকীজনীৰ কি হ'ব এড়িৰে
সিজিব কিবা সকাম।।

এই কাব্যাংশত 'এৰি দিয়া' শব্দটোৱে 'ত্যাগ কৰা' অৰ্থ প্ৰকাশ কৰিব বিচাৰিছে বক্তাই, কিন্তু শ্ৰোতাই সেই অৰ্থ গ্ৰহণ নকৰি 'এড়ি পলুৰ' অৰ্থ গ্ৰহণ কৰিছে। ঠিক সেইদৰে 'কাম' শব্দটোৱে কৰ্ম বুজাব বিচাৰিছে যদিও শ্ৰোতাই 'কামনা' অৰ্থ নিৰূপণ কৰি উত্তৰ দিছে। ফলশ্ৰুতিত ইয়াত বক্ৰোক্তি অলংকাৰৰ সৃষ্টি হৈছে।

বক্ৰোক্তিক যে এটি পৃথক মতবাদ বুলিও বিবেচনা কৰা হয় সেই বিষয়ে ইতিমধ্যে আপুনি এইখন পাঠ্যবিষয়ৰে তৃতীয় অধ্যায়ত বহলাই আধ্যয়ন কৰি আহিছে। সেই আলোচনাতে আৰু এটি কথাও স্পষ্টভাৱে কোৱা হৈছে যে বক্ৰোক্তিক বহুতে কেৱল এটি অলংকাৰ বুলিহে ক'ব বিচাৰে। সেই কথাকেই সৰোগত কৰি ইয়াত বক্ৰোক্তি সম্পৰ্কে চমুকৈ আলোচনা সন্নিৱিষ্ট কৰা হ'ল।



**চিন্তা-চৰ্চা কৰক — ৮.১**

তলৰ কবিতাকেইটাত কি কি অলংকাৰ আছে নিৰূপণ কৰি যুক্তিসহ প্ৰতিপন্ন কৰিবলৈ যত্ন কৰক—

(ক) গড়গাঁও গড়গাঁও
কথা শুনি তল যাও
পথ দেখি পিছলে যে পাও

(খ) নীৰৱে আহিছোঁ সখি নীৰৱেই যাম।
মোক যিবা দিয়া তাকো নীৰৱেই পাম।।

(গ) মধু মূৰ নৰক নিবাৰণ বাৰণ
কুবলয় জীৱন হাৰী

(ঘ) শুদ্ধ শুক্ল চন্দনৰ তিলক জিলিকা
পণ্ডিত মদনমোহন যেন
এতিয়াও ক'ৰবাত
আছে লই
পৰম প্ৰতীক্ষা

(ঙ) অজৰ কূলত কি অজটোৰ জন্ম হ'ল।

## ৮.৪ অৰ্থালংকাৰ

ইয়াৰ আগৰ অধ্যায়টোত আমি ইতিমধ্যে আলোচনা কৰিছোঁ যে— শব্দালংকাৰ যেনেদৰে শব্দৰ ওপৰত নিৰ্ভৰশীল, ঠিক তেনেদৰে অৰ্থালংকাৰ কাব্যৰ অৰ্থৰ ওপৰত নিৰ্ভৰশীল। কবি এজন সৃষ্টিশীল ৰূপকাৰ। কবিয়ে তেওঁৰ সৃষ্টিত সকলো সৌন্দৰ্য একস্বৰূপে প্ৰতিভাত কৰাব বিচাৰে। কালিদাসৰ ভাষাৰে ক'ব পাৰি — “একস্থসৌন্দৰ্যদিদৃক্ষা” (*কুমাৰসম্ভৱ* ঃ উমাৰ কথা বৰ্ণনা কৰোতে) অৰ্থাৎ সমস্ত সৌন্দৰ্যক একেলগে বা সমন্বিত অৱস্থাত চোৱাৰ হেঁপাহ। এই সমন্বিত অৱস্থাৰ মূলতে থাকে সাদৃশ্য বা ৰিজনি। এই সাদৃশ্য কেতিয়াবা প্ৰকাশ্য আৰু কেতিয়াবা অপ্ৰকাশ্য অৱস্থাত থাকে। কেতিয়াবা থাকে অভেদ ভাবে, কেতিয়াবা ভেদ আৰু কেতিয়াবা ভেদ-অভেদ দুয়োটাই সমানভাৱে থাকি অৰ্থৰ বিস্তাৰ ঘটাই অৰ্থালংকাৰৰ সৃষ্টি কৰে। মূলঃ কথাটি হ'ল অৰ্থালংকাৰ নিৰ্ভৰশীল কাব্যৰ অৰ্থৰ ওপৰত, অৰ্থ একে ৰাখি শব্দৰ পৰিৱৰ্তন ঘটালেও ইয়াৰ অস্তিত্বত ব্যাঘাট নঘটে। আন ক্ষেত্ৰবোৰৰ দৰে অৰ্থালংকাৰৰ শ্ৰেণীবিভাজনৰ ক্ষেত্ৰটো আলংকাৰিকসকলৰ মাজত মতবিৰোধ আছে। তথাপিও স্থূলভাৱে অৰ্থালংকাৰক মূলত ৬টা ভাগত ভগাব পাৰি। যথা— (ক) সাদৃশ্যমূলক, (খ) বৈসাদৃশ্যমূলক, (গ) শৃংখলামূলক, (ঘ) ন্যায়মূলক, (ঙ) গূঢ়াৰ্থমূলক আৰু (চ) মিশ্ৰ অলংকাৰ।

- **সাদৃশ্যমূলক অলংকাৰ ঃ** কেইটিমান উল্লেখযোগ্য সাদৃশ্যমূলক অলংকাৰ হ'ল— উপমা, ৰূপক, উল্লেখ, স্মৰণ, সন্দেহ, ভ্ৰান্তিমান, উৎপ্ৰেক্ষা, দৃষ্টান্ত, নিদৰ্শন, অতিশয়োক্তি, সমাসোক্তি, তুল্যযোগিতা, সম, ইত্যাদি। আমাৰ পাঠ্যবিষয়ত ইয়াৰে কেইটিমান অলংকাৰ বিশেষভাৱে অধ্যয়ন কৰিব লাগে। তলত সেইবোৰৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব।
- **বৈসাদৃশ্যমূলক ঃ** কেইটিমান বৈসাদৃশ্যমূলক অলংকাৰৰ উদাহৰণ হ'ল— ব্যাতিৰেক, বিৰোধভাস, বিভাৱনা, বিশেযোক্তি, অসংগতি, বিষম, বিচিত্ৰ, ব্যাঘাট, বিশেষ, অনুকূল, ইত্যাদি।
- **শৃংখলামূলক ঃ** কাৰণমালা, একাৱলী, যথাসাংখ্য, সাৰ, অন্যোহন্য, মালাদীপক, পৰ্যায় আদি শৃংখলামূলক অলংকাৰৰ উদাহৰণ।
- **ন্যায়মূলক ঃ** ন্যায়মূলক অলংকাৰৰ ভিতৰত অৰ্থান্তৰন্যাস, কাব্যলিংগ, অপ্ৰস্তুত প্ৰশংসা, আক্ষেপ, প্ৰতীম, পৰিসংখ্যা প্ৰণিধানযোগ্য।
- **গূঢ়াৰ্থমূলক ঃ** ব্যাজস্তুতি, স্বভাৱোক্তি, পৰ্যায়োক্তি, ব্যাজোক্তি, উদাত্ত, সূক্ষ্ম আৰু ৰসবৎ হ'ল গূঢ়াৰ্থমূলক অলংকাৰ।
- **মিশ্ৰ অলংকাৰ ঃ** অলংকাৰৰ এই ভাগকেইটাত অন্তৰ্ভুক্ত নোহোৱা সংসৃষ্টি আৰু সংকৰ অলংকাৰক মিশ্ৰ অলংকাৰ বোলা হয়। উল্লেখযোগ্য যে এইবিধ অলংকাৰত পূৰ্বোক্ত অনেক অলংকাৰ পৰস্পৰে মিলিত হিচাপে থাকে।

### ৮.৪.১ উপমা

স্পষ্ট আৰু বৈচিত্ৰ্যজনিত সাদৃশ্যৰে দুটা বিজাতীয় বস্তুৰ কোনো গুণ, ধৰ্ম, ক্ৰিয়াৰ মিল থকাৰ ফলত দুয়োটাকে পৰস্পৰে সদৃশ বুলি প্ৰতীতি হোৱাৰ লগতে সহৃদয় পাঠক সমাজৰ হৃদয় আহ্লাদিত কৰিলে যি অলংকাৰ সৃষ্টি হয় তাকে উপমা অলংকাৰ বোলে। মূল কথাটি হ'ল— ইয়াত পৰস্পৰ বিৰোধী ধৰ্মৰ উক্তি নাথাকে, সাদৃশ্যটো ভাবি উলিয়াবলৈ বৰ বেছিকৈ মগজুৰ কচৰৎ কৰিব লগা নহয় আৰু হৃদয় চমৎকাৰক হয়। উদাহৰণস্বৰূপে— হৰিণৰ দৰে চঞ্চলা চকু। এই উদাহৰণটিত হৰিণৰ চকুযুৰিৰ লগত তুলনা কৰা হৈছে এযুৰি চকুক। ইয়াত আমি ভালদৰে বিচাৰ কৰিলে চাৰিটা অংগ দেখিবলৈ পাওঁ। উদাহৰণটিত এযুৰি চকুক তুলনা কৰা হৈছে, অৰ্থাৎ কাৰোবাক তুলনা কৰা হৈছে — এই অংগটিত 'উপমেয়' বোলা হয়। তুলনা কৰাৰ কথাটি অহাৰ লগে লগে আহিব কাৰ লগত তুলনা কৰা হৈছে — উত্তৰটি পাম হৰিণৰ চকুযুৰিৰ লগত— ই 'উপমান'। দুয়োটাৰে তুলনা কৰা হৈছে যেতিয়া ইহঁত দুয়োটাৰে মাজত এটা সাদৃশ্য বা আধাৰ থাকিব লাগিব— সেয়া হ'ল 'সাধাৰণ ধৰ্ম'— ইয়াত সাধাৰণ ধৰ্ম হ'ল 'চঞ্চলা' গুণটি। দুয়োটা উপাদানৰ মাজত তুলনা দাঙি ধৰিবলৈ ব্যৱহাৰ কৰা হৈছে এটি শব্দ 'দৰে'। এই শব্দটিকে 'উপমাবাচক শব্দ' বা 'উপমা প্ৰতিপাদক' বোলা হয়।



## জানি থোৱা ভাল

- উপমান — যাৰ লগত তুলনা কৰা হয়,
- উপমেয় — যাক তুলনা কৰা হয়,
- সাধাৰণ ধৰ্ম — যিহৰ গুণত তুলনা কৰা হয়,
- উপমাবাচক শব্দ — যি শব্দৰে তুলনাৰ অৰ্থটো ওলাই পৰে।

অসমীয়া ভাষাত — যথা, দৰে, নিচিনা, সম, যেনে, সদৃশ, তুল্য, সমান, হেন আদি শব্দৰে তুলনা কৰা হয়। সংকাশ, সন্নিভ, নিভ, কল্প, তদ্ধিত, বৎ আদি সংস্কৃত শব্দ তথা প্ৰত্যয়ৰ দ্বাৰাও অসমীয়াত তুলনা কৰা হয়।

প্ৰণিধানযোগ্য যে কিছুমান অলংকাৰত এই চাৰিওটা অংগ দেখদেখকৈ ওলাই থাকে। আনহাতে বহু অলংকাৰত এটা, দুটা বা কেতিয়াবা তিনিটা অংগ লুকাই থাকে। ই লুকাই হে থাকে, একেবাৰে নথকাকে নাথাকে। অলপ ভালদৰে গমি চালেই চাৰিওটা অংগ ধৰা পৰে।

'উপমা' অলংকাৰকো সংস্কৃত আলংকাৰিকসকলে কেইবাটাও প্ৰকাৰত ভাগ কৰিছে। এই ক্ষেত্ৰত বহু মতবিৰোধ থকা দেখা যায়। সকলোখিনি বিচাৰ কৰি চালে 'উপমা' অলংকাৰক মূলতঃ দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। যথা— পূৰ্ণোপমা আৰু লুপ্তোপমা। ইয়াৰ উপৰি একোপমা, মালোপমা, ৰসনোপমা, উপমেয়োপমা, একদেশৰিৰ্তিনী উপমা আদি উপমাৰ বিভিন্ন শ্ৰেণী বিভাগৰ কথা উল্লেখ কৰা হয়। আমাৰ পাঠ্যবিষয়ৰ অন্তৰ্ভুক্তি মতে আমি পূৰ্ণোপমা আৰু লুপ্তোপমাহে ইয়াত আলোচনা কৰিম।

- পূৰ্ণোপমা ঃ যি উপমা অলংকাৰত উপমাৰ চাৰিওটা অংগই থাকে তাকে পূৰ্ণোপমা বোলে। যেনে—

  সভাখন ভৈল যেন নিৰ্ম্মল গগন।  
  ৰাজাসৱ ভৈল যেন নক্ষত্ৰ শোভন ।।

  ইয়াত 'সভা' আৰু 'ৰাজা' হ'ল— উপমেয়, 'গগন' আৰু 'নক্ষত্ৰ' হ'ল উপমান, সাধাৰণ ধৰ্ম হ'ল 'নিৰ্ম্মল' আৰু 'শোভন', উপমা বাচক শব্দ হ'ল 'যেন'। অৰ্থাৎ চাৰিওটা অংগই জলজল পটপটকৈ ওলাই আছে।

- *লুপ্তোপমা ঃ* যিবোৰ উপমা অলংকাৰত কেতিয়াবা এটা আৰু কেতিয়াবা তাতোধিক অংগ লুকাই থাকে তাকে লুপ্তোপমা বোলা হয়। যেনে—

  ক্ষণেকে অংগদে সুস্থ কৰিলা শৰীৰ।  
  বজ্ৰসম মুষ্টি ধৰিলন্ত মহাবীৰ।।

  এই উদাহৰণটিত 'বজ্ৰ' হ'ল উপমান, 'মুষ্টি' উপমেয় আৰু 'সম' উপমাবাচক

শব্দ। কিন্তু ইয়াত সাধাৰণ ধৰ্মটিৰ কথা উল্লেখ হোৱা নাই। বজ্র আৰু মুষ্টিৰ সাধাৰণ ধৰ্ম হ'ল— কঠিনতা। এইটো উল্লেখ নাই বাবে ই হৈছে লুপ্তোপমা।



**জানি থোৱা ভাল**

সংস্কৃত মহাকবি কালিদাস উপমা অলংকাৰ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত অতিকে নিপুণ আছিল। সেয়ে তেওঁক 'উপমাকালিদাসস্য' বুলিও কোৱা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ঃ** উপমান হ'ল উপমা অলংকাৰৰ মূল বস্তু— কথাষাৰ শুদ্ধ নে অশুদ্ধ।

........................................................................................................

**প্ৰশ্ন নং ৪ ঃ** উপমা অলংকাৰক চাৰিটা ভাগত ভাগ কৰা হৈছে। শুদ্ধ নে অশুদ্ধ।

........................................................................................................

## ৮.৪.২ ৰূপক

ৰূপক এবিধ অভেদ প্ৰধান অলংকাৰ। উপমেয়টিক উপমান ৰূপে কল্পনা কৰিলে যি সহৃদয় চমৎকাৰকতা উৎপন্ন হয় আৰু অলংকাৰৰ সৃষ্টি কৰে তাকে ৰূপক অলংকাৰ বোলে। উপমা অলংকাৰত উপমেয় আৰু উপমানৰ মাজত কিবা এটা বিষয়ত মিল থাকে আৰু সেই অংশটিত অভেদ কৰা হয়। আনহাতে অমিল বিষয়সমূহত ভেদ থাকি যায়, এক কথাত ক'ব পাৰি ভেদ আৰু অভেদ সমভাৱে থাকে। আনহাতে ৰূপক অলংকাৰত আচল স্বৰূপটি নাইকিয়া কৰা হয়। 'হৰিণৰ দৰে চঞ্চলা চকু'— ইয়াত হৰিণ আৰু চকু বেলেগ ৰূপত থাকিও মনোজ্ঞ বিষয়ত এক হৈ পৰিল — অৰ্থাৎ উপমা অলংকাৰ সৃষ্টি কৰিলে। কিন্তু 'হৰিণীনয়না'— এই বাক্যশাৰীত ভেদটো গৌণ হৈ অভেদটোহে প্ৰধান হৈ পৰিল। অৰ্থাৎ ৰূপক অলংকাৰ সৃষ্টি হ'ল। সেই বাবেই কোৱা হয় ৰূপক অভেদ প্ৰধান অলংকাৰ। মূল কথাটি হ'ল ইয়াত ভেদটো আবৃত হৈ অভেদখিনি উজ্বলি উঠে আৰু অভেদ প্ৰধানহে সৰ্বস্ব নহয়।

ৰূপক অলংকাৰকো মূলতঃ তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে। যথা— সাংগৰূপক, নিৰংগৰূপক আৰু পৰম্পৰিত ৰূপক। ইয়াৰ উপৰি বিভিন্ন আলংকাৰিলে ৰূপক অলংকাৰক শ্লিষ্ট ৰূপক, অধিকাৰূয় বৈশিষ্ট্য ৰূপক, মালাৰূপক আদি ভাগতো ভাগ কৰিছে।

- *সাংগৰূপক ঃ* এটা বস্তুক কোনো এটা বস্তুৰ লগত তুল্যৰূপতা দেখুৱাবলৈ তাৰ বাকী ভাগ বিলাককো সেই বস্তুৰ বাকী ভাগবিলাকৰ লগত তুল্যৰূপত দেখুৱাকে সাংগৰূপক বোলে। যেনে—

হিয়াৰ ফুলনি উজলাই পুনু
ফুলিব চেনেহে কুসুম পাহি।

এই উদাহৰণটিত হিয়াখনক ফুলনি বুলি কৈ অভেদত্ব আৰোপ কৰিলে। কিন্তু কবি ইমানতে শান্ত নহৈ চেনেহক কুসুমৰ লগত অভেদ কৰিলে। কাৰণ ফুলনি থাকিলে তাত ফুল থাকিবই। হিয়া ফুলনি হ'লে তাৰ কুসুম হ'ব চেনেহ। এই দুয়োটা অংগ অভেদ হৈ ৰূপক অলংকাৰ সৃষ্টি কৰাত তাক সাংগৰূপক বোলা হয়।

- *নিৰংগৰূপক ঃ* কেৱল উপমেয়টিত উপমানৰ অভেদ আৰোপ কৰিলে সৃষ্টি হোৱা ৰূপক অলংকাৰক নিৰংগৰূপ বোলে। যেনে—

শোকৰ সংগীত সিটি বিষাদৰ সুৰ
আতুৰত হুমুনীয়া লোতক চকুৰ।

ইয়াত উপমান কবিতা (সিটি)ৰ উপমেয় হ'ল— বিষাদৰ সুৰ, আতুৰত হুমুনীয়া আৰু লোতক চকুৰ। কেৱল উপমেয়টিত উপমানৰ অভেদ আৰোপ কৰা বাবে ই নিৰংগৰূপক। উল্লেখযোগ্য যে ইয়াত উপমেয় কেইবাটাও হোৱা বাবে বহুতে মালাৰূপক বুলিও চিহ্নিত কৰে।

- *পৰম্পৰিত ৰূপক ঃ* যত এটা উপমেয়ত উপমানৰ আৰোপটি আন উপমেয়ত উপমানৰ আৰোপৰ কাৰণ হয় তাকে পৰম্পৰিত ৰূপক বোলে। প্ৰণিধানযোগ্য যে ইয়াত ৰূপকবোৰত অংগাংগী সম্বন্ধ নাথাকে, কিন্তু প্ৰথম ৰূপকটোৰ বিস্তাৰৰ বাবে বাকী কেইটা ৰূপক ব্যৱহাৰ কৰা হয়। যেনে—

সো হি গোপাল জগতক পাল
মুনিগণ মানসহংসা।

এই উদাহৰণটিত 'মানস' শব্দটিয়ে 'মন' আৰু 'সৰোবৰ'ক বুজায়। আচলতে ইয়াত শ্লেষৰ ব্যৱহাৰ কৰা হৈছে। আনহাতে গোপাল (কৃষ্ণ) মানসত চৰে বাবেহে তেওঁক হংসৰূপে কল্পনা কৰা হৈছে। নহ'লে হংসৰ লগত গোপালৰ আন একো সাদৃশ্য নাই। ইয়াত মুনিজনৰ লগত মানস অন্বয় কৰিলে (যোগ দিলে) মন বুজাব আৰু হংসৰ লগত অন্বিত হ'লে মানস সৰোবৰ বুজাব। ইয়াত উপমেয় মুনিগণত মানস উপমানৰ আৰোপ হংস উপমানত মানস উপমানৰ আৰোপৰ কাৰণ— সেই এইটো পৰম্পৰিত ৰূপক। আনহাতে ইয়াত শ্লেষ থকা বাবে শ্লিষ্টৰূপক বুলিও বহুতে ক'ব খোজে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** ৰূপক এবিধ ...................... প্ৰধান অলংকাৰ।

**প্ৰশ্ন নং ৬ ঃ** ৰূপক মূলতঃ দুবিধ— কথাযাৰ শুদ্ধ নে অশুদ্ধ।

..............................................................................

### ৮.৪.৩ উৎপ্ৰেক্ষা

উৎপ্ৰেক্ষা শব্দটিৰ বুৎপত্তিগত অৰ্থ হ'ল— উৎ মানে উৰ্দ্ধ বা প্ৰৱল আৰু প্ৰেক্ষা মানে দৰ্শন বা আশংকন। ইয়াৰ পৰাই অনুধাৱন কৰিব পাৰি উৎপ্ৰেক্ষা হ'ল প্ৰৱলভাৱে হোৱা দৰ্শন বা আশংকনৰ ভিত্তিত সৃষ্টি হোৱা অলংকাৰ। ক'ব পাৰি উপমান আৰু উপমেয়ৰ মাজত থকা সাদৃশ্যৰ বাবে যদি উপমানকেই উপমেয় বুলি ধাৰণা বা বোধ জন্মিলে যি অলংকাৰৰ সৃষ্টি হয় তাকে উৎপ্ৰেক্ষা অলংকাৰ বোলে। উদাহৰণস্বৰূপে—

পীত বস্ত্ৰ জ্বলে আতি শ্যামল শৰীৰত।
স্থিৰ বিদ্যুতিকা যেন প্ৰকাশে মেঘত।।

এই উদাহৰণটিত ৰামৰ ৰূপৰ কথা বৰ্ণনা কৰিবলৈ যাওঁতে কবিয়ে মন্তব্য কৰিছে যে তেওঁৰ শ্যাম বৰণ শৰীৰত হালধীয়া বস্ত্ৰই উজ্বলি উঠিছে। সেয়াই কবিৰ মনত সন্দেহৰ সৃষ্টি কৰিছে — যেন মেঘৰ মাজত বিজুলীহে চমকিছে। এই ধাৰণাটি প্ৰৱল ৰূপত দেখা দিছেহি আৰু 'যেন' শব্দৰ দ্বাৰা এই উৎকট সন্দেহটি উপস্থাপিত কৰা হৈছে। উল্লেখযোগ্য যে ইয়াৰ লগত জড়িত হৈ আছে ***অধ্যাৰসায়***ৰ কথাটি।



***অধ্যাৰসায়*** ঃ অলংকাৰ শাস্ত্ৰত অধ্যা ৰসায় মানে অভেদ বুলি নিশ্চিত কৰাটো বুজায়।



**জানি থোৱা ভাল**

➢ সন্দেহ আৰু উৎপ্ৰেক্ষা অলংকাৰ দেখাত প্ৰায় একে হ'লেও এটি সৰু পাৰ্থক্য আছে। দুয়োটাই সন্দেহৰ ভেটিত প্ৰতিষ্ঠিত যদিও সন্দেহ অলংকাৰত সন্দেহ উপমান উপমেয় উভয়তে থাকে; কিন্তু উৎপ্ৰেক্ষাত সন্দেহ কেৱল উপমানতহে থাকে। যেনে— 'এই যুৰি চকু নে পদুম' — ই সন্দেহ অলংকাৰ, কিন্তু 'এই চকুযুৰি যেন পদুমহে' বুলি ক'লে উৎপ্ৰেক্ষা অলংকাৰ হ'ব।

➢ উৎপ্ৰেক্ষা অলংকাৰ যেন, যেনিবা, জানিবা, কিজানি, বোধ হয়, সাইলাখ, নিশ্চয়, ইত্যাদি শব্দৰ ব্যৱহাৰ কৰি অলংকাৰটো চিহ্নিত কৰা হয়। ইহঁতক উৎপ্ৰেক্ষাবাচক শব্দ বোলে। আনহাতে উপমা অলংকাৰতো 'যেন' শব্দটি ব্যৱহাৰ কৰা হয়। দুটাৰ মাজত পাৰ্থক্য হ'ল — তুলনাটি সাধাৰণ দৃষ্টিৰে বুজি পালে উপমা হ'ব আৰু সাধাৰণ দৃষ্টিৰে সম্ভৱ নোহোৱা যেন হ'লে উৎপ্ৰেক্ষা হ'ব।

উৎপ্ৰেক্ষা অলংকাৰক মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে— প্ৰতীয়মানা

উৎপ্রেক্ষা আৰু বাচ্যা উৎপ্রেক্ষা।

- *বাচ্যা উৎপ্রেক্ষা ঃ* যিবোৰ উৎপ্রেক্ষা অলংকাৰত উৎপ্রেক্ষাবাচক শব্দৰ দ্বাৰা অলংকাৰটি নিৰূপণ কৰা হয় সেয়া বাচ্যা উৎপ্রেক্ষা। উৎপ্রেক্ষা অলংকাৰ বুজাবলৈ ব্যৱহাৰ কৰা উদাহৰণটিয়েই বাচ্যা উৎপ্রেক্ষাৰ এটা প্ৰকৃষ্ট উদাহৰণ। তাত 'যেন' উৎপ্রেক্ষাবাচক শব্দটি ব্যৱহাৰ কৰা হৈছে।
- *প্ৰতীয়মানা উৎপ্রেক্ষা ঃ* যিবোৰ উৎপ্রেক্ষা অলংকাৰত উৎপ্রেক্ষাবাচক শব্দ নাথাকে কিন্তু অৰ্থৰ দ্বাৰাই উৎপ্রেক্ষা অলংকাৰ হিচাপে প্ৰতীতি যাব পৰা হয় তাকে প্ৰতীয়মানা উৎপ্রেক্ষা বোলে। যেনে—

ওখৰ মলয়াই মৰমৰ হাতেৰে
চোতালৰ ধূলি সাৰে।

এই কাব্যাংশত মলয়া বতাহে ধুমুহাৰ সৃষ্টি কৰি চোতালৰ সকলো ধূলি-বালি উৰুৱাই নিয়া কথাটি যেন মৰমৰ হাতেৰেহে চোতালৰ ধূলিবোৰ সাৰি নিয়ে বুলি কবিৰ প্ৰৱল সন্দেহটি উপস্থাপিত হৈছে। এয়া অবাস্তৱ যদিও কবিৰ দৃষ্টিত সেয়া একাকাৰ হৈ গৈছে। ইয়াত 'যেন' আদি উৎপ্রেক্ষাবাচক শব্দৰ ব্যৱহাৰ হোৱা নাই যদিও কবিৰ বক্তব্যটি প্ৰকাশ নোহোৱাকৈ থকা নাই, সেয়ে ই প্ৰতীয়মানা উৎপ্রেক্ষা অলংকাৰ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৭ ঃ** 'অধ্যাৱসায়' শব্দটিয়ে অলংকাৰ শাস্ত্ৰত কি অৰ্থ সূচায়।

..............................................................................................

## ৮.৪.৪ ভ্ৰান্তিমান

ভ্ৰান্তিমান শব্দটোৱে অৰ্থ নিৰ্দ্ধাৰণ কৰে— ভ্ৰম, বিস্মৰণ, পাহৰণ আদি। এই অৰ্থকেইটাৰ আঁত ধৰিয়েই আমি ধাৰণা কৰিব পাৰোঁ যে এইবিধ অলংকাৰত ভ্ৰম জড়িত হৈ আছে। কোনো এটা বস্তুক আন এটা বস্তু বুলি ভ্ৰম কৰা কথাখিনি কবি কল্পানাৰে যদি চমৎকাৰিত্ব লাভ কৰে তেতিয়া সি ভ্ৰান্তিমান অলংকাৰ হয়। মূল কথাটি হ'ল— সেই ভ্ৰম সহৃদয় সমাজৰ হৃদয় চমৎকাৰক হ'ব লাগিব। যেনে —

মুখ চন্দ্ৰসম শোভে পদ্মৰ সুৰভি লোহে
বেঢ়ি মধুকৰে ৰোল।

এই উদাহৰণটিত দেখা গৈছে যে — মুখখন চন্দ্ৰৰ দৰে শোভিত আৰু তাৰপৰা যেন পদুম ফুলৰ সুবাস নিগৰিছে। সেই বাবে মৌমাখিয়ে ভুলতে পদুম বুলি মুখখন

আগুৰি ধৰিছে। ইয়াত মৌমাখিয়ে মুখখন বেঢ়ি ধৰা কথাটিত ভ্ৰান্তিমান অলংকাৰ সৃষ্টি হৈছে।



**চিন্তা-চৰ্চা কৰক — ৮.২**

তলত উল্লেখ কৰা কাব্যাংশত কি অলংকাৰ নিহিত হৈ আছে বিচাৰ কৰি ব্যাখ্যা কৰিবলৈ চেষ্টা কৰক—

(ক) প্ৰকৃতিৰ কামনাৰ সৌন্দৰ্য ৰঞ্জিত।
কবিতা কল্পনাময়ী কবিৰ বাঞ্ছিত।।

(খ) তুমিয়ে ধন, তুমিয়ে জন, তুমিয়ে আমাৰ নয়নৰ মণি

(গ) ওপৰত মেঘ যেন দেখিয় শোভন।
বাঢ়িল নিকলি যেন পৃথিৱীৰ স্তন।।
শিখৰে উপৰে মন্দাকিনী শুক্ল জল।
তনক ঢাকিয়া যেন বস্ত্ৰৰ আঞ্চল।।

(ঘ) ৰত্নৰ চাৰু কুন্দৰখ জালে।
ধূপ ধূম্ৰচয় বজায় বোম্বালে।।
মেঘ বুলি তাক ময়ূৰ গণে।
গৃহত চড়িয়া নাচ সঘনে।।




## ৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শব্দালংকাৰত অলংকাৰৰ সৌন্দৰ্যৰ মূল হ'ল বৰ্ণ। শব্দালংকাৰৰ শ্ৰেণীবিভাগ সম্পৰ্কেও বিভিন্ন অলংকাৰিৰ মাজত মতভেদ থকা পৰিলক্ষিত হয়। তথাপিও মম্মটকে আদি কৰি বিভিন্ন আলংকাৰিকে অনুপ্ৰাস, যমক, শ্লেষ, বক্ৰোক্তি, পুনৰুক্তবদাভাস আৰু চিত্ৰ— এই ছটা ভাগত শব্দালংকাৰক ভাগ কৰিছে।
- ৰসপুষ্টিৰ বাবে ওচৰা-ওচৰিকৈ কৰা বৰ্ণৰ বিন্যাসকে অনুপ্ৰাস বোলা হয়। অনুপ্ৰাস অলংকাৰটিকো আলংকাৰিকসকলে পুনৰ পাঁচটা উপবিভাগত ভাগ কৰিছে। যথা — অন্ত্যানুপ্ৰাস, ছেকানুপ্ৰাস, বৃত্তানুপ্ৰাস, শ্ৰুত্যানুপ্ৰাস আৰু লাটানুপ্ৰাস।
- স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ একেটা থুল বা পদ অৰ্থ থাকিলে ভিন্ন অৰ্থত আৰু অৰ্থ নাথাকিলে নিৰৰ্থকভাৱেই একে ক্ৰমতে উচ্চাৰিত হ'লে যি অলংকাৰৰ সৃষ্টি হয় তাকে যমক অলংকাৰ বোলে।
- বাক্যত কোনো এটা শব্দৰেই দুই বা তাতোধিক অৰ্থ নিৰূপণ কৰিলে যি অলংকাৰৰ সৃষ্টি হয়

তাকে শ্লেষ অলংকাৰ বুলি কোৱা হয়। আনহাতে বক্রোক্তি অলংকাৰত বক্তাই যি অর্থৰে শব্দটি ব্যৱহাৰ কৰে শ্ৰোতাই সেই অৰ্থত নলৈ আন এটি অৰ্থ গ্ৰহণ কৰে।

- অৰ্থালংকাৰ নিৰ্ভৰশীল কাব্যৰ অৰ্থৰ ওপৰত, অৰ্থ একে ৰাখি শব্দৰ পৰিৱৰ্তন ঘটালেও ইয়াৰ অস্তিত্বত ব্যাঘাত নঘটে। আন ক্ষেত্ৰবোৰৰ দৰে অৰ্থালংকাৰৰ শ্ৰেণীবিভাজনৰ ক্ষেত্ৰটো আলংকাৰিকসকলৰ মাজত মতবিৰোধ আছে। তথাপিও স্থূলভাৱে অৰ্থালংকাৰক মূলত ৬টা ভাগত ভগাব পাৰি। যথা— (ক) সাদৃশ্যমূলক, (খ) বৈসাদৃশ্যমূলক, (গ) শৃংখলামূলক, (ঘ) ন্যায়মূলক, (ঙ) গূঢ়াৰ্থমূলক, আৰু (চ) মিশ্ৰ অলংকাৰ।
- স্পষ্ট আৰু বৈচিত্ৰ্যজনিত সাদৃশ্যৰে দুটা বিজাতীয় বস্তুৰ কোনো গুণ, ধৰ্ম, ক্ৰিয়াৰ মিল থকাৰ ফলত দুয়োটাকে পৰস্পৰে সদৃশ বুলি প্ৰতীতি হোৱাৰ লগতে সহৃদয় পাঠক সমাজৰ হৃদয় আহ্লাদিত কৰিলে যি অলংকাৰ সৃষ্টি হয় তাকে উপমা অলংকাৰ বোলে। অলংকাৰক মূলতঃ দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। যথা— পূৰ্ণোপমা আৰু লুপ্তোপমা। ইয়াৰ উপৰি একোপমা, মালোপমা, ৰসনোপমা, উপমেয়োপমা, একদেশৰিৰ্তিনী উপমা আদি উপমাৰ বিভিন্ন শ্ৰেণী বিভাগৰ কথা উল্লেখ কৰা হয়।
- উপমেয়টিক উপমান ৰূপে কল্পনা কৰিলে যি সহৃদয় চমৎকাৰকতা উৎপন্ন হয় আৰু অলংকাৰৰ সৃষ্টি কৰে তাকে ৰূপক অলংকাৰ বোলে। ৰূপক অলংকাৰকো মূলতঃ তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে। যথা— সাংগৰূপক, নিৰংগৰূপক আৰু পৰম্পৰিত ৰূপক। ইয়াৰ উপৰি বিভিন্ন আলংকাৰিলে ৰূপক অলংকাৰক শ্লিষ্ট ৰূপক, অধিকাৰূয় বৈশিষ্ট্য ৰূপক, মালাৰূপক আদি ভাগত ভাগ কৰাৰ কথাও উল্লেখ কৰিছে।
- উপমান আৰু উপমেয়ৰ মাজত থকা সাদৃশ্যৰ বাবে উপমানকেই উপমেয় বুলি ধাৰণা বা বোধ জন্মিলে যি অলংকাৰৰ সৃষ্টি হয় তাকে উৎপ্ৰেক্ষা অলংকাৰ বোলে।
- কোনো এটা বস্তুক আন এটা বস্তু বুলি ভ্ৰম কৰা কথাখিনি কবি কল্পনাৰে যদি চমৎকাৰিত্ব লাভ কৰে তেতিয়া সি ভ্ৰান্তিমান অলংকাৰ হয়।



## ৮.৬ অধিক জানিবলৈ

১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।
২) ডেকা, ধৰ্ম্মসিংহ (২০০৬); *ছন্দ আৰু অলংকাৰ;* গুৱাহাটী ঃ অসম বুক ডিপো।
৩) বৰা, মহেন্দ্ৰ (১৯৯৭); *অসমীয়া ছন্দৰ শিল্পতত্ত্ব;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টʼৰচ্।
৪) বৰা, মহেন্দ্ৰ (১৯৯০); *অসমীয়া কবিতাৰ ছন্দ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
৫) বৰা, যতীন (১৯৯৯); *ছন্দ, ধ্বনি আৰু অলংকাৰ;* ডিব্ৰুগড় ঃ বনলতা।
৬) বৰুৱা, নৰকান্ত (১৯৬৪); *অসমীয়া ছন্দ শিল্পৰ ভূমিকা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টʼৰচ্।

৭) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৮) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৯) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) শৰ্মা, সোণাপতি দেৱ (২০০৮); *অসমীয়া সাহিত্যৰ সাজ;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

## ৮.৭ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** অভেদ।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** অধ্যাৱসায় মানে হ'ল অভেদ বুলি নিশ্চিত কৰা।

## ৮.৮ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অনুপ্ৰাস অলংকাৰক পুনৰ কেইটা উপবিভাগত ভাগ কৰা হৈছে?

(খ) শ্ৰুত্যানুপ্ৰাস অলংকাৰ কাক বোলে?

(গ) ৰূপক অলংকাৰ কেই প্ৰকাৰৰ আৰু কি কি?

(ঘ) প্ৰতীয়মানা উৎপ্ৰেক্ষা কাক বোলে?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** শব্দালংকাৰ কাক বোলে? ইয়াৰ ভাগ কি কি?

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক —

অনুপ্ৰাস, যমক, শ্লেষ, বক্ৰোক্তি, উপমা, ৰূপক, উৎপ্ৰেক্ষা, ভ্ৰান্তিমান

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** অৰ্থালংকাৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

**প্ৰশ্ন ২ ঃ** উপমা কাক বোলে? প্ৰত্যেক বিধ উপমা অলংকাৰৰ বিষয়ে উদাহৰণসহ বুজাই লিখক।

**প্ৰশ্ন ৩ ঃ** অনুপ্ৰাস অলংকাৰ কাক বোলে? প্ৰত্যেক বিধ অনুপ্ৰাস অলংকাৰৰ বিষয়ে উদাহৰণসহ বুজাই লিখক।

*** ***** ***